ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

# DHAKUAKHANA COLLEGE MAGAZINE



সম্পাদনা : জয়ন্ত মাধৱ বৰুৱা

# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

অজ্ঞানৰ আন্ধাৰ বিনাশো
ঢকুৱাখনা কলেজ

১৯৬৬

অষ্টাদশ সংকলন:
১৯৯৪-৯৫ চন

সম্পাদনাত
জয়ন্ত মাধৱ বৰুৱা

# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

অষ্টাদশ সংখ্যা ঃ ১৯৯৪-৯৫ বৰ্ষ

## সম্পাদনা সমিতি ঃ

তত্ত্বাবধায়ক ঃ প্ৰবক্তা ডিম্বেশ্বৰ গগৈ
প্ৰবক্তা ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঁঞি

সম্পাদক ঃ জয়ন্ত মাধৱ বৰুৱা

শিক্ষক সদস্যঃ প্ৰবক্তা অচ্যুত গগৈ

ছাত্ৰ সদস্য ঃ পবিত্ৰ কুমাৰ গগৈ
ভুপেন কুমাৰ কোঁৱৰ
ৰাজেন্দ্ৰ কুমাৰ বৰুৱা
ৰঞ্জিত সন্দিকৈ
শুভ দাস।

*   *   *   *

প্ৰচ্ছদপট আৰু স্কেচ শিল্পী ঃ ভুপেন কুমাৰ কোঁৱৰ

অন্তৰ্ভাগ অলংকৰণ ঃ ভুপেন কুমাৰ কোঁৱৰ
জয়ন্ত মাধৱ বৰুৱা

সামগ্ৰিক পৰিকল্পনা আৰু অগংসজ্জা ঃ সম্পাদক

মুদ্ৰক ঃ বাণী প্ৰকাশ মুদ্ৰণী প্ৰাইভেট লিমিটেড
ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট্
বামুণীমৈদাম, গুৱাহাটী-২১

## ভিতৰ চ'ৰাত ঃ

* উছৰ্গা
* অশ্ৰু অঞ্জলি
* একাঁজলি স্মৃতি তৰ্পণ
* বেটুপাতৰ কথা, কৃতজ্ঞতাৰ শৰাই

❑ অসমীয়া শিতান ঃ

— সম্পাদকীয়
— প্ৰবন্ধ
— ব্যংগ ৰচনা
— কবিতাৰ চিটিক্নি
— গল্প

❑ প্ৰাচীৰ পত্ৰিকা শিতান ঃ

❑ ঢকুৱাখনা কলেজ শিতান ঃ

❑ English Section :

প্ৰকাশক ঃ ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ আলোচনী বিভাগৰ সম্পাদক জয়ন্ত মাধৱ বৰুৱাৰ দ্বাৰা প্ৰকাশিত।

To Head. Asstt
S.D.C. Office Dhakuakhana

To D. C. Library
Specimen Copy
With Thanks
K. M. Baruah
Editor
Dhakuakhana College Magazine
D.K.C.S.U.

## উছৰ্গা

"... ...... ...
তেওঁ এদিন আহিবই আহিব এই বাটেৰে
শান্তিৰ ধ্বজা উৰাই হিল-দ'ল ভাঙি
ধৰণী কঁপাই ভৰিৰে
খোজত।"

মুক্তিকামী,
শান্তিপিয়াসী,
নতুন পুৰুষৰ হাতত
এই সংখ্যাৰ আলোচনী খনি
উছৰ্গা কৰিলোঁ।

—সম্পাদক—

# ॥ অশ্ৰু-অঞ্জলি ॥

'মৃত্যুও কেতিয়াবা অসহজ সংবাদ
ঘন কুঁৱলীয়ে ঢকা কলিজাহীন আকাশ ।'

ব্যস্ত কৰ্মময় সংসাৰৰ ব্যস্ততাৰ মাজতো যিসকল মনিষীয়ে স্বদেশ, স্বজাতি আৰু বিশ্ব মানৱৰ বাবে সময় ব্যয় কৰি নিজস্ব বৈশিষ্ট্য ব্যক্তিত্বৰে বিশিষ্ট অৱদান আগবঢ়াই বিগত বছৰটোত মৃত্যুক সাঁকোৱালি লৈ আমাৰ মাজত স্মৃতি হৈ পৰিল, সেই সকলৰ পৱিত্ৰ স্মৃতিত সশ্ৰদ্ধ অশ্ৰু-অঞ্জলি নিবেদন কৰিলোঁ :

- ৰাম গোস্বামী : পথাৰৰ কবি
- ড° প্ৰফুল্ল দত্তগোস্বামী : লেখক; গৱেষক
- আশাপূৰ্ণা দেৱী : জ্ঞানপীঠ বঁটা বিজয়ী বাংলা লেখিকা
- ড° মহেশ্বৰ নেওগ : গৱেষক পণ্ডিত, পাচ্যতত্ত্ববিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি
- শক্তি চট্টোপাধ্যায় : বাংলা লেখক

আৰু জ্ঞাত অজ্ঞাত সকললৈ ..........

## : সোঁৱৰণ :

"সোঁৱৰণী মোৰ সেয়ে হওঁক তোৰ বাণী
শবাই ভৰাই দিলো ফুল তাতো চকুপানী ।"

'জীৱনৰ সন্ধানত
কাব্যিক যাত্ৰাত নিৰুদ্দিষ্ট'
কবি অৱনী চক্ৰৱৰ্তীৰ প্ৰতি ..................

—সম্পাদনা সমিতি

## একাঁজলি স্মৃতি-তৰ্পণ

জন্ম ০৫/০৫/১৭

মৃত্যু ০৪/০১/৯৫



৺জগত চন্দ্ৰ দত্তবৰা



জন্ম

মৃত্যু ২৩/২/৯৫

৺খৰ্গেশ্বৰ কোঁৱৰ

মৃত্যুৰ শীতল স্পৰ্শত আমাৰ মাজৰপৰা হেৰাই যোৱা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক ৺জগত চন্দ্ৰ দত্ত বৰাদেৱ যিজনাই আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত অক্লান্ত শ্ৰমেৰে ত্যাগ স্বীকাৰ কৰিছিল, মহাবিদ্যালয়ৰ প্ৰতিটো অংগতে যিজনাৰ অৱদানৰ পৰশ বিদ্যমান,

কৰ্মৰত অৱস্থাতে হঠাৎ অসুস্থ হৈ মৃত্যুক আকোঁৱালি লোৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক মূখ্য কাৰ্য্যালয় সহায়ক ৺খৰ্গেশ্বৰ কোঁৱৰ যিজনে কেৱল কামকে চিনি পাইছিল,

আৰু

যোৱা ইং ৯/৯/৯৫ তাৰিখে আকস্মিকভাৱে মৃত্যুক সাবটি লোৱা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (পূৰা), কলা বিভাগৰ ছাত্ৰ ৺জয়ন্ত চেতিয়াৰ পবিত্ৰ স্মৃতিত আমাৰ অশ্ৰুসজল পুষ্পাৰ্ঘ অৰ্পণ কৰিছোঁ, তেওঁলোকৰ আত্মাই চিৰ শান্তি লাভ কৰক ।

সম্পাদনা সমিতি

## বেটুপাতৰ কথা

### প্ৰচ্ছদ পট ঃ

চকুৰাখনা মহাবিদ্যালয়ৰ চিন স্বৰূপ মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰখন, সুদীৰ্ঘ উনত্ৰিশটা বছৰ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত চকুৰাখনা মহাবিদ্যালয়, যি প্ৰবেশদ্বাৰৰ তলেদি সোমাই জ্ঞানৰ আলোকেৰে উদ্ভাসিত হৈ জীৱনক গঢ় দি ওলাই যাব সেই প্ৰবেশদ্বাৰৰ তলেদি অজ্ঞানৰ আন্ধাৰ বিনাশী।

## কৃতজ্ঞতাৰ শৰাই

- অধ্যক্ষ শিৱ প্ৰসাদ গগৈ,
  উপাধ্যক্ষ দশৰথ পাঠক,
  অমিয় কুমাৰ সন্দিকৈ,
  জিতৰাম কলিতা,
  দিলীপ হতীবৰুৱা চাৰ,
  বিভা দত্ত নেওগ আৰু
  বাসন্তী মৰাং বাইদেউ লৈ
- ইন্দিবৰ বুঢ়াগোহাঁঞি,
  জয়চন্দ্ৰ হাজৰিকা,
  প্ৰদীপ গগৈ,
  সুকুমাৰ ফুকন
  তিলোত্তমা গগৈ
  মোহন লাগাছু আৰু
  দিগন্ত কুমাৰ গগৈ লৈ
- আলোচনী পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱাৰ বাবে ৰাজ্যিক যুৱ-ছাত্ৰ কল্যাণ উপদেষ্টা সমিতি, অসম লৈ
- লেখনিৰে আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰা সকল লৈ
- মহবিদ্যালয় কাৰ্য্যালয়ৰ কৰ্মীবৃন্দ লৈ
- লগ পালেই 'আলোচনী নোলাব নেকি? বুলি আৱদাৰ ধৰা সকললৈ
- সম্পাদনা সমিতিৰ প্ৰত্যেকজন সদস্যলৈ আন্তৰিক কৃতজ্ঞতা
- ছপাশালৰ উপযোগীকৈ পাণ্ডুলিপি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত অশেষ কষ্ট স্বীকাৰ কৰা ভূপেন কুমাৰ কোঁৱৰ আৰু পবিত্ৰ কুমাৰ গগৈ লৈ বিশেষ কৃতজ্ঞতা
- ছাত্ৰ একতা সভাৰ বিষয় ববীয়া তথা সদস্যবৃন্দলৈ।
- বাণী প্ৰকাশ মুদ্ৰনীৰ স্বতাধিকাৰ আৰু কৰ্মীবৃন্দলৈ
- সদৌ শেষত মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদক



# অসমীয়া শিতান

## –ঃ সম্পাদকীয় ঃ– কিছু অসংলগ্ন চিন্তাৰ সংমিশ্ৰণ–

### ঢকুৱাখনা মহাবিদ্যালয় আলোচনী ঃ

শিক্ষানুষ্ঠান এটাৰ আলোচনীখন ইয়াৰ সৈতে জড়িতসকলৰ বৌদ্ধিক বিকাশৰ মাপকাঠি। ঢকুৱাখনা মহাবিদ্যালয়ৰ আলোচনী সমূহে ছাত্ৰ-ছাত্ৰী সকলৰ মানসিক তথা বৌদ্ধিক বিকাশ ঘটোৱাত সম্পূৰ্ণৰূপে সফল নোহোৱা যেন অনুভৱ হয়। মহাবিদ্যালয়ৰ চিৰাচৰিত পৰম্পৰাৰ বিপৰীতে এই সংখ্যাৰ আলোচনীখন আমাৰ নিজৰ কাৰ্যকালৰ ভিতৰতে আপোনাসৱৰ হাতত তুলি দিবলৈ আমি অনেক প্ৰতিকূল পৰিবেশ আৰু পৰিস্থিতি স্বত্বেও যৎপৰোনাস্তি চেষ্টা চলাই অৱশেষত সময়মতে আপোনাসৱৰ হাতত অৰ্পন কৰিবলৈ সমৰ্থ হৈ আমি যথেষ্ট সুখী।

### সমাজ আৰু সাহিত্যঃ

সাহিত্যৰ তুলনাত সমাজ অতি প্ৰাচীন। সাহিত্য সৃষ্টিৰ বহু পূৰ্বেই সমাজ গঠিত হৈছিল। কিন্তু, বিশ্ব সাহিত্য তথা আমাৰ ঘৰুৱা সাহিত্য আৰু সমাজৰ ইতিহাসৰ বিশ্লেষণাত্মক অধ্যয়ন কৰিলে আমি পাওঁ যে সাহিত্য, এখন সুদৃঢ়, সুস্থ-সবল সমাজ গঢ়াৰ কাৰক হিচাপে পৰিগণিত হৈ আহিছে। এই ক্ষেত্ৰত ১৫ শ শতিকাৰ অসমৰ সমাজ আৰু শংকৰদেৱৰ সৃষ্টিৰাজিৰ উদাহৰণেই যথেষ্ট।

সাহিত্যৰ সৃষ্টিৰাজিক যদি এটা বৃত্ত বুলি ধৰা হয়, তেন্তে সাহিত্য ইয়াৰ কেন্দ্ৰ আৰু সমাজ হ'ল পৰিধি। 'কলা-কৈবল্যবাদ 'অৰ্থাত কলাৰ বাবে কলা' বা 'সাহিত্যৰ বাবে সাহিত্য' সৃষ্টি'ৰ কোনো যুক্তিযুক্ততা নাই। সাহিত্য জনগনৰ বাবেহে হোৱা উচিত। যি সাহিত্যই সমসাময়িক সমাজব্যৱস্থাৰ দোষ-গুণ প্ৰতিফলিত কৰিব পাৰে সেয়াহে প্ৰকৃত সাহিত্য। সমাজৰ মূল্যবোধ, দুখ-সুখ সাহিত্যৰ জৰিয়তে চিহ্নিত হ'ব লাগিব। সমাজৰ সমস্যাসমূহৰ মূল ক'ত, ইয়াৰ সমাধানৰ উপায় কি, তাক বিশ্লেষণ কৰি দেখুওৱাজনহে প্ৰকৃত সাহিত্যিক। সৃষ্টিশীল সাহিত্য সদায় সত্য আৰু বাস্তৱৰ ওপৰত নিৰ্ভৰশীল। কাৰণ সত্য আৰু বাস্তৱ চিৰযুগমীয়া। অসত্য আৰু কল্পনা বালিঘৰৰ নিচিনা।

### সাহিত্য জনগণৰ বাবেঃ

জনগণ ৰাষ্ট্ৰ তথা সমাজৰ মুখ্য উপাদান। সমাজৰ ৰীতি-নীতি, পৰম্পৰা তথা প্ৰতিটো সামাজিক কৰ্মৰ লগত জনগণ প্ৰত্যক্ষভাবে জড়িত। এখন সমাজৰ ব্যক্তিসকলৰ সত্তাৰ সমষ্টিগত ৰূপেই সাহিত্য। সাহিত্যই সমাজপ্ৰিয় মানুহৰ মানৱজীৱনৰ সামাজিক, অৰ্থনৈতিক ৰাজনৈতিক আদিকে ধৰি বিভিন্ন দিশৰ বিষয়ে বিশ্লেষণ কৰে। সাহিত্য হৈছে এটা জাতিৰ জীৱন-যাত্ৰাৰ প্ৰতিবিম্ব। গতিকে জনগনক বাদ দি সাহিত্য সৃষ্টিৰ কথা আৰু সাহিত্যক বাদ দি জনগণৰ কথা চিন্তাই কৰিব নোৱাৰি। সেয়ে আমাৰ সাহিত্য সৃষ্টি' হওক জনগণৰ বাবে; সাহিত্য সৃষ্টি'ৰ মুখ্য উদ্দেশ্য হওক সৰ্বসাধাৰণৰ কল্যাণ। সাহিত্যত প্ৰতিফলিত হওক জনগণৰ আবেগ অনুভূতি, দাবী প্ৰতিবাদ।

### ঢকুৱাখনাঃ আমি বাৰু কিমান সচেতন?

ভূগোল বিষয়টো বৰ্ত্তমান স্কুলীয়া পাঠ্যক্ৰমৰ পৰা নিলগাই থোৱা হৈছে। ভূগোলৰ কি, ক'ত কিয় বিখ্যাত শিতানত উল্লেখ আছিল—'ঢকুৱাখনা ভদ্ৰলোকৰ বাসস্থান।' চিপাহী বিদ্ৰোহৰ সময়তেই (১৮৫৭) এখন আৰক্ষী থানা, যি সময়ত অসমৰ বাদেই ভাৰতবৰ্ষতেই শিক্ষা প্ৰসাৰৰ পৰিসৰ তেনেই সীমিত আছিল সেই সময়তেই (১৮৭২) এখন মজলীয়া বিদ্যালয়, যি সময়ত নাৰী শিক্ষা তথা সহশিক্ষা অসমৰ ইতিহাসত বিৰল আছিল সেই সময়তেই এখন বালিকা মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয় (১৯৩৬ বৰ্ত্তমান উচ্চতৰ পৰ্য্যায়লৈ উন্নীত) ঢকুৱাখনাত স্থাপন

হৈছিল। ঢকুৱাখনা অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান আমাৰ মহাবিদ্যালয়খন স্থাপন হৈছিল ১৯৬৬ চনত (স্বাধীনতাৰ ২০ বছৰৰ পাছত) কেৱল কলা বিভাগেৰে। যি সময়ত অসমৰ ইতিহাসত শিক্ষাৰ প্ৰসাৰতা সীমিত হোৱা স্বৰ্তেও কেইজনমান বৰেণ্য ব্যক্তিৰ চেষ্টাত উচ্চ মাধ্যমিক পৰ্য্যায়লৈকে শিক্ষানুষ্ঠান গঢ়ি উঠিছিল আৰু শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰিছিল, সেইখন ঢকুৱাখনাত এখন মহাবিদ্যালয় স্থাপনৰ বাবে তিনিটা দশক (১৯৩৬-৬৬) আৰু বিজ্ঞান শাখাটো সক্ৰিয় হওঁতে আৰু তিনিটা দশক (১৯৬৬ ৯৫) ৰ আৱশ্যক হোৱাটোৱে বাৰু ঢকুৱাখনাৰ ভদ্ৰলোক (শিক্ষিতলোক) সকলৰ শিক্ষাৰ অসাৰ্থকতাকে কসূচায়নে?

আমাৰ অঞ্চলটোৰ মানুহৰ এটা সহজাত প্ৰবৃত্তি বা ধাৰণা (মেনিয়া বা ফ'বিয়া বুলি কব পৰা যায় নেকি?) যে ঢকুৱাখনা অতি পিছপৰা অঞ্চল। হয়, একেষাৰতে ক'ব পাৰি ঢকুৱাখনা এটা অতি পিছপৰা অঞ্চল ইয়াৰ যাগাযোগ আৰু যাতায়ত ব্যৱস্থা, আৰ্থ-সামাজিক অৱস্থা দুখজনক হোৱাৰ লগতে পুতৌজনক। ইয়াত সাধাৰণ জীৱন ধাৰণৰ অত্যাৱশ্যকীয় সকলো সা-সুবিধাৰে অভাব। ১৯৮৯ চনতে ইয়াত মহকুমা স্থাপন কৰা হয়। মহকুমা সদৰ হিচাপে থাকিব-লগীয়া নূন্যতম সুবিধাখিনিৰ এতিয়াও অভাব পৰিলক্ষিত হয়। সকলোবোৰ গাওঁতে বৈদ্যুতিকৰণ হোৱা নাই যদিও হোৱা কেইখনত নিয়মীয়া বিজুলীযোগানৰ অভাৱ, লগতে বিশুদ্ধ খোৱা-পানী যোগানৰো ব্যৱস্থা নাই। এই যে সকলো দিশতে ঢকুৱাখনাত কেৱল 'নাইটোহে আছে, ইয়াৰ গুৰিতে কি?

ঐতিহাসিকভাবে মহিমামণ্ডিত ঢকুৱাখনাৰ দুৰ্গতিৰ বাবে আজিৰ চামে বাৰু কাক দোষাৰোপ কৰিব? চামে চামে এজাক জ্ঞান পিপাসুৱে শিক্ষাৰ আলোকেৰে নিজকে আলোকিত কৰি ঢকুৱাখনাৰ মাটিৰ গোন্ধ-মোহ এৰি চহৰ অভিমূখী হৈ ঢকুৱাখনাকে মূলধন হিচাপে লৈ বুদ্ধিজীৱি আদি কৰি নানা বৃত্তি গ্ৰহন কৰি নিৰাপদ দূৰত্বত অৱস্থান কৰি একস্বচ্ছল জীৱন অতিবাহিত কৰিছে। অসমৰ ৰাজনীতিৰ পথাৰ (ৰাজনীতি এখনদেশৰ চালিকা শক্তি), শিক্ষাৰ পৰিচালনাৰ পথাৰ, বুদ্ধিজীৱিৰ (লেখি মেলাৰ ক্ষেত্ৰ। পথাৰখনত ঢকুৱাখনাৰ মাটিৰ গোন্ধ আৰু বায়ুৰে আয়ুষ্মান সকলৰ খদম্‌দম্ আমি দেখি আহিছো। তেওঁলোক অঞ্চলটোৰ অৱস্থাৰ বিষয়ে ভালকৈয়ে অৱগত। নানা অসুবিধাৰ মাজেৰে তেওঁলোক ইয়াৰ পৰা ওলাই গৈছে। আৰু সুবিধাৰ জগতখনত খুপনি লৈছেগৈ। তেওঁলোকৰ এই পশ্চাৎমুখী গতিয়ে অঞ্চলটোক 'কাগজৰ বাঘ' হে কৰি তুলিছে। নতুন প্ৰজন্মই যুগে যুগে একেখিনি অসুবিধাৰ মন্মুখীন হৈ আহিছে তেওঁলোকৰ নিজা জন্ম ঠাইখনৰ বাবে, ইয়াৰ মানুহখিনিৰ বাবে, ভবিষ্যত প্ৰজন্মৰ বাবে কিঞ্চিতমানো কৰ্তব্যবোধ নাজাগিবনে? আমাৰ বিধানসভা আৰু লোকসভালৈ নিৰ্বাচিত হৈ অহা (বাইজৰ প্ৰতিনিধি?) সকলে অঞ্চলটোৰ সমস্যা বোৰৰ এখন বাস্তৱ প্ৰতিচ্ছবি সদনৰ মজিয়াত বা চৰকাৰৰ ওচৰত দাঙি ধৰিবলৈ সক্ষম হোৱা নাই, সমাধানৰ কথা নকলোৱেইৱা! শেহতীয়াকৈ কিবা দুই এটা হৈছে যদি তাক বাদ দি)। তাৰোপৰি আমি সততে দেখিবলৈ পাইছো যে আমাৰ ম'জৰে এচাম স্বাৰ্থান্বেষী সুবিধাবাদী ব্যক্তিৰ প্ৰৰোচনাত পৰি ইয়ালৈ অহা চৰকাৰী আমোলা বিষয়া সকলৰ বাবে ঢকুৱাখনা 'খিৰতী গাই' বিলাস আমোদৰ ভূ-স্বৰ্গলৈ পৰিৱৰ্তিত হৈছে। ঢকুৱাখনা চহৰ অভিমূখী এটা সৰু অঞ্চল। অঞ্চলটোৰ প্ৰত্যেকেই প্ৰায় প্ৰত্যেকাকে জানে আৰু জানিবলৈ সুবিধা আছে। আগশাৰীত থকা তথা নেতৃস্থানীয় ব্যক্তি-সকলৰ গতিবিধি পৰ্য্যবেক্ষণ সচেতন সকলে কৰি আছে আৰু কৰিব। নিজক কোনো দিনেই আঁৰ কৰি ৰাখিব নোৱাৰি। ঢকুৱাখনাৰ প্ৰত্যেকেই বাঞ্ছা কৰে যে ব্যক্তিগত স্বাৰ্থক গৌণ কৰি তেওঁলোক ঢকুৱাখনাৰ উন্নয়নমূলক কামত ব্ৰত হওঁক।

আমাৰ মহাবিদ্যালয়খন গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠান। ইয়ালৈ চহৰৰ পৰা বা আতঁৰৰ পৰা শিক্ষাগ্ৰহন কৰিবলৈ কোনো নাহে। ঢকুৱাখনাৰ অৰ্থিকভাবে দুৰ্বলশ্ৰেণীয়ে ইয়াতে গ্ৰহন কৰিব লাগিব তথাকথিত শিক্ষাৰ ডিগ্ৰী। যোৱা সকলতো গ'লেই। আমি উঠিঅহা চামে পৰমুখাপেক্ষী হৈ হাত সাৱটি বহি থাকিলে ন'হব। ঢকুৱাখনা মহাবিদ্যালয় চৌহদৰপৰা আমি আৰম্ভ কৰিব লাগিব এটা পৰিবৰ্তনকামী সংগ্ৰাম। ঢকুৱাখনাক উত্তৰণৰ পথত আগুৱাই নিয়াৰ পথ এতিয়াও অৱৰুদ্ধ হোৱা নাই। মাথো তাৰ বাবে প্ৰয়োজন এটা নতুন সংস্কাৰকামী সুস্থ মানসিকতাৰ। ঢকুৱাখনাৰ ঐতিহ্য মণ্ডিত সংস্কৃতিক পুনৰজীৱিত কৰিবৰ বাবে এটা সুন্দৰ আৰম্ভনিৰ অৱকাশ এতিয়াও আছে। লাগে মাথো চেষ্টা, অধ্যয়ন আৰু এটা পৰিবৰ্তণকামী মনোবল।

জয়ন্ত মাধৱ বৰুৱা



# প্ৰবন্ধ

- সময় গতিশীল।
- সময়ৰ লগে লগে পৰিবৰ্তন হয় মানৱৰ জীৱন ধাৰা।
- পৰিবৰ্তন হয় সমাজ ব্যৱস্থা।
- উত্থান-পতন হয় ইতিহাসৰ।

............ সচেতনজনৰ কলমত
যুগে যুগে চিন্তা-চৰ্চ্চা হয়
সংকট আৰু সম্ভাৱনাৰ।

## একোটা সময়ৰ চিন্তা চেতনাই— সেই সময়ৰ যুগ-চেতনা

## এই সংখ্যাৰ প্ৰবন্ধলানিৰ অৰিহনা :


- নাৰীবাদ আৰু ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ — জিতৰাম কলিতা, মূৰব্বী, অসমীয়া বিভাগ।
- অসমত যুৱ-ছাত্ৰ আন্দোলনৰ প্ৰাসংগিকতা — ভূপেন কুমাৰ কোঁৱৰ, স্নাতক দ্বিতীয় বৰ্ষ (কলা)
- সাম্প্ৰতিক কালত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা — দিলীপ হাতীবৰুৱা, মূৰব্বী, পদাৰ্থ বিজ্ঞান বিভাগ
- আধুনিক অসমীয়া কবিতাৰ দুৰ্বোধ্যতা : এটি পৰ্য্যালোচনা — বিভা দত্ত নেওগ, প্ৰবক্তা, অসমীয়া বিভাগ।
- জন্ম শতবৰ্ষৰ সোঁৱৰণ : প্ৰখ্যাত পক্ষীবিদ চেলিম আলি — অনিল কুমাৰ বৰুৱা, স্নাতক প্ৰথম বৰ্ষ (কলা)
- কেপলাৰ আৰু গ্ৰহগতি সূত্ৰৰ এক আলোচ্য — বিমল কুমাৰ গগৈ, উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান)
- শিতানত এখন প্ৰেমৰ চিঠি আৰু এখনি হাস্য ব্যংগ চিত্ৰ : তেখেতৰ লেক্সাৰ — শুভ দাস, স্নাতক তৃতীয় বৰ্ষ — নন্দ চুতীয়া, গ্ৰন্থাগাৰ সহায়ক।


প্ৰবন্ধ

# নাৰীবাদ আৰু ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ


জিতৰাম কলিতা


নাৰীৰ অধিকাৰ আৰু মৰ্য্যদাৰ বাবে গঢ় লৈ উঠা আন্দোলনকে নাৰীবাদী আন্দোলন বুলি আখ্যা দিব পাৰি। অসমীয়া সমাজত নাৰীৰ শোচনীয় অৱস্থা আৰু নিজৰ ঘৰতে নাৰীৰ দুৰ্গতিৰ কথা সাহিত্যত প্ৰতিফলিত হৈ আহিছে। কিন্তু আন্দোলন হিচাপে গঢ় লৈ উঠে মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ৰ পৰা। এই আন্দোলনৰ ফলশ্ৰুতি হিচাপে ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো নাৰীৰ সমস্যাবোৰ আলোচিত হয় আৰু নাৰীকো পুৰুষৰ সম পৰ্য্যায়লৈ অনাত গুৰুত্ব আৰোপ কৰা হয়। নাৰীৰ অৱস্থা আৰু মৰ্য্যদা সম্পৰ্কে অসমত নাৰীসকলে যদিও ৰাজনৈতিক ভাবে সজাগ হৈছিল আচলতে অসমীয়া উপন্যাসত এনে চেতনা প্ৰকাশিত হৈছিল উপন্যাসিক ৰজনী কান্ত বৰদলৈৰ হাতত। মিৰি জীয়ৰী (১৮৯৪) উপন্যাসৰ বাহিৰে বৰদলৈৰ বাকী সাতখন ঐতিহাসিক উপন্যাস। বৰদলৈৰ উপন্যাসবোৰ উনৈশ শতিকাৰ শেষ দশকৰ পৰা কুৰি শতিকাৰ ৪ৰ্থ দশকৰ সময় খিনিত ৰচিত হয়। অসমৰ উক্ত সময় খিনিত ইংৰাজ শাসনৰ পতন হৈছিল। অৱশ্যে তেখেতৰ উপন্যাসত অষ্টাদশ শতিকাৰ শেষ দশকৰ আৰু উনৈশ শতিকাৰ আদি ভাগৰ অসমৰ সামাজিক জীৱন প্ৰতিফলিত কৰে। সেই সময়ত অসমৰ ৰাজ পাটত আহোমৰ শাসন চলি আছিল আৰু উক্ত সময়তে তিনিবাৰ মানৰ আক্ৰমন আৰু মায়ামৰা বিদ্ৰোহ দেখা দিছিল। ৰবদলৈক নাৰীবাদী লেখক হিচাপে আলোচনা কৰাৰ আগতে উক্ত সময়ত অসমত নাৰীৰ স্থান কেনেকুৱা আছিল তাকে আলোচনা কৰা যাওক।

অসমৰ আদিম অধিবাসী আছিল অষ্ট্ৰিক সকল। তেওঁলোক মাতৃ তান্ত্ৰিক সমাজ ব্যৱস্থাৰ অন্তৰ্ভূক্ত আছিল। তেওঁলোকৰ সমাজত নাৰীয়ে মুকলি মুৰীয়াকৈ জীৱন যাপন কৰিব পাৰিছিল আৰু সমাজত নাৰীৰ স্থান আৰু পৰিয়ালত ভূমিৰ সম্পৰ্কত কোনো প্ৰশ্ন উত্থাপিত হোৱা নাছিল। অষ্ট্ৰিক সকলৰ পিছত মঙ্গোলীয় গোষ্ঠীৰ মানুহে অসমত বসতি কৰে। এওঁলোকৰ দিনতো নাৰীৰ মৰ্য্যদা অলপো অৱনমিত হোৱা নাছিল। মাতৃকেন্দ্ৰিক সমাজ ব্যৱস্থাই হৈছে মানুহৰ স্বাভাৱিক সমাজ ব্যৱস্থা। সন্তান জন্ম দিয়া আৰু লালন-পালন কৰাৰ স্বাভাৱিক দায়িত্ব আৰু সেই সম্বন্ধীয় দৈহিক সীমাবদ্ধতাই নাৰীক প্ৰথমৰে পৰা সংৰক্ষনশীল আৰু গৃহাভিমূখী কৰি ৰাখিছিল। নাৰীৰ এনে সংৰক্ষনশীলতা আৰু গৃহমুখী স্বভাৱৰ ওপৰতে ভেঁটি কৰি ৰচনা হৈছে পৰিয়ালৰ, যাক মানৱ সমাজৰ প্ৰাথমিক আৰু ক্ষুদ্ৰতম গোট বুলি কোৱা হয়। সেই গোটবোৰ লগ লাগি একোখন গাওঁ, নগৰ, ৰাজ্য আৰু দেশত পৰিণত হৈছে। এই ফালৰ পৰা নাৰীক সভ্যতাৰো জন্ম দাত্ৰী বুলি কলে অকনো অত্যুক্তি কৰা নহয়।

পৃথিৱীৰ সকলো ধৰ্মৰ ভিতৰত একমাত্ৰ ধৰ্মত হে ভগৱানৰ শক্তি স্বৰূপিনী মাতৃ ৰূপে কল্পনা কৰা হয়। প্ৰকৃতি ৰূপা মাতৃ পূজাৰ যুগজয়ী প্ৰভাৱৰ পৰা হিন্দুধৰ্ম কোনো কালেই মুক্ত হব পৰা নাই। এতিয়াও শক্তি পূজা হিন্দুধৰ্মৰ প্ৰভাৱশালী অংশ। যুগ যুগ ধৰি শাস্ত্ৰকাৰ সকলৰ নাৰীৰ জীৱন বিধি নিয়ন্ত্ৰনৰ বাবে কৰা কোনো সংস্কাৰৰ প্ৰচেষ্টাই আদিম যুগৰ সকলো নাৰী সভ্যতাৰ চাপে চাপে অৰ্থনৈতিক ভাবে পুৰুষৰ ওপৰত নিৰ্ভৰশীলা হৈ অবলাত পৰিণত হোৱাৰ দুঃখাবহ ঘটনাই ভাৰতীয় হিন্দু ধৰ্মীৰ মনৰ পৰা মাতৃ মূৰ্ত্তিৰ উজ্জ্বলতা কমাব পৰা নাই।১

মাতা ধৰিত্ৰী জননী দয়াদ্ৰ্হৃদয়া সতী।
দেৱী ভূ-ৰমনী শ্ৰেষ্ঠা নিৰ্দোষা সৰ্বদুঃখহা॥
আৰাধ্যা মায়া পৰমা দয়া শান্তিঃ ক্ষমা-গতিঃ।
স্বাহা স্বধা চ গোৰী মা পদ্মা চ বিজয়া জয়
(শ্ৰীবৃহদ্ধম পুৰাণ)

মূৰ্ততে মাতৃ তান্ত্ৰিক সমাজৰ ধৰ্মত দেৱতাতকৈ দেৱীৰ গুৰুত্বহে অধিক।

খৃষ্টীয় প্ৰথম শতিকাৰ পৰাই অসমত আৰ্য সংস্কৃতিৰ আগমন হয়। তেতিয়াৰে পৰা অসমত আলপাইন আৰ্য, ভাৰতীয় আৰ্য আদি বিভিন্ন জাতিৰ বসতি আৰম্ভ হবলৈ ধৰে। উন্নত কৃষি পদ্ধতি প্ৰয়োগ হবলৈ ধৰাত অসমত সামন্ত বাদৰ পত্তন হয়। সামন্তবাদ প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা নাৰীৰ স্থান নিম্নগামী হবলৈ ধৰে। নাৰী পুৰুষৰ ভোগ লালসাৰ পাত্ৰ হিচাপে পৰিগণিত হয়। হিন্দু ধৰ্মৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ আৰু মনুসংহিতাৰ নিৰ্দেশনাৰ ফলত অসমতো নাৰীৰ স্থান অৱনমিত হয়। আদিম স্তৰত নাৰী আৰু পুৰুষৰ যি স্বাধীন আৰু সমান মহাৰস্থান আছিল সামন্ত বাদৰ আবিৰ্ভাৱৰ লগে লগে সেইটো একেবাৰে হেৰুৱাই পেলাইছিল। সামন্তবাদী সমাজ ব্যৱস্থা অগ্ৰসৰ হোৱাৰ লগে লগে নাৰী ৰাহুগ্ৰস্তা শশীৰ দৰে দেখা গৈছিল। মনুৰ মতে—

"ন স্বাতন্ত্ৰম্ অৰ্হতি"।
চৱাল কালত বাপে ৰাখিবে কন্যাক।
যুৱা ভৈলে স্বামী সংগে লাগে ৰাখিবাক॥
বৃদ্ধ কাল ভৈলে পুত্ৰ পোষে যত্ন কৰি
তিনিও কালত নাৰী নোহে স্বতন্ত্ৰী ॥২

স্মৃতিকাৰ সকলে নাৰী আৰু শূদ্ৰ উভয়কে একে শ্ৰেণীৰ বুলি বেদকৰ্ম আৰু অধ্যয়নৰ অধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিছিল।

সা ভাৰ্য্যা যা পতিপ্ৰানা সা ভাৰ্য্যা যা প্ৰজাৱতী।
মনো বাক্ কৰ্মাভি শুদ্ধা পতি দেশানুবৰ্ত্তিনী॥

এই ধৰণৰ নিৰ্বিৰোধ আত্মসমৰ্পনেই মধ্যযুগৰ ভাৰতীয় নাৰীৰ আদৰ্শ হৈছিল। ধৰ্ম শাস্ত্ৰ বিলাকে পৰম্পৰাগত ভাৱে নাৰীৰ সামাজিক স্বাধীনতাক লোহ শৃংখলেৰে বান্ধি পেলালে। ব্ৰাহ্মন সংহিতা, ধৰ্মশাস্ত্ৰ আৰু স্মৃতিবিলাকে বিবিধ বিধি বিধানেৰে পুৰোহিত শ্ৰেণীৰ প্ৰাধান্য বঢ়াই তুলি গোটেই সমাজকে সংস্কাৰৰ মকৰা জালেৰে আবৰি পেলালে। নাৰী হৈ পৰিল পুৰুষৰ হাতৰ পুতলা। স্মৃতিকাৰসকলৰ মতে নাৰীৰ গৰিমা আৰু মোক্ষলাভৰ একমাত্ৰ উপায় হৈছে পতিভক্তি। শিশুকালৰে পৰাই— নাৰীৰ কাণৰ কাষত এনে মন্ত্ৰ গাই থকাৰ ফলত স্বামীসকলৰ হাতত নিগ্ৰহিত হলে সহ্য কৰিবলৈ ভাৰতীয় নাৰী মানসিক ভাৱে সাজু আছিল। স্বামীক বাদ দি নিজৰ কিবা বেলেগ সত্তা আছিল বুলি তেওঁলোকৰ ধাৰনাই নাছিল। ঘৰত সাধাৰণ খোৱা বোৱা কথাবোৰতো বিধি প্ৰণেতা সকলৰ চকু পৰিছিল। নাৰদীয় সংহিতাৰ বিধান হৈছে কোনো স্ত্ৰীয়ে যদি স্বামীতকৈ আগতে ভোজন গ্ৰহন কৰে তেন্তে তেনে তিৰোতাক ঘৰৰ বাহিৰ কৰি স্বামীয়ে খেদি দিব লাগে। স্মৃতিকাৰ বশিষ্ঠৰ মতে—স্বামীয়ে যদি পত্নী লগত একেলগে ভোজন কৰে তেন্তে পু[illegible] সকল পুৰুষত্বহীন হয়। স্মৃতিকাৰ সকলে বাল্য বিবাহ প্ৰথাক সমৰ্থন কৰিছিল। নাৰদ, বৃহস্পতি আদি শাস্ত্ৰকাৰ সকলে যৌৱন মতী হোৱাৰ আগতেই বালিকাক বিয়া দিব লাগে বুলি নিৰ্দেশ দি গৈছে।

অৰ্ন বৰ্ষা ভবেৎ গোৰী নৱ বৰ্ষা তু ৰোহিনী।
দশমে কন্যকা প্ৰোক্তা অত উৰ্দ্ধং ৰজস্বলা॥

যি পিতৃয়ে কন্যাক উপযুক্ত বয়সত বিয়া নিদি ঘৰতে পুষ্পিতা হবলৈ দিয়ে তেনে পিতৃ নিশ্চিত ভাৱে নৰকত পতিত হয়। মনুৰ মতে কন্যাক পুষ্পিতা হোৱাৰ পিচতো পিতৃয়ে বিয়া নিদিলে কন্যাই নিজে পতি নিৰ্বাচন কৰিলে দোষ নহয়। এই দৰে মধ্যযুগৰ ভাৰতীয় হিন্দু সমাজে গতিশীলতা হেৰুৱাই পেলাইছিল। সেই সমাজৰ পৰিচালিকা শক্তি আছিল সময়ৰ এলাঙ্কুৱে ক'লা কৰি পেলোৱা কিছুমান প্ৰাচীন ৰীতি-নীতি। এই ৰীতি-নীতিবোৰ পিচলৈ যান্ত্ৰিক ধৰণৰ হৈ পৰিছিল। পত্নীয়ে দাসীৰ দৰে সেৱা, অন্নপূৰ্ণাৰ দৰে অন্নদান আৰু মন্ত্ৰীৰ দৰে বিপদকালত স্বামীক পৰামৰ্শ দিয়া নিয়ম। স্বামী প্ৰবাসত থাকিলে পত্নীয়ে মূল্যবান বস্ত্ৰালংকাৰ পৰিত্যাগ কৰি ষোড়শ ব্যঞ্জন যুক্ত আহাৰ বৰ্জন কৰিব লাগিব। বিধবা সকলে কঠোৰ সংযমী জীৱন যাপন কৰিবলগীয়া হৈছিল। বিধবাই ৰঙীন বস্ত্ৰ পৰিধান কৰা মানা। তেওঁলোকে শুভ্ৰ বস্ত্ৰ পিন্ধিব লাগে, অলংকাৰ আৰু চোলা পিন্ধা নিষেধ। কোনো প্ৰসাধন নকৰি দিনটোত এবাৰহে ভোজন কৰিব পাৰে। স্মৃতিকাৰ সকলে বিধবা বিবাহৰ বিৰোধিতা কৰিছিল। এইদৰে ইংৰাজৰ শাসনৰ মাজভাগলৈকে ভাৰতীয় নাৰী সু-শৃংখলিত বান্ধোনত আবদ্ধ হৈ আছিল।

ষোড়শ শতিকাত মহাপুৰুষ শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি অসমীয়া সংস্কৃতিত নতুন সংস্কাৰৰ পাতনি মেলে। কিন্তু তেৰাই প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্ম আছিল পিতৃ প্ৰধান সমাজৰ ধৰ্ম এনেকুৱা সমাজত নাৰীৰ স্থান স্বভাৱতে গৌণ। শঙ্কৰদেৱে পৰম্পৰাগতভাৱে চলি অহা স্মৃতিকাৰ সকলৰ বিধি বিধান অস্বীকাৰ কৰা নাছিল। এইবাবে তেৰাৰ দৃষ্টিত নাৰীক গণ্য কৰা হৈছিল মাথোন কামনাৰ কেন্দ্ৰৰূপে, পুৰুষৰ সংগিনীৰূপে নহয়। গতিকে নাৰী সংগ বৰ্জন কৰিবলৈ অসমৰ বৈষ্ণৱ সাধক সকলে অজস্ৰবাৰ নিৰ্দেশ দি গৈছে।

ঘোৰ নাৰী মায়া সৰ্ব মায়াত কুৎসিত।
মহাসিদ্ধ মুনিৰো কটাক্ষে হৰে চিত্ত॥
দৰশনে কৰে সবে [illegible] জপ ভংগ।
হেন জানি যামিনীৰ [illegible]
[illegible] এৰে সংগ॥
(ভাগৱত ৮)



নাৰীৰ প্ৰতি অৱজ্ঞা সূচক এনে আৰু বহুতো উক্তি বৈষ্ণৱ সাহিত্যৰ পৰা দিব পাৰি।

পৰম অনৰ্থকাৰী নাৰী সমস্তয়।
নাৰী সংগে বহু দুখ পুৰুষে লভয়॥
(ভক্তি ৰত্নাকৰ ১০১৮)

শঙ্কৰ দেৱৰ পিচতো কুৰি শতিকাৰ আৰম্ভনি লৈকে নাৰীৰ প্ৰতি অসমীয়া সমাজ উদাসীন আছিল আৰু নাৰীক পুৰুষতকৈ নিকৃষ্ট বুলি ভাবি অৱহেলাৰ চকুৰে চোৱা হৈছিল। বৰ বেছি তেতিয়া পুৰুষক পুনাংগ কৰিবলৈ নাৰীৰ প্ৰয়োজন বুলি ভবা হৈছিল আৰু সেইবাবে পুৰুষৰ পৰা পৃথকাই তেওঁলোকক স্বকীয় সত্ত্বাৰ প্ৰাণী বুলি কেতিয়াও ভবা হোৱা নাছিল। সেই সময়ত প্ৰচলিত বিধি বিধানৰ বিৰুদ্ধে ৰবদলৈয়ে প্ৰথমতে মাত মাতে। ৰবদলৈ যে এই বিষয়ত তেওঁৰ সমকালীন সমাজতকৈ বহুত আগবঢ়া আছিল সেইয়া তেওঁৰ ৰচিত উপন্যাসবোৰে আমাক আঙুলিয়াই দেখুৱায়। নাৰীৰ প্ৰতিভা, সম্ভাৱনা আৰু ক্ষমতাৰ ওপৰত তেওঁৰ কিমান আস্থা আছিল আৰু নাৰী সম্পৰ্কে তেওঁৰ ধাৰণা আৰু তেওঁৰ সম-সাময়িক সমাজত নাৰী কিদৰে নিৰ্যাটিতা হৈছিল বুলি তেওঁ সচেতন আছিল তাক অংকন কৰা নাৰী চৰিত্ৰবোৰে স্পষ্ট কৰি দিয়ে।৪

ৰবদলৈ ৰমন্যাসিক ভাৱধাৰাৰে প্ৰভাৱান্বিত হৈছিল। বংগদেশৰ ৰামমোহন ৰায় আৰু বিদ্যাসাগৰৰ সংস্কাৰ বাদী আন্দোলনে তেওঁক প্ৰভাৱান্বিত কৰিছিল। গতিকে তেওঁৰ প্ৰগতিবাদী মনে আমাৰ সমাজত নাৰীৰ প্ৰতি কৰা অন্যায়ৰ অবিচাৰৰ প্ৰতিবিধানৰ ইংগিত দি এই ব্যাধি নিমূ'ল কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ ৰচিত উপন্যাসবোৰৰ ভিতৰত মনোমতী, ৰঙিলী, ৰহদৈ লিগিৰী, তাম্ৰেশ্বৰীৰ মন্দিৰ আৰু ৰাধা ৰুক্মিণীৰ ৰণ উপন্যাসত নাৰীবাদৰ আলোচনা কৰিছে। 'ৰহদৈ লিগিৰী' উপন্যাসৰ নায়িকা ৰহদৈ আছিল মাজুলিৰ কৃষক পৰিয়ালৰ কন্যা। কৃষকৰ ছোৱালী যেতিয়া পথাৰত ম'হ চৰোৱাতো তাইৰ কামৰ ভিতৰত এটা। এইদৰে ম'হ চৰাই থাকে, ওচৰতে গাঁৱৰ ডেকা ল'ৰা দয়া ৰামৰ লগত। দয়াৰাম ধনী কৃষকৰ ল'ৰা যদিও মাহী মাকৰ উৎপীড়নত ঘৰত থাকিব নোৱাৰি পথাৰত ম'হ ৰখি থাকে। এদিন ম'হ ৰখি থাকোঁতে দুয়োৰে মাজত আলাপ হয়। দয়াৰামে ৰহদৈক অভিযোগ কৰি কয় যে মাইকী মানুহে জন্তুৰ ওপৰত উঠাতো ভাল নেদেখি। দয়াৰামৰ অভিযোগৰ মাজেদি সেই সময়ত অসমীয়া সমাজত পুৰুষেই কেনেকৈ নাৰীৰ সকলো কৰ্তব্য নিৰ্ধাৰণ কৰিব বিচাৰিছিল তাৰ কিছু আভাস পোৱা যায়। ইয়াৰ প্ৰত্যুত্তৰত ৰহদৈয়ে যিখিনি কথা ক'লে সেইখিনি যেন ৰবদলৈৰ মনৰ কথাহে। ৰহদৈয়ে ক'লে—"মই ম'হত উঠি ফুৰাটো যে বেয়া দেখ, পিছে দুৰ্গা গোসানীয়ে ভয়ানক সিংহ এটাৰ ওপৰত উঠি ফুৰাটো জানো বেয়া নেদেখি" ।৫

ম'হ চৰাই থাকোঁতে ৰহদৈ দয়া ৰামৰ হৃদয় দিয়া নিয়া হয়। কিন্তু তেওঁলোকৰ প্ৰনয়ৰ বাটত হেঙাৰ হিচাপে থিয় দিলে ৰজা চন্দ্ৰকান্ত সিংহই। দুৰ্গা পূজা চাবলৈ যোৱা ৰহদৈক দেখি ৰজা আকৰ্ষিত হ'ল। সাধাৰণ কৃষকৰ কন্যা বাবে তাইক ৰাণী কৰি আনিব নোৱাৰিলেও লিগিৰী হিচাপে হলেও তাইক কাৰেঙলৈ আনিবলৈ দৃঢ় প্ৰতিজ্ঞা হ'ল। ৰজাৰ বন্ধু সংৰামে পৰামৰ্শ দিলে। "মাক-বাপেকক কিছু ধন বিত্ত দি কিনি অনাৰ দৰে কিনি আনিব পৰা যাব।৬ সেই সময়ত ছোৱালীবোৰ যেন বজাৰৰ পণ্য দ্ৰব্য। ছোৱালীৰ মতামতৰ—ওপৰত গুৰুত্ব আৰোপ নকৰি মাক-বাপেকক ধন বিত্ত দিয়েই তেওঁলোকক কিনিব পাৰি। অন্য কথা বাদেই মাক-বাপেকেও নিজৰ ছোৱালীৰ মনক বা ব্যক্তিত্বৰ ওপৰত কোনো মূল্য নিদিয়ে। ম'হ চৰাই থাকোঁতে কথা প্ৰসংগত দয়াৰামে ৰহদৈক বিয়া কৰাবলৈ আগ্ৰহ প্ৰকাশ কৰি তাক বিয়া কৰাবলৈ মত আছেনে নাই সুধিছিল। ইয়াৰ উত্তৰত ৰহদৈয়ে যিখিনি কথা কলে ১৮ শ শতিকা আৰু উনৈশ শতিকাৰ অসমীয়া সমাজত নাৰীৰ স্থান কেনে আছিল সহজতে অনুমান কৰিব পাৰি। ৰহদৈয়ে ক'লে— "তোৰ দেউতাৰে যদি খোঁজে আৰু মোৰ আই-বোপাইয়ে যদি দিয়ে তেন্তেনো আৰু তোলৈ নগৈ কি কৰিম? যাব লাগিব" ।৭

দয়াৰামৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ কথা জানিব পাৰি ৰজা চন্দ্ৰকান্তই মুক্তি দিয়াত ৰহদৈয়ে মাজুলিলৈ ঘুৰি আহিল। গাৱলৈ উভতি আহি ইপিনে দয়াৰামক নাপাই আৰু আনপিনে নিজ পিতৃৰ মৃত্যু হোৱা খবৰে ৰহদৈ বৰ হতাশ হ'ল। ইপিনে নিম্ন সম্প্ৰদায়ৰ লোক ৰজাৰ কাৰেঙত বাস কৰি আহিল বাবে গাৱঁৰ মানুহেও ৰহদৈৰ জাত গ'ল বুলি তেনে জাত যোৱা ছোৱালীক লগত ৰখাৰ বাবে ৰহদৈৰ মাকক এঘৰীয়া কৰি পীড়িবলৈ আৰম্ভ কৰিলে। দিনৰ পোহৰত ৰহদৈ সকলোৰে বাবে পতিতা আৰু অস্পৃশ্য, কিন্তু ৰাতিৰ এন্ধাৰত চৰিত্ৰহীন গাৱঁৰ ডেকাবোৰৰ বাবে ৰহদৈৰ যৌৱন পৰম লোভৰ বস্তু। আনকি কলাবাৰী সত্ৰৰ ভাগৱতী ভোলাই শৰ্মাই ৰহদৈক জাতলৈ তোলাত আপত্তি কৰিছিল যদিও সত্ৰৰ বহুতো কেৱলীয়া ভকতেও লোক চকুৰ আৰেঁ আৰেঁ ৰহদৈৰ কাষ চাপি তাইৰ জীৱন অসহ্য কৰি তোলে।৮

কাৰেঙত থকা অৱস্থাতে ৰাজমাৱে ৰহদৈক চুবেদাৰ ৰূপ সিঙলৈ দিব'ল ঠিক কৰিছিল। এইবাবে তাইক আনিবলৈ চাউদাং পঠালে। ৰহদৈয়ে নিজৰ সতীত্ব ৰক্ষা কৰিব নোৱাৰিব বুলি ভয় খাই ব্ৰহ্মপুত্ৰত জাপ দিলে। মূৰ্চ্ছিত অৱস্থাত তান্ত্ৰিক আগমানন্দই ৰহদৈক

নৈৰ সোঁতত পাই তুলি আনি শুশ্ৰূষা কৰি ভাল কৰে আৰু তেওঁৰ আশ্ৰমতে স্থান দিলে। তান্ত্ৰিক সন্যাসীৰ ধৰ্ম সিদ্ধিৰ কাৰ্যত এগৰাকী যুৱতীৰ বহুদিনীয়া প্ৰয়োজন এটি ৰহদৈয়ে পূৰণ কৰি নি সিদ্ধ পুৰুষ হোৱাত আগমানন্দক সহায় কৰিছিল। ইয়াৰ বিনিময়ত ৰহদৈয়ে কি বিচাৰে বুলি সোধাত ক'লে "বাবা, মোক কৃষ্ণৰ মন্ত্ৰ দিয়ক,...... আৰু ইয়াৰ লগে লগে মোৰ এই ভূৱন মোহিনী ৰূপটো যি মোক সকলোৰে লোভৰ বস্তু কৰি মোৰ জীৱনটো দুখীয়া কৰিলে আপুনি গুচাই মোক আপোনাৰ যোগবলেৰে দেখিবলৈ এলাগী অথচ চৰিব ফুৰিব পৰা শক্তি থকা তিনিকুৰি বছৰ বয়সীয়া বুঢ়ী মানুহ এজনীৰ ৰূপ দিয়ক। যাতে মই শান্তিৰে কাৰো মনত মোৰ দেহটোলৈ স্পৃহা নজন্মাই সুখেৰে শান্তিৰে কৃষ্ণৰ নাম লৈ ফুৰিব পাৰোঁ।৯ ইয়াৰ পৰাই প্ৰমাণিত হয় যে নাৰীয়ে আপোন ইচ্ছাৰে সমাজত ফুৰা-চকা কৰিব নোৱাৰে. মনে বিচৰা আদৰ্শৰ জীৱন এটি নিৰিঘ্নে কটাব নোৱাৰে—যদিহে তেওঁ আকৰ্ষণীয়া বা সৌন্দৰ্য্যৱতী হয়, যদিহে তেওঁৰ যৌৱন ভাটি দিয়া বাবে অনাকৰ্ষণীয়া যোৱা নাই।১০

ৰবদলৈৰ উপন্যাসবোৰত উনৈশ শতিকাৰ পৰা কুৰি শতিকাৰ আদি ভাগৰ অসমীয়া গ্ৰাম্য জীৱনৰ নিখুঁত চিত্ৰ অংকন কৰিছে। ৰহদৈ লিগিৰী উপন্যাসত কৃষ্ণ দাসী ৰূপী ৰহদৈয়ে দুজন সন্যাসীৰ লগত আহি যেতিয়া নাহৰনী পাইছে তাতে শিৱ মন্দিৰ এটাৰ আলহী ঘৰত তেওঁলোকে ৰাতিটো কটাব'ল উঠিছে। উক্ত নিশা তেওঁলোকে হিন্দু সমাজৰ অধঃপতন নিচেই ওচৰৰ পৰা দেখা পাইছে। গধূলি মন্দিৰৰ নাটঘৰত নট-নটীয়ে নৃত্যগীত কৰি সেই অনুষ্ঠান সামৰাৰ পিছত নটীসকলে গৈ যেতিয়া বাহাঁত সোমাল, দুই চাৰিজন ডেকাই যি উন্তুৱালি আৰু পাপ কৰ্ম কৰিলে তাক বনোৱা সকাৰ নাই।১১ ধৰ্মানুষ্ঠানত নাৰীৰ প্ৰতি এনে আচৰণৰ ওপৰি সেই সময়তে ধৰ্ম প্ৰচাৰক কেইগৰাকীয়ে নিজা ঘৰতো তিৰোতাই কেনে অত্যাচাৰ সহ্য কৰিব লগীয়া হৈছে তাক পাই মৰ্মাহত হৈছে। এখন ঘৰত এজন ডেকাই নৱবিবাহিতা তেওঁৰ তেনেই কম বয়সীয়া পত্নীক এনেদৰে পাশৱিক ভাৱে মাৰপিট্ কৰে যে পিতৃ-মাতৃহীনা এই যুৱতীৰ বিয়া দিয়া খুড়াকেই তাইৰ দুখ সহিব নোৱাৰি ওভোতাই নিবলগীয়া হৈছে। আন এখন ঘৰত এগৰাকী তিৰোতাই প্ৰসৱ বেদনাত চটফটাই মৰিব লাগিছে, গিৰিয়েকে স্বাভাৱিকতে তেনে অৱস্থাত পত্নীক যি পাৰে সহায় কৰিব লাগে। কিন্তু ঘৈণীয়েকেহে যেন কিবা দোষ কৰি তেওঁৰ কাম খটি কৰিছে তেনে ভাৱত ঘৈণীয়েকক গালি পাৰি তেনেকৈয়েই এৰি থৈ পথাৰলৈ গুচি গ'ল।

সমাজৰ ধৰ্মানুষ্ঠান আৰু গাৰ্হস্থ্যন্তৰত এনে দুৰৱস্থা দেখি কৃষ্ণদাসী মৰ্মাহত হয়। তাই অনুভৱ কৰিলে যে সোনকালে দেশত এটা ভাঙৰ অথন্তৰ ঘটিব। বজা ঘৰতো ৰাজমাও আৰু বিভিন্ন ফৈদৰ মাজত দ্বন্দ্ব খৰিয়াল। এনে অৱস্থাত দেশবাসীৰ সেৱাৰ বাবে কৃষ্ণদাসীয়ে এটি সেৱকদল গঠন কৰিলে। বজাঘৰীয়া কাজিয়াৰ পৰিণতিতে অসম দেশৰ ওপৰত মানৰ আক্ৰমণ হ'ল। মানৰ অত্যাচাৰত দেশ থানবান্ হ'ল, দেশৰ লোক যেন নৰকত পতিত হ'ল। কৃষ্ণদাসীৰ সেৱক দলে থলুৱা পদ্ধতিত প্ৰশিক্ষণ প্ৰাপ্ত সেৱকসকলে অসমৰ থলুৱা উপায়েৰে আহত সকলৰ চিকিৎসা কৰিলে। দীনবন্ধু ৰূপী দয়াৰামে কৃষ্ণদাসীৰ সমাজ সেৱাত অংশ গ্ৰহন কৰিলে। কিছুদিনৰ পিছত যেতিয়া পৰিস্থিতি উন্নত হ'ল কৃষ্ণদাসীয়ে তেতিয়া অসমত থকাৰ প্ৰয়োজনবোধ নকৰিলে। কৃষ্ণদাসী অসমৰ পৰা আঁতৰি যাব খোজাৰ কাৰণ "অসমত মাইকী মানুহৰ দ্বাৰাই ধৰ্মৰ সংস্কাৰ হোৱাৰ নিয়মো নাই, উপায়ো নাই। অসমত এতিয়ালৈকে মাইকী মানুহে ধৰ্ম বিলাই ফুৰা নাই। চাৰি সত্ৰীয়াসকল উদাসীন পুৰুষ। মাইকী মানুহ থাকিবলৈ বেলেগকৈ সত্ৰৰ বাহিৰে অসমত আশ্ৰম নাই। মোৰ কৰ্ম আছে পশ্চিম জগতত।১২

অসমপ্ৰেমী মহাপুৰুষীয়া বৈষ্ণৱী কৃষ্ণদাসীৰ এই মন্তব্যৰ যোগেদি ৰবদলৈয়ে অসমীয়া হিন্দু সমাজৰ ওপৰত এটা দুখ লগা টিপনী দিছে।১৩

নাৰীৰ প্ৰেমৰ চিত্ৰ অংকন কৰাৰ ক্ষেত্ৰতো ৰবদলৈ সংযতকৈ আগবঢ়া আছিল। মনোমতী উপন্যাসত চৰিত্ৰৰ মুখত কথাত, পাঠকক উদ্দেশ্য কৰি দিয়া উপন্যাসিকৰ বক্তব্যত, পোনপটীয়া ঘটনা সংযোজনৰ জৰিয়তে অথবা সকলোৱে বুজিব পৰা অভ্যাসৰ সহায়ত চৰিত্ৰৰ অন্তৰৰ ভাৱ প্ৰকাশ পাইছে। মনোমতীয়ে যেতিয়া প্ৰথম দৃষ্টিত লক্ষ্মীকান্তৰ প্ৰেমত পৰিল আৰু সোনকালেই বিৰহত কাতৰ হ'ল তেতিয়া সেই সময়ত এনে প্ৰেমৰ সমাজত স্থান নাই বাবে তাৰ প্ৰকাশ উপন্যাসিকে এনেদৰে কৰিছে, "নদীলৈ কিছুমান পৰ গালত হাত দি চাই থাকি মনোমতীয়ে দীঘলীয়াকৈ হুমুনিয়াহ এটি কাঢ়িলে।"১৪ স্পষ্টকৈ যদিও উপন্যাসিক ইয়াত মনোমতীৰ মনৰ খবৰ পাঠকক দিয়া নাই, তথাপি গালত হাত দি বহা আৰু হুমুনিয়াহ কঢ়াই যি মানসিক অৱস্থাৰ আভাস দিয়ে সেয়া সকলোৱে স্পষ্টকৈ বুজি পায়। গতিকে মনোমতীৰ অন্তৰ্জগতৰ কাহিনী এই উপন্যাসত বহিঃ জগতৰ সহজ বোধ্য ঘটনাৰে আৰু কথাৰে বৰ্নিত হৈছে।১৫

মিৰি জীয়ৰী উপন্যাসত জংকিৰ প্ৰেম পানেইৰ প্ৰতি কেনে গভীৰ আছিল আৰু জংকিৰ প্ৰতি আকৰ্ষিতা ডালিমীৰ আগত ইয়াক কেনেদৰে ব্যক্ত কৰিছিল সি চিত্ৰধৰ্মী। জংকিৰ প্ৰতি অনুৰক্ত ডালিমীয়ে এদিন পানী আনিবলৈ গৈ দেখিলে যে নৈৰ ঘাটত জংকিয়ে নাৱৰ টিং এটাত বহি কিবা ভাবি আছে। ডালিমীয়ে মনে মনে জংকিৰ চকুহাল জপাই ধৰিলে। কিন্তু মদৃষ্টৰ পৰিহাস, সেই [illegible]ত জংকি আছিল পানেইৰ কথা ভাবি। জংকিৰ মুখেৰে 'পানেই' [illegible] উচ্চাৰিত হোৱাৰ লগে লগে ডালিমীয়ে জানিব পাৰিলে যে [illegible]কিয়ে পানেইকহে ভাল পায় তাইক নহয়।

ৰাধা-ৰুক্মিনীৰ ৰণ উপন্যাসত প্ৰণয়ৰ ক্ষেত্ৰত ৰুক্মিনীৰ দৃঢ়তা [illegible]ংসনীয়। নাহৰ খোৱা মৰাণৰ দ্বিতীয়া স্ত্ৰী ৰুক্মিনীৰ লগত ৰাঘৱ [illegible]ণৰ সৰুকালৰে পৰা প্ৰীতিভাৱ আছিল। এই প্ৰীতিভাৱ পাছত [illegible]মলৈ ৰূপান্তৰিত হৈ আত্মপ্ৰকাশৰ অভাৱত অপূৰ্ণ হৈ ৰ'ল। [illegible]হৰে বিয়া কৰোৱাৰ পিচত ৰুক্মিনী সম্পৰ্কত ৰাঘৱৰ মামীয়েক [illegible]ছিল। সতিনী ৰাধাৰ ইৰ্ষা আৰু নিজে সন্তানহীনা আছিল বাবে [illegible]হৰ অৱহেলাত ৰুক্মিনীয়ে ৰাঘৱৰ আকৰ্ষণ পাহৰিব যোৱা নাছিল। [illegible]দিন ৰাঘৱৰ লগত নাহৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰৰ মাকৰ [illegible]লৈ যাওঁতে ৰুক্মিনীয়ে নিঃসংকোচে ৰাঘৱৰ আগত নিজৰ প্ৰেমৰ [illegible]া খুলি ক'লে। নাহৰে এৰি দিলে বা বিবাহ বিচ্ছেদ ঘটিলে [illegible]ঘৱে তাইক গ্ৰহন কৰিবনে নকৰে তাকো পোন পটীয়াকৈ সোধে। [illegible]ঘৱে স্পষ্ট সমিধান নিদি সমস্যাতো ওলোমাই ৰাখিলে। [illegible]ৱা-ৰীয়া বিদ্ৰোহৰ ফলত ৰাঘৱ বৰবৰুৱা হয়। তেতিয়া ৰুক্মিনীয়ে [illegible]জে নাহৰক ত্যাগ কৰি গোঁসাইৰ ওচৰলৈ গৈ ৰাঘৱৰ লগত [illegible]া হোৱাৰ অনুমতি লৈ আহে। ৰাঘৱে মামীয়েকক বিয়া কৰা[illegible] সন্মত নহ'ল যদিও ৰুক্মিনীয়ে একো প্ৰতিশোধ লবলৈ ইচ্ছা [illegible]ৰি নাৰীৰ চিৰন্তন আদৰ্শ দেখুৱালে।

তাম্ৰেশ্বৰীৰ মন্দিৰ উপন্যাসত আঘনীৰ প্ৰেমৰ বৰ্ণনাতো গতিশীলতা আছে। আঘনীয়ে ধনেশ্বৰক ভাল পাইছিল যদিও বাপেকে [illegible]চিয়া ডেকালৈ নিজৰ দেউৰী ছোৱালীক নিদিও বুলি বিৰোধিতা [illegible]ৰ বাবে বেছি দূৰ আগবাঢ়িবলৈ সাহস নকৰিছিল। কিন্তু বৈষ্ণৱীৰ সান্নিধ্যলৈ অহাৰ পিচত আঘনীৰ মনোবল বৃদ্ধি হয় আৰু প্ৰণয়ৰ ক্ষেত্ৰত যিকোনো ত্যাগ কৰিবলৈ প্ৰস্তুত হ'ল। ধনেশ্বৰৰ লগত মিলন হবলৈকে দুয়ো নিজৰ বৰ্ণ সম্প্ৰদায় ত্যাগ কৰি আহোম হয়। প্ৰণয়ৰ ক্ষেত্ৰত আঘনীৰ চৰিত্ৰৰ এই গতিশীলতা ৰবদলৈৰ সংস্কাৰবাদী মনৰে পৰিচয়।

ৰবদলৈৰ উপন্যাসৰ নাৰী চৰিত্ৰই নাৰী জাতিৰ মনস্তত্বৰ সকলো দিশ প্ৰকাশ কৰিব পাৰিছে বুলি কব নোৱাৰি। ৰবদলৈৰ উপন্যাসৰ পটভূমি অতীত অসমৰ এক বিশেষ সময় হোৱাত, সেই সময়ৰ চৰিত্ৰবোৰেহে উপন্যাস কেইখনত প্ৰতিবিম্বিত হৈছে। আদৰ্শবাদৰ পৰম্পৰাক সন্মান জনাই অসমৰ সহজ সৰল প্ৰায় এনে ধৰণৰ জীৱনক ৰূপায়িত কৰিব লগা হোৱাত আৰু একে ধৰণৰ ৰচনা শৈলী ব্যৱহাৰ কৰাত ৰবদলৈৰ নাৰী চৰিত্ৰবোৰ প্ৰায় টাইপ চৰিত্ৰত পৰিণত হৈছে। সম্ভৱতঃ ৰবদলৈৰ মনত ওপৰত বেণ্টিংকৰ সমাজ সংস্কাৰ আন্দোলন, এনি বেচান্ত আৰু মহাত্মাগান্ধীৰ নাৰী মুক্তি আন্দোলনৰ প্ৰভাৱ পৰিছিল। সেই বাবেই ৰবদলৈৰ নাৰী চৰিত্ৰই তথাকথিত নাৰীৰ বৃত্তৰ পৰা মুক্ত হোৱাৰ চেষ্টা কৰিছে।১৬ ৰবদলৈয়ে নাৰীৰ সামাজিক মৰ্যাদাৰ প্ৰতি যথেষ্ট মনোযোগ দিছিল। নাৰীয়ে আমাৰ সমাজত বহু পৰিমাণে অৱহেলিত, পৰাধীন আৰু সামাজিক জীৱনত সাধাৰণতে নাৰীৰ ওপৰত কোনো গুৰুত্ব দিয়া নহয় সেই কথা উপন্যাসৰ কেইবা ঠাইতো ভিন্ ভিন্ চৰিত্ৰৰ মুখেদি প্ৰকাশ কৰিছে। গতিকে ৰবদলৈৰ উপন্যাসতে ভৱিষ্যতৰ অসমত নাৰী মুক্তি আন্দোলনত বীজ অংকুৰিত হোৱা বুলিব পাৰি আৰু অসমীয়া সমাজৰ নাৰী মুক্তি আন্দোলনত ৰবদলৈৰ উপন্যাসে পৰোক্ষভাৱে হলেও কিছু ইন্ধন যোগাইছিল। □

১। প্ৰদীপ শইকীয়া— নাৰী যুগে যুগে, পৃঃ ১৩—১৪
২। অনন্ত কন্দলি – কুমৰ হৰণ, পৃঃ ৩৪
৩। শিৱনাথ বৰ্মন— শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃত্তি আৰু কৃতিত্ব, পৃঃ ১০৩
৪। গোবিন্দ প্ৰসাদ শৰ্মা— অসমীয়া উপন্যাসত নাৰীবাদ—শ্ৰীময়ী হেমন্ত বৰ্মন সম্পাদিত ৪ৰ্থ বছৰ, ২২শ সংখ্যা ১৯৯১, পৃঃ ৩৩
৫। ৰহদৈ লিগিৰী— পৃঃ ৮
৬। ঐ পৃঃ ১৫
৭। ঐ পৃঃ ১৭
৮। গোবিন্দ প্ৰসাদ শৰ্মা— পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩১—৩২
৯। ৰহদৈ লিগিৰী— পৃঃ ১২৫
১০। গোবিন্দ প্ৰসাদ শৰ্মা— পূৰ্বোক্ত গ্ৰন্থ. পৃঃ ৩২
১১। ৰহদৈ লিগিৰী— পৃঃ ২০৭—২০৮
১২। ঐ পৃঃ ২০৮
১৩। গোবিন্দ প্ৰসাদ শৰ্মা— পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩২—৩৩
১৪। মনোমতী— পৃঃ ২০
১৫। গোবিন্দ প্ৰসাদ শৰ্মা— অসমীয়া উপন্যাসৰ আৱৰ্ত, এটি কৰুস্ৰোত, নবদূত, উমাকান্ত শৰ্মা, সম্প্ৰাদিত ১ম বছৰ ৪ৰ্থ সংখ্যা, গুৱাহাটী ১৯৮৫
১৬। জিতৰাম কলিতা— উপন্যাসিক ৰজনীকান্ত ৰবদলৈ তেওঁৰ যুগ আৰু সাহিত্য কৃতি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দাখিল কৰা গৱেষণা গ্ৰন্থ ( অপ্ৰকাশিত ) ১৯৯৩ পৃঃ ৩৭২

প্ৰবন্ধ

# ॥ অসমৰ যুব ছাত্ৰ আন্দোলনৰ প্ৰাসঙ্গিকতা ॥

শ্ৰীভূপেন কুমাৰ কোঁ

আজিৰ যুব সমাজ বা ছাত্ৰ সমাজ কাইলৈ দেশৰ তথা সমাজৰ গুৰি ধৰোঁতা। যুব শক্তিৰ অবিহনে দেশৰ সামগ্ৰিক উন্নতিৰ কথা ভাবিবই নোৱাৰি। সেই বাবে কোৱা হয় যুব শক্তিয়েই এখন উন্নয়নশীল ৰাষ্ট্ৰৰ জীৱনী শক্তি। এই ছাত্ৰ যুৱক চামৰ শক্তি সুস্থিৰ আৰু সবল হ'লেহে দেশৰ ভেটি সুদৃঢ় তথা নিকপ্ কপিয়া হব। বৰ্তমান অসমৰ যুব শক্তিৰ কথা কবলৈ গলে এক অস্থিৰ অনিশ্চিত ভৱিষ্যতৰ প্ৰজন্ম বুলিয়েই কব লাগিব। সাম্প্ৰতিক অসমৰ অধিকাংশ যুব ছাত্ৰই হতাশাৰ সাগৰত উটি-ভাঁহি ফুৰিছে। তেওঁলোক কোন পথেৰে আগ বাঢ়িব? পথ প্ৰদৰ্শক কোন? অসমৰ আজিৰ বিদ্বান বুদ্ধি জীৱি সকলে যুব শক্তিক গঠন মূলক পৰামৰ্শৰে কিয় অনুপ্ৰানিত কৰি তুলিব পৰা নাই ?

যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়া সকলো যুব-ছাত্ৰই ঠিক দুপৰৰ আগৰ উজ্বল ৰ'দৰ দৰে। সামুহিক মঙ্গল স্পৃহা, পৰিবৰ্তন কামনা আৰু নিঃস্বাৰ্থ আত্ম ত্যাগৰ বাবে জাপমাৰি উঠাৰ বয়স। সামুহিক পৰিবৰ্তন তাগিদাত এই সময় ছোৱাতে বহু ছাত্ৰ-ছাত্ৰীৰ মনত অংকুৰিত হয় অনাগত জীৱনৰ আদৰ্শৰ বীজ। বিশ্বৰ বিভিন্ন ছাত্ৰ আন্দোলনেই ইয়াৰ প্ৰমান ৰচনা কৰে। এই সময়খিনিতেই মাক্স'বাদী আদৰ্শৰে অনুপ্ৰানিত হৈ জনসাধাৰণৰ বাবে কাম কৰিবলৈ ওলায় অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও তথা উদাহৰনো অলেখ। ভাৰতবৰ্ষ বা অসমো ইয়াৰ ব্যতিক্ৰম নহয়। সামূহিক মঙ্গলৰ উদ্দীপনাৰে আগবাঢ়ি অহা যুব-ছাত্ৰ শক্তি মাজে সময়ে বিপথগামী নোহোৱাকৈও থকা নাই। বহু আবেগিক আন্দোলন তাৰ জলন্ত উদাহৰণ।

বৰ্তমান অসমত অসংখ্য যুব ছাত্ৰ সংগঠনৰ আবিৰ্ভাব হলেও সামগ্ৰিকভাৱে ৰাজ্যখনৰ যুব ছাত্ৰ সমাজ দিশহাৰা হোৱা যেন পৰিলক্ষিত হয়। আজিৰ অসমৰ যুব ছাত্ৰ সকল যে অস্থিৰ বা তেওঁলোকৰ মানসিকতাই যে এক বিকৃত ৰূপ লৈছে ই ধ্ৰুৱ সত্য।

উ'নৈছ শ আশী চনৰ কথা। সেই সময়ত অসম আন্দোলন ছাত্ৰ সমাজৰ দীঘলীয়া বক্তব্যই অসমীয়া মানুহক আন্দোলন কৰাটো সৰ্বজন বিদিত। যুব ছাত্ৰ সকলৰ নেতৃত্বত গঢ় লৈ সেই আন্দোলনে শৈক্ষিক পৰিবেশৰ প্ৰতি নজৰ নাৰাখি কেৱল বি বহিষ্কাৰৰ ধ্বনি তুলি মহাবিদ্যালয়, বিদ্যালয়, বিশ্ববিদ্যালয় আদি লোতে পঢ়ি থকা বহু যুব ছাত্ৰকে পাঠ্যপুথিৰ পৰা আঁতৰাই আনি সেয়াও অসমৰ প্ৰতিজন জনসাধাৰণে জ্ঞাত। কেৱল বন্ধ, ধৰ্ণা, আদি কাৰ্য্যসূচীবোৰে ছাত্ৰ-ছাত্ৰীসকলক পঢ়া টেবুলৰ লগত নাইকিয়া কৰি আবেগ প্ৰৱন কৰি তুলিছিল।

বৰ্তমান অসমৰ যুব শক্তিৰ আকাশলৈ কলীয়া ডাৱৰ আহিছে। সেইয়ে ছাত্ৰ সমাজ একপ্ৰকাৰ দিশহাৰা অৱস্থাত ভাবাত্ৰ আমাৰ সমাজত গভীৰভাৱে চানি গেলোৱা গৰিষ্ঠসংখ্যক লোকৰ দুনী প্ৰচলিত শিক্ষা পদ্ধতি, অৰ্থনৈতিক নীতি, কলাধন সহজে ধন পৰা সংস্কৃতি, আৰাম তথা বিলাসীতা, নিবনুৱা সমস্যা আৰু নিচা দ্ৰব্য আদি প্ৰচলনে যুব ছাত্ৰ সকলৰ অস্থিৰতাত প্ৰভুত ইন্ধন যোগাই আজিৰ শিক্ষা ব্যৱস্থাই এজন ছাত্ৰক স্বাৱলম্বি কৰি তুলিব নাই। যি বিভাগত সৎ নিষ্ঠাৱান আৰু সু-শিক্ষাৰ মূল্যবোধৰ সচেতন থকা মানুহৰ প্ৰয়োজন সেই বিভাগতেই আজি অসৎ পৰায়ন শিক্ষাৰ মূল্যবোধ নবুজা মানুহেৰে ভৰি পৰিছে। আজি অসমৰ শিক্ষা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি সৰ্বত্ৰে দেখা দুৰ্নীতি ভ্ৰষ্টাচাৰত সংযত সবল ছাত্ৰ আন্দোলনৰ প্ৰাসঙ্গিকতা কো নুই কৰিব নোৱাৰে। অৱক্ষয়ী মূল্যবোধৰ পৰা ছাত্ৰ সংঘ হোৱাৰ পথ বিচাৰিবৰ সময় আহি পৰিছে। তাৰ বাবেই প্ৰয়ো এখন বহুল দৃষ্টিৰ যুব মঞ্চৰ। অসমৰ দৰে অৰ্থনৈতিক ভাবে পৰা ৰাজ্য এখনত কৃষিখণ্ডৰ গুৰুত্বই সৰ্বাধিক। ৰাজ্যখনৰ শতাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। গতিকে আমাৰ ছাত্ৰ সকলো কৃষিৰ লগত ওতঃপোত ভাৱে জড়িত আছে।

প্ৰধান অঞ্চল বুলি চিহ্নিত হোৱাৰ স্বত্তেও খাদ্যৰ বাবে ধাপেক্ষী হোৱাতো সঁচাৰ যেনেই লাগে। কৃষিৰ উন্নতিয়ে সমাজক নিয়োগ তথা উপাৰ্জনৰ সুবিধা দিয়াৰ উপৰিও উৎপাদনৰ লগত সামঞ্জস্য ৰাখি বিভিন্ন উদ্যোগ গঢ়ি উঠিব। তাৰোপৰি কৃষিৰ উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি নানা ায়-বাণিজ্য চলাব পাৰি। আনকি আন্তৰ্জাতিক বাণিজ্যৰ সহায়ত শিক মুদ্ৰাও অৰ্জন কৰিব পাৰি। কিন্তু অসমত কৃষিখণ্ডই াগৰ সুবিধা দিয়াৰ বিপৰীতে ইয়াৰ বিপৰীত প্ৰক্ৰিয়াটোহে সৃষ্টি পৰিলক্ষিত হৈছে। গতিকে এই বিষয়ে অসমৰ যুব ছাত্ৰ ল গভীৰ চিন্তা কৰাটো সময়োচিত কৰ্তব্য।

অসমৰ বিভিন্ন যুব সমস্যাৰ মাজতে যুব নিবনুৱা সমস্যাও এটা ়খযোগ্য জলন্ত সমস্যা বুলি কবলৈ পিচলৈ ঘুৰি নেচালেও হব। প্ৰবাহিত হোৱাৰ লগে লগে নিৱনুৱাৰ সংখ্যা অধিক দ্ৰুত ৰ বৃদ্ধি পাই যাব ধৰিছে। নিৱনুৱা সমস্যাৰ গতি যদি স্থিৰ হাতো থাকে তেনেহলে একবিংশ শতিকাত যে ই বিভৎস ৰূপ তাক নিঃসন্দেহে কব পাৰি। কিয় এনে ৰূপ লবলৈ পাইছে? নুৱা সমস্যাৰ এই জটিল ৰূপটো নিশ্চয় এবছৰ বা দুবছৰতে হৈ নাই। বিভিন্ন সময়ত বিভিন্ন কাৰকে ইয়াৰ ক্ৰিয়া কৰি গৈছে। াৰ হয়তো সেই সময় বোৰত অজানিত ভাবে নতুবা জানিও নজনাৰ জুৱাৰ ফলতে ঘটিবলৈ পালে। যি বিলাকৰ কাৰণে আজি যুব ছাত্ৰ সকলে শাস্তি ভুগিব লগা হৈছে। গতিকে এই সমস্যা বিলাকৰ দূৰীকৰণৰ বাবে আমাৰ নৱ সচেতন যুব সকল সাহসেৰে ওলায় আহিব লাগে।

আমাৰ সমাজত কৰ্মস্পৃহা নাই বুলি পুনৰ আওঁৰাব নালাগে। াকী বিখ্যাত বিশেষজ্ঞই "Work Culture" শব্দটোৰ যথাৰ্থ াদ "কৰ্মযোগ" বুলি কৈছে। ধৰ্ম পুথি গীতাৰ কৰ্ম-যোগত আশা নকৰি একমাত্ৰ কৰ্মকেই জীৱনৰ লক্ষ্য বা আদৰ্শ হিচাপে ল কোৱা কথাকেই কোৱা হৈছে। কিন্তু আমাৰ অসমৰ প্ৰতি মহৎ গীতা পুথি থাকিলেও আমাৰ সমাজত কৰ্ম স্পৃহা জাগি নাই। অসমৰ মাটি সাৰুৱা আৰু কৃষিৰ বাবে উপযোগী বুলি িও আমাৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীখিনিৰ উৎপাদন কিয় কৰিব পৰা নাই? দাক্ষিণাত্যৰ প্ৰায় বোৰ অঞ্চল শিলাময় যদিও যাগৰ ফলস্বৰূপেই সেই অঞ্চল বোৰে উৎপাদন প্ৰক্ৰিয়াত আগভাগ ল সমৰ্থ হৈছে। সেই অঞ্চল বোৰৰ শ্ৰমিক সকলহে যথাৰ্থতে বিপ্লৱী িক ...। তেওঁলোকে নতুন দৃষ্টি ভঙ্গিৰে উৎপাদন প্ৰক্ৰিয়াত ত সাধন কৰিব পাৰিছে। আমাৰ ৰাজ্য খনতো সেই উৎপাদন সোনালী ভৱিষ্যতৰ আশা কৰিব পৰা যাব, যদিহে শাৰীৰিক কৰা সকলো শ্ৰমিকক কলম ঘহাঁ বধুমালা (সকলো নহয়) লতকৈ বেছি নহলেও সমান মৰ্য্যদা দিয়া হয়।

এতিয়া যুব ছাত্ৰ সকলক লৈ লেখক, বুদ্ধি জীৱী আৰু সাংবাদিক লৰ মাজত গভীৰ চিন্তা চৰ্চা কৰা দেখা গৈছে। প্ৰকৃততে যুব সকলে কোন দিশলৈ ধাৱমান হৈছে, আৰু সেই দিশটো অন্ধকাৰণে-পোহৰ সেই কথা চিন্তা কৰাৰ গভীৰ দায়িত্ব তথা সময় যুব ছাত্ৰ সমাজত আহি পৰিছে। অন্যথা এনে এক পৰিস্থিতি আহি পৰিব পাৰে যাৰ ফলত যুব ছাত্ৰ সকল দেশৰ শত্ৰু হিচপেহে পৰিগনিত হব। অধ্যয়নৰ তপস্যা নকৰিলে জধে-মধে বন্ধ, অনশন আদি আন্দোলনৰ কাৰ্য্যসূচী লৈ সৰ্বসাধাৰণ জন গনক বিপদত পেলোৱাৰ উপৰিও ন যুব ছাত্ৰ সকলৰ অধ্যয়ন পুষ্ট মনত বাহ্যিক চিন্তা ধাৰণাই ঠাই লগে নিৰক্ষৰতা কমিবনে ... .. ?? আজি অসম নেলাগে গোটেই ভাৰত বৰ্ষতে অস্তিত্বৰ সংকটে দেখা দিছে। এনে সময়ত যুব ছাত্ৰ সকলে দেশৰ সংকট দূৰীকৰণৰ বাবে সক্ৰিয় হৈ বিভিন্ন দিশলৈ চকু দিয়াটো প্ৰয়োজন। বিশেষকৈ দেশৰ অৰ্থনীতিৰ এই দুৰ্য্যোগৰ মূহূৰ্ত্তত ছাত্ৰ সংগঠন বোৰে বন্ধ ঘোষনা নকৰি অৰ্থনৈতিক কেনেকৈ সবল কৰিব পাৰি তাৰ ব্যৱস্থা হাতত লব লাগে। কিয়নো জন বিৰোধি অৰ্থনৈতিক অৱস্থাই হ'ল সৰ্বসাধাৰণ খাটি খোৱা জনতাৰ সকলো ধৰণৰ ক্ষোভৰ মূল।

বৰ্ত্তমান সময়ত আন্দোলনৰ লগত জড়িত বহু ছাত্ৰৰে অধ্যয়ন সীমিত হোৱা পৰিলক্ষিত হয়। কিন্তু অধ্যয়ন নহলে যে ভাল চিন্তাৰ বিকাশ নহয় সেই কথা প্ৰতি জন সচেতন যুব ছাত্ৰই মন কৰিব লাগে।

এটা জাতিৰ শুভ লক্ষণ হ'ল যুব ছাত্ৰ-ছাত্ৰী সমাজে অধ্যয়ন কৰাটো। একোটা দাবীৰ সপক্ষে জনমত গঠন কৰিবলৈ, একোটা অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ বা একোটা বিষয়ৰ প্ৰতি সৰ্বসাধাৰণ জনগণক সজাগ কৰি তুলিবলৈ লাগিব শিক্ষিত চিন্তাধাৰাৰ যুব শক্তি। অসমত এই যুব ছাত্ৰ শক্তিৰ আকাৰ, প্ৰকাৰ, সৰু আৰু দুৰ্বল হৈ আহিছে। মানুহৰ সামগ্ৰিক জীৱন ধাৰণৰ লগতে প্ৰতিবাদৰ ধৰণ আৰু ধাৰনাও সলনি হৈছে। কিন্তু সাধাৰণ মানুহৰ হিতৰ উদ্দেশ্যে বা একোটা ক্ষতিকৰ সিদ্ধান্তৰ বিৰুদ্ধে সু-পৰিকল্পিত ভাৱে প্ৰতিবাদৰ কাৰ্য্যসূচী গ্ৰহণ কৰা আৰু তাৰ কাৰণে জনসাধাৰনক মানসিক আৰু শাৰীৰিক ভাবে একত্ৰিত কৰাটো অতি প্ৰয়োজন। আনহাতে বন্ধ সংস্কৃতি দুৰ্বল কৰিবলৈ হলেও ছাত্ৰ সমাজে সভা শোভাযাত্ৰাৰ আহিলাটো পুনৰ টনকিয়াল কৰিব লাগিব। সেইয়ে বৰ্ত্তমানৰ যুৱক যুৱতী সকলে অলসা, হীন মন্যতা আদি পৰিত্যাগ কৰি সুস্থ মানসিকতাৰে দেশৰ সমাজৰ তথা নিজৰ উন্নতিৰ বাবে নিজ নিজ কৰ্তব্যত ব্ৰতী হব লাগে।

এখন সুস্থ সবল সমাজৰ বাবে যুব ছাত্ৰ শক্তিৰ সুস্থিৰতা নিতান্তই বাঞ্চনীয়। যুব চামৰ মাজত সৃষ্টি হোৱা অস্থিৰতাৰ কাৰণ সমূহ বৈজ্ঞানিক তথা বাস্তৱ দৃষ্টি ভঙ্গিৰে বাছি উলিয়াই তাৰ প্ৰতিকাৰৰ বাবে বিজ্ঞান আৰু বাস্তৱ সম্মত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসন, সকলো সামাজিক অনুষ্ঠান, বুদ্ধি জীৱী আৰু যুব সমাজ নিজেও সক্ষম ও সচেষ্ট হব লাগিব। নিজে কৰিব পৰা কামত একাগ্ৰ চিত্তে লাগি থাকিলে উন্নতি অনিবাৰ্য্য। সৎ চিন্তাৰে, সৎ পথেৰে সৎ কৰ্মত লিপ্ত হলেহে আমাৰ যুব সমাজ আদৰ সন্মান ও নতুন নতুন কৰ্ম প্ৰেৰণা পাব। তেতিয়া নিজৰ উন্নতিৰ লগতে সমাজ তথা জাতিৰ উন্নতি হৈ জন সাধাৰণৰ জীৱন সুখ আনন্দৰে ভৰি পৰিব।

প্ৰবন্ধ

# সাম্প্ৰতিক কালত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা

□ দিলীপ হাতীৰ

দেশত সম্প্ৰতি উৎপাদনভিত্তিক শিক্ষাৰ গুৰুত্ব বাঢ়িছে। বিশেষকৈ পশ্চিমীয়া দেশ সমূহত ইয়াৰ প্ৰাধান্য অধিক হৈছে। "বিজ্ঞান চৰ্চা সকলোৰে বাবে নহয়। ই কেৱল মেধাৱী ছাত্ৰৰ বাবেহে প্ৰযোজ্য"।

আমাৰ সমাজত গঢ় লোৱা এনে বদ্ধমূল ধাৰনা একেবাৰে অমূলক নহয়। কিন্তু! মনৰ একাগ্ৰতা, ধৈৰ্য্য আৰু ঐকান্তিক চেষ্টাৰ বলত সৰ্বসাধাৰণ ছাত্ৰইও নিজকে বিজ্ঞানৰ সফল ছাত্ৰৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাৰ বহু নিদৰ্শন আছে। আনহাতে নিষ্ঠা আৰু একাগ্ৰতাৰ অভাৱত বুদ্ধিমান ছাত্ৰইও পৰৱৰ্ত্তী কালত বিজ্ঞান বিষয়ত পাৰদৰ্শীতা দেখুৱাব নোৱাৰাটো অস্বাভাৱিক নহয়। মূঠৰ ওপৰত ক'ব'ল গলে, গভীৰ অধ্যয়ণ, তথা অধ্যৱসায়ৰ অবিহনে বিজ্ঞান চৰ্চাত কৃতিত্ব আৰ্জন কৰাটো জটিল। বিজ্ঞান সন্মত মানসিকতাৰে পৰিপুষ্ট উচ্চ মেধাসম্পন্ন ছাত্ৰৰ দ্বাৰা বিজ্ঞানৰ উন্নতি দ্ৰুততৰ হয়। কেৱল বিজ্ঞানেই নহয়, মানৱ সংস্কৃতিৰ অন্য শাখা সমূহৰ পূৰ্ণবিকাশৰ বাবেও বুদ্ধিমান মগজুৰহে প্ৰয়োজন। সমাজৰ সকলো লোকৰ বাবে বিজ্ঞানৰ চৰ্চা বা গৱেষণা কৰা সম্ভৱ নহয়; কিন্তু! মনটোক বিজ্ঞান-সন্মত সংস্কৃতিৰ অসমত গঢ় দিয়াতো সকলোৰে কাম্য। বহুসময়ত বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী, সমাজৰ মূধাফুটা ব্যক্তিৰ ক্ষেত্ৰতো বিজ্ঞানসন্মত মানসিকতাৰ অভাৱ দেখা যায়; বৰঞ্চ কোনো দিন বিজ্ঞানৰ পাঠ্যক্ৰমৰ লগত সম্পৰ্ক নথকা ব্যক্তি একোজনৰ মনত কেতিয়াবা সুস্থ-সৰল বিজ্ঞানসন্মত মানসিকতা পৰিস্ফুট হয়। জটিল বৈজ্ঞানিকতত্বৰ উপলব্ধি নাইবা প্ৰযুক্তি কৌশল প্ৰয়োগৰ সৌভাগ্য সকলোৰে বাবে সম্ভৱ ন'হলেও বিজ্ঞানসন্মত চিন্তাধাৰাৰ মাজেদি জীৱনযাপন কৰাতো এটা সাৰ্ব্বজনীক বিষয়।

বৰ্তমান সমাজত বিজ্ঞান শিক্ষাৰ প্ৰাসংগিকতা সম্পৰ্কে বিশ্লেষণ কৰিবলৈ যোৱাৰ পূৰ্বে, বিজ্ঞান মানেনো কি? তাক জনাৰ প্ৰয়োজন।



একে আষাৰতে বিজ্ঞানৰ নিখুঁত সংজ্ঞা দিয়া জটিল। ... সংক্ষেপে যিকোনো বিষয়ৰ বা ঘটনাৰ ৰহস্য উদ্‌ঘাটনৰ পৰিপে... প্ৰণালীবদ্ধ আৰু পুংখানুপুংখ বিচাৰ বিশ্লেষণৰ যোগেদি লাভ... সম্পূৰ্ণ জ্ঞানকেই বিজ্ঞান বোলা হয়। এনে জ্ঞানৰ কা... দিশটোকে থূলতে প্ৰযুক্তিবিদ্যা আখ্যা দিয়া হৈছে। বিজ্ঞান... যোগেদি লাভকৰা জ্ঞানক কাৰ্য্যকৰী দিশত খটুঁৱালে যে... প্ৰযুক্তি বিদ্যাৰ জন্ম হয়, ঠিক সেইদৰে প্ৰযুক্তিমূলক অগ্ৰগতিৰ... খেদি গৈ পুনৰ নতুন জ্ঞানৰ সন্ধান পোৱা যায়। একেকা... বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক একেটা মুদ্ৰাৰে দুটা পিঠি হিচাপে... কৰা হয়। অতি পুৰণি কালৰে পৰা বিজ্ঞানে নিজৰ জ... অব্যাহত ৰাখিছে। পৃথিবীত মানৱ সভ্যতাই পদাৰ্পণ কৰাৰ... ধৰি আজি পৰ্য্যন্ত, বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ ঘটিছে। "... বাসী হৈ থাকোতেই মানুহে জুইৰ ব্যৱহাৰ শিকিছে। ... আৰু প্ৰযুক্তিৰ পৰিব্যাপন সম্পূৰ্ণভাৱে সুপ্ৰাচীন, অব্যাহত... অতি প্ৰয়োজনীয় ঘটনা। প্ৰাগঐতিহাসিক কালৰে পৰা বৰ্ত... উপকথা, কাহিনী মেজিক, ভ্ৰমণ, ব্যৱসায়, চিঠিপত্ৰ কিতাপ আলে... টেলিসংযোগ, উপগ্ৰহ কম্পিউটাৰ টেলি সংযোগ আদি ব্যৱস্থাৰ জ... জ্ঞান বিজ্ঞান আৰু প্ৰযুক্তিৰ বিনিময় আৰু পৰিব্যাপন ঘটি আ... পুৰণি মিচৰ সভ্যতা, ট্ৰাইগ্ৰীছ, ইউফ্ৰেটিছ, নীলনদীৰ উপত... সভ্যতাৰ দিনতো বিজ্ঞান প্ৰযুক্তিৰ চৰ্চা হৈছিল। বৰ্তমান স... বহুলভাৱে ব্যৱহৃত গ্লাচৰ জন্ম আজিৰ পৰা ৩০০০ বছৰৰ... ই ইজিপ্তৰ সভ্যতাৰ দান।

প্ৰাচীন কালৰে পৰা খৃষ্টীয় পঞ্চদশ শতিকালৈকে, ... আৰু চীনদেশত হোৱা বিজ্ঞানৰ অগ্ৰগতি উল্লেখযোগ্য। ... বিভিন্ন কাৰণ বশতঃ ভাৰত আৰু চীনা সভ্যতাই ইয়াৰ পূৰ্ণ... ঘটাব নোৱাৰিলে। ইয়াৰ উপযুক্ত কাৰন নথকা নহয়। সেইস... ভাৰতত মগজুৰ দ্বাৰা বিজ্ঞান-চৰ্চা কৰি বৌদ্ধিক উন্নতি লাভ আৰু হাতে-কামে প্ৰযুক্তি কৌশলৰ প্ৰয়োগেৰে অৰ্থনৈতিক উন্নতি লাভ কৰা, এই দুই কাম একে শ্ৰেণীৰ মানুহৰ মাজত আৱদ্ধ নাছিল। কমাৰ শিল্প, কুমাৰ শিল্প, কহঁাৰ শিল্প, হস্ততাঁত শিল্প আদি বিষয়বোৰ সমাজৰ দুৰ্বল শ্ৰেণীটোৰ মাজতে আৱদ্ধ আছিল। মগজুৰ দ্বাৰা বিজ্ঞানচৰ্চা কৰা সকলে তেনে শিল্পৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাছিল। সেয়েহে সেইবিলাকৰ যোগেদি হোৱা প্ৰযুক্তিৰ বিকাশৰ গতি অত্যন্ত লেহেম হৈছিল। আনহাতে ইউৰোপস্থ পশ্চিমীয়া দেশ সমূহে খৃষ্টীয় অষ্টাদশ আৰু উনবিংশ শতিকাত পুনৰজাগৰণৰ (RENAISSANCE) যোগেদি বিজ্ঞান আৰু প্ৰযুক্তিৰ এক বৈপ্লৱিক যুগৰ সূচনা কৰে। পৰৱৰ্তীকালত বিশ্বৰ অন্য দেশ সমূহলৈয়ো ইয়াৰ সম্প্ৰসাৰণ ঘটে আৰু সম্প্ৰতি চুপাৰ কম্পিউটাৰ, মহাকাশ প্ৰযুক্তি আদি গৱেষণাৰে ই এক বিশেষ স্থানত উপনীত হৈছেহি। কৃষি-বাণিজ্য, কলা-সংস্কৃতি, খেলা-ধূলা, চিকিৎসাসেৱা, নিৰাপত্তা আদি সকলো দিশতে বিজ্ঞানে অগ্ৰনী ভূমিকা গ্ৰহণ কৰিছে।

বিজ্ঞান প্ৰযুক্তিৰ এই পূৰ্ণ বিকাশৰ দিনত মানুহে নিজকে সমাজত খাপ খুৱাই চলিবলৈ হলে বিজ্ঞান বিষয়ৰ বুনিয়াদী জ্ঞান লাভ কৰা বাঞ্চনীয়। বিজ্ঞান শিক্ষাক জনপ্ৰিয় কৰি গঢ়ি তুলিব নোৱাৰিলে সমাজবিজ্ঞানসন্মত মানসিকতাৰে পৰিপুষ্ট নহয়। অৱশ্যে ইয়াৰ জটিল তত্ব আৰু উচ্চমানৰ প্ৰযুক্তি কৌশল সকলোৰে বোধগম্য নোহোৱা স্বাভাৱিক। কিন্তু! তেনে তত্ব আৰু প্ৰযুক্তিৰ আধাৰত বিজ্ঞানে সমাজলৈ আগবঢ়োৱা অৱদান সমূহ গ্ৰহণ কৰাত কাৰো বাধা নাই। অৱশ্যে আধুনিক বিজ্ঞানৰ সকলো অৱদান সহজলভ্য নহয়। তাৰে কিছুমানৰ ওপৰত চৰকাৰী নিষেধাজ্ঞাও নোহোৱা নহয়। তথাপি জনসাধাৰণৰ ব্যৱহাৰ উপযোগী বিজ্ঞানৰ অৱদান সমূহ ব্যৱহাৰ কৰিবলৈ যোৱাৰ পূৰ্বে জনসাধাৰণে সেইবোৰৰ ব্যৱহাৰিক জ্ঞান লাভ কৰা প্ৰয়োজন। বৰ্ত্তমান সমাজত বিশেষভাৱে জনপ্ৰিয়তা লাভ কৰা দূৰদৰ্শন নাইবা ৰন্ধন গেছৰ ব্যৱহাৰ সম্পৰ্কে প্ৰাথমিক জ্ঞান নোহোৱাকৈ তাক ব্যৱহাৰ কৰিবলৈ গ'লে যন্ত্ৰপাতি নষ্ট হোৱাৰ কথা বাদেই, দুৰ্ঘটনা ঘটাৰো সম্ভাৱণা বেছি।

আধুনিক বিজ্ঞান বৰ্তমান চূড়ান্ত শীৰ্ষত উপনীত হৈছেহি। বিশেষকৈ পশ্চিমীয়া দেশসমূহত উৎপাদনমূখী শিক্ষাৰ বহুল প্ৰসাৰ ঘটিছে। প্লাজমা পদাৰ্থবিজ্ঞান, জৈৱপ্ৰযুক্তিবিদ্যা, কম্পিউটাৰ ইঞ্জিনিয়াৰিং আদিৰ প্ৰচুৰ উন্নতি হৈছে। অথচ আমাৰ সমাজৰ এতিয়াও বহুতো লোকৰে বিজ্ঞানৰ প্ৰতি থকা ধাৰণা পুতৌ লগা অৱস্থাতে আছে। কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বশৱৰ্ত্তী হৈ বাস্তৱভিত্তিক চিন্তাচৰ্চাৰ ওপৰত কটু মন্তব্য দিয়া লোকো বৰ্ত্তমান আমাৰ সমাজত আছে। বিজ্ঞানৰ নৱতম আৱিস্কাৰ তথা সমাজত বিজ্ঞানসন্মত আঁচনি প্ৰয়োগৰ ফলাফলৰ বিষয়ে পুংখানুপুংখ বিশ্লেষণ নকৰাকৈ তাৰ ওপৰত নেতিবাচক মন্তব্য ডাঙি ধৰা ব্যক্তিৰ সংখ্যা আমাৰ সমাজত বিৰল নহয়। এনেধৰণৰ মন্তব্য তথা চিন্তাচৰ্চাই সমাজত মানসিক দ্বন্দৰ সৃষ্টি কৰে। বিজ্ঞানৰ সুফল আৰু কুফলক কেন্দ্ৰ কৰি সমাজত বিভ্ৰাট সৃষ্টি হয়। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে ইয়াৰ আনুষাংগিক সমাজৰ আন সাংস্কৃতিক দিশ সমূহৰ আশানুৰূপ বিকাশ নোহোৱা হেতুকে মানুহৰ মনত এনে দ্বন্দৰ সৃষ্টি হৈছে বুলি বিদ্বান লোক সকলে মতপোষণ কৰা শুনা যায।
"তুলনামূলকভাৱে মানৱ সংস্কৃতিৰ অগণণ্য শাখাবোৰৰ অগ্ৰগতি যথেষ্ট কম হোৱা বাবে সমাজ আৰু জীৱনত দ্বন্দৰ আৰু বৈষম্যৰ সৃষ্টি হৈছে।" মত আদৰ্শ আৰু নীতি অনুসৰি ব্যক্তিভেদে ৰাজনৈতিক তথা সাংস্কৃতিক মতানৈক্য থকাতো স্বাভাৱিক। কিন্তু! বিজ্ঞান শিক্ষা সাৰ্বজনীন। ইয়াৰ তত্ব সকলোৰে বাবে এক উমৈহতীয়া সম্পদ।

ব্যক্তিবিশেষে বিজ্ঞানসন্মত মানসিকতা মানেই সম্পূৰ্ণ এটা নাস্তিক মন বুজায় আৰু আধ্যাত্মিক মনোভাৱাপন্ন ব্যক্তিৰ চিন্তাধাৰা বিজ্ঞানসন্মত মানসিকতাৰ পৰিপন্থী বুলি আখ্যা দিয়ে। এনে-ধৰণৰ মন্তব্যই সমাজত বিজ্ঞানৰ জনপ্ৰিয়তা হ্ৰাস কৰে। অৱশ্যে এইটো ধ্ৰূৰূপ যে বিজ্ঞান সম্পূৰ্ণ বাস্তৱভিত্তিক যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত। আবেগ আৰু কল্পনাৰ প্ৰৱণতা ইয়াত ক্ষীণ। আমাৰ বস্তুবাদী জগতখন যিদৰে ভাৱবাদৰ পৰা সম্পূৰ্ণ মুক্ত নহয় সেইদৰে ভাৱবাদো বস্তুবাদী চিন্তাধাৰাৰ পৰা একেবাৰে মুক্ত নহয়। ভাববাদী চিন্তধাৰাৰ উপাস্য দেৱ দেৱী, ভূতপ্ৰেত, দাইনী জখিনী, আদিৰ ৰূপৰ কল্পনা বাস্তৱ জগতৰ কোনো বস্তু বা জীৱৰ আকাৰৰ ভিত্তিতে কৰা হয়। খ্যাতনামা দাৰ্শনিক তথা বিজ্ঞানীসকলে বিজ্ঞান আৰু আধ্যাত্মিকতাবাদ মানৱ মনৰ দুই ভিন্ন সত্বা বুলিহে অভিহিত কৰিছে। মহামতি আইনষ্টাইনে সত্যৰ দুই অন্বেষক বিজ্ঞান আৰু ধৰ্মৰ মাজত এক নিবিড় সম্পৰ্ক স্থাপন কৰি থৈ গৈছে। "I cannot conceive of a genuine scientist without that profound faith; science without religion is lame, religion without science is blind."
মহান বিজ্ঞানী নিউটনৰ চিন্তাধাৰাৰ মাজতো আধ্যাত্মিক ধ্যান-ধাৰণা পৰিস্ফুট হৈছে। বিজ্ঞান আৰু ধৰ্মতত্ব বিজ্ঞানৰ (Theology) সংমিশ্ৰনত এইজনা বিজ্ঞানীয়ে বিশ্বনিয়ন্তা (Universal ruler) আখ্যাৰে, ঈশ্বৰৰ (God) স্থিতি উপলব্ধি কৰিছিল। "The beautiful universe-could only proceed from the counsel and dominion of an intelligent and powerful

being."
ভাৰতীয় দৰ্শনত বিশ্বাসী আমেৰিকান পদাৰ্থবিদ্ ৰবাৰ্ট অপেণহেইমাৰে পৰমাণু বোমা বিস্ফোৰণৰ ভয়াবহ ৰূপক বিশ্বনিয়ন্ত্ৰনৰ ৰূপৰ ভয়াবহতাৰ লগত ভাগৱতগীতাৰ এটি শ্লোকৰ ভাবাৰ্থৰে উপলব্ধি কৰিব বিচৰাতো মনকৰিবলগীয়া। "If the radiance of a thousand suns were to brust into the sky. that could be like the splendour of the mighty ane."

আনহাতে বিজ্ঞানী ডাৰউইনে তেওঁৰ "জীৱন ক্ৰম বিকাশ" সম্পৰ্কীয় বিখ্যাত তত্ত্ব পৃথিৱীত জীৱ সৃষ্টি সম্পৰ্কত ভগৱান (God) বা ঈশ্বৰৰ অস্তিত্ব প্ৰতিপন্ন কৰিব বিচৰা নাই। এইজনা বিজ্ঞানীৰ ভাৱধাৰা নিউটন বা আইনষ্টাইনতকৈ কিছু পৃথক আছিল। তথাপি এক বুজন সংখ্যক বিজ্ঞানীৰ চিন্তাধাৰাৰ মাধ্যমেৰে বিজ্ঞান যে ধৰ্মৰ পৰিপন্থী নহয়, এই কথা প্ৰতীয়মান হৈছে। কিন্তু! ধৰ্মৰ নামত চলা সামাজিক কুসংস্কাৰ তথা অন্ধবিশ্বাস সমূহ বিজ্ঞানৰ পৰিপন্থী কাৰ্য্য। এনে কুসংস্কাৰ সমূহ বৰ্তমান যুগত অপ্ৰাসংগিক বুলি জনসাধাৰণক পতিয়ণ যোৱাব পাৰিলেহে আমাৰ বিজ্ঞানচৰ্চা সাৰ্থক হব। সমাজত বৈজ্ঞানিক সত্য একোটা প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে গেলিলিও, আইনষ্টাইন প্ৰমূখ্যে বিশ্ববৰেণ্য বিজ্ঞানী সকলেও অশেষ ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল।

পুৰণি ৰীতি-নীতিৰে পৰিচালিত আমাৰ সমাজ ব্যৱস্থাটোক সম্পূৰ্ণ বিজ্ঞানসন্মত কৰি গঢ়ি তুলিবলৈ হলে বিজ্ঞানৰ সেৱকসকলে অশেষ ত্যাগ স্বীকাৰ কৰিব লাগিব। বিজ্ঞানৰ জটিল তত্ত্ব, ভাববাদ আৰু বস্তুবাদ ভিত্তিত হোৱা বাক বিতন্দা বা যুক্তি তৰ্কলৈ নগৈ সৰ্বসাধাৰণে কেনেকৈ বিজ্ঞানসন্মত মানসিকতা আৰ্জন কৰিব পাৰে তাৰ প্ৰতিহে লক্ষ্য ৰখা উচিত। বিজ্ঞানসন্মত বিচাৰ বিশ্লেষণ কৰিব পৰা ক্ষমতাৰ অভাৱত আমাৰ সমাজখনত বিশৃংখলতাই দেখা দিছে। সহজে ধন ঘটাৰ মানসিকতা, ড্ৰাগছৰ প্ৰচলন আৰু ব্লুফিল্মৰ দৰে অপসাংস্কৃতিয়ে দেশৰ ধৰনীস্বৰূপ যুৱতী সকলক পংগু কৰি পেলাইছে। সমাজলৈ এইড্‌ছৰ দৰে মহামাৰীৰ আগমন ঘটিছে। "একবিংশ শতিকাত সকলোৰে বাবে স্বাস্থ্য" কথাষাৰ অনুভৱ কৰাৰ মূহুৰ্ত্তত প্লেগ, মেলেৰিয়া আদি ৰোগে মহামাৰীৰূপ ধাৰণ কৰিছে। স্বাস্থ্য সম্পৰ্কীয় জ্ঞানৰ যোগেদি সাৱধানতা অৱলম্বন কৰি তেনে ৰোগ প্ৰতিৰোধ কৰিব পৰা হয়। ৰোগে আক্ৰমন কৰাৰ পিছত চিকিৎসা কৰাতকৈ আগতিয়াকৈ প্ৰতিৰোধ কৰাৰ ব্যৱস্থা বেছি বিজ্ঞানসন্মত বুলি চিকিৎসক সকলে মত পোষণ কৰিছে।

ড্ৰাগছ সেৱনকাৰীসকল আজি সমাজৰ চিন্তনীয় বিষয় হৈ পৰিছে। ড্ৰাগছৰ কুফল সম্পৰ্কে জনসাধাৰণে স্পষ্ট বিজ্ঞানসন্মত জ্ঞান লাভ কৰিব নোৱাৰিলে, এদিন এই ভয়াবহ ব্যাধিয়ে যে আমাৰ গোটেই সমাজখনকে গ্ৰাস নকৰিব তাত কোনো সন্দেহ নাই।

সম্প্ৰতি আমাৰ সমাজত ব্লুফিল্মৰ প্ৰাসংগিকতা আছেনে নাই তাক বিবেচনা নকৰাকৈ যি সকল যুৱক-যুৱতী ইয়াৰ কবলত পৰিছে, তেওঁলোকৰো বিজ্ঞানসন্মত মানসিকতাৰ অভাৱ বুলিয়েই কব লাগিব। এনে অপসংস্কৃতিয়ে (সংস্কৃতি ?) তেওঁলোকৰ মনত জ্ঞানৰ পৰিৱৰ্তে অপৰাধ প্ৰৱনতা জগাই তুলিলে ব্যভিচাৰত লিপ্ত হ'বলৈয়ো তেওঁলোকৰ বেছি সময় নালাগিব। কাজেই ধৰ্ষণ, বলৎকাৰ আদি অপৰাধ সমাজত বৃদ্ধি পাব।

পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণৰ ফলত সমাজৰ এচাম যুৱক যুৱতীৰ নৈতিক প্ৰমূল্যৰ স্খলন ঘটিছে। ড্ৰাগছ, ব্যভিচাৰ আদি সামাজিক ব্যাধিয়ে এইড্‌ছৰ দৰে মাৰাত্মক ৰোগক সমাজলৈ আমন্ত্ৰণ জনাইছে। পূৰ্বতে পশ্চিমীয়া দেশৰ যোগেদি জন্মলাভ কৰা এই ৰোগে সম্প্ৰতি ভাৰত তথা উত্তৰ পূৰ্বাঞ্চলত প্ৰাধাণ্যলাভ কৰিছে। বিশেষকৈ মনিপুৰ আৰু নগালেণ্ডৰ যোগেদি হোৱা ড্ৰাগছৰ ব্যৱসায়ৰ ফলত ড্ৰাগছ সেৱনকাৰী সকলে অসমলৈয়ো এইড্‌ছৰ বীজাণুৰ সংক্ৰমণ ঘটাইছে। সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চলৰ শতকৰা নব্বৈভাগ এইড্‌ছ ৰোগীয়েই ড্ৰাগছ সেৱনকাৰী বুলি প্ৰমাণিত হৈছে। জনসাধাৰণৰ মাজত এইড্‌ছৰ ভয়াবহতা সম্পৰ্কে সম্যক জ্ঞান আৰু ইয়াক প্ৰতিৰোধৰ বাবে বিজ্ঞানসন্মত চিন্তাচৰ্চা হলেহে এনে মাৰাত্মক ব্যাধিৰ পৰা হাত সাৰিব পৰা যাব। অবৈধ তথা অচিনাকি ব্যক্তিৰ পৰা তেজ গ্ৰহণ আদিৰ পৰা বিৰত থাকিলে এইড্‌ছ ৰোগ সম্প্ৰসাৰণৰ সম্ভাৱনা কম হয় বুলি সু-চিকিৎসক সকলে মন্তব্য দিছে।

দৈনন্দিন জীৱনত মানুহৰ বিজ্ঞানসন্মত জ্ঞানৰ প্ৰয়োজনীয়তা মন কৰিব লগীয়া। পৰিস্কাৰ পৰিছন্নতাই ৰোগ প্ৰতিৰোধ কৰে। ডি ডি টি জাতীয় বীজাণু নাশকৰ দ্বাৰা ঘৰৰ চৌহদ বীজাণু মুক্ত কৰি ৰাখিলে মেলেৰিয়াৰ পৰা হাত সাৰিব পাৰি। কিন্তু! বীজানুনাশক প্ৰয়োগৰ ক্ষেত্ৰত লবলগীয়া সাৱধাণতা অৱলম্বণ নকৰিলে বিপদৰ সম্ভাৱনাই বেছি। এনে বীজাণুনাশক স্বাস্থ্যসন্মত নহয়।

স্বাধীনোত্তৰ কালত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আধাৰত বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতত অধিক মূলধন বিনিয়োগ কৰা হৈছে। কৃষি, গৱেষণা, চিকিৎসা-সেৱা, আদি দিশত বিশেষ গুৰুত্ব দিয়া হৈছে। মানুহৰ জীৱনধাৰণৰ মানদণ্ড উন্নত হৈছে। চিকিৎসা বিজ্ঞানৰ উন্নতিয়ে মৃত্যুৰ হাৰতকৈ জন্মৰ হাৰ বৃদ্ধি কৰিছে। দ্ৰুতহাৰত জনসংখ্যা বৃদ্ধি হৈছে। কিন্তু! সেই অনুপাতে কৃষি ভূমি বৃদ্ধি হোৱা নাই। সেয়েহে কৃষি আৰু শিল্পত বিশেষ গুৰুত্ব দি দেশৰ জনমুৰি আয় বৃদ্ধি কৰিবলৈ চেষ্টা কৰা হৈছে। আমাৰ কৃষি কৰ্ম এতিয়াও সমাজৰ দুৰ্বল শ্ৰেণীৰ মাজতে আবদ্ধ আছে কৃষিৰ পৰা অধিক উৎপাদন লাভ কৰিবলৈ হলে কৃষকসকলে উন্নত বিজ্ঞানসন্মত কৃষি পদ্ধতিৰ বিষয়ে জ্ঞান লাভ কৰিব লাগিব। পৰম্পৰাগত আওপুৰনি কৃষি পদ্ধতিৰে আমাৰ জাতীয় জীৱনৰ সম্পূৰ্ণ উন্নতি আশা কৰিব নোৱাৰি। কেৱল কৃষিক্ষেত্ৰতেই নহয়, সমাজৰ সকলোধৰণৰ বৃত্তিধাৰীলোকেই বৈজ্ঞানীক পদ্ধতিৰে নিজৰ বৃত্তি সমূহ পৰিচালনা কৰিলেহে আমাৰ আৰ্থসামাজিক উন্নয়নৰ চৰম বিকাশ আশা কৰিব পাৰি। "দেশৰ মানুহৰ বিজ্ঞানসন্মত মানসিকতা আৰু জাতীয় উন্নতি আৰু গুণগত উৎকৰ্ষৰ প্ৰতি বিজ্ঞান শিক্ষাৰ দায়বদ্ধতা অবিহনে বিজ্ঞানে দেশৰ সুস্থ বিকাশত বেছি সহায় কৰিব নোৱাৰে।" ৬

যুক্তিহীন অবৈজ্ঞানীক সামাজিক তথা সাংকৃতিক পৰম্পৰাইও জাতীয় উন্নতিৰ পথত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। জনসাধাৰণৰ পৰিপক্ক বিজ্ঞানসন্মত মানসিকতা অবিহনে সমাজৰ পৰা এনে প্ৰতি-বন্ধকতা দূৰ কৰা সম্ভৱ নহয়।

জনসাধাৰণৰ মাজত আজি পৰিবেশ সম্পৰ্কীয় জ্ঞানৰ গুৰুত্ব অধিক। দ্ৰুতহাৰত জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ আদিৰ ফলত আমাৰ তৃণভূমি, জলসম্পদ, হাবি-বননি আদিৰ দ্ৰুত অৱক্ষয় ঘটিছে। অবাসগৃহৰ নাটনি হৈছে। কলকাৰখানা, তেলখাদ, কয়লাখনি আদিৰ পৰা নিৰ্গত ধোঁৱা আৰু পেলনীয়া আৱৰ্জনাই পৰিবেশ প্ৰদূষিত কৰিছে। বিশ্বক পৰিবেশ সংকটৰ পৰা মুক্ত কৰিবলৈ হলে, জীৱৰ প্ৰতি থকা মানুহৰ দয়া, কৰুনা আদি গুণ আৰু মানৱীয় মূল্যবোধৰ প্ৰয়োজন আহি পৰিছে। জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কেৱল চৰকাৰী আচনি যুগুত কৰিলেই সমস্যা সমাধান নহয়। জনসাধাৰণৰ সচেতনতা তথা বৈজ্ঞানীক মনোবৃত্তি অবিহনে এনে আচনি অচল। "গছ থাকিলেহে মানুহ থাকিব"। "এক বৃক্ষ দশ পুত্ৰ সম"। এই বিলাক কেৱল শ্ল'গানৰ শাৰীত ৰাখিলেই ন'হব। কাৰ্য্যকৰিও হ'ব লাগিব।

কলকাৰখানা, বৈদ্যুতিক যন্ত্ৰ, আদিৰ পৰা নিৰ্গত শব্দ, ধোঁৱা আৰু বিভিন্ন গেছ সমূহে আমাৰ বায়ুমণ্ডল প্ৰদূষিত কৰিছে। সেউজ গৃহ পৰিঘটনা ( Green house effect ), অজন গহ্বৰ ( Ozone hale ) আদি পৰিঘটনাৰ যোগেদি বায়ুমণ্ডললৈ সূৰ্য্যৰ অতিবেঙুনীয়া (Ustraviolet ৰশ্মিৰ বিকিৰণ ঘটিছে। ইয়াৰ ফলত মানুহ বিভিন্ন দুৰাৰোগ্য ব্যাধিৰ কবলত পৰিছে। পৰিবেশ প্ৰদূষণৰ অন্য এক উল্লেখযোগ্য দিশ হ'ল তেজষ্ক্ৰিয় বিকিৰণ। মহাযুদ্ধৰ সময়ৰ পৰা আজিলৈকে বিভিন্ন আণৱিক অস্ত্ৰ প্ৰয়োগ আৰু আণৱিক কেন্দ্ৰত হোৱা বিস্ফোৰণৰ যোগেদি বায়ুমণ্ডলত তেজষ্ক্ৰিয়তাৰ মাত্ৰা বৃদ্ধি পাইছে। তদুপৰি আমাৰ অজানিতে আমাৰ পাৰিপাৰ্শ্বিক বিভিন্ন বস্তুৰ পৰা অহা তেজষ্ক্ৰিয় বিকিৰণ অনবৰত আমাৰ দেহত আহি প্ৰবেশ কৰিছেহি এনে বিকিৰণ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক। Nuclear Power Station India ( Bombay ) ৰ যোগেদি দিয়া এক তথ্যমতে ( 1990 ) আণৱিক কেন্দ্ৰত কাম কৰা কৰ্মচাৰী এজনে গড় হিচাবে বছেৰেকত ৫০০০ মিলিৰেম ( তেজষ্ক্ৰিয়তাৰ এটা একক ) আৰু এনে কেন্দ্ৰৰ ওচৰৰ এজন বাসিন্দাই প্ৰতিবছৰে ১০০ মিলিৰেম বিকিৰণৰ সন্মুখীন হয়। আনৱিক কেন্দ্ৰৰ সান্নিধ্যত থকা ব্যক্তি এজনে গ্ৰহণ কৰা বিকিৰণৰ মাত্ৰা আমি নিতৌ পাৰপাৰ্শ্বিক (Back ground radiation) বিকিৰণৰ যোগেদি গ্ৰহণ কৰা বিকিৰণ মাত্ৰ এক বা দুই শতাংশহে। গতিকে আণৱিক শক্তি কেন্দ্ৰ বুলিলেই ভিতিবিহ্বল হোৱাৰ প্ৰয়োজন নাই। আমাৰ পৰিবেশৰ বিভিন্ন উপাদান, বিভিন্ন গ্ৰহ নক্ষত্ৰৰ পোহৰ, মহাজাগতিক ৰশ্মি, খনিজাত সামগ্ৰী, সাগৰ, খাদ্যদ্ৰব্য আনকি মানৱ দেহৰ বিভিন্ন অংশৰ পৰা অহা বিকিৰণো আমি প্ৰতিদিনে গ্ৰহণ কৰি আহিছো। তেজষ্ক্ৰিয় বিকিৰণৰ মূল উৎসসমূহৰ বিষয়ে সম্যক জ্ঞান থাকিলে বিকিৰণ বিপদৰ পৰা বহুখিনি ৰেহাই পাব পাৰি। "ধূমপান স্বাস্থ্যৰ বাবে ক্ষতিকাৰক" হলেও বাস্তৱিকতে আমাৰ সমাজত আজিও ধূমপানৰ ব্যাপক প্ৰচলন আছে। ধূমপানৰ অপকাৰীতা সম্পৰ্কে বিজ্ঞানসন্মত যুক্তি নথকা নহয়। ইউৰেণিয়াম, ৰেডিয়াম আদি তেজষ্ক্ৰিয় ধাতুৰ খনিত কাম কৰা লোকে তাত ধূমপান কৰিলে তেওঁলোকৰ হাওঁফাওঁৰ কৰ্কট ৰোগ ( Lung Cancer ) হোৱাৰ সম্ভৱনা বেছি। তদুপৰি পকীঘৰৰ বিভিন্ন উপাদান ইটা, চিমেন্ট, বালি, কংক্ৰিট আদিৰ লগত তেজষ্ক্ৰিয় মৌল মিহলি হৈ থাকিলে, তেনে পৰিবেশত চিগাৰেট সেৱন কৰিলে তেনে তেজষ্ক্ৰিয় মৌল বা তাৰ পৰিবেশত চিগাৰেট সেৱন কৰিলে তেনে তেজষ্ক্ৰিয় মৌল বা তাৰ সমস্থানিক ( Isotope ) সমূহ চিগাৰেটৰ ধোঁৱা আৰু ধপাতৰ আহঁৰোৰেদি শৰীৰত প্ৰবেশ কৰি মানুহৰ Lung Cancer ( হাওঁফাওঁৰ কৰ্কট ৰোগ ) Bronchial Cancer আদি ৰোগ সৃষ্টি কৰিব পাৰে।

The cigarette smoker collects air borne radon progeny on trickans, between tobacco fibers, in the burning cigarette. The collected radon progeny are incinerated in the burning cigarette at atem perature of ∽ 1000°c. giving rise to radioactive smoke particles which are enriched in pb—214 and pb—212 as well as pb—210. radioactive smoke particles > 1 0 Mm. Diameter will Be selectively Deposited at

the Bronchial tumor sites…………………………

……………………………………………………

……on this basis itis proposed that cigarette smokers in high indoor radon or thoron environmants may by the exposure group with the highest risk of bronchial cancer.” 9

বায়ুমণ্ডল মহাজাগতিক ৰশ্মি, খোৱাপানী ( খোৱাপানীত স্থানভেদে Ra—226. আৰু RN—222 নামৰ দুটা তেজস্ক্ৰিয় সমস্থানিক থাকে ) আদিৰ জৰিয়তে হ’ব পৰা বিকিৰণ বিপদৰ প্ৰতিৰোধ সম্পৰ্কীয় চিন্তাচৰ্চা সৰ্বসাধাৰণৰ চিন্তাশক্তিৰ উৰ্দ্ধত। ইয়াৰ বাবে উচ্চমানৰ গৱেষণাৰ প্ৰয়োজন। কিন্তু ! পৰিষ্কাৰ পৰিচ্ছন্নতাৰ আন স্বাস্থ্যসন্মত দিনবোৰৰ ওপৰত জনসাধাৰণে বিজ্ঞানসন্মত জ্ঞান লাভ কৰা বাঞ্চনীয়। বৃক্ষৰোপন, জীৱ-জন্তু সংৰক্ষণ আদিৰ যোগেদি পৰিবেশ সংৰক্ষণৰ চিন্তাচৰ্চাও সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বা অপৰিহাৰ্য্য। কৃষি আৰু প্ৰযুক্তি ভিত্তিক বৃক্ষৰোপন আচনি সমাজৰ দূৰ্বল শ্ৰেণীৰ জীৱনৰ মানদণ্ড অধিক উন্নত কৰি তোলে তাৰ দ্বাৰা পৰিবেশো সংৰক্ষণ হয় আৰু সমাজেও অৰ্থনৈতিক প্ৰগা লাভ কৰে। আমাৰ অসমতে এনে কিছুমান অঞ্চল আছে য’ চোম, হোৱালো, আদি বৃক্ষৰ বাবে প্ৰকৃতিয়ে উৎকৃষ্ট জলবায়ু দা কৰিছে। তেনে অঞ্চল সমূহত চোমজাতীয় বৃক্ষৰোপনত গুৰুত্ব কৃষিভিত্তিক অৰ্থনীতি গঢ়ি তুলিব পাৰি। কৃষিভিত্তিক উৎপাদন ওপৰত প্ৰযুক্তি কৌশল প্ৰয়োগ কৰিলে অধিক লাভালাভ পো যায়। জনসাধাৰণৰ মাজত বিজ্ঞান আৰু প্ৰযুক্তিমূলক সচেতন জগাই তুলি, চোমজাতীয় গছৰ আলমত উৎপাদিত পাটমুগাৰ ওপৰ সেই প্ৰযুক্তি কৌশল প্ৰয়োগ কৰিব পাৰিলে, অসমত যে আ কেইবাখনো গুৱালকুছি সৃষ্টি নহ’ব তাত কোনো সন্দেহ নাই।

## ঃ কৃতজ্ঞতা স্বীকাৰ ঃ


১—৬ ডঃ কুলেন্দু পাঠক—প্ৰবন্ধ, বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু জাতীয় উন্নতি কটনিয়ান ৬০ তম সংখ্যা।

২— ডঃ কুলেন্দু পাঠক—প্ৰবন্ধ নিউটনীয় সংশ্লেষণ—The Scientific Cottonian December 86,

৩—৪ Dipankar Home, প্ৰবন্ধ HE=me2 Science today vol—24, Aug 90

৫— ডঃ দিলীপ কুমাৰ চৌধুৰী--ডেভিদ ব’ম এগৰাকী দাৰ্শনিক পদাৰ্থ বিজ্ঞানী, বিজ্ঞান জেউতি আগষ্ট ছেপ্তেম্বৰ ৯৪,

৭— E. A. Martell—The Natural Alpha radiation Environment ; A Preliminary Assessment. Natural Radiation Environment— Wiley Estern Limited New Delhi, Bangalore, Bombay, Calcutta.




# আধুনিক অসমীয়া কবিতাৰ দুৰ্বোধ্যতা ঃ

## এটি পৰ্য্যালোচনা


✱ বিভা দত্ত নেওগ


কবিতাই কথা কয়। অনেক কথা। মানুহৰ হৃদয়ৰ কথা। …নুহৰ মনৰ কথা। ভাল লগা মুহূৰ্ত্তৰ কথা। দুখ লগা মুহূৰ্ত্তৰ কথা। …। ৰমন্যাসিক কবিতাৰ কথা। ফুল, তৰা, গান, প্ৰেম, চৰাইৰ সুললিত …ক, প্ৰকৃতিৰ ছয় ঋতুৰ বিচিত্ৰ উপাদানেৰে ভৰপুৰ আছিল ৰমন্যাসিক …বিতাৰ সুকোমল দেহ। ৰমন্যাসিক কবিয়ে আদৰি লৈছিল প্ৰকৃতিক। …কৃতিয়েও যেন বুজিছিল কবিৰ হৃদয়ৰ অনন্য খবৰ। প্ৰকৃতিৰ …ভুৰ সৌন্দৰ্যৰ খনি খান্দি সন্ধান কৰিছিল প্ৰিয়াৰ ৰূপ। বিচাৰিছিল …ৱানৰ স্বৰূপ। ৰমন্যাসিক কবিয়ে প্ৰকৃতিৰ বুকুত শুনিলে প্ৰাণৰ …ন্দন। আৰোপ কৰিলে নৈসৰ্গিক চিত্ৰৰ বুকুত মানৱীয় চেতনা।

ৰমন্যাসিক কবিতাৰ প্ৰধান বিষয়বস্তু ৰূপে চিহ্নিত হৈছিল আবেগ …ক প্ৰকৃতি। কিন্তু সময়ে বাগৰ সলালে ধ্যান-ধাৰণা চিন্তা চেতনাইও …গৰ সলায়। দ্বিতীয় মহাযুদ্ধই মানুহৰ মন আৰু মগজুক দোলা দি …ল। আবেগৰ স্থান ল’লে মগজুৱে। প্ৰকৃতিৰ স্থান ল’লে মানুহে। … দাঙি উঠিল বাস্তৱে। কবিতাত প্ৰতিফলিত হ’ল সমাজৰ ছবি। …তিফলিত হ’ল আধুনিক মনৰ খবৰ প্ৰতিফলিত হ’ল আধুনিক …তনা, আধুনিক জীৱন, আধুনিক কালৰ জটিলতা। আধুনিক …ৱনৰ নানা সমস্যাই কবিতাত আসন বিচাৰি ল’লে।

এইখিনিতে এটা প্ৰশ্নৰ উদয় হয়। আধুনিক চেতনা আৰু …ধুনিক জীৱনে কেনে ধাৰণা দিব খোজে ? ষ্টিফেন স্পেন্দাৰৰ মততে …ৰ দি এষাৰ কথা প্ৰসঙ্গক্ৰমে উল্লেখ কৰিলে হয়তো ধাৰণাটো পৰিষ্কাৰ …ব। ‘যন্ত্ৰ, শিল্পনগৰী আৰু স্নায়ুৰোগগ্ৰস্ত লোকৰ ব্যৱহাৰ, …সাময়িক এই অৱস্থাসমূহৰ প্ৰতি মানুহৰ যি মনোভাৱ সেয়ে আধুনিক …চনা।’’ আনহাতে আধুনিক জীৱন ভয়, যন্ত্ৰণা, শঙ্কা, তুচ্ছতা, …ৰ্শতা, মোহভঙ্গ, যান্ত্ৰিকতা আদিৰ নাগপাশত বন্দী। অস্বীকাৰ …ৰিবৰ উপায় নাই আধুনিক জীৱন ক্লান্তি, অৱসাদ আৰু …ন্তোষ, নিষ্প্ৰাণ আমনিবোধেৰে ভাৰাক্ৰান্ত। অসহায়বোধ আৰু …ৱনৰ মূল হীন অৱস্থা এটাইও আধুনিক জীৱনক স্পৰ্শ নকৰাকৈ থকা নাই। গতিকে জীৱন সম্পৰ্কে কবিসকলে লাভ কৰা জ্ঞান, অভিজ্ঞতাই বুদ্ধিমত্তাৰ সহায়ত নতুন ৰূপত প্ৰকাশ লাভ কৰিছে।

কবিতা এই অৰ্থতেই আধুনিক যেতিয়া কবিতাৰ মাজত নতুন বিষয়বস্তু, নতুন মূল্যবোধ, নতুন দৃষ্টিভঙ্গী আৰু নতুন প্ৰকাশভঙ্গীয়ে মানসপটত একোখন অভিনৱ মানচিত্ৰ আঁকিবলৈ সক্ষম হয়। আধুনিক কবিতা বোলোতে তাত সংলগ্ন হৈ থকা আধুনিকতাৰ সংজ্ঞা দিয়া বৰ জটিল। আধুনিকতাৰ স্বৰূপ প্ৰকাশক এটি নিৰ্দ্দিষ্ট সংজ্ঞা পোৱা নাযায়। আজি যাক আমি আধুনিক বুলি অভিহিত কৰিছো আন সময়ত হয়তো ইয়েই হৈ পৰিব প্ৰাচীন। সময়ৰ সৰ্পিল গতিৰে মানুহ আগুৱাই গৈ থাকোতে জীৱনৰ মূল্যবোধ, জীৱনৰ প্ৰতি দৃষ্টিভঙ্গী সলনি হোৱাটোৱেই স্বাভাৱিক। আধুনিক সাহিত্য বা কবিতা সম্পৰ্কে বোডলেয়াৰৰ ধাৰণা প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি। “মানুষ দুঃখী, কিন্তু সে জানুক সে দুঃখী; মানুষ পাপী, কিন্তু সে জানুক সে পাপী; মানুষ ৰুগ্ন, কিন্তু সে জানুক সে ৰুগ্ন; মানুষ মুমূৰ্ষু, এবং সে জানুক সে মুমূৰ্ষু; মানুষ অমৃতাকাঙ্ক্ষী, এবং সে জানুক সে অমৃতকাঙ্ক্ষী। সকলে জানবে না, জানতে পাৰবে না চাইবে না; কিন্তু কবিৰা জানুন। এই জ্ঞানেই আধুনিক সাহিত্যৰ অভিজ্ঞান।”

মানুহ যিমানে আধুনিকতাৰ পথেৰে আগুৱাই গৈছে মানুহৰ মনৰ শৃংখলাও সিমানেই হেৰাই গৈছে। বৰ্ত্তমানক লৈ সৃষ্টি হোৱা অসন্তুষ্টতা, অতীতৰ ক্ষয়িষ্ণু গৌৰৱৰ ডুখৰীয়া ছবি আৰু অনাগত দিনলৈ থকা সংশয়ভৰা প্ৰতীক্ষা সিক্ত দৃষ্টিৰে আধুনিক মন ভাৰাক্ৰান্ত। গতিকে আধুনিক কবিতাত আধুনিক মন, আধুনিক চেতনা, আধুনিক জীৱন প্ৰতিফলিত হোৱাটো অস্বাভাৱিক নহয়।

আধুনিক অসমীয়া কবিতাৰ ভঁড়াল টনকিয়াল কৰাত ভাৰতীয় চিন্তা-চেতনাৰ পৰম্পৰা আৰু পাশ্চাত্য চিন্তা-চেতনাৰ অৱদানে যথেষ্ট সহায় কৰি আহিছে। চিন্তা-চেতনাৰ এই দুয়োটা দিশকে কবিসকলে অসমীয়াৰ ঐতিহ্যৰ তুলাচনীত তুলি চাবলৈ পাহৰা নাই। পাহৰা নাই

অসমীয়া মাতকথা আৰু ধ্বনিমূল্য দিবলৈ। ৰমন্যাসিক কল্পনা বুদ্ধি আশ্ৰিত কল্পনালৈ উত্তীৰ্ণ হ'ল এইটো যুগতে। মননশীলতা আৰু বুদ্ধিগ্ৰাহ্য চেতনা প্ৰতীকৰ ধ্বনিশীলতা, মানস চিত্ৰৰ বিচিত্ৰ প্ৰকাশ আৰু ছন্দৰ মুক্তি আধুনিক কবিতাৰ আঙ্গিক বৈশিষ্ট্য ৰূপে ধৰা দিলে। আধুনিক কবিৰ সম্মুখত আদৰ্শ ৰূপে ঠিয় দিলে কেইজনমান বুদ্ধিনিষ্ঠ পাশ্চাত্য কবিয়ে। এই সকলৰ ভিতৰত মাল'ৰ্ল, বোদলেয়াৰ, ৰিল্কে, মায়াকভস্কি, অডেন, স্পেণ্ডাৰ, ইলিয়টেই অসমীয়া কবি সকলৰ হৃদয় আৰু মগজু আলোড়িত কৰিবলৈ সক্ষম হ'ল। তাৰ উপৰিও ফ্ৰয়ডীয় মনস্তত্বৰ প্ৰভাৱ, মাৰ্ক্সীয় প্ৰভাৱে অসমীয়া কবিতাৰ প্ৰাণ চুই গৈছে। বিশেষকৈ আধুনিক অসমীয়া কবিতাত কবিসকলৰ সূক্ষ্মাতি সূক্ষ্ম অনুভৱৰ ডুখৰীয়া ছবি চিত্ৰনৰ প্ৰয়াস দেখা যায়। সেয়েহে প্ৰতীকবাদ, চিত্ৰকল্পবাদ, জাপানী 'হাইকু' কবিতাৰ আদৰ্শই কবিসকলক তীব্ৰভাৱে আকৰ্ষণ কৰিছে। এনেধৰণৰ ৰচনাৰীতি, অনুভৱৰ খণ্ড-খণ্ড টুকুৰা, উপলব্ধিৰ অৰ্থঘন প্ৰকাশ আৰু ভাবৰ তীব্ৰ সংঘাতৰ বাবে উপযোগী। ব্যঞ্জনাধৰ্মিতাই সেয়েহে আধুনিক কবিতাক অস্পষ্ট কৰি তুলিছে। "কবিতা এতিয়া সাধাৰণ পাঠকৰ বস্তু নহয়, আধুনিক শিক্ষাত শিক্ষিত লোকৰহে আস্বাদনীয় হৈ পৰিছে[৩]।' কথাষাৰ সঁচাকৈ চিন্তা কৰিবলগীয়া। কবিৰ একান্ত ব্যক্তিনিষ্ঠ ভাব অনুভূতি নাইবা অবচেতন মনৰ অসংলগ্ন টুকুৰা ছবি বুদ্ধিবাদী ৰচনাশৈলীৰ পৰা বুটলি আনি ৰসাস্বাদন কৰা জটিল হৈ পৰিছে।

সাম্প্ৰতিক কালৰ কবিতাৰ বহু অংশই দুৰ্বোধ্যতাৰ অভিযোগেৰে অভিযুক্ত। এই অভিযোগ কেৱল অসমীয়া কবিতাৰ ক্ষেত্ৰত উঠিছে এনে নহয়। য়ুৰোপীয় সমালোচনা সাহিত্যৰ পাত লুটিয়ালে দুৰ্বোধ্যতা বুজাবৰ কাৰণে তিনিটা শব্দৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। ডিফিকাল্টি, অবস্কিউৰিটি আৰু এম্বিগুইটি (Difficulty, Obscurity, Ambiguity) দেখা যায় যুগে যুগে এই শব্দটোৱে ভুমুকি মাৰি আহিছে। এই অভিযোগ হয়তো আগলৈকে থাকিব। আধুনিক অসমীয়া কবিতাত আধুনিক কবিসকলে শব্দ চয়নত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। শব্দচিত্ৰৰ বুকুত তুলি দিছে অনুভূতিক। কবিয়ে কৌশলপূৰ্ণভাৱে নতুন নতুন ভঙ্গিমাৰে শব্দৰ অন্তৰ্নিহিত সত্য প্ৰকাশ কৰিব খোজে; সদৰী কবিৰ খোজে মনৰ অনেক কথা। দেখা যায় আধুনিক কবিসকলৰ মাজত এনেকুৱা কবিও আছে যি কিছুমান আভিধানিক শব্দৰ শিকলিত কবিৰ বক্তব্যক বান্ধি ৰাখিব খোজে। তেতিয়াই কবিতা সহৃদয় পাঠকৰ বাবে দুৰ্বোধ্য হৈ পৰে। কিন্তু 'দুৰ্গের পাথরের গাঁথুনি দেখবার কাজতো কবির নয়[৪]।', কবিৰ কাম সত্যক কাব্যময় ৰূপ প্ৰদান কৰি পাঠকৰ হৃদয়ত আনন্দ সঞ্চাৰ কৰা। আনহাতে শব্দৰ অৰ্থই আভিধানিক সীমা ছেৰাই যায় যেতিয়া তাত প্ৰবল অনুভূতিৰ সংঘাত লাগে। তেতিয়াই কবিৰ অনুভূতি শব্দৰ অৰ্থক ব্যঞ্জনাময় কৰি তোলে। আচল কথা হ'ল, কবিৰ — আকাশ ৰামধেনুৰ বৰ্ণালীৰে বৰ্ণময়। কবিৰ হৃদয়ত উঠলি উঠা অনুভূতি কবিতাৰ আকাশত ৰামধেনুৰ দৰে জিলিকি উঠে। কিছুমান ভাবৰ ৰং চুটি তৰঙ্গ দৈৰ্ঘ্যৰ ৰঙৰ দৰে। আন কিছুমান তৰঙ্গ দৈৰ্ঘ্যৰ ৰঙৰ দৰে। এই চুটি তৰঙ্গ দৈৰ্ঘ্যৰ ভাবৰ ৰং অ পোনপটীয়াকৈ গ্ৰহণ কৰিবলৈ অক্ষম। আনহাতে দীৰ্ঘ তৰঙ্গ দৈ ভাবৰ ৰশ্মিয়ে পাঠকৰ হৃদয় চুই যাবলৈ সক্ষম হয়। প্ৰথমটি কাব্য কবিতা ৰসগ্ৰাহী পাঠকৰ বাবে দুৰ্বোধ্য হৈ উঠে।

মুঠ কথাত ক'ব পাৰি অলঙ্কাৰ, উপমা, প্ৰতীক চিত্ৰকল্পৰ ব্যৱ ব্যঞ্জনাধৰ্মী প্ৰকাশভঙ্গী, চলচিত্ৰধৰ্মী কলাকৌশল, নাটকীয়তাৰ প্ৰ আদি কাব্য নিৰ্মাণৰ বিচিত্ৰ উপাদান সমূহৰ আধিক্য আৰু হীন কবিতাৰ ৰসাস্বাদনত বাধা জন্মায়। সেতিয়াই কাব্যপ্ৰেমীৰ কবিতা দুৰ্বোধ্য যেন অনুভৱ হয়। ভাবি চাবলগীয়া কথাটো কবিচিত্ত আৰু পাঠকচিত্তৰ মিলন সম্ভৱ হয় কবিৰ সৃষ্টি কৰ্মৰ ভিতৰ সেয়ে কবিতাত প্ৰয়োগ কৰা কলাকৌশলৰ যথাযথ বিন্যাস অ প্ৰয়োজনীয় কথা। কাৰণ কবি আৰু পাঠকৰ বিচৰণ ক্ষেত্ৰ এ ভাবজগৎ। কবিয়ে এই বস্তুজগতৰ পৰা লাভ কৰা বিচিত্ৰ অনু কল্পনাৰ সহায়ত অভিনৱ ৰূপে মণ্ডিত কৰে। আনহাতে পাঠ কাম হৈছে কাব্যৰ ৰসবস্তু আস্বাদন কৰা। কিন্তু আধুনিক অস কবিতাত দুৰ্বোধ্যতাৰ অভিযোগ মোচন কৰিবলৈ হ'লে কবি আ সহৃদয়ৰ পাৰস্পৰিক নিৰ্ভৰশীলতাৰ প্ৰয়োজন। আধুনিক অস কবিতাৰ পাঠক সকলৰ বিশেষ কাম হ'ল আধুনিক কবিতাত প্ৰ কৰা কাব্য নিৰ্মাণৰ বিচিত্ৰ উপাদানৰ মাজেৰে ৰস আস্বাদন কৰি যোগ্যতা অৰ্জন কৰা। এটা কথা অস্বীকাৰ কৰিবৰ উপায় কবিয়ে কবিতা লিখিবৰ সময়ত পাঠকে সেই কবিতা পঢ়ি কেনেকু গ্ৰহণ কৰিব নাইবা পাঠকৰ বাবে সেয়া সহজবোধ্য নে দুৰ্বোধ্য হ'ব বোৰ কথা ভাবিবৰ অৱকাশ নাথাকে। সেয়ে দুৰ্বোধ্যতা কবিৰ অভি নিশ্চয় নহয়। ই পাঠকৰ মনৰ ধাৰণা। সেয়ে হ'লেও কবিতাৰ মা ৰহস্যময় কুঁৱলীৰ আৱৰণ এখন থাকি যায়। কবিৰ ভাব-অনু অভিজ্ঞতা, জীৱনবোধ বুদ্ধিমত্তাৰ সংস্পৰ্শত প্ৰকাশ লাভ কৰা সাধাৰণ পাঠকৰ ৰসোপলব্ধিত কবিতা বুজা নুবুজাৰ দোমোজাৰ ব থাকে। কেতিয়াবা আকৌ যুগৰ জটিল পৰিক্ৰমা, ভাবৰ বি আদৰ্শৰ দ্বন্দ্ব আদি প্ৰতীকী ব্যঞ্জনাৰে কবিতাত প্ৰকাশ লাভ ক তেতিয়াও কবিতা হৈ পৰে কাৰোবাৰ বাবে দুৰ্বোধ্য। তাৰ উপ শব্দই যেতিয়া আভিধানিক অৰ্থৰ সীমা ভাঙি একেলগে বহু অ ভাবৰ ব্যঞ্জনা বহন কৰে তেতিয়াও কবিতা দুৰ্বোধ্য যেন লাগে।



উপৰোক্ত আলোচনাৰ পৰা বুজিব পাৰি আধুনিক কবিৰ জ্ঞানৰ সৰ যিহেতু বহল হৈছে আধুনিক অসমীয়া কবিতা বুজিবলৈ হ'লে গ্ৰাহী পাঠকেও জ্ঞানৰ পৰিধি বহলাব লাগিব। লগতে শব্দৰ ৰূপ আৰু কবিতাৰ আধুনিক কলা কৌশল সম্পৰ্কেও পাঠক চেতন হ'ব লাগিব। পাঠক হ'ব লাগিব সংবেদনশীল। আনহাতে বিতাৰ আবেদন হ'ব লাগিব সাৰ্বজনীন। এটা কথা অপ্ৰিয় হ'লেও যে কবিতাত বিশেষকৈ আধুনিক কবিতাত থকা দুৰ্বোধ্যতাৰ ভিযোগে কবিতাৰ মূল্য বঢ়াইছে। সেয়ে হ'লেও যদি সেই অভিযোগ জ্ঞান অৰ্জন কৰি, অধ্যয়ন বা অনুশীলন কৰি অতিক্ৰম কৰিব লগা হয় নতুবা ৰসাস্বাদন কৰিব লগা হয় তেনেহলে এই অভিযোগ আধুনিক কবিতাৰ এটি দুৰ্বলতা বুলিও ভৱাৰ থল থাকি যায়। পৰিশেষত ক'ব পাৰি আধুনিক কবিতাৰ দুৱাৰৰ তলা খুলিবলৈ হলে পাঠকে কবিতাৰ ছাবি-কাঠি চিনি উলিয়াব পাৰিব লাগিব। আনহাতে কবিসকলেও কাব্যপ্ৰেমীৰ প্ৰতি সহানুভূতিৰ দৃষ্টি নিক্ষেপ কৰিবলৈ পাহৰিব নালাগিব।

●●

## পাদটীকা ঃ

১) বুদ্ধদেব বসু শার্ল, বোদেলেয়ার ঃ তাঁর কবিতা
(২) মহেন্দ্ৰ বৰা, নতুন কবিতা
(৩) সত্যেন্দ্ৰ নাথ শৰ্ম্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
(৪) ৰবীন্দ্ৰনাথ, সাহিত্যতত্ত্ব উদ্ধৃত; বিষ্ণুপদ ভট্টাচাৰ্য্য : সৌন্দৰ্য্যদৰ্শন ও অলংকার শাস্ত্ৰ।

---

ছাত্ৰজীৱনেই সাহিত্যিক জীৱনৰ গা-গজালি। এই গজালিৰপৰাই গছ, আৰু সেই গছৰপৰাই গুটি। আনফালে গছ চাইছে গুটি আৰু গজালি চাইছে গছ। গতিকে গজালিৰ গঠনৰ ওপৰতহে গুটিৰ গুণাগুণ যাইকৈ নিৰ্ভৰ কৰে। এতেকে জাতীয় সাহিত্য-গছৰ শ্ৰীবৃদ্ধি সাধি তাৰপৰা উন্নত আৰু পৈণত ফল পাবলৈ হ'লে প্ৰথমে ছাত্ৰ গজালিৰ গুৰিত সাহিত্যৰ সাৰ-শক্তি যতনেৰে যোগাব লাগে।

—পদ্মনাথ গোহাঞিবৰুৱা

জন্ম শতবৰ্ষ (১৮৯৬-১৯৯৬) পূৰ্তিৰ সোঁৱৰণত ঃ

# ॥ প্ৰখ্যাত পক্ষীবিদ চেলিম আলিৰ জীৱনত এভুমুকি ॥

শ্ৰীঅনিল কুমাৰ বৰুৱা

১৯০৮ চনৰ কোনো এক অভূতপূৰ্ব দিনৰ ঘটনা। প্ৰায় ন বছৰীয়া এটি সৰু ল'ৰাই 'বোম্বে নেচাৰেল হিষ্ট্ৰী ছ'ছাইটি'ৰ কাৰ্য্যালয়ত প্ৰৱেশ কৰিলে। ল'ৰাটোৰ হাতত আছিল এখন চিঠি আৰু এটা সৰু চৰাই। কাৰ্য্যালয়ত বহি আছিল এজন ইংৰাজ চাহাব। নিৰ্ভয়ে আৰু বিনাসংকোচেৰে ল'ৰাটোৱে চাহাবজনক চিঠিখন দি প্ৰশ্ন কৰিলে যে তেওঁৰ হাতত থকা চৰাইটোৰ ঠোঁটটো কিয় হালধীয়া। চাহাবে ল'ৰাটোৰ মুখলৈ চালে আৰু চৰাইৰ প্ৰতি থকা আগ্ৰহ দেখি আনন্দিত হ'ল আৰু ল'ৰাটিক উৎসাহ দিবৰ বাবে বিভিন্ন প্ৰকাৰৰ ঘৰচিৰিকাৰ ছবি দেখুৱাই সিহঁতৰ বাসস্থান আদি সম্পৰ্কে বুজাই দিলে।

এই সৰু ল'ৰাটিয়ে আছিল পাছলৈ বিশ্ববিখ্যাত হোৱা পক্ষীবিদ ড° চেলিম আলি, চাহাবজন আছিল সেই সময়ৰ 'বোম্বে নেচাৰেল হিষ্টৰী ছ'ছাইটিৰ অবৈতনিক সম্পাদক ৱাল্টাৰ চেমুৱেল মিলাত। 'এয়াৰ গান' লৈ চৰাই চিকাৰ কৰি ফুৰোতে চেলিম আলিয়ে সেই সৰু চৰাইটো পায়। কিন্তু তাৰ ঠোঁটটো হালধীয়া দেখি এই বিষয়ে জানিবলৈ মোমায়েকৰ ওচৰলৈ যায়। কিন্তু মোমায়েকে সবিশেষ ক'ব নোৱাৰি এখন চিঠি দি তেওঁক Bnhs লৈ পঠায়। এই ঘটনাটোৰ পৰাই চেলিম আলিৰ মন পক্ষী জগতৰ ফালে ঢাল খায়। Bnhs (Bombey Natural History Society) ৰ সংস্পৰ্শলৈ আহি পক্ষী অধ্যয়নৰ বাবে অনেক তথ্য লাভ কৰে আৰু মিলাতৰ উৎসাহৰ বাবে তেওঁৰ মন বিহংগ জগতৰ প্ৰতি অধিক আকৰ্ষিত হয়।

১৮৯৬ চনৰ ১২ নবেম্বৰত বোম্বেৰ খেটাদি অঞ্চলৰ এক মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰা চেলিম আলিয়ে তিনি বছৰ বয়সতে মাক-দেউতাক দুয়োকে অকালতে হেৰুৱাই মোমায়েক আমিৰুদ্দিন আৰু মামীয়েক হামিদাৰ তত্বাৱধানত ডাঙৰ হয়। সন্তানহীন এই দম্পতীহালৰ পৰা তেওঁ পুত্ৰৰ দৰেই স্নেহ পাইছিল। আমিৰুদ্দিন আছিল Bnhs. ৰ ভাৰতীয় সদস্য সকলৰ অন্যতম। সেয়ে চেলিম আলিৰো অতি কম বয়সতে Bnhs ৰ সৈতে পৰিচয় হয় আৰু ইয়েই তেওঁৰ জীৱনত ডাঙৰ প্ৰভাৱ বিস্তাৰ কৰে।

চেলিম আলিৰ প্ৰথমছোৱা জীৱন আছিল অনিশ্চয়তাপূৰ্ণ। ভাগ্যই সহায় নকৰা হ'লে হয়তো তেওঁ এজন সাধাৰণ মানুহ হিচাপে স্বীকৃত হ'লেহেঁতেন। কলেজীয়া শিক্ষা সম্পূৰ্ণ নকৰাকৈয়ে চেলিম আলিয়ে কৰ্মসংস্থানৰ বাবে ব্ৰহ্মদেশলৈ যাত্ৰা কৰে। তাত তেওঁলোকৰ পৰিয়ালৰ খনি আৰু কাঠৰ ব্যৱসায় আছিল। সাত বছৰৰ পাছত তেওঁ তাৰ পৰা উভতি আহি চেণ্ট জেভিয়াৰ্চ কলেজৰ পৰা প্ৰাণী বিদ্যাত স্নাতক ডিগ্ৰী লয়। কিন্তু কৰ্মসংস্থানৰ বাবে বহুতো অসুবিধাৰ সন্মুখীন হয়। সৌভাগ্যক্ৰমে অৱশেষত এজন গাইড প্ৰবক্তা হিচাপে প্ৰিন্স অব্ ৱেলচ্ যাদুঘৰত নিযুক্তি লাভ কৰে। কিছুদিন চাকৰি কৰাৰ পাছত তেওঁৰ উপলব্ধি হ'ল যে পক্ষীবিদ্যাৰ ওপৰত বিশদ জ্ঞান অৰ্জনৰ বাবে উচ্চ শিক্ষা লাভ কৰাটো প্ৰয়োজন। সেয়ে তেওঁ ১৯২০ চনত ইউৰোপলৈ যায়। বাৰ্লিন বিশ্ববিদ্যালয়ত প্ৰাণী বিজ্ঞানৰ প্ৰফেচৰ আৰউইন ষ্টেচ্‌মেনৰ অধীনত প্ৰাণ বিদ্যা অধ্যয়ন কৰে।

উচ্চ শিক্ষা সমাপ্ত কৰি ১৯২৫ চনত তেওঁ ভাৰতলৈ ঘূৰি আহে। কিন্তু বিখ্যাত বিশ্ববিদ্যালয় এখনৰ পৰা উচ্চ শিক্ষা লাভ কৰি আহিও তেওঁ ভাৰতত কোনো সংস্থাপন নাপালে। তেতিয়াই তেওঁৰ মনলৈ আহিল পক্ষী অধ্যয়নৰ কথা। ভাৰতৰ ৰাজ্যসমূহৰ পক্ষীৰ ওপৰত সেই সময়ত প্ৰণালী বদ্ধভাৱে অধ্যয়ন কৰা হোৱা নাছিল। তেওঁ এইটো উপলব্ধি কৰিবলৈ সক্ষম হ'ল যে বিশাল ভাৰতত পক্ষী অধ্যয়নৰ অনেক দিশ মুক্ত হৈ আছে। সেয়ে Bnhs ৰ হৈ তেওঁ আৰম্ভ কৰিলে পক্ষী বিষয়ক বিভিন্ন জৰীপ। আৰম্ভ হ'ল চেলিম আলিৰ জীৱনৰ এক নতুন অধ্যায়।

হায়দৰাবাদ, কোচিন, ইন্দোৰ, গোৱালিয়ৰ আদি বিভিন্ন অঞ্চল ভ্ৰমণ কৰি পক্ষী বিষয়ক নানা তথ্য সংগ্ৰহ কৰিলে। বাৰ্লিনত লাভ কৰা জ্ঞানৰ পূৰ্ণ প্ৰয়োগ ঘটাই তেখেত সক্ষম হ'ল বিভিন্ন আপুৰুগীয়া তথ্য উৎঘাটন কৰিবলৈ বিভিন্ন বাধা নেওচি চেলিম আলিয়ে কষ্টেৰে এই কাৰ্য্যত অগ্ৰসৰ হৈছিল। সেই সময়চোৱা আছিল তেওঁৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায়।

চেলিম আলি শাৰীৰিকভাৱে শক্তিশালী নাছিল। তথাপিও পক্ষী জগতৰ বিষয়ে অধ্যয়নৰ বাবে তেওঁ যিখিনি শাৰীৰিক আৰু মানসিক শ্ৰম কৰিছিল সেয়া হয়তো এজন স্বাস্থ্যবান লোকৰ পক্ষে সম্ভৱপৰ নাছিল। কিন্তু চৰাই আৰু প্ৰকৃতিৰ বিষয়ে থকা অনুসন্ধিৎসু মন আৰু অদম্য ইচ্ছাৰ শক্তিৰ বাবেই তেওঁ এনে কষ্ট স্বীকাৰ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি তেওঁৰ অৰ্ধাংগীনি তেহমিনাৰ পৰা লাভ কৰিছিল উৎসাহ আৰু প্ৰত্যেক খোজতে সহায়ৰ হাত। যোগা-যোগৰ সুবিধা নথকা ভিতৰুৱা অঞ্চলসমূহত কৰা অধ্যয়নৰ কালত তেহমিনা কৰ্মস্থলীত উপস্থিত থাকি সহায় আগবঢ়াইছিল। তেওঁ কৈছিল, "তেহমিনাৰ দৰে এগৰাকী পত্নী লাভ কৰা বাবে মই নিজকে বৰ ভাগ্যৱান বুলি ভাবো। কিয়নো খুউব কম মহিলাইহে এনে এক কষ্টকৰ জীৱনক সহজভাৱে লব পাৰে। "কিন্তু তেওঁক সম্পূৰ্ণ অকলশৰীয়া কৰি ১৯৩৯ চনত তেহমিনাই এই সংসাৰৰ পৰা বিদায় লয়, তেওঁলোকৰ কোনো সতি সন্ততি নাছিল।

১৯৩৯ চনত চেলিম আলি সেই সময়ত বসবাস কৰি থকা দেৰাডুনৰ পৰা বোম্বেইলৈ উভতি যায় আৰু পানিহিল'ত নিগাজীকৈ বসবাস কৰিবলৈ লয় ভাৰতৰ স্বাধীনতাৰ পিছত তেওঁ BNHS ৰ মুখপত্ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে আৰু পিছলৈ অবৈতনিক সম্পাদক নিযুক্ত হয়। সেই সময়ত BNHS পুঁজিৰ অভাৱত মৃত্যুমুখী হয়। তেওঁ সম্পাদকৰ দায়িত্ব লৈয়ে ততালিকে প্ৰধানমন্ত্ৰী নেহৰুৰ সহায় বিচাৰিলে। নেহৰুৱেও BNHS ৰ দুৰাৱস্থা উপলব্ধি কৰি পুঁজি আগবঢ়ালে।

১৯৩০ চনৰ পৰা ১৯৫৯ চনৰ ভিতৰত কৰা বিভিন্ন অধ্যয়নৰ ওপৰত ভিত্তি কৰি তেওঁ প্ৰথম গ্ৰন্থ "Book of Indian birds" প্ৰকাশ কৰে। লাহে লাহে তেওঁ বিভিন্ন অঞ্চলত কৰা অধ্যয়নৰ তথ্যৰ ওপৰত ভিত্তি কৰি গ্ৰন্থ লিখিবলৈ লয়। তেওঁ দহটা খণ্ডৰ "Hand Book of the India and Pakistan" নামৰ গ্ৰন্থখন এচ. ডি. ৰিপ্‌লিৰ সৈতে লগ হৈ প্ৰকাশ কৰে।

লাহে-লাহে তেওঁৰ গ্ৰন্থৰাজি আৰু কৰ্মৰাজিৰ ওপৰত সমগ্ৰ বিশ্বৰ চকু পৰিল। তেওঁ সেই সময়চোৱাত বিশ্বৰ আগত আত্ম প্ৰকাশ কৰাৰ সুবিধা পালে। ১৯৫০ চনত পক্ষী অধ্যয়নৰ প্ৰতি আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ স্বীকৃতি স্বৰূপে চেলিম আলিয়ে লাভ কৰে বংগৰ 'এচিয়াটিক ছ'ছাইটি'ৰ জয়গোবিন্দ সোণৰ পদক। ১৯৫৮ আৰু ১৯৭৬ চনত তেওঁ ক্ৰমে পদ্মভূষণ আৰু পদ্ম বিভূষণ সন্মান লাভ কৰে। তদুপৰি ১৯৭৬ চনত পক্ষীবিদ্যা আৰু সংৰক্ষণৰ দিশত আগবঢ়োৱা উল্লেখযোগ্য বৰঙনিৰ বাবে লাভ কৰে ৫০ হাজাৰ ডলাৰ মূল্যৰ বিখ্যাত 'পলগেট্ৰি' পুৰস্কাৰ। এই বঁটাৰ সমগ্ৰ ধন তেওঁ BNHSক দান কৰে। এইদৰে বিশ্বৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে তেওঁলৈ আগবঢ়াবলৈ ধৰিলে নানা সন্মান আৰু পুৰস্কাৰ।

অনেক পুৰস্কাৰ আৰু খ্যাতি লাভ কৰা বিশ্ববিশ্ৰুত পক্ষীবিদজন আছিল অতি সহজ সৰল আৰু অনুসন্ধিৎসু। খ্যাতিয়ে তেওঁক অহংভাৱ আনি দিয়া নাছিল। শেষ বয়সলৈ তেওঁৰ মনতো আছিল ন বছৰ বয়সত থকাৰ দৰেই পক্ষীৰ বিষয়ে জানিবলৈ এটা অনুসন্ধিৎসু মন।

ঔদ্যোগিক বিকাশৰ লগে লগে প্ৰকৃতি জগতত দেখা দিয়া ভাবুকিৰ প্ৰতি চেলিম আলি সদায়ে সজাগ আছিল। তেখেতৰ মতে বিজ্ঞানৰ বিকাশ সাধন কৰাতো আমাৰ যিদৰে প্ৰয়োজন সেইদৰে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাটোও আমাৰ প্ৰয়োজন।

মৃত্যুৰ আগলৈকে তেওঁ শাৰীৰিক দুৰ্বলতাক প্ৰধান্য নিদি বিভিন্ন দুৰ্গম অঞ্চল পৰিভ্ৰমণ কৰি পক্ষী অধ্যয়নৰ কাৰ্য্য চলাই গৈছিল। প্ৰকৃতি আৰু জীৱজগতৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেমে তেওঁক সদায় কৰ্মব্যস্ত কৰি ৰাখিছিল।

পক্ষী অধ্যয়নৰ বিষয়ে তেওঁ কৈছিল, "পক্ষী অধ্যয়নৰ মাজত লুকাই আছে আনন্দ, কষ্ট আশা-নিৰাশা ভৰা অভিজ্ঞতা, 'আনকি কেতিয়াবা জীৱন মৰণৰ সমস্যাও আহি পৰে। এবাৰ চেলিম আলি কোনোমতেহে মৃত্যুৰ পৰা হাত সাৰিছিল। ১৯৪৫ চনৰ ঘটনা, হিমালয় অঞ্চলত এক পক্ষী অধ্যয়ন কাৰ্য্য চলি আছে। এবাৰ আলমোৰাৰ পৰা লিপুলেখপাচৰ মাজেৰে মানস সৰোবৰলৈ যাত্ৰা আৰম্ভ কৰিছিল। সমগ্ৰ পথচোৱা আছিল বিপদ সংকুল। একাষে হাজৰ ফুট ওখ পাহাৰ, আনকাষে থিয় গৰাৰে সৈতে ৩০০ ফুট তলেৰে বৈ গৈছে বেগী কালী নৈ। এই পথৰে অগ্ৰসৰ হোৱা সময়তে হঠাৎ তেওঁ দূৰত এটা আচহুৱা চৰাই দেখি দূৰবীণেৰে ভালদৰে নিৰীক্ষণ কৰিলে। কিন্তু চৰাইটো স্পষ্টভাৱে চাবলৈ তেওঁ এখোজ পিছুৱাব লগাত পৰিল। তেওঁ চৰাইটোৰ ওপৰত দৃষ্টি ৰাখিয়েই এটা ভৰি পিছলৈ দিলে। ভৰিখনে মাটি স্পৰ্শ কৰাৰ লগে লগেই তেওঁ অনুভৱ কৰিলে যে ভৰিৰ তলৰ মাটি এৰাই গৈছে। তেতিয়া চৰাইটোৰপৰা দৃষ্টি আঁতৰাই পিছলৈ চাই দেখে তেওঁৰ তলেদি বৈ গৈছে তৰ্জন-গৰ্জন কৰি কালী নদী। আৰু মাত্ৰ দুই ইঞ্চিমান

বেছি পিছলৈ অহা হ'লেই হয়তো চেলিম আলি ৩০০ ফুট তলেদি বৈ যোৱা নদীৰ বুকুত বিলীন হৈ গ'লহেঁতেন।

চেলিম আলিৰ প্ৰিয় বিহংগ আভয়াৰণ্য আছিল ৰাজস্থানৰ ভৰতপুৰ বিহংগ অভয়াৰণ্য। তেখেতে কৈছিল, "তাজমহলটো ধ্বংস হৈ গ'লে হয়তো কোনোবাই যমুনাৰ পাৰত আন এক তাজমহল সাজি উলিয়াবলৈ সক্ষম হ'ব। কিন্তু ভৰতপুৰ বিহংগ অভয়াৰণ্য খন যদি কেনেবাকৈ ধ্বংস হৈ যায়, দ্বিতীয়খন ভৰতপুৰ নিৰ্মাণ কৰা কেতিয়াও সম্ভৱপৰ নহয়।"

এই মহৎ প্ৰকৃতিবিদজনাই ১৯৮৭ চনৰ জুন মাহৰ ১৯ তাৰিখে নিশা, ৯১ বছৰ বয়সত বাৰ্দ্ধক্যজনিত ৰোগত এই সংসাৰৰ প[...] বিদায় লয়। তেওঁৰ মৃত্যুৰ লগে লগে ভাৰত তথা সমগ্ৰ বি[...] হেৰুৱালে বন্যপ্ৰাণী সংৰক্ষণৰ দিশত এজন আগৰণুৱা বীৰ। [...] পৰিল এটা যুগৰ। পক্ষী অধ্যয়নৰ বাবে সমগ্ৰ জীৱন উচ্ছৰ্গা ক[...] তেওঁৰ দৰে ব্যক্তি হয়তো খুউব কমেই ওলাব।

ড° চেলিম আলিৰ জন্ম শতবৰ্ষ (১৯৯৬) পালনৰ প্ৰাকমূহূৰ্ত[...] আমি এই মহান বিহংগপ্ৰেমী আৰু প্ৰকৃতিপ্ৰেমী গৰাকীৰ প্ৰতি স[...] প্ৰণিপাত যাচিছোঁ যাতে তেওঁৰ আদৰ্শ আৰু কৰ্মৰাজি সমূহ মান[...] মাজত চিৰ যুগমীয়া হৈ ৰওঁক।

---

সকলো জাতিৰে নিজৰ মাতৃভাষাৰ ওপৰত স্নেহ থকা স্বাভাৱিক, কিন্তু অসমীয়া মানুহৰ অনুৰাগ যিমান বেছি, আন কম জাতিৰহে তেনে অনুৰাগ দেখা যায়। অসমীয়া মানুহৰ অতি সহজে খং তোলাব খুজিলে আন একো নকৰি কেৱল অসমীয়া ভাষা নিন্দা কৰিবা। তেতিয়া দেখিবা লৰ্ড চেমছ্‌ফৰ্ডৰ শান্তশিষ্ট অসমীয়া মানুহে কেনে ৰুদ্ৰমূৰ্তি ধাৰণ কৰে।

—পণ্ডিত হেমচন্দ্ৰ গোস্বামী

---

"সাহিত্যৰ লক্ষ্য হৈছে, মানুহক নিজক নিজে বুজিবলৈ সক্ষম কৰা। আত্মবিশ্বাস জন্মোৱাত আৰু সত্যৰ অনুসন্ধান কৰাত সহায় কৰা, সজ কথাত আত্মনিয়োগ কৰিবলৈ বল দিয়া আৰু সৌন্দৰ্য্যবোধ জন্মাই জীৱনটো পবিত্ৰ কৰা।"

—মেক্সিম গৰ্কী



# কেপলাৰ আৰু তেওঁৰ গ্ৰহগতি-সূত্ৰৰ এক আলোচ্য

বিমল কুমাৰ গগৈ
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক
( বিজ্ঞান শাখা )

জোহান্স কেপলাৰৰ জন্ম হয় ১৫৭১ চনত জাৰ্মান দেশীয় ৰাৰ্টেমবাৰ্গৰ ৱিল নামৰ নগৰত। তেওঁৰ দেউতাক এজন মদাহী আৰু মদৰ মহলৰ ৰখীয়া আছিল। তেওঁ স্কুলীয়া শিক্ষা গ্ৰহণ কৰি থকা অৱস্থাতেই দেউতাকক মদৰ মহল চলোৱাত সহায় কৰিব লগীয়া হৈছিল।

কেপলাৰৰ গোটেই জীৱন দুখ-দৰিদ্ৰই ভৰপুৰ আছিল। তেওঁ কম বয়সতে স্কুল এৰি খেতি পথাৰত লাগিব লগীয়া হৈছিল। সেই সময়তে তেওঁ বৰআই ৰোগত আক্ৰান্ত হয় আৰু দৃষ্টি শক্তি কমি খুউব দুৰ্বল হৈ পৰে। তেওঁ গোটেই জীৱন দুখ-দাৰিদ্ৰৰ লগত সংগ্ৰাম কৰিবলগীয়া হৈছিল। দুখ-দাৰিদ্ৰৰ মাজতেই তেওঁ ১৫৮৮ চনত স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছতেই তেওঁ টুবিনজেন বিশ্ববিদ্যালয়ৰ মাইকেল মাষ্টলিন নামৰ এজন কৃতি শিক্ষকৰ সানিধ্য লাভ কৰে। মাইকেল মাষ্টলিন নামৰ এই শিক্ষকজনৰ প্ৰভাৱতেই তেওঁ কপাৰনিকাছৰ তত্ত্বৰ ওপৰত কিছু জ্ঞান অৰ্জন কৰে। ১৫৯৪ চনত কেপলাৰে অষ্ট্ৰিয়াৰ গ্ৰেজ বিশ্ববিদ্যালয়ত গণিত বিজ্ঞান আৰু নীতিকথাৰ অধ্যাপক হিচাপে কৰ্মজীৱনৰ পাতনি মেলে। সেইবাবে তেওঁ জ্যোতি বিজ্ঞান বিষয়ত কিছু মন দিব লগা হয়। বিশ্ববিদ্যালয়খন কেথলিকসকলৰ অধীনলৈ অহাৰ বাবে তেওঁ অধ্যাপক পদৰ পৰা অব্যাহতি লব লগা হয়। অধ্যাপক পদৰ পৰা অব্যাহতি লোৱাৰ পাছতেই তেওঁ টাইক ব্ৰাহেৰ নিমন্ত্ৰণ ক্ৰমে আকাশ পৰ্যবেক্ষনৰ সহায়কাৰী হিচাপে যোগদান কৰে। ইয়াৰ ঠিক এবছৰৰ পাছতেই অৰ্থাৎ ১৬০১ চনত টাইক' ব্ৰাহেৰ মৃত্যু হয়। টাইক'ব্ৰাহেই ৰজা কডলফৰ সাহাৰ্যত আকাশ পৰ্যবেক্ষণ কৰিছিল। সেয়েহে টাইক'ব্ৰাহেৰ মৃত্যুৰ পাছত নতুন পদ সৃষ্টি কৰি কেপলাৰক আকাশ পৰ্যবেক্ষনৰ সুবিধা দিয়া হয়।

কৰ্ম জীৱনতো তেওঁ নানা দুখ-কষ্টৰ সন্মুখীন হ'ব লগা হৈছিল। তেওঁৰ প্ৰথমা পত্নী আৰু কেইবাটিও সন্তান অকালতে মৃত্যু মুখত পৰিছিল। সেইবাবে তেওঁ দ্বিতীয়বাৰ পানি গ্ৰহণ কৰিব লগীয়া হৈছিল। কেপলাৰৰ দ্বিতীয় সংসাৰখনো সিমান শান্তিপুৰ্ণ নাছিল। তেওঁ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা অৱস্থাতো দৰমহাপাতি নিয়মীয়া নাছিল। ইমানবিলাক দুখ-কষ্টেৰে ভৰা জীৱনৰ মাজতো তেওঁৰ সাধনা আৰু অধ্যাৱসায়ৰ দ্বাৰা মানৱ সভ্যতালৈ তিনিটা অবিস্মৰণীয় গ্ৰহগতি সম্পৰ্কীয় সূত্ৰ আগবঢ়ায়। এই সূত্ৰ তিনিটি তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ। এই সূত্ৰতিনিটাৰ মৌলিকতা আৰু নিখুঁটতাই কেপলাৰক চিৰদিন জীয়াই ৰাখিব। কেপলাৰ এই বাবেই অবিস্মৰণীয় হৈ ব'ব যে, তেওঁৰ আৱিষ্কাৰৰ ডেৰশ বছৰৰ পাছতহে মহাকৰ্ষণ সূত্ৰৰ আৱিষ্কাৰ হৈছিল। মহাকৰ্ষণৰ সূত্ৰই কেপলাৰক নিশ্চয়তাহে প্ৰদান কৰিছিল। সেইসময়ত কেপলাৰে মহাকৰ্ষণৰ কথা জনাই নাছিল। কেপলাৰে মাথোন জানিছিল যে গ্ৰহবিলাক সূৰ্য্য চাৰিওফালে নিৰ্দিষ্ট কক্ষপথত পৰিভ্ৰমণ কৰে। সূৰ্য্য আৰু গ্ৰহবোৰৰ মাজৰ আকৰ্ষনীয় বলক কেপলাৰে ঐশ্বৰিক বুলিহে বিশ্বাস কৰিছিল। অৱশ্যে তেতিয়া বলৰ ধাৰণাই নাছিল।

* * *

: গ্ৰহগতি সম্পৰ্কীয় প্ৰথম সূত্ৰ :

"গ্ৰহবোৰে সূৰ্যৰ চাৰিওফালে উপবৃত্তাকাৰ পথেদি ঘুৰে আৰু সূৰ্যটো ইয়াৰ এটা নাভিত থাকে।" কেপলাৰৰ এই আৱিষ্কাৰ

অবিস্মৰণীয় এই বাবেই যে সেই সময়ত গ্ৰহবোৰ বৃত্তাকাৰ পথেদি ঘূৰে বুলিহে ধাৰণা এটা জন-সমাজত আছিল। উপবৃত্তাকাৰ পথত ঘূৰে বুলি ভবাটো খুউব সহজ কথা নাছিল। জ্যামিতিক ধাৰণাবোৰৰ কালৰ পৰাও বৃত্তাকাৰ পথটোহে বেছি নিখুঁত। এৰিষ্টটলৰ দিনতো গ্ৰহৰ গতি বৃত্তাকাৰ বুলিহে বিশ্বাস আছিল। উপবৃত্তৰ সম্পৰ্কে এজন বিজ্ঞান বুৰঞ্জীবিদে কৈছিল, "It was a famous curve, ........ but it was not well known in Kepler's time."

: গ্ৰহগতি সম্পৰ্কীয় দ্বিতীয় সূত্ৰ :

"সূৰ্য্য আৰু কোনো গ্ৰহক সংযোগ কৰা ৰেখাই সমান সময়ৰ ব্যৱধানত সমান কালি অতিক্ৰম কৰে।"

কেপলাৰে এইবাৰ সুষম বৃত্তীয় গতিৰ ধাৰণাৰ পৰা ফালৰি কাটি এক নতুন চিন্তাৰ আশ্ৰয় ল'লে। তথাপিও বৃত্তীয় পথৰ ধাৰণাৰ ওপৰতো পৰ্যবেক্ষন অক্ষুন্ন থাকিল। মাথো সূৰ্য্যটো কেন্দ্ৰৰ পৰা কিছু আঁতৰাই সমান কালিৰ বৃত্তাংশ আঁকিলে।

: গ্ৰহগতি সম্পৰ্কীয় তৃতীয় সূত্ৰ :

"গ্ৰহৰ পৰিভ্ৰমণ কালৰ বৰ্গফল, সূৰ্য্যৰ পৰা গ্ৰহটোৰ গড় দূৰত্বৰ ঘনফলৰ সমানুপাতিক।"

এইবাৰ কেপলাৰে হাঁহকণী আকৃতিৰ কিছুমান বক্ৰ আঁ জ্যামিতিক সূত্ৰ প্ৰয়োগ কৰাৰ চেষ্টা কৰিলে। এই প্ৰক্ৰিয়াৰ ফ গ্ৰহবোৰৰ অৱস্থান আৰু শুদ্ধকৈ মিলি গ'ল। কিন্তু সমান কালি সূত্ৰটো মিলি নগ'ল তাৰপাছত কেপলাৰে কিছুমান উপবৃত্ত আঁকি য'ত গ্ৰহবিলাকৰ অৱস্থান আৰু সমান কালিৰ সূত্ৰ দুয়োটাই মিলি গ'

অন্যান্য চিন্তাচৰ্চা :

কেপলাৰে গ্ৰহগতি সম্পৰ্কীয় সূত্ৰ তিনিটা আৱিষ্কাৰ ক পাছতো নানা ধৰণৰ চিন্তাচৰ্চা অব্যাহত ৰাখিছিল। দুটা গ্ৰহৰ মা পাৰস্পৰিক দূৰত্ব নিৰ্ণয় কৰিবলৈ কেপলাৰে এক বিশেষ কৌশলে বিশেষ পৰ্যবেক্ষন কৰিছিল। কেপলাৰে এটা বৃত্তৰ মাজত অ সমবাহু ত্ৰিভুজ অংকন কৰিছিল; যাৰ ফলত প্ৰদত্ত বৃত্তটোৰ মা এটা নতুন বৃত্ত পাইছিল। এই দুয়োটা বৃত্তৰ মাজত এক নি আছে। সেইদৰে এটা বৃত্তৰ মাজত বৰ্গক্ষেত্ৰ ষড়ভুজ ইত্যাদি আঁ নতুন নতুন বৃত্তৰ সৃষ্টি কৰিছিল। বৃত্তবোৰৰ পাৰস্পৰিক দূৰত্বই গ্ৰহবো দূৰত্বৰ অনুপাতত মিলি যায় নেকি চাবলৈ কেপলাৰে যত্ন কৰিছি অৱশ্যে তেওঁৰ চেষ্টা বিফলে গৈছিল

কেপলাৰৰ এই মহান চিন্তা-চৰ্চাবোৰৰ বাবেই তেওঁ মানৱ সভ্যতা ইতিহাসত চিৰদিন অমৰ হৈ ৰ'ব। ●

"স্বাক্ষৰতা আৱশ্যকীয়। কিন্তু কেৱল স্বাক্ষৰতাই শিক্ষা নহয়। যদি মানুহৰ শিক্ষাৰ লগত জ্ঞানৰ সম্পৰ্ক নাথাকে তেন্তে তেনে শিক্ষা অভিশাপ স্বৰূপহে হয়।"

—ৰাধাকৃষ্ণণ



# ॥ শিতানত এখন প্ৰেমৰ চিঠি ॥

● শুভ দাস

মৰমৰ স্বপ্নালী,

মৰম বিলাক লবা। তোমাৰ চিঠিখন পালো। এয়া চোৱা আগন্তুক মোৰ পৰীক্ষা প্ৰস্তুটিৰ দোদুল্যমান অৱস্থাতো তোমালৈ বুলি চিঠি লিখিবলৈ বহিছো। ... ... আচলতে তুমি ভবাৰ দৰে তোমাৰ চিঠিয়ে মোক একো আমনি নিদিয়ে। বৰঞ্চ জীয়াই থাকিবলৈ প্ৰেৰণাহে যোগায়!

তোমাৰ চিঠিখন পঢ়ি এটা অজানা আবেগত মনটো উন্মনা হৈ আছে। সঁচাই কওঁ—তোমাৰ পৰা এনে এটা প্ৰস্তাৱ এতিয়াই পাম বুলি মই কল্পনাই কৰা নাছিলো। অন্ততঃ মোৰ এটা সংস্থাপন নোহোৱা পৰ্যন্ত। কিন্তু তোমাৰ আজিৰ চিঠিখনে মোক কিছুমান কথা নতুনকৈ ভবাই তুলিবলৈ বাধ্য কৰিলে! ... ... ... যোৱা কিছু বছৰৰ পৰা তুমি মোৰ এজন ভাল বন্ধুৰ দাবীদাৰ হৈ আহিছা। মোৰ যিকোনো পৰিকল্পনাৰ সহযোগী তথা সুখ-দুখৰ সমভাগী হৈ আহিছা। তেনে পৰিপ্ৰেক্ষিতত খুউৱ সোনকালেই তোমাৰ পৰা এই বিষয়ৰ এখন চিঠি পাম বুলি ভবা নাছিলো। কিয়নো, মই তোমাক প্ৰেমিকা হিচাপে ভবাতকৈ মোৰ সকলো শুভকৰ্মৰ সহযোগী তথা অংশীদাৰ হিচাপেহে গ্ৰহণ কৰিবলৈ অতদিনে ৰাজী হৈ আছিলো। পিছে আজিৰ চিঠিখনে দেখো সোঁতৰ বিপৰীতেহে মূৰ সলালে। তোমাৰ মনৰ গুপুত কথাবিলাক প্ৰত্যক্ষভাৱে প্ৰকাশ কৰিব নোৱাৰি (হয়টো একপ্ৰকাৰৰ লাজো হব পাৰে), আওপাকেৰে তুমি এটি কবিতাৰে তোমাৰ মনৰ ভাৱ মোলৈ ৰেকত কৰি পঠাইছা! ... ... 'মোৰ নিৰ্জনতাত তুমি জীয়াই থকাৰ কবিতাৰ/এটোপাল চিয়াঁহী/ আফালি-সাফালি যোজন জুৰি বাজে/ভাল পোৱাৰ জলতৰংগ' ... ... ! কবিতাটো সচাঁই মনোমোহা। আৰু মই ভাবো-আমাৰ প্ৰিয় কবি হীৰেণ ভট্টাচাৰ্যই এই কবিতাটো কেৱল প্ৰেমিক-প্ৰেমিকাসকলৰ বাবেহে মনোগ্ৰাহিকৈ লিখিছে। আৰু তোমাৰ মনেভাৱো তেনেকুৱাই নহয় জানো?

তোমাৰ যদি সঁচাকৈয়ে এনেকুৱা এটা গভীৰ ভাৱাবেগ আছে, তেনেহলে পোনতেই এই বিষয়ে তোমাৰ লগত কিছু কথা আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মই ভাবো। তাৰ বাবে আজিৰ চিঠিখন কিছু দীঘলীয়া আৰু অতিৰঞ্জিত হলেও আশা কৰিছো তুমি এইখন একমাত্ৰ বন্ধুৰ (!) চিঠি বুলি মনোযোগেৰে পঢ়িবা।

LOVE IS A GLORIOUS TRADITION,
A DELICATE FRUIT OF HEAVEN
IT AROUSES THE TEN DESERT FEELINGS
AND MADE EVEN UNEVEN FEELINGS."

জীৱনত পোন প্ৰথম বাৰৰ বাবে নিজকে আন কাৰোবাৰ সতে একাত্ম হৈ বিলীন হৈ যাবলৈ বিচৰাকে হয়টো প্ৰেম বা ভালপোৱা বোলা হয়। কিন্তু মই ভাবো আবেগৰ বশৱৰ্তী হৈ কাৰোবাক 'মই তোমাক ভাল পাওঁ' বুলি কোৱাতেই প্ৰেমৰ সাৰ্থকতা থাকিব নোৱাৰে। ভালপোৱাৰ অৰ্থ সাৰ্বজনীন। 'জীয়াই থকা আৰু জীয়াই ৰাখিবৰ বাবে প্ৰেম এক সঞ্জীৱনী শক্তি'। প্ৰেম কৰাটো পাপ নহয় বা মনে বিচৰাজনক ভাল পাব বিচৰাটোও পাপ নহয়। এই ক্ষেত্ৰত সকলো কথা-বতৰা খোলা-খুলি হোৱাটো অতি প্ৰয়োজন। ... ... ভাল পোৱাৰ ইতিবাচক দিশটোৰ গভীৰতা আৰু তাৎপৰ্য্য তুমি যদি উপলব্ধি কৰিব পাৰিহে মোৰ দৰে এই নিঃস্বজনৰ ওচৰত এনে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়াইছা, তেনেহলে এই ক্ষেত্ৰত মোৰ কবলগীয়া একো নাই। কিন্তু তাকে উপলব্ধি নকৰাকৈয়ে তুমি যদি কেৱল প্ৰেমৰ ৰক্তাক্ত আনন্দত নিজকে উটি-ভাঁহি যাবলৈহে ইয়াক ল'ৰা-ধেমালী কিম্বা খেয়ালি মনৰ হাবিয়াস হিচাপে লৈছা, তেনেহলে স্বাভাৱিক ভাৱেই এই ক্ষেত্ৰত কিছু কথা আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মই ভাবো। কাৰণ—

শীতত পিন্ধি লবলৈ
আৰু গ্ৰীষ্মত খুলি থবলৈ

ভালপোৱা—

এযোৰ গৰম পোছাক নহয়,

ভালপোৱা—

হৃদয়ত ভেজেৰে লিখি থোৱা

প্ৰিয়জনৰ চিঠি ॥

—সময়ৰ বিৱৰ্তনৰ লগে লগে প্ৰেমৰ গভীৰতাও ক্ৰমাৎ সলনি হৈ গৈছে বুলি আজি অনুভৱ কৰা হয়। অৱশ্যে মই তোমাৰ ভালপোৱাক একপক্ষীয় ভাৱে এৰি দিবলৈহে যে—সাতে-পাঁচে মিলাই আজিৰ এই চিঠি—খনৰ বাবে কলম পিছিবলৈ আগবাঢ়িছো, তেনে নহয়। তোমাৰ হৃদয়ত বৈ থকা প্ৰেমৰ বন্যাৰ পূৰ্ণপ্ৰাপ্তিৰ বাবে তুমি মোৰ প্ৰতি যি বাধাহীন ভালাপায়াৰ প্ৰস্তাৱ আগবঢ়াইছা— তাতে সুৰ মিলাবলৈ গৈহে মোৰ এই হৃদয়ৰ সংবাদ নিগৰিত হৈছে কলমৰ তুঙ্গত। আশা কৰিছো—কথাবিলাক বুজিবলৈ যত্ন কৰিবা।

ভালপোৱাৰ নিবিড় মিলনৰ মিঠা-মধুৰ শিহৰণেই হল—'প্ৰেম'! …… আচলতে কিছুমান অন্তৰ্নিহিত শব্দৰ অৰ্থৰ কোনো সীমনা নাথাকে বা বুজাবৰ ভাষা নাথাকে। প্ৰেমনো কি, তাক ভাষাৰে বুজাব পৰা নাযায়, মাথো অনুভৱহে কৰিব পাৰি।…… 'শিহৰণ জাগে মনত, মাদকতা ভৰে প্ৰাণত! প্ৰেম!! কি যে এটা সাংঘাটিক শব্দ, নহয়নে? কি আছে বাৰু এই মিঠা মিঠা লগা শব্দটিত! 'প্ৰেম' বুলি কলেই কিয় বাৰু মনলৈ অসীম মৰমৰ সুবাস আহে? প্ৰেম বুলি কলেই হৃদয়ৰ স্পন্দনৰ হাৰ অস্বাভাৱিক হৈ বাজহাড়ৰ কাষেদি কিয় বাৰু এটা মধুৰ শিহৰণ বৈ যায়? কোৱা শুনিছো—প্ৰেম হেনো স্বৰ্গীয় অনুভূতি, … 'প্ৰেম জোনাকী মায়াময় গোলাপত উন্মাদনা, শূন্যতে ওলমি থকা কবিতামালা, যেন সপ্তস্বৰত যিমূৰ্ত্ত সুৰৰ মূৰ্চ্ছনা অথবা: প্ৰেম থুলথুলীয়া এটি জেতুলী পকা, বহদৈয়া স্বাদ, নিসংগ বাতি কাঁইটীয়া বিষাদ! মুঠতে দেহৰ সমস্ত প্ৰয়োজন পূৰ হৈ যোৱাৰ পিছতো বা দেহৰ সমস্ত প্ৰয়োজন অস্বীকাৰ কৰিও নিজৰ প্ৰিয়জনক অতি কাষতে পাবলৈ মনৰ মাজত অপূৰ্ণ হৈ ৰোৱা যি অনুভৱ বা আশা, তাক পূৰ্ণ কৰিব পৰা বস্তুটোৱেই হৈছে— প্ৰেম!' ই মানুহৰ সমস্ত অনুভূতিৰ ভিতৰতে মধুৰ অনুভূতি। ই হৃদয়ৰ গভীৰ কোণত নিঃসৰিত হোৱা এক পৱিত্ৰ তথা নিষ্কাৰ্য্য অনুভূতি, যিয়ে কোনো বাধা, জাতি, ধৰ্ম, বৰ্ণ নামানে। কেৱল আগবাঢ়ে প্ৰিয়জনৰপৰা এপলক মৰম, অকণমান অন্তৰংগতা পাবলৈ মৰিচীকা খেদে তৃষ্ণাতুৰ তপ্তমনুৰ ব্যাকুল বাহুৰে।

অজস্ৰ উপমাই আছে—প্ৰেমৰ বিষয়ে। বহুতো বিশ্ব-বিশ্ৰিত চিন্তাবিদ দাৰ্শনিকে এই বিষয়ে অধ্যয়ন কৰি তত্বগত ভাৱে নিজ নিজ মতামত আগবঢ়াই থৈ গৈছে; এই বিষয়ে বিভিন্নজনে বিভিন্ন সংজ্ঞাও দাঙি ধৰিছে। কিন্তু সেইবোৰৰ কোনোটোৱেই স্বয়ং সম্পূৰ্ণ ন… প্ৰকৃততে মানৱ জীৱনৰ পাৰস্পৰিক সম্বন্ধৰ বিষয়ে আলোচনা ক… দেখা যায় যে মানুহৰ বিভিন্ন বিষয়, বিভিন্ন অনুভূতিৰ ভি… আটাইতকৈ বেছি চৰ্চিত বিষয়টোৱেই হ'ল—প্ৰেম। গতিকে এইক্ষে… আমিও কিছু কথা আলোচনা কৰাতনো কি পাপ আছে! নে… কোৱা—স্বপ্নালী?

মনোবিজ্ঞানীসকলে এই 'প্ৰেম' বোলা অনুভূতিটোক বি… প্ৰকাৰেৰে ফঁহিয়াই চাবলৈ চেষ্টা কৰিছে—

'Love is that powerful feeling one has for perso… animals or things that has satisfied, is satisfying, … will satisfy our deepest desires and needs'—By … Paul Hauck.

According to erich segal—'Love is never hav… to say you're sorry; victor hugo says—'The reducti… of the universe to a single being, the expansion o… single being even to God, is Love.'

ঠিক তেনেদৰে, Philosopher/Psychoanalyst erich from… defines love thus;—'Matur love is union under t… condition of preserving one's integrity, one's individu… lity …… in love the paradox occurs that two bein… become one and yet remain two.'

হাৰ্বাট স্পেনচাৰে প্ৰেমৰ স্বৰূপ সম্বন্ধে ব্যাখ্যা কৰিবলৈ গৈ কো… যে প্ৰেম হ'ল মূলত: (ক) সৌন্দৰ্য্য উপভোগৰ বৃত্তি (খ) মায়া-মম… (গ) সন্মান আৰু শ্ৰদ্ধাবোধ (ঘ) অনুমোদন ভীক্ষা, (ঙ) আ… সন্মানবোধ (চ) নিজস্ব বুলি ভৰা (ছ) ব্যক্তিত্বৰ বান্ধ ছিঙি যোৱা… কৰ্ম স্বাধীনতা আৰু (জ) সহানুভূতি সূচক মনোবৃত্তি উন্নয়ন।

মানৱ জীৱনত প্ৰেমৰ মূল্যায়ণ কৰি শেষ কৰিব নোৱাৰি। জীৱন… প্ৰতিটো মুহূৰ্ত্ততে মানৱ আত্মাই কাৰোবাৰপৰা সহানুভূতি বা … বিচাৰে। প্ৰেম বিনিময়ৰ বাবে হৃখন নিকা, নিভাঁজ—খোলা ম… হৃদয়ৰ অতি প্ৰয়োজন। কাৰোবাক ভাল পাবলৈ পুথিগত শি… কোনো প্ৰয়োজন নাই।

ড'বিক লেচিঙৰ ভাষাত—'Love had brought her he… to lie beside this young man; love was the key to ever… good: love lay like 'mirage through the golden gu… of sex'……… ঠিক তেনেদৰে ফ্ৰয়েড, ড০ কোবেল, বয়াৰ প্ৰমু… চিন্তাবিদসকলৰ মতে- প্ৰেমৰ উৎস মূলত: কাম। প্ৰেম বৃত্তি প্ৰধান… আদিম কাম প্ৰবৃত্তি (………'A sexual massage')… … বি… বিৱসনা ডালিমী দেহৰ কোণে কোণে জাগি উঠা মন্দাক্ৰান্তা সুবাস!!

মোৰ ওপৰৰ বক্তব্যখিনি কিছু জটিল হৈছে নেকি বাৰু? মোৰ মনোভাৱেৰে সতে তুমি সম্পূৰ্ণ একাত্ম হব নোৱাৰি হয়টো মনে মনে ভাবিছা—এইদৰেনো কি একেখিনিকে পেঁচেনিয়াই আছে বুলি নহয় জানো? এনেদৰে প্ৰেমৰ সংজ্ঞা তথা তত্ব নুবুজাকৈয়ে কিমানে যে চাৰি চকুৰ মিলনতেই হৃদয়ৰ গোপন বাৰ্তা প্ৰেৰণ কৰি আছে বুলি ভাবি তুমি যে মোৰ কথাখিনি পাতলাই পেলাবলে মুৰ পোলোকা নামাৰিবা, সেইটো কোৱা টান (অৱশ্যে খণ্ডত যে টিঙিৰি তুলা নোহোৱা, সেই টোও ধূৰূপ ……)। পৃথিৱীত এনে কোনো প্ৰাণী নাই, যাৰ হৃদয়ত অলপ হলেও প্ৰেমৰ জোৱাৰ উঠা নাই। মানুহটো বাদেই, পশুৱেও জানে প্ৰেমৰ তাৎপৰ্য্য, প্ৰকৃতিয়েও বুজে ইয়াৰ সৰস ভাষা। দুখন হৃদয়ৰ মাজত যেতিয়াই বুজাবুজিৰ সৃষ্টি হয়, বেধেকৰো তেতিয়াই প্ৰেমৰ উৎপত্তি হয়। গতিকে আমাৰ ক্ষেত্ৰতনো ইমান ব্যাখ্যাৰ কিয় প্ৰয়োজন; নহয় জানো?…… আৰু মইও এইক্ষেত্ৰত আন দুহাল প্ৰেমিক-প্ৰেমিকাৰ দৰে অনৰ্থক চিঠিৰ আদান-প্ৰদানৰ নিচিনা একঘেয়ামি তথা বাৰ্তাবাহক প্ৰেমৰ প্ৰয়োজনীয়তা অনুভৱ নকৰো। তথাপিতো—মই ভাবো তুমি নিশ্চয় এখন নিৰ… তথা নিশকতীয়া হৃদয় লৈ মোৰ সতে ভালপোৱাৰে বন্ধুত্ব (!) গঢ়িবলৈ অহা নাই। তাতে তুমি একনী জ্ঞানী তথা জনা-বুজা ছোৱালী। সংসাৰৰ আও-ভাও তুমি বুজি পাইছা। অন্ততঃ আমাৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই আমি দুয়োৱে বুজা-পৰাৰ মাজেৰে কিছু কথা আলোচনা কৰাৰ প্ৰয়োজন আছে বুলি মই ভাবো। সেয়েহে আশা কৰিছো মোৰ পিছৰ কথাখিনিও তুমি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিবা নিশ্চয়!!

কিছুমানে প্ৰেমক সাময়িক উদ্ৰেকত পৰি তৃপ্তি আৰু ভোগ পূৰণ কৰাৰ টগ্‌ৰ, উন্মাদনা হিচাপে গ্ৰহণ কৰে আৰু আন কিছুমানে আকৌ ইয়াক স্বৰ্গীয় অনুভূতি লাভৰ সোপান ৰূপে প্ৰত্যক্ষ কৰে সেয়েহে বাৰ্ণাড, শ্বই কৈছিল—'Love is nothing but understanding between the two, but give and take'…… তেওঁ প্ৰেমক কেতিয়াও ভোগ বিলাসৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰা নাছিল। চাবা তুমি স্বপ্নালী: প্ৰেমে কেতিয়াবা মানুহক নতুন জ্ঞানৰ সন্ধান দিব পাৰে। আকৌ সেই একেই প্ৰেম পৰিণতিতেই কোনো সৎ ব্যক্তিৰ জীৱনলৈ অন্ধকাৰ নামি আহিব পাৰে। গতিকে কিছুমান কথা; বিশেষকৈ চাৰিত্ৰিক দিশ আৰু বুজাবুজিৰ ওপৰত এহাল প্ৰেমিক-প্ৰেমিকাৰ বিশেষ জ্ঞান থাকিব লাগে। এই প্ৰেমৰ পৰিণতিতেই 'তাজমহল' 'ডিভাইন কমেডি' আদিৰ সৃষ্টি হৈছিল। অপূৰ্ব সুন্দৰী হিৰোৰ লাৱন্য শক্তিৰ প্ৰভাৱত লিয়েণ্ডাৰে হেলিস্পট্ সাগৰ সাঁতুৰি পাৰ হবলৈকো ভয় কৰা নাছিল। আৰু এই বিষয়ৰ আটাইতকৈ ডাঙৰ কথাটো কি জানা—এই প্ৰেম বা ভালপোৱাৰ বাবেই সম্ৰাট নেপোলিয়ন বোনাপাৰ্টে জীৱনৰ সাতাইশ বছৰ বয়সত তেওঁতকৈ বহু ডাঙৰ আৰু দুটি সন্তানৰ মাতৃ জোচেফাইনৰ লগত বিবাহ পাশত আৱদ্ধ হৈছিল। প্ৰেমৰ বিষয়ে বীৰ নেপোলিয়নে কি মতামত দিছিল জানা! …… 'Love is the occupation of the idle man'……… অংগে অংগে বসন্তৰ মহিত অমৃত!

ঠিক তেনেদৰে কাৰোবাৰ বাবে জীৱন মানেই প্ৰেমৰ ধৱল জ্যোৎস্না। ই স্বতঃ স্ফূৰ্ত্ত হৃদয়ৰ সুগন্ধি পখিলা। ৰবাৰ্ট ইংগাৰচন নামৰ বিখ্যাত লিখকজন ইমানেই নাৰী প্ৰেমী আছিল যে—তেওঁ কৈছিল "কেৱল পুৰুষৰ সংগত স্বৰ্গত থকাতকৈ মই ভালপোৱা তিৰোতাগৰাকীৰ লগত অশান্তিৰে ভৰা এই পৃথিৱীতে থাকিব খোজো।' আনহাতে কেতিয়াবা কাৰোবাৰ বাবে প্ৰেম হয় মৰিচীকা: দুৰ্বহ জীৱন ক্ষুধা। দাৰ্শনিক নীৎছে আছিল অত্যন্ত নাৰী বিদ্বেষী। তেওঁ কৈছিল "আপুনি যেতিয়া কোনো নাৰীৰ ওচৰলৈ যাব খোজে তেতিয়া আপুনি চাবুকডাল লগত নিবলৈ নাপাহৰিব।" আৰু তুমি লক্ষ্য কৰিবা, সেইবোৰেই হৈছে প্ৰেমৰ স্বাভাৱিক সত্বা। মানে অমাৱস্যা নিশাৰ ঘোৰ অন্ধকাৰ লৈয়েই হওঁক বা পূৰ্নিমা নিশাৰ জিলমিল জোনাকৰ মধুচন্দ্ৰিকা হৈয়েই হওঁক আচলতে প্ৰেম সকলো মানুহৰ মাজলৈ আহেই। উতলা পানীক ঢাকি ধৰিলে তাৰ ভাঁপে যেনেকৈ সাঁফৰখন ঠেলিবলৈ ধৰে; ঠিক তেনেদৰে কোনোবাই নিজৰ আবেগ আৰু কামনাক যদি জোৰকৈ দমন কৰিও ৰাখিব খোজে তথাপিটো সকলো মানুহ প্ৰেমত পৰেই। জীৱনৰ শুকান বলুকাত দেই-পুৰি কক্‌বকাই থাকিবলৈ হলেও বোলে শতকৰা নিৰানব্বৈ ভাগেই প্ৰেমত পৰে এইয়া দাৰ্শনিকৰ সমীক্ষা। আকৌ-কাৰোবাৰে বাবে প্ৰেম হেনো চুইন্ গামৰ নিচিনা। ৰক্ত-সিন্ধু মন্থনৰ দৰে প্ৰথমতে প্ৰেমতো এটা উত্তাল মাদকতা থাকে। কিন্তু তাৰ পাছত ক্ৰমাৎ ৰস নোহোৱা চুইন্‌গাম ডোখৰৰ দৰে বাস্তৱৰ তাড়নাত প্ৰেম পৰি ৰয় যৌৱনৰ উন্মাদনা সনা জংগম যাত্ৰাত অথবা অপৰাহ্ণ জীৱনৰ অন্তিম ক্ষণত! ……কিযে জননী, এই প্ৰেম বোলা অনুভূতিটো! নহয়নে স্বপ্নালী?

মুঠতে প্ৰেম কি বুলি কলে বহল অৰ্থত বা দকৈ ভাবি চালে ই কোনো লাহ-বিলাহৰ বস্তু নহয়। ই এক যুগ-যুগৰ কালজয়ী গতি। এটি শিশু মাতৃ গৰ্ভৰ পৰা ভূমিষ্ঠ হৈ জীৱন সংগ্ৰামত আৱদ্ধ হোৱাৰ দৰে, প্ৰেমো আদিম সৃষ্টিশীলতাৰ পৰা বৈ অহা প্ৰশান্ত উৰ্মিমালা! প্ৰেম সংসাৰৰ সৰ্ববৃহৎ শক্তি, যাৰ প্ৰচণ্ড উদ্দাম গতিয়ে কোনো নীতিকেই অনুসৰণ নকৰে বা কোনো সামাজিক বাধাকেই নামানে প্ৰেম শান্তি আৰু সম্প্ৰীতিৰ সাকোঁ। কাৰণ প্ৰেমে কোনো ভেদ

ভাৱ নাজানে ; প্ৰেমে জাতি ধৰ্মৰ বান্ধোন নুবুজে অথবা প্ৰেমে ধনী দুখীয়াৰ পাৰ্থক্যও নামানে। মুঠতে প্ৰেমে আত্মাৰ পৰা শৰীৰ লৈকে অংগে অংগে প্ৰৱাহিত হৈ মনুষ্যত্বক নিজৰ মাজতে বিলীন কৰি পেলায়। ··· প্ৰেম অৱশ্যে শাৰিৰীক মিলনৰ উৎসও। য'ত স্পৰ্শৰ আকাংখ্যা অথবা যৌন সম্বন্ধৰ উত্তাল বাসনাও নিহিত হৈ থাকে ( স্বপ্নালী, এই বিষয়ে এতিয়াই একো আলোচনা নকৰো নেকি ? ····· কোনে জানো কৈছিল 'প্ৰেম কামনাৰ আদি পখী। ধুমুহা বৰষুণৰ আগজাননী যেনেকৈ মেঘৰ গুজৰণীয়ে দিয়ে, ঠিক তেনেকৈ মিলন আৰু দৈহিক উপভোগৰ বাতৰিও প্ৰেমে কঢ়িয়াই আনে। সেইবুলি প্ৰেম কেৱল স্পৰ্শৰ নামান্তৰ নহয়। ইয়াৰ আগতে প্ৰেমত থাকিব লাগিব—গভীৰ বিশ্বাস, সততা আবেগ আৰু 'নিঃস্বাৰ্থ প্ৰতিশ্ৰুতি ·· ·· ¡ নে কি কোৱা ? তোমাৰ অভিমত জানাবাচোন॥

এহাল যুৱক যুৱতীৰ মাজত ভালপোৱাৰ ভাৱ বিভিন্ন কাৰণত গঢ় লৈ উঠিব পাৰে। হিউৱেন চাঙে কৈছিল–'নাৰীক প্ৰধানতঃ তিনিটা বস্তু লাগে এ গুড্ ছেলটাৰ, এ গুড ফুড আৰু এ গুড ছেক্স। তাৰ এটাও যদি কম হয় তেন্তে এ গুড্ বিলেশ্বন বৰ্তাই ৰখা টান।' ঠিক তেনেদৰে এজন মানুহক ছোৱালী বিলাকে বহু কাৰণত হৃদয়ৰ গোপন কোণত (!) স্থান দিব পাৰে। যেনে ধৰা পুৰুষজনৰ সাফল্য, নেতৃত্ব কৰ্মদক্ষতা, অৰ্থনৈতিক স্বচ্ছলতা, সামাজিক অৱস্থিতি, বুদ্ধি-বৃত্তি, পৰ্য্যবেক্ষণ ক্ষমতা, প্ৰতিভা আৰু তাত্বিকতা। কিন্তু মই ভাবো মোৰ ক্ষেত্ৰত এই সকলো বোৰবে অভাৱ আছে নেকি ! তেনে পৰিপ্ৰেক্ষিতত তুমিনো কিহৰ অনুৰাগত মোলৈ এনে এটা প্ৰস্তাৱ নিবেদন কৰিছা, তাকে ভাবিহে কিছু আত্মদন্দ্বত ভূগি আছো। চোৱা স্বপ্নালী বন্ধুত্ব আৰু ভালপোৱাৰ মাজত এক গভীৰ ভিন্নতা আছে। সেয়েহে প্ৰেমৰ বিষয়ে কিছু কথা তুমি বুজাকৈ ওপৰত আলোচনা কৰিছো। বন্ধুত্বৰ ক্ষেত্ৰত তোমাৰ যিখিনি পৰিপক্কতা, সেইখিনি মই উলাই কৰিবলৈ নাযাওঁ। কিন্তু কাৰোবাক প্ৰকৃত ভাৱে ভাল পাব পৰাকৈ যিখিনি পূৰ্ণতা অৰ্থাৎ 'মেচিওৰেটিৰ' দৰকাৰ, সেইখিনি নোহোৱাকৈয়ে এইক্ষেত্ৰত আগবঢ়াটো মই অমূলক ধাৰণা বুলি ভাবো। তাৰো পৰি ভালপোৱাক সচাঁই সুন্দৰ কৰি তুলিবলৈ হ'লে-দুটামান চৰ্ত বা চুক্তি ( অৱশ্যে একপ্ৰকাৰৰ বুজাবুজি ) পৰস্পৰৰ মাজত থকাটো মই ৰুচিসন্মত বুলি ভাবো। তুমিও তেনেদৰে ভাবানে বাৰু ?

স্ৰষ্টা ভগৱানে কেৱল বিশ্বব্ৰহ্মাণ্ডখনকে সৃষ্টি কৰা নাই। লগতে সৃষ্টি কৰিছে সময়। সময়ৰ বিৱৰ্ত্তনৰ লগে লাগে আমাৰ ধ্যান-ধাৰণা, ধৰণ-কৰণ আদিৰো পৰিৱৰ্ত্তন হোৱাটো বাঞ্চনীয়। আজিৰ যুৱ সমাজে ভালপাব পৰাটো ডাঙৰ গৌৰৱৰ কথা বুলি ভাবে। কিন্তু মই ভাবো তথাকথিত প্ৰেমৰ ধাৰণাটোৰ ( বীৰ্য্যদীপ্ত যৌৱনৰ ) ... আবেগৰ সুৰবোৰৰ কিছু পৰিৱৰ্ত্তন হব লাগে। সময় নাই ... নাই, পাৰ্কে-পাৰ্কে, হোটেলে-হেটেলে ৰাস্তাই ঘাটে প্ৰেম বিনিময় ... ঘণ্টা ঘণ্টা ধৰি প্ৰেমৰ নামত কোনো অপদাৰ্থ মন্ত্ৰীৰ বিষয়ে অনৰ্থক আলোচনা কৰা, হলিউড বা বোম্বাইৰ ফিল্ম আৰু ফিল্ম ষ্টাৰৰ ... কীৰ্তন কৰা ক্ৰিকেট টেষ্ট, ফেশ্বন, মডেলিং, ইভ্‌টিজিং, টি... চিৰিয়েল ইত্যাদিৰ দৰে অধঃপতিত বিষয়ৰ বাৰ্তালাপবোৰৰ ... মই ভাবো এই প্ৰেম বা ভালপোৱা বস্তুটো কিছু বাস্তৱিক, সু... কল্পিত, বিজ্ঞানসন্মত আৰু শৃংখলিত হোৱা উচিত। যি চঞ্চল... এহাল প্ৰেমিক-প্ৰেমিকাক এটা সময়ত সাত সাগৰ তেৰ নদী ... হোৱাৰ দৰে দুৰন্ত স্পৃহাৰ জন্ম দিয়ে, সিয়ে সময়ত কিন্তু সাম... পানীৰ ধাৰ এটাকো জাপ মাৰি পাৰ হোৱাত বাধাৰ সৃষ্টি ক... পাৰে। ফলত তেওঁলোকৰ স্বাভাৱিক জীৱন ব্যাহত হৈ প... প্ৰেমিক-প্ৰেমিকাৰ মাজত সন্দেহৰ বীজ এইখিনিতেই অংকুৰিত ... আৰু তুমি মন কৰিবা স্বপ্নালী—প্ৰেমৰ অন্যতম বিষাক্ত বৈশি... হল সন্দেহ, যদি প্ৰেমত সন্দেহৰ আবিৰ্ভাৱ হয়, তেতিয়াই বু... লাগিব সেই প্ৰেমৰ আয়ুস কমি আহিছে। ফলশ্ৰুতিত মধুৰ স... এটাত ভাঙোনে গা কৰি উঠে। প্ৰথমতে প্ৰেমবোৰ দৈহিক উত্তেজনা... হেৰাই যায়। কোৱা হয় কাব্যিক কাব্যিক এটা পৰিবেশত প্ৰেমৰ স্বৰ... বোলে ক্লাইমেক্স উঠে। কিন্তু পাছ মূহুৰ্ত্তত অৱসাদ আৰু ব্যাকুল... তেওঁলোক ক্ৰমাৎ হৈ পৰে উন্মাদ। ······ প্ৰেমৰ দৰ্শণত ইয়া... 'আবেগিক প্ৰেম' (Passionate Love) বুলি কোৱা হয়। তা... পৰি এই শ্ৰেণীৰে ( Passionate Lover ) এক প্ৰকাৰৰ প্ৰেমি... প্ৰেমিকাৰ বাবে ই এক ধেমালীৰ তথা অৱসাদ পূৰণৰ খে... তেওঁলোকৰ বাবে ( যাক কোৱা হয় 'মতলীয়া' প্ৰেমিক' ) ... পোৱাটো কোনো গভীৰ বিষয় নহয়। এই সকলে সহজ... প্ৰেমত পৰিব পাৰে আৰু অতি সহজতে এই সম্পৰ্ক ছেদ কৰিব পা... তেওঁলোকে যেন প্ৰেম কৰিবলৈহে পৃথিৱীত জন্ম লৈছে। এই ... ক্ষণিক উত্তেজনা বা আকৰ্ষণৰ বাবে জাগ্ৰত হয়। তেওঁলোকৰ বা... দৈহিক মিলন সম্ভৱ নহলেওঁ, প্ৰিয়জনক অন্ততঃ এটা চুমাবে ওপ... দিয়াৰ দৰে দুৰন্ত স্পৃহাৰ জন্ম দিয়ে (অৱশ্যে প্ৰেমৰ বাটত যদিও ... স্পৰ্শ, চুম্বন, আলিংগন আদি হয়, তাক কামৰ অভিব্যক্তি বুলি ... নোৱাৰি ; কাৰণ কাম ক্ৰিয়াগত আসক্তি; কিন্তু প্ৰেম পাত্ৰ... আসক্তি। তাৰোপৰি শাৰিৰীক আৰু মানসিক তৃপ্তিৰ অবি... প্ৰেমৰ সাৰ্থকতা থাকিব নোৱাৰে বুলিও দেখো বহু চিন্তাবিদে ... খোজে )... ... তেওঁলোকৰ বাবে (Passionate Lover) জী... মানেই প্ৰেমৰ বন্যা আৰু প্ৰেম মানেই নিজকে আন কাৰোবাৰ ওচৰ... সঁপি দিয়াৰ ৰিক্ত সিক্ত আৰণ্যক মাদকতা। আমাৰ আটাইবে প্ৰিয় কবি হিৰুদাৰ ভাষাত কবলৈ গলে—'প্ৰেম নিশ্চয় এনেকুৱাই/আৱৰণ খুলি হৃদয় জুৰায়'······! তুমি বাৰু তেনেকুৱা প্ৰেম-পৰিণতি বিচাৰানে ? আশা কৰিছো, তুমি নিশ্চয় এনেকুৱা লেতেৰা আৱৰণৰ মাজত লুকাই নথকা এজনী সচাঁ সংবেদনশীল অস্থি মাংস-মজ্জা-পেষীৰে গঁথা 'ডাইনেমিক' গাভৰু প্ৰেমিকাই হ'বা। নহ'বা জানো ?

দ্বিতীয় চুক্তি হিচাপে কওঁ—প্ৰেম বিনিময়ৰ বাবে বিশ্বাসৰ প্ৰয়োজন অতি বেছি। সেই বিশ্বাস একে দিনাই গঢ় লৈ নুঠে। ইয়াৰ বাবে হিয়াৰ আদান-প্ৰদান হব লাগিব। এজনৰ ভাৱ প্ৰকাশৰ অনুভূতিক আনজনে অনুভৱ কৰিব পাৰিব লাগিব। কিন্তু তাকে নকৰি যদি এজনৰ ভাৱ-ভাষা আদি এক পক্ষীয় হয়, তেনেহলে বুজিব লাগিব প্ৰেমৰ জৰাসন্ধ বন্ধন ক্ৰমাৎ হোলোক-ধোলোক হৈ আহিছে।······ তোমাৰ বাৰু মনত আছেনে সেই কাহিনীটো ? প্ৰেমৰ বিৰহ পৰিণতিতেই যে সুন্দৰী ক্লিওপেট্ৰাই নিজৰ শৰীৰতে সাপেৰে দংশন কৰাই নিজৰ প্ৰেমক অমৰ কৰি থৈ গৈছিল। চোৱাচোন কি যে শৃংখলিত জীৱন !

তাৰোপৰি প্ৰেমৰ পূৰ্ণানন্দ তৃপ্তি পোৱাৰ ক্ষেত্ৰত বাধা হিচাপে জাত-পাতৰো কথা আহি পৰিব পাৰে। কিয়নো আমাৰ সামাজিক ব্যৱস্থাটো এতিয়াও ইমান গোড়া-ৰক্ষণশীল হৈ আছে যে ইয়াৰে কিছুমান ঠেক মনোবৃত্তিৰ বিবেকে যে এই বিষয়বোৰকে লৈ মূৰ নঘমাব, সেইটো কোৱা অতি কঠিন। কিন্তু—তুমি এজনী জনা-বুজা তথা শিক্ষিতা ছোৱালী হিচাপে বাৰু এনেবোৰ কাৰ্য্যক সমৰ্থন কৰিবা নে ? তুমি যদি নিজকে একবিংশ শতিকাৰ দুৱাৰ ডলিত থিয় হব খোজা আধুনিকা বুলি ভাবিছা (মই সেই সকল আধুনিকাৰ কথা কব খোজা নাই; যাৰ শৰীৰত থাকে অল্পমাত্ৰ বস্ত্ৰ, এটা অহংকাৰী যৌৱন আৰু আৰু প্ৰবৃত্তিৰ এক উত্তাল বন্য উন্মাদনা), তেনেহলে জাত,পাতৰ ক্ষেত্ৰত তুমি গোৰামী অৱলম্বন নকৰা বুলিয়েই ভাবো। কাৰণ মইটো আগতেই কৈছো—জীৱনৰ লক্ষ্য এক চুড়ান্ত উন্নতিৰ মাজত পৰিবলৈ হলে, প্ৰেম হব লাগিব সম্পূৰ্ণ নিঃস্বাৰ্থ।

আৰু এটা কথা তুমি লক্ষ্য কৰিবা—এহাল ল'ৰা-ছোৱালীয়ে কেনো এক মূহুৰ্ত্তত (শুভ মূহুৰ্ত্ত বুলি কওঁ নেকি বাৰু !) ৰাস্তাই-ঘাটে হওঁক, ঘৰতে হওঁক বা আন কিবা অনুষ্ঠানতেই হওঁক—সিহঁতৰ মাজত ক্ষন্তেক দেখা সাক্ষাত হলে বা সঘনাই চিঠিৰ আদান-প্ৰদান হলে সমাজৰ এটা দিশে সন্দেহৰ দৃষ্টিৰে চায়। তেনে প্ৰতিক্ৰিয়া হোৱাটো স্বাভাৱিক। কিন্তু কিছুমান ক্ষেত্ৰত মই ভাবো অভিভাৱক সকলে ডেকা-গাভৰুৰ মাজত ফ্ৰি-ফ্ৰেংক হবলৈ দিব লাগে। উন্নত জীৱনবোধ আৰু বিশৃংখলতা বোধ কৰাৰ ই এটা উত্তম পন্থা। বহু অভিভাৱকে লৰা-ছোৱালীক বয়সৰ শিক্ষা দিবলৈ পাহৰি যায় বা তেওঁলোকক বহু ক্ষেত্ৰত সেই কণমানি শিশুটি বুলিয়েই ভাবি থাকে। তেনে হোৱাৰ ফলত কিছুমান ল'ৰা-ছোৱালীয়ে নিজকে স্বাধীন কৰিবলৈ যাওঁতে বহু ক্ষেত্ৰত অবাটে গৈ ভুল কৰা দেখা যায়। এনে ক্ষেত্ৰত অভিভাৱক সকল সচেতন হোৱাটো খুবেই বাঞ্চনীয়। সেয়েহে স্বপ্নালী—তুমি বাৰু তোমাৰ মা-দেউতাক কেনেদৰে সংশোধন কৰি লম বুলি ভাবিছা ? সেই বিষয়ে পিছৰখন চিঠিত সবিশেষ জনাবা বুলি আশা কৰিলো। জানাইটো আমি দাসত্বৰেই প্ৰত্যাশী জীৱ !

শেষত মাথো এটা গুৰুত্বপূৰ্ণ কথা আলোচনা কৰি আজিৰ চিঠিখনৰ সামৰণি মাৰিম। তুমি লক্ষ্য কৰিবা যুৱাবস্থাত হোৱা প্ৰেমে লৰা-ছোৱালীৰ যথেষ্ঠ ক্ষতি কৰে। কাৰণ প্ৰেমে পঢ়া শুণাত যথেষ্ঠ ব্যাঘাত জন্মায়। মানসিক ভাৱে চিন্তাগ্ৰস্থ হ'ব লগা হয়। পঢ়াৰ টেবুলত বহিলেই নিৰ্দ্দিষ্ট আপোনজন বাৰে বাৰে চকুৰ আগত ভাঁহি উঠিব পাৰে। সময় আৰু কৰ্মসুচীবো অনিয়মীয়া হব পাৰে। ফলশ্ৰুতিত তেওঁলোকৰ মানসিক প্ৰস্তুতি বহু পৰিমাণে কমি যায়। শৰীৰত সৃষ্টি হয় এক অসহ্য মানসিক যন্ত্ৰণাৰ। তুমি এতিয়াও কলেজীয়া ছাত্ৰী। ডিগ্ৰী লবলৈ এতিয়াও বহু বাকী আছে। সমুখত গোটেই জীৱনটোৱেই পৰি আছে। গতিকে মই ভাবো তুমি এই ক্ষেত্ৰত বেছিকৈ মূৰ ঘমোৱাতকৈ, নিজৰ পঢ়া-শুণা আৰু 'কেৰিয়াৰ' টোৰ প্ৰতিহে বেছিকৈ গুৰুত্ব দিয়া উচিত।

আশা কৰিছো তুমি কথাবিলাক বুজি পাইছা। নহলে ; এটা কাম কৰিবা। আজিৰ চিঠিখনৰ মূল বিষয়বস্তু সহজে বুজি পাবৰ বাবে তোমালৈ বুলি এই চিঠিখনৰ লগতে কেইখন মান কিতাপ দি পঠালো। পঢ়িবা ! কিতাপ কেইখন হ'ল আই এম. বাজাজৰ 'হাউ টু উইন গাৰ্লচ এণ্ড ইম্প্ৰেচ উইমেন' ; মাইকেল ম'ৰগেনষ্টাৰ্ণৰ 'হাউ টু মেক লভ টু এ উইমেন' ; জন টেৰী গেৰটিৰ 'টোটেল লভিং ; নেঙ্কি গুডৰ 'হাউ টু লভ এ ডিফিকাল্ট মেন' ; ড° পাউল হকৰ 'হাউ টু লভ এণ্ড বি লভ্‌ড্' আৰু এখন অসমীয়া কিতাপ 'মৰমৰ নেহা' উৎপল দত্তৰ। মই ভাবো জীৱনৰ লগত প্ৰেমৰ সম্বন্ধৰ বিষয়ে জানিবলৈ হলে এই কেইখন কিতাপ অধ্যয়ণ কৰা-টোৱেই যথেষ্ঠ। তুমিও পঢ়ি কেনে পালা জনাবাচোন !

আজিলৈ আৰু নিলিখো। ইয়াৰ পিছৰখন চিঠিত বাৰু এই বিষয়ে আকৌ আলোচনা কৰিম। তুমিও দীঘলীয়াকৈ চিঠি দিবাচোন। আকৌ কওঁ চিঠিখনৰ প্ৰতিটো শব্দৰ প্ৰচণ্ড প্ৰকাশত আছে মথোন তোমাৰ প্ৰতি থকা মোৰ মৰম আৰু গভীৰ ভালপোৱা। আশা কৰিছো কথাবিলাক হৃদয়ংগম কৰিবা। নহলটো জানাই My poor heart is sentimental, not made of wood ...... কোন সময়ত কি হৈ যায়, কবটো নোৱাৰি ! তথাপিটো কিয় জানো আজি বাৰে বাৰে এটাই কথা মনলৈ আহিছে ৰিজনী ছোৱালীয়ে

আজি কিছু বছৰৰ পৰা মোৰ লগত বন্ধুত্ব পূৰ্ণভাবে ষিকোনো কামত সহযোগ কৰি আহিছিল, সেইজনী ছোৱালীয়েই আজি জীৱনৰ লগৰী (!) হবলৈ মোলৈ প্ৰস্তাৱ আগবঢ়াইছে সম্পূৰ্ণ নিষ্পাপ আৰু প্ৰাণোচ্ছলতাৰে। সচাঁই ইয়াতেই যেন সোমাই আছে আমি পৃথিৱী দেখাৰ পূৰ্ণ মাদকতা। এইক্ষেত্ৰত তোমালৈ মোৰ গভীৰ বিশ্বাস, সৰস প্ৰতীক্ষা আৰু একাত্মবোধেৰে মাথো এটাই অনুৰোধ 'তোমাৰ বিশ্বাস আৰু সততাৰ অনুসৰণত/ক্ৰমশঃ দুৰ্দান্ত হৈ পৰে মোৰ জীৱনৰ সাকোঁ ইচ্ছা কৰিলে তুমি মোক নিৰ্দয়ভাৱে হত্যা কৰিব পাৰা/অথবা মোৰ নিঃস্ব আত্মাক দিব পাৰা/অভেদ্য আশ্ৰয় ........ ॥' শুভাশীষ আৰু তেজৰঙা মৰমবোৰ লবা।

ইতিত

'স্বপ্ননীল'

২৭ চেপ্তেম্বৰ'

( চিঠিখনি যুগুত কৰোতে দুই এটা তথ্যৰ সহায় এই কেইখন গ্ৰন্থ 'অনুৰাধাৰ দেশ', 'স্বৰ্গ আৰু নৰক; ঈদিপাস-ঈদিপাস; ওপৰত উল্লিখিত (*) গ্ৰন্থ আৰু বিস্ময়, পূবালী স্পাই, অংগনা স্বৰূপাৰ কেইটামান সংখ্যাৰ পৰা লোৱা হৈছে। সেইসকল লেখকৰ ওচৰত ঋণ-স্বীকাৰ কৰা হ'ল। লগতে শ্ৰদ্ধাৰ দাদা ৰজনী বৰুৱাৰ ওচৰতো কৃতজ্ঞতা জ্ঞাপন কৰিলো—লেখক।)

... ... 'চিঠিখন খোলো খোলো বুলিও খোলা হোৱা নাই ; কিজানিবা বন্ধ লেফাফাৰ ভিতৰত বন্দী তোমাৰ আৱেগখিনি ধোঁৱা হৈ উৰি গুচি যায় ! বন্ধ-লেফাফা চোলাৰ জেপত কঢ়িয়াই হৈ ফুৰাৰ কি যে মৰম-মধুৰ যন্ত্ৰণা ॥'

—পূণ্য শইকীয়া



## ব্যাংগ চিত্ৰ

# তেখেতৰ লেক্সাৰ

● নন্দ চুতীয়া

সৌসিদিনা বিষ্ণুৰাভা দিৱসত তেখেতে দিয়া লেক্সাৰটোৰ ৰমনীয় কথাখিনি শুনি আপোনালোকে ৰস পায়নে নাপায় নেজানো। মই কিন্তু পাইছিলো। সেয়েহে এই ৰহঘৰা টোপোলাটো মই আপোনালোকৰ আগত খুলি দিব খুজিছো। প্ৰিয় পাঠক, ক্ষন্তেক ৰব, আপোনলোকক ৰসৰ পাৰ্নীয় গিলাচত চুমুক দিয়াৰ আগতে সেই ঠাইখিনিৰে এটা চমু আভাস দি লোৱাটো সমীচিন হ'ব।

ধুনাবাৰী গাওঁ। গাওঁখন বানপানীৰ নিচিনা ভয়াবহ প্ৰাকৃতিক দুৰ্যোগে গৰকিব নোৱাৰা নিৰাপদ ঠাইত অৱস্থিত যদিও যন্ত্ৰযুগৰ আচহুৱা নতুন অৰ্থনীতিৰ আমদানি ধুমুহাৰ হেঁচাত ফাগুন মাহৰ বলিয়া বতাহৰ কোব সহ্য কৰিব নোৱাৰি চিৰিলি চিৰিলি হৈ বিধস্ত হোৱা কলপাত খিলাৰ দৰেই দুৰাৱস্থাৰ বলি ধুনাবাৰী গাওঁ। দুৰাৰোগ্য বেমাৰে পীড়ি বুকুৰ কামিহাড় জেংখৰিব দৰে জেং জেং কৈ উলিয়াই দিয়া ৰুগীয়া মানুহৰ দৰে আলপৈচান নেপায় চকুৰ আগতে উৰঁলি জহি খহি যাব ধৰা ৰাজহুৱা সম্পত্তি নামঘৰটো, অঙ্গনবাদী কেন্দ্ৰটো, প্ৰাইমাৰী স্কুলখনৰ ভগ্নাৱস্থাৰ শোকাবহ দৃশ্যবোৰ দেখিয়েই উমান পালো গাওঁখন আৰ্থিকভাবে নিশকতীয়া হৈ গৈ আছে। হাতৰ টিপাত পৰি মুকলি হ'বলৈ ধৰ্ফৰাই থকা গৰৈ মাছটোৰ দৰেই দুখৰ পৰা মুক্ত হ'ব নোৱাৰি এই মানুহবোৰ দুখৰ বোকাত দিনে-দিনে পোত গৈ ধৰফৰাই আছে। সেইখন গাঁৱৰে মুষ্টিমেয় কেইগৰাকীমান সচেতন যুৱক-যুৱতীৰ আগ্ৰহ ও সদিচ্ছাত খাটিখোৱা মেহনতী শ্ৰমজীৱি মানুহখিনিৰবাবে অৰ্থনৈতিক মুক্তি মাৰ্ক্সীয় দৰ্শনৰ জৰিয়তেহে আহিব বুলি পৰম বিশ্বাস কৰি কমিউনিষ্ট পাৰ্টিত জড়িত হৈ আপোন অতুল বৈভৱ ভৰিৰে ঠেলি নিঃস্ব হৈ সৰ্ব্বান্তকৰণে দুখীয়া নিছলাৰ লগত মিলি গৈ দৰিদ্ৰজনৰ দুখৰ সমভাগী হোৱা, দৰিদ্ৰজনৰ দুখ বিমোচনৰ বাবে জীৱন পণ কৰি দুৰ্ব্বাৰ সংগ্ৰাম কৰা, অসমৰ সংস্কৃতিক বিশ্বৰ বৰ সবাহত স্থান দিবলৈ অহোপুৰুষাৰ্থ কৰা, বহু গুণৰ আকৰ সেইজন সিংহপুৰুষ বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতিচাৰনাৰ্থে মৃত্যু তিথি ২০ জুন' ৯৫ তাৰিখে এদিনীয়া কাৰ্য্যসূচীৰে ধুনাবাৰী যুৱসংঘৰ সৌজন্যত নামঘৰত পাতিছে ৰাভাদিৱস আৰু আমিও নিমন্ত্ৰিত এজন অতিথি হিচাবে তাত উপস্থিত থাকিবলৈ সুবিধা পাইছিলো। বহাগ বিহুৰ উলহ-মালহৰ উৎসৱৰ দৰেই সম্প্ৰতি বিষ্ণুপ্ৰসাদ ৰাভা দিৱসো গাওঁ নগৰ সৰ্ব্বত্ৰত বিয়পি পৰিছে। বিষ্ণুৰাভা মানুহজনৰ জীৱনাদৰ্শৰ অ আ ক খ একো নজনা মানুহেও বৰ ফেৰ মাৰি সভাত ক'বলৈ গৈছে।

"মানছীয় সভাপতি ডাঙৰীয়া, উদ্যোক্তাসকল আৰু উপস্থিত ৰাইজ। বিষ্ণুৰাভা এজন বৰ ডাঙৰ মানুহ আছিল। তেওঁ সুদূৰ বিলাতত গৈ পঢ়া-শুনা কৰিছিল আৰু সুখ্যাতিৰে বিলাত পাচ কৰি অসমলৈ মান, যশ, গৌৰৱ সন্মান কঢ়িয়াই আনিছিল। বিষ্ণুৰাভাই যেতিয়া বিলাত পাচ কৰিছিল তেতিয়া ভাৰতবৰ্ষৰ কোনো প্ৰদেশৰ এজনেও বিলাত পাচ কৰিব পৰা নাছিল। কিন্তু আমাৰ বিষ্ণুৰাভাই বিলাত পাচ কৰি সমগ্ৰ ভাৰতবসীক, বিশ্ববাসীক জনাই দিলে অসমৰ মানুহৰো একোটা প্ৰকাণ্ড মগজ আছ। চিন্তা-চৰ্চা কৰিব পৰা মগজুৰ চালিকা শক্তি প্ৰভূত আছে। আৰু সেই কাৰণেই পণ্ডিত জৱাহৰলাল নেহৰু প্ৰমুখ্যে কেন্দ্ৰৰ নেতা সকলে বিষ্ণুৰাভাক প্ৰাণভৰি ভাল পাইছিল।

বিষ্ণুৰাভাৰ জন্ম হৈছিল ঢাকাত। জাতত বঙালি। কিন্তু তেওঁ যেতিয়া অসমলৈ আহিল, অসমৰ হাৱাপানী খাই, অসমৰ কোমল মাটি গছকি, অসমৰ ভাষা সংস্কৃতিকে আপোন বুলি সাৱটি ধৰি তেখেত সম্পূৰ্ণ অসমীয়া হৈ জীণ গ'ল। তেনেকুৱা মানবীয় প্ৰমূল্যবোধ বুজা উদাৰপন্থী বিদেশী বা প্ৰবাসী লোক এতিয়া অসমত কোনোৱা ওলাবনে? মই কৈছো নোলায়।

( ক্ষন্তেক কিছু চিন্তা কৰিলে, তাৰ পাছত আকৌ কৈ গ'ল )

শ্ৰদ্ধেয় ৰাইজ! বিষ্ণুৰাভা এজন বৰ ওখ ডাঙৰ মানুহ আছিল। গাতো আছিল দৈত্যৰ বল। তেওঁ এবাৰ চলন্ত জীপগাড়ী এখন হাতেৰে থাপ মাৰি ধৰি বহু সময় ৰখাই থৈছিল। ইমানেই শক্তিমন্ত মানুহ আছিল তেখেত। কিন্তু সেইবুলিয়েই তেখেতে কাৰো সৈতে কাজিয়া কৰি ফুৰা নাছিল। আকৌ বিষ্ণুৰাভা এজন বৰ ধনবান লোক আছিল। ইমান ধনী হৈও তেখেতৰ গপ ভেম অহঙ্কাৰ অলপো নাছিল। সেইকাৰণেই সকলো মানুহে তেখেতক ভাল পাইছিল। তেখেত এজন ভাল কবি আৰু গায়ক আছিল।

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুনীৰ দেশ
চাই লওঁ এবাৰ মুখখনি তোমাৰ
হেঁপাহ মোৰ পলুৱা নাই

এই জাতিয় গানটো তেখেতেই লিখা। তেখেতে বহুত উপন্যাস বহুত নাট লিখি থৈ গৈছে। 'মিৰি জীয়ৰী' তেখেতৰ এখন বিখ্যাত উপন্যাস। বিষ্ণুৰাভা এজন ভাল ভাস্কৰ্য্য শিল্পী আছিল। এবাৰ দুৰ্গাপূজাত দুৰ্গাদেৱীৰ মূৰ্ত্তিটো ইমান অপৰূপ সাজত সাজিছিল নহয় তেনেকুৱা চালে চকুৰোৱা মূৰ্ত্তি আজিলৈকে সৃষ্টি' কৰিব কোনেও পৰা নাই। বিষ্ণুৰাভাই ইচ্ছা কৰা হ'লে মূখ্য মন্ত্ৰী, মন্ত্ৰী, এম এল এ এইবোৰ নিশ্চয় হ'ব পাৰিলহেঁতেন। কিন্তু তেখেতে ৰাজনীতি নকৰি ৰাজনীতিৰ মাজেৰে জনতাক সেৱা কৰিবলৈ আনক সুবিধা দিছিল। ৰাভাদেৱৰ এইটো কমগুণ নহয়। তেনেকুৱা আদৰ্শবান মানুহ আজি ওলাবনে? নোলায়। সকলোকে আজি নেতা পালি-নেতা হ'বলৈ লাগে বিষ্ণুৰাভাৰ আদৰ্শৰ মাজেৰে আমাৰ নতুন প্ৰজন্মই এইবোৰ কথা শিকক বুজক, তেতিয়াহে ৰাভা দিৱস পতাৰ সা হ'ব। ৰাজনীতি কৰিবলৈ বেলেগ মানুহ আছে, ঈশ্বৰে সেইসক বেলেগকৈ সৃজিছে। এই কথা বুজি ল'ব লাগে।

আকৌ বিষ্ণুৰাভাই বহু বিবাহ কৰিছিল। পাঁচ জনীনে ছ বিয়া কৰিছিল যি পুৰুষে খোৱাব পিন্ধাব পাৰে, যাৰ সামৰ্থ্য আ তেওঁ এশজনী বিয়া কৰিলেও দোষ হ'ব নোৱাৰে। ই শাস্ত্ৰৰ নীতি আগৰ দিনত ৰজা মহাৰজা সকলে, সমৰ্থবান লোক সকলে বিবাহ কৰিছিল। এইবোৰ কথা আমাৰ মহিলা সমাজে অজি বু পাব লাগে।

বিষ্ণুৰাভাই বৰ সাংঘাতিক অভিনয় কৰিছিল এইকথা পূৰ্ব্ব ব এজনে অলপ আগতে কৈয়েই গৈছে। সঁচা কথা। এবাৰ চনটো মে মনত পৰা নাই, বিষ্ণুৰাভাই দিল্লীত নাটক কৰিছিল। বিষ্ণুৰাভা অভিনয় দেখি প্ৰয়াত প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী একেবা অবাক হৈ গৈছিল আৰু তেতিয়াই তেখেতলৈ কলাগুৰু উপাধি সন্মান যাচিছিল।

পূৰ্ব্ববক্তা জনে আপোনালোকক কৈছেই বিষ্ণুৰাভাই সদায়ে এ ষ্টেনগান লগত লৈ ফুৰিছিল। ষ্টেনগান মানে বন্দুক। তেওঁ সেই বন্দু কেৰে তেওঁ বনৰীয়া চৰাই মাৰি খাইছিল। তেখেতে চিকাৰ কৰি বিৰা স্ফূৰ্ত্তি পাইছিল। তৰুণৰাম ফুকনৰ পিছতে বিষ্ণুৰাভাও এজন নিপু চিকাৰী আছিল। বিষ্ণুৰাভাৰ চিকাৰ পদ্ধতিক জিম্‌কৰবেটৰ লগ তুলনা কৰিব পাৰি।

ঠিক সেই মূহুৰ্ত্ততে খুব জোৰেৰে আঙুলিয়ে মই দুই কাণ থিলা দিলো। গতিকে তেখেতৰ লেক্‌চাৰটো সম্পূৰ্ণভাৱে আপোনালোক শুনাব নোৱাৰি দুখীত হৈছো। তাৰবাবে ক্ষমা প্ৰাৰ্থনীয়।

"কবি শিল্পীক ভবিষ্যত দ্ৰষ্টাৰূপে আমি কমেইহে ভাবো। সমাজত তেওঁলোকে সন্মানো নাপায়। জীৱনলৈ তেওঁলোকৰ সন্মান যদি কেতিয়াবা আহে সেই সন্মান মৃত্যুৰ পিছতহে আহে।"

—জৱাহৰলাল নেহৰু





## "কলমৰ তুঙ্গত জ্বলে কবিতাৰ শিখা................"

*কবিতা ঃ কোনে কি কয়–*

❑ *'Poetry is the criticism of life' - Mathew Arnold*

❑ *Dr. Johnson : 'Poetry is the concrete and artistic expression of human mind in emotional and rhythmical language...............poetry is written with words not ideas.'*

❑ 'কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাঁই' – হীৰেণ ভট্টাচাৰ্য্য।

❑ সনন্ত তাঁতি ঃ 'কবিতা শব্দৰ চলমান গতি।'

●●●●●●●●●

*এই সংখ্যাৰ কবিতা সজাইছে ঃ*

| | |
|---|---|
| এনেদৰে তাই আৰু মই | – অমিয় কুমাৰ গগৈ, স্নাতক ১ম বৰ্ষ (কলা) |
| প্ৰেমে প্ৰতিবাদ কবিতাৰ দেশ-বিদেশ | – জিতু দত্ত, স্নাতক ১ম বৰ্ষ (কলা) |
| প্ৰতীক্ষা | – ইন্দ্ৰানী বৰুৱা, উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা) |
| আত্মচৰিত্ৰ | – জয়ন্ত কুমাৰ গগৈ, উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা) |
| কবিতা | – দিগন্ত কুমাৰ গগৈ, প্ৰাক্তন ছাত্ৰ |
| আশা | – স্বাধীনা বৰুৱা, উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান) |
| দেহ, স্পৰ্শ, প্ৰেম, হৃদয় ইত্যাদি | – পবিত্ৰ কুমাৰ গগৈ, স্নাতক ১ম বৰ্ষ (কলা) |
| বৰ্ষা - বৰ্ণন | – চিন্তন বৰবৰুৱা |



# এনেদৰে তাই আৰু মই

– অমিয় কুমাৰ গগৈ



তাইক মই স্বাধীনতা দিম তাইৰ সপোনৰ দৰে
এটি চৰাইৰ দৰে উৰি যাব
দূৰ - দেশান্তলৈ........................
কুঢ়িয়াই আনিব সপোন ৰঙা কিছুমান
গোপন বাতৰি।
মই ইচ্ছা কৰিলে তাইক মুক্তি দি পাৰো
মোৰ বুকুৰ মাজৰ পৰা
উভালি পেলাব পাৰো নিৰ্মাঁষতে জেৰীয়া প্ৰেম
মোৰ হৃদয়তলিৰ পৰা

মই তাইক মোৰ পূজাৰ বেদীত
প্ৰতিমা কৰি ৰাখিব পাৰো,
তাই এৰি দিয়া প্ৰেমৰ অশ্বাৰোহী সৈন্যবোৰ
ততালিকে ধৰি ৰাখিব পাৰো
মোৰ প্ৰাৰ্থনাৰ অন্ধকাৰ কোঠালিত
মই তাইক অনুসৰণ কৰিছোঁ
দিনৰ পিছত দিন আৰু ৰাতিৰ পিছত ৰাতি
তাই যে সদায় এটা স্থিতিশীল মগজু
অলৰ - অচৰ......................।

মই তাইক বিশ্বাস কৰো প্ৰতিদিনেই
কিন্তু, কেতিয়াবা ক্ৰমশঃ দুৰ্দান্ত হৈ পৰে
মোৰ জীৱনৰ ঘোঁৰা
এৰি দিওঁ তাইৰ কল্পনা ৰাজ্যলৈ
আৰু সময়ে সময়ে হত্যা কৰিব খোজে
তাইক......................!
ইচ্ছা কৰিলে তাই মোক আশ্ৰয়
নিদিবও পাৰে
প্ৰেমৰ অভেদ্য আশ্ৰয় ●●●●●●

# প্ৰেমে প্ৰতিবাদে কবিতাৰ দেশ-বিদেশ

– জিতু দত্ত

দৈন্যতাৰ গ্ৰাসত সশস্ত্ৰ সংগ্ৰামীৰ
কেঁচা তেজৰ গোন্ধ
বৰ্বৰইতৰ শেন চকুৰ আঁৰে আঁৰে
সিহঁতে বিচাৰিছিল মুক্তি।

শীতৰ শুকান পাতবোৰ
সৰ-সৰাই উঠিল
অৰণ্যৰ নিৰৱতাই আলফুলকৈ
আঁকি দিছিল ক্লান্তি, যন্ত্ৰণাময় শান্তি
মলমৰ স্নিগ্ধ স্পৰ্শৰ কেঁচা তেজত
শান্তিৰ প্ৰলেপ।
এতিয়া সিহঁত শান্তি, শক্তি অথবা
নিৰৱতাৰ সন্ধানত
ঘৰে - বাহিৰে - ভিতৰে
ক'তেই বা আছে।





# প্ৰতীক্ষা

– ইন্দ্ৰানী বৰুৱা

বহু আশাৰে প্ৰতীক্ষা কৰিছোঁ
তোমালোকে মোলৈ যাচিবাইঁকনো কি ?
পাৰিবানে দিব
এটা শুধ বগা চোলা
য'ত এটাও চেকা নাথাকে
অথবা ফুলৰ দৰে এপাহ ফুল।

কবিতা

# আত্মচৰিত্ৰ

– জয়ন্ত কুমাৰ গগৈ

[উৎসৰ্গা ঃ- বানবিধস্ত প্ৰতিজন কৃষকৰ হাতত]

এক।।

মোৰ তেজৰ গভীৰত এখন অশান্ত স্ৰোতস্বিনী
তুমিজানো শুনিছা
লুণ্ঠিত হৃদয়ৰ
তেজে কঢ়ালমৰা স্বপ্নবোৰৰ নিৰৱ চকুলো

দুই।।

মোৰ দুখত দুখী জানো তুমি
নিঃকিন কৃষক মই
পেটে - ভাতে খাবলৈ নাপাওঁ
দুবেলা দুমুঠি

আত্মচৰিত্ৰ আত্মকথা– ১/
নৈত ধল উঠিলে
মই উজাগৰে থাকো
অন্তঃসত্ত্বা পথাৰখনলৈ চাই
নিৰৱে কান্দো

আত্মচৰিত্ৰ আত্মকথা– ২/
হাড়ভাঙি ৰুইছো শালি
আধিয়াৰ কৃষক মই তেনেই নিচলা
বুকুত মোৰ মাটি আৰু মানুহৰ সেউজ ঠিকনা!!



## কবিতা

দিগন্ত কুমাৰ গগৈ



**সপোন সঁচাৰ কাঠি ঃ**

জ্ঞানিও, বুজিও নিৰস
কাঠিন্যলৈ ঠেলি দিছো জীৱন
নিজকে বিচ্ছিন্ন কৰিছো নিজৰ পৰা,
নিজৰ ওচৰতে
নিজেই বুজিব নোৱাৰা সাঁথৰ।
ইতিহাস নেমেলো,
জহি-খহি নিঃশেষ হৈছে
পূৰ্বপুৰুষৰ স্বপ্নৰ ভেটি।
নিজৰ ঘৰতেই সৰ্বস্ব হেৰুৱাই
নিজে নিঃস্ব।
পাবলৈ পথ নাই
হেৰুৱাবলৈ বাকী নাই
থবলৈ একো নাই
চলাথ কৰি বিচাৰি ফুৰিলেও
উত্তৰ পুৰুষে কোনোদিন বিচাৰি নেপাব
সপোন সঁচাৰ কাঠি।

**দুঃ সময় - সময়ঃ**

একো নিবিচাৰিবা
দিবলৈ, একোৱেই নাই
শূন্যতা, মাথো শূন্যতা
ইমান কঙাল সময়!
দিব পাৰা তুমি
অথচ দিব নোখোজা এ[illegible]
ইমান নিৰ্দ্দয়
বুকু খুলি নৈখন ভৰাই লব পাৰিলে।
একো নিবিচাৰো তোমাৰ পৰা
উৰ্বৰ হ'লে বুকুৰ পথাৰ
চাই যাবাহি
সুখেৰে ভাস্বৰিত
বুকুৰ চুক কোণ,
মুখৰ হৃদয়



## আশা

স্বাধীনা বৰুৱা

সংগ্ৰামীজনৰ বাবে মই
আঁকি ৰাখিছো
মোৰেই তেজৰ ৰাঙলী তুলিকাৰে
এপাহি সুগন্ধি ৰঙা গোলাপ!
প্ৰিয়জনৰ বাবে এটি প্ৰেমৰ কবিতা
ভবিষ্যতৰ বাবে এটি আশাৰ সপোন।



## দেহ, স্পৰ্শ, হৃদয়, প্ৰেম ইত্যাদি

—পৱিত্ৰ কুমাৰ গগৈ



এক,
দেহ
স্পৰ্শ
হৃদয় আৰু
প্ৰেমৰ পাণ্ডুলিপি
ৰান্ধনি সুৰুযে দিগন্তৰ সিপাৰে
পৃথিৱীৰ বুকুলৈ নামি
ঘৰমুৱা দাৱনিৰ ওঁঠত আঁকি দিয়া
এটি সংজ্ঞাহীন হাঁহি

দুই,
আবেগ
অভিমান
লাজ আৰু
হিয়াৰ থৈয়া-নথৈয়াবোৰে
কি পৰিকল্পিতভাৱে সাজি উলিয়াইছিল
মোৰ 'প্ৰেম' নামৰ সৰু ছোৱালীজনীৰ
দুটি নিলাভী চকু
য'ৰ পৰা ছন্দিত গতিৰে পৰিবৰ্জিত হয়
হাই-গুডো-নু-গুডোৰ তামাচাৰ ৰুণু-জুনু

তিনি,
সৰল
কোমল
কমনীয় আৰু
নমনীয়তাই
প্ৰেমৰ মিঠা স্পৰ্শ
যাৰ বিদ্যুতীয়া আচোঁৰত
জাগোঁৰ খাই উঠে তেজ
তেজৰ পাছত অন্য এখন পৃথিৱীৰ
অন্য এটি অনুভূতিৰ উদ্বেগ

চাৰি,
অভাৱ
অনুভৱ
তিক্ততা আৰু
উন্মাদনা
হৃদয়ৰ গৰাহখহনীয়াত খহি-জহি শেষ হয়
ডালিমসিৰীয়া শ্যামলী বুকুৰ
গাখীৰতী ধানৰ থোক

পাঁচ
উপলব্ধি
প্ৰতিছাঁয়া
সুখ অথবা বিষাদ
আৰু বুকুৰ জোখাৰে লিখা মোৰ প্ৰেমৰ চিঠি
এদিন, দুদিন, দিনৰ পাছত দিন
সেন্দুৰীয়া প্ৰেমৰ নিমখীয়া স্বাদে
মোক লৈ গৈছিল হৃদয়ৰ মাজেদি হৃদয়লৈ
মানুহৰ মাজেদি জনভীৰলৈ
প্ৰেমৰ সাঁকোৱেদি জোন, বেলি, তৰাৰ দেশলৈ
দেহ, স্পৰ্শ, হৃদয়, প্ৰেম ইত্যাদি।

# বৰ্ষা - বৰ্ণন

**— চিন্তন বৰবৰুৱা**

ব্ৰহ্মপুত্ৰ বলবান বাৰে বাৰে বাঢ়ে বান
বছৰতে বাৰ বাৰ;
বালক বৃদ্ধ বনিতাৰ বহু বিলৈ বাৰিষাত
বোকাময় বাসঘৰ।
বাট-পথ বন্ধ বুলি বেহানিৰ বেচ বাঢ়ে
বুধিয়ক বেপাৰীয়ে;
বজাৰৰ বস্তুবোৰ বিষময় বিকচিনা
বতিয়াই বেমাৰীয়ে।
বৃকোদৰ বিধায়ক বিয়াগোম বিষয়াই
বাৰে বাৰে বাট বান্ধে;
"বিল"ত বিৰাট বান্ধ বাস্তৱত বালি-বান্ধ
বেঙ্ক বেলেন্সহে বাঢ়ে।
বগা বগা বগলী
বিলে বিলে বহে,
বিত্তহীন বিলাকৰ
বাৰিষাৰ বতৰত
বিলই বিপত্তি বাঢ়ে।
বিত্ত-মন্ত্ৰী বান-মন্ত্ৰী বিধায়ক বিষয়াই
বিতোপন বিমানেৰে;
বিপদৰ বন্ধু বুলি বাদছাহী বিচৰণ
বিলাতী বটলেৰে।

## বান-বিধ্বস্ত অঞ্চল

...৩ অক্টোবৰ : বাৰিষাকালত খহনীয়াৰ সংহাৰমূৰ্তিৰ কবলত হাবু-দাবু খোৱা মাজুলীবাসীয়ে পানী শুকাই খৰালীৰ আগমনতো অব্যাহতি পোৱা নাই।

অহা বাৰিষাত সমগ্ৰ দক্ষিণ পাৰত খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সম্ভাৱনাই দেখা দিছে। জানিব পৰামতে বান নিয়ন্ত্ৰণ বিভাগৰ দ্বাৰা ভৱিষ্যতলৈও কোনোধৰণৰ প্ৰতিৰোধমূলক আঁচনিৰ অনুমোদন দিয়া নাই।

**প্ৰতিয়োও চলি আছে ভয়াবহ খহনীয়া**

সদ্যহতে হৈ থকা খহনীয়াই বৰ্তমান উক্ত অঞ্চলৰ ১০টা পৰিয়ালক গৃহহীন কৰিছে।

এটা বিশাল এলেকা বহাগ মাহতে নদীৰ বুকুৰে সাৰটি লোৱাটো নিশ্চিত বুলিব পাৰি।

আনহাতে পৰিত্যক্ত মথাউৰিত আশ্ৰয় লোৱা কেইবাটাও পৰিয়ালে নিৰাপদ স্থানলৈ স্থানান্তৰ হ'বলগা হৈছে। যোৱা বাৰিষাকালত ২৪ লাখ টকা পানীত পেলাই দিয়া হিয়া বালিৰ বান্ধটো আধা নিৰ্মাণ কৰোঁতেই উটি গ'ল। ফলস্বৰূপে এলেঙী চাপৰিৰ ২৪ ঘৰ মানুহৰ লগতে কমেও ৬০টা পৰিয়ালৰ ঘৰ-বাৰী খহনীয়াই নিঃশেষ কৰে।

# গল্প

## চুটি গল্প ঃ আঁত বিচাৰোতে—

- চুটি গল্প এচকল জীৱন ( a slice of life ) —ব্ৰাণ্ডেৰ মেথ্যুজ ।
- চুটি গল্প আধা ঘণ্টাৰ পৰা এঘণ্টা, অতিবেছি দুঘণ্টাৰ ভিতৰত পঢ়ি শেষ কৰিব পৰা হব লাগে।
- 'মাৰ দৃষ্টিত এটা বিশেষ ঘটনাৰ বৰ্ণনাই চুটিগল্প'। —এডগাৰ এলেন পো।
- 'চুটি গল্প জীৱনৰ কণ কণ মূহূৰ্তৰ প্ৰতিবিম্ব'। —চমাৰচেট্ মম্।

—হেম বৰুৱা।

* * * * * * * * * * * * * * * * *

## এই সংখ্যাৰ অৰিহণা ঃ

- মামৰ — পংকজ বৰুৱা, স্নাতক প্ৰথম বৰ্ষ।
- পাৰ্টি, আড্ডা, ইত্যাদি — জিতু কুমাৰ চমুৱা, স্নাতক প্ৰথম বৰ্ষ।
- প্ৰতিপদৰ জোন — দেবকৃষ্ণ বৰুৱা, স্নাতক তৃতীয় বৰ্ষ।
- চক্ৰবেহু — ইন্দিবৰ কোঁৱৰ, উচ্চতৰ মধ্যেমিক দ্বিতীয় বৰ্ষ ( বিজ্ঞান )।
- কক্ষচ্যুত — পদমিনী গগৈ, স্নাতক দ্বিতীয় বৰ্ষ।
- যুগসন্ধি — বাসন্তী মৰাং, প্ৰবক্তা, সমাজ শাস্ত্ৰ বিভাগ।

॥ গল্প ॥

# মা ম ৰ




ৰাতিপুৱাই চাইকেলখন বাহিৰলৈ উলিয়াই চোতালৰ এমুৰত থকা
তশালৰ খুটাটোতে আওঁজাই ভিতৰলৈ সোমাই গৈ লংপেণ্টৰ চুঙা
াঁত ভৰি দুখন সোমোৱাই হুকটো মাৰিবলৈ লৈহে গম পালো
। তাৰ হুকটোৰ আকোঁৱা অংশটো লগাই থোৱা চেপেটা অংশটোৰ
ই মুৰৰ ফুটা দুটাৰ মাজেৰে সৰকি আহি কাপোৰত সী থকা সূতা
নি মামৰে খাই চিঙি পেলাইছে।

এই মামৰ সোপাৰ পৰা আৰু ৰক্ষা নাই! চাইকেলখনৰ লোহাৰে
নিৰ্মিত সকলো অংশতটো মামৰ লাগিছেই, এই সূতা কেইডালটো
মৰ লাগিছে। পেণ্টটোৰ হুকটো চিলাবলৈ বুলি বেজী গুলি বিচাৰি
পায় খংটো টিঙিছকৈ উঠিল ল'ৰাৰ মাকৰ ওপৰত। কিন্তু সেই সময়তে
লো কোনো দিনে নভবা উপায়টো। মই কোনো দিনে বেল্ট
ৰি পোৱা নাছিলো। দৰ্জীটোৱে চিলাই দিয়া বেল্টগাৰ্ড কিটাৰ
য়োজন বোধ কৰা নাছিলো। আজি পানীত পৰা মানুহে খেৰকুটাকে
াশ্ৰয় লোৱাৰ দৰে সেই বেল্টডাল মোৰ কামত আহি গ'ল।

তামোল এখন খোৱাৰ মন আছিল যদিও আশা পৰিত্যাগ
কৰিলো। কিয়নো তামোল খাবলৈ হলে ল'ৰাৰ মাকক মাতিব লাগিব
কিন্তু কালি গধূলি তাইক এপিটন দিলো অকন মান কথা এটাতে,
তিয়া মাতিবৰ সাহস নহ'ল।

চাইকেল খন অকন মান ঠেলি লাফ মাৰি উঠিলো। লগে লগে
ইকেল খনে নিজস্ব সংগীত বজোৱা আৰম্ভ কৰিলে। চাইকেলখনৰ
ৰাচৰিত সংগীতৰ লগে লগে মোৰ আকৌ মামৰ খিনি অৰ্থাৎ
পেণ্টৰ হুকত লগা মামৰ খিনিলৈ মনত পৰিল। মোৰ চাইকেল খন
মামৰে খাই শেষ হব লগা অৱস্থা কৰিলে। এই চাইকেল খন মোৰ
দেউতাই ঘৰত কোন লক্ষ্মী গোসানীয়ে বাঁহ লওতে কিনিছিল মনত
পেৰে। মাত্ৰ মনত আছে যে মই মেট্ৰিক পাছ কৰি কলেজলৈ যাবলৈ
কিনি দিছিল। মোক পঢ়ুৱাবলৈ দেউতাই বৰ যত্ন কৰিছিল। কিন্তু
মোৰ মগজুৰ মাজত তেতিয়া মামৰ লাগিছিল, পঢ়া কামটো পাছলৈ
ৰাখি ভাওনা চোৱা, বিহুমৰা, থিয়েটাৰ চোৱা আদি কামবোৰ আগত
হৈছিল। কাইলৈৰ পৰা কিতাপ পঢ়িম বুলিয়েই কামবোৰ (যিবোৰে
মোক ধ্বংস কৰিলে) কৰি গৈছিলো। লাভৰ মূৰত অহা কালি বোৰ লগ
লাগি এনেকুৱা এটা অহাকালিৰ বিৰাট সমষ্টি হ'ল যে মই ভাবিবই
নোৱাৰোঁ। যদি এই অহা কালিবোৰৰ মই সময়ত কামত খটুৱালোহেঁতে
ৰাতিপুৱাই মানুহৰ তামোল বিচাৰি, বিক্ৰী কৰিব লগা নহ'ল হেতেন
হয়।

কেতিয়াবা কেতিয়াবা মোৰ মামৰে ধৰা মগজুটোৰ ওপৰতে খং উঠি
যায়। এবাৰ মামৰ লাগিল যি লাগিল, তাক আৰু গুচাব নোৱাৰিলো।
এতিয়াও আগতে অহাকালি পঢ়িম বুলি ভবাৰ দৰে কেৰকনৰ চুলাই
শালত কাইলৈৰ পৰা নোসোমাও বুলি সদায় ভাবো। কিন্তু সদায়
সোমাও। চাইকেল খনেই কিবা জনা হৈ গ'ল নেকি? সদায় দেখোন
কেৰকনৰ পদুলিয়েদি মই কব নোৱাৰাকৈয়ে সোমায় যায়। আজি
সচাঁকৈ নোসোমাও বুলি মনতে প্ৰতিজ্ঞা কৰিলো, আৰু নোসোমাও
শব্দটো এনেদৰে মগজুৰ প্ৰতিধ্বনিত হবলৈ ধৰিলে যে ৰত্নাকৰে (বাল্মিকী)

‘মৰা শব্দৰ পৰা ৰাম’ শব্দটো বিচাৰি পোৱাৰ দৰে মোৰ নোসোমাও শব্দটো সোমাও হৈ পৰিল। কথাবোৰ মনৰ মাজত পাগুলি আছি থাকোঁতে দিবাকৰ মাষ্টৰৰ পত্নীলিতহে তন্ময়তা ভাগিল। লগে লগে মনত পৰি গ’ল আজি মাষ্টৰৰ ঘৰৰ পৰাই তামোল নিয়া কথা আছে। চাই কেলৰ পৰা নামি মাষ্টৰৰ পত্নীলিয়েদি সোমায় গলো।

দিবাকৰ মাষ্টৰৰ ঘৰৰ তামোলৰ গাত খান্দি এশ পোন তামোল উলিয়াই চাই কেলত বোজাই দি বাহিৰে বাহিৰে বজাৰ পালোগৈ। তামোল খিনি আগত লৈ বহি থাকোতেও আজি, সোমাও শব্দটো মোৰ মগজুৰ পৰা বাহিৰ নোলোৱা হ’ল। লাহে লাহে সময় বাগৰিল, তামোল খিনিও বিক্ৰী কৰি শেষ হ’ল। মুঠতে বাৰশ টকা পালো তাৰে দুশ টকা লাভৰ। বাকী এহেজাৰ টকা মাষ্টৰৰ। লাভৰ টকা কিটাৰে ঘৰৰ যাৱতীয় অলপ বজাৰ কৰি চাইকেলত লাফ মাৰিলো।



চাইকেলৰ কেকনি-গেঙনি আৰু দিনজোৰা লঘোনৰ মাজতে আকৌ সোমাও-নোসোমাও শব্দটো মোৰ মগজুৰ মাজলৈ আহিল, আৰু নওঠা আঠ-নবছৰীয়া ল’ৰা-ছোৱালী কেইটা ব্লাউজৰ অভাৱত বুকুত মেঠনি

মাৰি থকা মানুহ জনীৰ কথা আৰু কেৰকনৰ ভাত চুলাই খাই হিচাপে তাইৰ পিঠিত মৰা কোৱ কেইট’ৰ কথা আদি বহুত

এই চিন্তাবোৰ কৰি আহি থাকোতেঁ চাইকেল খনে কেতিয়া কেৰকনৰ পত্নলিৰ মউলা খুটি দুটাৰ মাজেদি সৰকি গ’ল নেপালো কিন্তু সোমাও নোসোমাও শব্দ দুটাই প্ৰতিধ্বনি কৰিয়েই

মোক দেখাৰ মাত্ৰকে কেৰকনে তা’ৰ খালি ঘৰটোৰ সোঁ-মা থকা খুটাটোৰ ওচৰতে বহিবলৈ পীৰা খন দি সুধিলে—ঃকিমান মগজুৰ মাজত দপ-দপাই থকা সোমাও নোসোমাও নোসো সোমাও, শব্দ কিটা তল পেলাই জিভা খন কঁপিল আৰু ওলাল—ঃ দে এগিলাছ।

দিনটো খালি হৈ থকা পেটটোৱে এগিলাছ পৰাৰ মাত্ৰকে এক গুজৰ’ণ মাৰিলে যে মুৰত বাজি থকা নোসোমাও শব্দ আচল ৰূপ ‘সোমাও’হে নোসোমাও শব্দটো বহু দুৰলৈ খেদি এগলাছৰ বাগীত কৰ নোৱাৰাকৈয়ে মুখেৰে বাহিৰ হ’ল।

এক বটল দে কেৰকন কাই।

বটলটোৰ পইচা দিবলৈ চাই দেখো যে মোৰ জেপত ঘৰত মাত্ৰ দুটকাহে আছে। এতিয়া কেৰকনক দিব লাগিব বাৰ নোসোমাও সোমাওৰ প্ৰতিধ্বনি আকৌ আহিল মুৰৰ মাজলৈ। লগে ৰাতিপুৱাৰ পৰা দিনটোৰ কথা বোৰ মনত পৰি আহি লগতে আহিল আৰু এটা কথা, মানে মোৰ মাটি বিঘাৰ কথা। এক মাত্ৰ মাটি বিঘা পিতাইৰ শ্ৰাদ্ধত এহেজাৰ টকাত দিবা মাষ্টৰক বন্ধকত দিছিলো। বন্ধকত দিয়া টকা খিনিৰ পাছত আৰু খাবলৈ আনি থাকোঁতে পোন্ধৰশ টকা হ’ল। এইদৰে কেৰকনৰ দোকানত সোমাওঁতে সোমাওঁতে মোৰ ভলি উদং। মানে মাটি ডোখৰ বিক্ৰী হবগৈ।

চাইকেল আৰু পেণ্টৰ হুকটোত লগা মামৰৰ দৰে মোৰ মগজু মামৰে ডাঠ হৈ পৰিছে। নিচাৰ জালত মুৰৰ পৰা মামৰ বোৰ এৰু বুলি কেৰকনৰ ঘৰৰ খুটাতে মোৰ মুৰটো জোৰেৰে খুন্দিয়াই ধৰিলো।

● ●




“কলৈ যাব ?”

মই জানো, চাইকেলখন লৈ বাহিৰৰ ষ্টেপত ভৰি পেলালেই বাৰাণ্ডাৰ আৰাম বেঞ্চখনত পেপাৰ পঢ়ি থকা দেউতাই গহীনাই সুধিব ‘ক’লৈ যাব’ ? মই কিবা এটা গতানুগতিক উত্তৰ দি চোতালত চাইকেলখন ষ্টেণ্ড্ কৰালেই অলপ কঠোৰ ভাবে সুধিব ‘কিয়’ ? এই প্ৰশ্নটোৰ উত্তৰ মই সাধাৰণতে কিবা এটা দিয়াৰ আগতেই দেউতাই ভোৰভোৰাব “লোকৰ ল’ৰাই কেনেকৈ পঢ়া শুনা শেষ কৰি চাকৰি বাকৰি কৰি বাপেক মাকক পোহপাল দিছে। আমাৰ ল’ৰাৰতো পঢ়াশুনা ৰসাতলে গলেই, কাম-বন এখনো দাঙি নধৰে ; এতিয়া বুঢ়াদেহাটোৰে মই খাটি নুখুৱালেই।” এইখিনি’লকে মন কাণ নিদি চাইকেলখনত কেৰ্মেৰ্কৈ উঠো মানে দেউতাই আৰু অলপ টান মাতেৰে চিঞৰিব ‘সোনকালে আহিবি।’

এইবোৰ দেউতাৰ প্ৰতিটো গধূলিৰ গতানুগতিক কথা। গধূলি এপাক ফুৰিবলৈ যোৱাৰ আগমুহূৰ্তত এনেকুৱা কথা শুনিবলৈ মই প্ৰস্তুত হৈ থাকোঁ। আজিও শুনিলো। সদায় শুনি শুনি আমণি লাগে। আজি দেউতা ভিতৰলৈ সোমাওক বুলি অপেক্ষাত আছিলো। নাই তাৰো আশা নাই। ঘৰত মা থাকিলে গালি কমকৈ খোৱাৰ আশা এটা কৰিব পাৰি ; কিন্তু আজি তাৰো মুদা মৰিল মা কাষৰে এঘৰত অসুখৰ খবৰ লবলৈ গৈছে। মা নাই কাৰণে আজি আবেলি চাহ কাপ খোৱাও নহ’ল। বেকাৰ ল’ৰাৰ কি খোৱা বোৱাৰ হিচাপ আছে। ভন্টিক ক’লো নাই, তাইৰ সময় নাই। খণ্ডত এচৰ লগাই দিবলৈ মন যায়, কিনো ইমান ইহঁতৰ কামখন ওলায়। গতিকে চাহ-তাহ নোখোৱাকৈয়ে আজি ওলাই যাব লগা হ’ল।

ঘৰৰপৰা ওলালেই ৰমেনক ল’গ পাওঁ, তাৰপিছত বাবুলক আমি তিনিওটাই প্ৰায়ে একেলগে ঘূৰোঁ, ফুৰোঁ, আড্ডা মাৰো। আমি তিনিওটাই প্ৰায়ে একেলগে ফুৰোঁ বাবে বহুতে আমাক ‘ত্ৰিমূৰ্ত্তি’ বুলি কয়। সিহঁত বুটা মোতকৈ পঢ়াত এবছৰ ছিনিয়ৰ। মই অনাৰ্ছ ছনাৰ্ছ একো নোলোৱাকৈ পঢ়িছো। ৰমেনেও মোৰদৰে একেই বাবুলৰ ৰাজনীতি বিজ্ঞানত অনাৰ্ছ আছে ; ভাল নম্বৰো আছে, বিশ্ববিদ্যালয়ত পঢ়াৰ পৰিকল্পনা আছে।

দেউতাই হয়তো মোৰ পঢ়াশুনাৰ ক্ষেত্ৰত বহুত কিবাকিবি আশা কৰিছিল ; কিন্তু একো ভাল ফল দেখুৱাব নোৱাৰাৰ বাবে মনত বৰ দুখ পাইছে। মোৰ পঢ়াশুনাৰ অধঃপতনৰ কাৰণ হিচপে মাই ওচৰৰ পৰিবেশটোক জাগৰীয়া কৰিব খুজিলে দেউতাই মুখ পাতি ধৰে। “অন্য ল’ৰাক পৰিবেশে নষ্ট নকৰে তোমাৰ ল’ৰাকহে কৰে। ফুকনহঁতৰ ল’ৰাক দেখা নাই ? সি দেখোন মেডিকেল, ইঞ্জিনিয়াৰিং সকলোতে ছিট পায়। আমাৰ ল’ৰা নিজে বেয়া হৈছে, সেইবাবে এনেকুৱা।”

কথাটো হয়তো হয়। মই নিজে বেয়া হৈছোঁ। তাত পৰিবেশৰ প্ৰভাৱ নাই। মই সৰুৰেপৰাই মেলে মিটিঙে ঘূৰি ফুৰা ল’ৰা। কিন্তু তাৰ মাজতেই পঢ়াশুনা ঠিক ৰাখি ভাল ৰিজাল্ট কৰিব লাগিছিল ; নোৱাৰিলোঁ যেনিবা, তাতে দেউতাৰ ইমান খং হব লাগেনে ? অৱশ্যে মই একেটা শ্ৰেণীতে দুবছৰ থাকি পোৱা নাই। লগৰে মনোজ গৌতমহঁতে এতিয়া আৰ্তঁৰত পঢ়ে।

মই চাইকেলৰ বেল বজোৱাৰ লগে লগেই ৰমেন, বাবুল ওলাই আহিল। আমি ‘ত্ৰিমূৰ্ত্তি’য়ে চাৰিআলিলৈ বুলি ৰাওনা হলো। বাটত দুই এঘাৰ কথা পাতি পাতি চাৰিআলি পালোহি। বাবুলক চাহ খুৱাবলৈ ধৰিলো, তাৰ ভনীয়েকে এইবাৰ মেট্ৰিক পৰীক্ষাত পাছ কৰিছে। কোন কলেজত পঢ়াব আৰ্টচ নে চাইঞ্চত আদি কথা পাতি মেলি চাহ খালো। চাহ খাই আমি চাৰিকড়ীয়া নদীৰ দলঙৰ ফালে গলো। ইয়াত সুন্দৰ বতাহ বলি থাকে। আবেলিটো গধূলিটো তাতে প্ৰায়ে কটাওঁ। নানা কথা আলোচনা হয়। ইয়াতে আমি বহু পুৰণি বন্ধু লগ লগ হওঁ। দুই এক নতুনও সংযোগ হয়। ইয়াতেই পৃথিৱীৰ সমস্ত ৰাজনীতি সন্ত্ৰাসবাদ, নিবনুৱা সমস্যা, ছিনেমাজগত, পৃথিৱীৰ আটাইতকৈ ধুনীয়া ছোৱালীজনী ; কলেজৰ

ধূনীয়াজনী, শকতজনী, ক্ষণজনী, কলেজৰ প্ৰৱক্তা অধ্যাপকসকলৰ কোন ভাল কোন বেয়া, কোনে বেছি ক্লাচ কৰে, অধ্যক্ষ আদি সকলোৰে আলোচনা চলে। কোনে কোনে কিমান টকা দি চাকৰি কিনি আনিলে, কাক পৰীক্ষাত কোনে নকল যোগান ধৰিলে, কোন চেন্টাৰত নকল মাৰাৰ সুবিধা বেছি, কাক প্ৰেক্টিকেলত কিমান নম্বৰ দিলে, কাৰ দেউতাকে পুত্ৰেকৰ অমুকত মেজৰ বুলি মেলে মিটিঙে মানুহৰ ঘৰে নামঘৰে ফুটনি মাৰি ঘুৰিছে, কোনে মদ খাই গাঁৱৰ পৰিবেশ নষ্ট হোৱা বুলি লেকচাৰ মাৰিছে, কোনে কাক বেছি নম্বৰ পোৱাৰ বাবেই নমতা হ'ল, আলহী হৈ গ'লে ফাষ্ট ডিভিজন পাই ওচৰৰ কলেজত পঢ়াজন আৰু থাৰ্ড ডিভিজন পাই ৰাজধানীত পঢ়াজন কাক বেছি গুৰুত্ব দিয়ে আদিৰ সৰৰ আলোচনা চলিল। আতঁৰত পঢ়ি আহি গাঁৱৰ মানুহক কোনে কেনেকৈ 'নেগলেক্ট কৰে, কাক চুলাই মদ বিকাৰ বাবে ধৰি নিলে, কেইখন লাইচেঞ্চযুক্ত মদৰ দোকান নতুনকৈ গঢ়ি উঠিছে আদিৰ আদিৰ আলোচনা চলিল। কোনে কাক চৌধ্য পোন্ধৰ বছৰে ভালপোৱাৰে পিছতো টকাৰ লোভত আনৰ লগত বিয়া হৈ গ'ল, কোনে যৌতুকৰ বাবে কাক পুৰি মাৰিলে, কোন বছৰত কিমানটা ধৰ্ষন হৈছে কিয় হৈছে, যুৱমানসিকতা আদিৰ আলোচনা চলিল। এইদৰে আলোচনা চলি থাকোঁতেই প্ৰশান্ত ওলালহি। সি আজি তাৰ কোৱাৰ্টাৰত এটা পাৰ্টি দিছে। সি অলপতে চাকৰি পাইছে মানে কিনি আনিছে। আমিও অনাকাংক্ষিত ভাবেই তাৰ পাৰ্টিলৈ নিমন্ত্ৰণ পালো।

অলপ পিছতে তাৰ কোৱাৰ্টাৰলৈ নিমন্ত্ৰণ পালো।

অলপ পিছতে তাৰ কোৱৰ্টাৰলৈ আমি সদলবলে গলোঁ। ইতিমধ্যে দিলীপ আৰু তপনে পশিমীয়া বিভিন্ন ভংগীমাৰে নাচিছে; "আই বিলিভ ইন্ মিউজিক, আই বিলিভ ইন্ লাভ ...। সকলোৱে বহি মদ গলাধকৰণ কৰিছে। পেগৰ পিছত পেগ, বিলাতী সুৰা। মই আজিলৈকে মদৰ 'ম' টোও মুখত দিয়া নাই। মোক মাংস খাবলৈ দিছে, বচ্ খাই আছোঁ, আৰামচে বহি। লগৰ বি... ইতিমধ্যে একো লাগ বান্ধ নোহোৱা হৈ আহিছে। ৰাতা ৰ... কিন্তু বাবুল আৰু ৰমেনক মই সতৰ্ক কৰি আছোঁ, যাতে সি... বেছি নাযায়; সিহঁতৰ বেছি নিচা হলে মোৰে হাৰমান। পশ্চিমীয়া সঙ্গীত পূৰ্ণগতিত বাজিছে; কেইটামানে মদৰ গিলাচ... নাচিছে। কেইটামানে টেবুল চকীত 'ড্ৰাম' বজাইছে। নাই... নোৱাৰি, মোৰ অসহ্য লাগিছে। মই বাবুল আৰু ৰমেনক উঠি... নিৰ্দেশ দিলো। তিনিওটাই সিহঁতৰ পৰা বিদায় লৈ ওলাই আহি... সিহঁতে মুখত যি আহে তাকে বলকিলে। আমি কাণ নিদিলো। গুচি আহিলো। ঘৰ পাই মনে মনে শুই থাকিলো...

পিছদিনা খবৰটো পাই বেয়া লাগিল। প্ৰশান্ত আৰু ... চিকিৎসালয়ত। আমি অহাৰ অলপ পিছতে সিহঁত দুটাৰ ... ঘোৰ তৰ্কযুদ্ধ হয় আৰু অৱশেষত মদৰ বটলেই এটাই আন... আঘাট কৰে। দুয়োটাই ভালদৰেই জখম হৈছে প্ৰশান্তৰ ... বটলৰ ভঙা টুকুৰা সোমাইছে। বিভৱোও আঘাতপ্ৰাপ্ত। মোৰ ... সময়ত প্ৰশান্তলৈ খুউব খং উঠিছিল; কি দৰকাৰ পৰিছিল ... শবাধ পাতি তাৰ মদৰ পাৰ্টি দিবলৈ। আন একো বস্তু আৰ... বিচাৰি নাপালে। পাৰ্টিলৈ যাওঁতেই মই যেতিয়া মদৰ বটল দেখি... তেতিয়াই প্ৰতিবাদ কৰিম বুলি ভাবিছিলো কিন্তু মই সঠিকে জানি... যে মোৰ সেই প্ৰতিবাদ নৰজে। গতিকে নকৰিলোঁ। আ... জনতাবোধৰ সামান্য জ্ঞানকণ নথকাৰ বাবে মোৰ সিহঁতলৈ ... উঠিছিল। মোক ঘৰত এনেয়েও বেছি সময় বাহিৰত থকাটো নি... তাতে কাজিয়া পেচালত জৰিত থকা বুলি জনা হ'লে ঘৰত ... দুখ পালেহেঁতেন। আমি যে 'ত্ৰমূৰ্ত্তি' আগতীয়াকৈ তাৰ ... আঁতৰি আহিব পাৰিলোঁ তাৰ বাবে স্বাস্তৰ নিশ্বাস পেলালো ... তিনিওটাই চিকিৎসালয়লৈ প্ৰশান্ত বিভৱহঁতৰ খবৰ লবলৈ ওলাই গ...





- বিলাহীৰ কিমান দাম ?
- বন্ধা কবিৰ দাম ?
- ফুল কবিৰ ?
- বেঙেনাৰ ?
- আলুৰ ?

এদল অত্যাধুনিক কলেজীয়া ছাত্ৰৰ উপৰা-উপৰি প্ৰশ্নত ভদীয়া দাইটিয়ে থতমত খালে। বেপাৰ কৰা দিন চেৰেক হৈছে যদিও একেলগে ইমান গ্ৰাহকক সন্তুষ্ট কৰিব পৰাকৈ দাইটি পাকৈত হৈ উঠা নাই। খপ্-জপ্কৈ দামবোৰ সম্পূৰ্ণকৈ ক'বলৈকে নাপালে; তেওঁ পুনৰ শুনিবলৈ পালে

- আৰে, ইমান দাম ?
- এই বুঢ়াটো আতি চাৰ বুজিছ, ভাই।
- ঐ বেলেগ এখনলৈ যাওঁ আহ, এই জহনিত যোৱা বুঢ়াটোৰ পৰা নলওঁ।

যিমানে বেয়াকৈ অপমান নকৰক কিয় দাইটিয়ে সহ্য কৰি থাকিলহেঁতেন; কিন্তু সিহঁতে তেওঁক তেনেকৈয়ে কৈ নেৰিলে, যিয়েই যিটো পাৰে হাতে প্ৰতি কোনোৱে কবি এটা, কোনোৱে বিলাহী দুটা লৈ বেলেগ এখন দোকানলৈ খোজ ললে। তাকে দেখি দাইটিয়ে মাত লগালে

- হেৰ' বোপাইহঁত, এঃ তেনেকৈ নেপায় নহয়। বুঢ়া মানুহ এটাকনো বাৰু তেনেখন কৰিব লাগেনে? দুই এপইচা বেছিকৈহে দিব লাগে। তাতে তোমালোক পঢ়া-শুনা কৰা ল'ৰা। দুই এশ্ৰেণী পঢ়িছা, দুটা কথা শিকিছা। তোমালোকে আনক উপদেশ দিব লাগে। তোমালোকেই তেনেখন কৰিলে বাকীবোৰলৈ আৰু...

দাইটিৰ কথা শেষ হ'বলৈকে নাপালে, লগে লগে ঘূৰি আহিল কলেজীয়া শিক্ষাৰে শিক্ষিত ছাত্ৰকেইজন জিনচ্ জেকেটৰ হাত কোঁচাই। সিহঁতৰ মুখত আখৈ ফুটাদি ফুটিল অভিধানৰহিত শব্দৰ সংযোজনেৰে সভ্যতাৰ জোখাৰে শিষ্টাচাৰী ভাষাবোৰ

- কি হ'ল অ' কি হ'ল ?
- বুঢ়াই কি কয় বে ?
- আমি তোক কি কৰিলো বে বুঢ়া ?




- চাল্লা, শাক চবজি সৱ ড্ৰেইনত পেলাই দিম গম পোৱা নাই ?

এনে এটা পৰিস্থিতিৰ বাবে দাইটি সমূলি প্ৰস্তুত নাছিল। ভবাও নাছিল তেনে এক অৱস্থাৰ সন্মুখীন হ'ব। তেওঁ কপাঁ কণ্ঠৰে কৈ উঠিল

উৱা, তোমালোকে দেখোন ওলোটাই মোকহে জগৰীয়া কৰিব বিচাৰিছা। সচাঁ কথা ক'লেও তোমালোকে তেনেকৈ কোৱানে? পা-পইচা নিদিয়াকৈ তোমালোকে বস্তুবোৰ তেনেকৈ লৈ যোৱাৰ বাবেহে...

- কি হল, কি নিলো ?
- তোৰ ইয়াৰ পৰা শাক-পাচলি ?
- কি আমাৰ টকা নাই বুলি ভাবিছ নেকি ?
- ঐ গোবিন্দ, বাদ দে, বাদ দে।
- কি বাদ দে, বাদ দে, এনেকুৱা মানুহক এশিকনি দিব লাগে বাপ্পেকে।
- আজি, বুঢ়া বুলিহে বাচিলি কিন্তু।
- আজিৰ পৰা যদি এনে হয় ... হুঃ।

এনেদৰে বলকি-বলকি সিহঁত আঁতৰি গ'ল। দাইটি শিলপৰা কপোৰ দৰে থৰ লাগি ৰ'ল। হয়, দাইটি গাৱঁলীয়া অশিক্ষিত, তেওঁৰ মতে তেওঁ একোৱেই নাজানে। কিন্তু, তেওঁ এজন মানুহ। তেওঁৰ

হিয়াত মানবীয় অনুভূতি আছে ; পূর্ণ হৈ আছে মনটো নৈতিকতা, সততা আৰু উদাৰতাৰে, দুৰ্নীতি পৰায়ণ, স্বাৰ্থপৰ, ঠগ প্ৰবঞ্চনাৰে ভৰপুৰ পৃথিবীখনৰ কথা তেওঁ নাজানে, জানে মাথো নৈতিকতা আৰু সততাৰে জীয়াই থকাৰ এই সৰল পথৰ কথা। কিন্তু দাইটিৰ সেই অশিক্ষিত মগজুতো ,আজি বাৰে বাৰে এটা প্ৰশ্নই আমনি কৰিছে এনে সৰল তথা সাধাৰণ জীৱনবোৰৰ ওপৰত আকৌ এই অত্যাচাৰ কিয় ? কিয় এই অন্তৰায় ???

সাতোটা ল'ৰা ছোৱালীৰে ভদীয়া দাইটিৰ এক বৃহৎ সংসাৰ। পিছে ল'ৰা-ছোৱালী জন্ম দিলে কি হব ভালদৰে খোৱাব পিন্ধাব নোৱাৰিলে। অনুশোচনা পিছতহে আহিছে. আগতে সেই কথা ভৱাই হোৱা নাছিল। যেতিয়া ল'ৰা ছোৱালী ডাঙৰ হৈ আহিল, চাৰিওফালে খৰচ বাঢ়ি আহিল, তেতিয়াহে তেওঁ অনুভৱ কৰিলে যে তেওঁৰ এনে এটা শোচনীয় অৱস্থাৰে ঘৰখনৰ প্ৰাণীকেইটি কেনেদৰে জীয়াই ৰাখিব। তেওঁৰ আদিতে উপাৰ্জনৰ পথ বুলিবলৈ একোৱেই নাছিল। পৈতৃক সম্পত্তি হিচাবে ভাগত পোৱা দুপোৰা মাটি কৰ্ষণৰ ফলত যি উৎপাদন হৈছিল সেয়াই আছিল পৰিয়ালটোৰ জীয়াই থকাৰ একমাত্ৰ থল। যেতিয়া ল'ৰা-ছোৱালীবোৰ ডাঙৰ হৈ আহিল ক্ৰমান্বয়ে তেওঁলোকৰ খাবলৈ নোজোৰা হৈ আহিল। তেতিয়া যে তেওঁলোকৰ কিমান কষ্ট তাতে দুবছৰৰ আগতে ডাঙৰ ল'ৰাটো মেট্ৰিক পাছ কৰাত তাৰে দুবিঘা মাটি বন্ধকত থব লগা হ'ল। আজি কালি যিহে দিন কাল. কলেজত ল'ৰা এটা ভৰ্তি কৰাবলৈ হ'লে পাঁচ ছয় শ টকা নহ'লে নহয়েই। তাতে সি স্থানীয় কলেজত নপঢ়ো বুলি ক'লে দাইটিয়েও ভাবিলে তেওঁৰতো আৰু পঢ়া শুনা নহ'লেই, গতিকে ঘৰখনৰ ডাঙৰ ল'ৰাটোৱে যেতিয়া সিমানলৈকে আগবাঢ়ি গৈছে আৰু অকণ সুবিধা পালে জানোচা আৰু অলপ আগবাঢ়েই গতিকে তাৰ যি ইচ্ছা তাকে কৰক। খুৰীটিয়েও ক'লে "এঃ, আমাৰ যি কষ্ট হয় হ'ব আৰু, যেনে-তেনে চলিম, সি ভালকৈ পঢ়ি শুনি ভাল হ'লেই হয় ; লাগিলে, হেৰি শুনিছেনে, নদীৰ সিপাৰৰ শিমলুতলৰ মাটি দুবিঘাকে বন্ধকত থওক।"

এৰা, দিবতো লাগিবই, নহ'লে লৰা এটা আঁতৰ পঢ়াব কেনেকৈ মাটি দুবিঘা বন্ধকত দি তাক লক্ষীমপুৰলৈ পঠালে। খুৰীটিয়ে কিন্তু হাহি দেৱালয়লৈ হাহঁ এটা আগবঢ়াই থবলৈ নাপাহৰিলে। তেওঁলোকৰ প্ৰথম সন্তান দুশ্ৰেণী পঢ়িবলৈ বাহিৰলৈ গৈছে, তাৰ যেন উন্নতি হয় আই গোসানীয়ে যেন তাৰ অপায় অমঙ্গল. দুখ দুৰ্গতিবোৰ মোচন কৰে

দিনচেৰেক যোৱাৰ পাছত খুৰীটিয়ে প্ৰসঙ্গটো উলিয়ালে

● হেৰি নহয়, অকল এনেকৈ থাকিলেই জানো হ'ব ? মাত্ৰ মাটিকেইডৰাৰ ওপৰতে নিৰ্ভৰ কৰি জানো পৰিয়ালটো চলিব পাৰি ?



তাতে তাৰে দুবিঘাটো বন্ধকতে আছে। এফালে ঘৰৰ সমস্যা, আন ল'ৰাটোলৈও দুপইছা পঠাব লাগে। কিবা এটা চিন্তা কৰক, বুদ্ধি

তাৰ পাছৰ পৰাই আৰম্ভ হৈছিল ভদীয়া দাইটিৰ বে জীৱন। খুৰীটিয়ে পূজাত দাম পোৱাৰ আশাৰে বেচিবলৈ থোৱা ছাগলীটোকে বিক্ৰী কৰি তাকে মূলধন হিচাবে লৈ 'ডেইলি বজা দাইটিয়ে দোকান খুলিলে শাক পাচলিৰ।

আগবেলা দুখে-ভাগৰে পথাৰৰ কাম কৰি আহি ভাত এমুঠি নাকে-মুখে গুজিয়েই দাইটি ওলাই যায় গাৱঁলৈ বজাৰৰ বাবে বস্তু কিনিব। বজাৰৰ সামগ্ৰীবোৰ কঢ়িয়াই নিবলৈ তেওঁৰ আনকি এখন বা ছাইকেলৰ অভাৱ। এবোৰ ভাৰ পাচিৰেই তেওঁ বস্তুবোৰ বজা লৈ যায় বজাৰ সামৰি দাইটি ঘৰলৈ ঘূৰি আহে মানে বহু দেৰি কেতিয়াবা ল'ৰাহতঁ শুই পৰে। খুৰীটি কিন্তু নুশুৱে। তেওঁ বাট দাইটিৰ বাওকাৰ সেই পৰিচিত কেঁক্-কেঁক্ শব্দলৈ। খুৰীটিয়ে আপত্তি কৰে দেৰি কৰাৰ বাবে। কিন্তু তেওঁ কি কৰিব, ইমান দূৰ খোজ কাঢ়ি অহাযোৱা কৰিব লাগে কান্ধৰ ভাৰখনৰ সৈতে। আনহা বজাৰ সামবোতেও দেৰি হয় কাৰণ গধুলি সময়তহে বিক্ৰী বেছি হয় মানুহ সদায় আশাবাদী. দুপইছা বেছিকৈ বিক্ৰী হোৱাটো তেওঁও আশা কৰে। তেওঁ নিজৰ হাড়ভঙা পৰিশ্ৰমৰ বিনিময়ত পাব লগাখিনিৰ বাবে আশা কৰে, তেওঁৰ আশাত কাৰোবাৰ কৃপা লাভ কৰাৰ বাসনা সমূলি নাই কিন্তু তেনে এজন লোকক কৃপাৰ দৃষ্টিৰে চোৱাটো দূৰৰ কথা নিজকে সভ্য, ভদ্ৰ বুলি স্বীকৃতি দিব খোজাচামে তেওঁলোকক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিব কিয় বিচাৰে; জ্ঞানৰ সাগৰত শিকাৰ পাল তৰা এই নবীন নাবিকসকলে কিয় কাষত পোৱা পানচৈবোৰ খুন্দিয়াই চুৰ্মাৰ কৰি যাব বিচাৰে ? তেওঁলোকে নিজৰ মগজুৰে নিয়ন্ত্ৰিত নহৈ কিয় সাগৰৰ আচিনাকী বতাহৰ চালত নাও এৰি দিছে ? আজি ভদীয়া দাইটিৰ দোকানত হোৱা ঘটনাটোৱে কি সূচাইছে ? আজি এই পৰিস্থিতি সৃষ্টিৰ বাবে দাইটিৰ শাৰীৰিক অৱস্থাটোতকৈ নিশ্চয় আৰ্থিক অৱস্থাটোৱে দায়ী। এৰা, ইয়াকে কয়—'হলা গছত বাগি কুঠাৰ মৰা।"

দাইটিয়ে সাধাৰণতে ইমান ডাঙৰ ডাঙৰ কথা চিন্তা কৰিব নোৱাৰে কিন্তু আজিৰ ঘটনাটোৱে তেওক যথেষ্ট ভবাই তুলিছিল। আজি বজাৰ সামৰি উভতি আহোঁতে এইবোৰ কথাকে মনতে পাগুলি আহিছিল।

দাইটিয়ে কোনো দিনে ভবা নাছিল যে তেওঁৰ পুতেকৰ বয়সৰ কোনোবা ল'ৰাৰ পৰা এনেদৰে কেতিয়াবা অপমানিত হ'ব লাগিব। তেওঁলোকৰ জীৱনত পঢ়া নহ'ল। সেয়ে তেওঁ শিক্ষাৰ জ্যোতিৰ্ময় পথত অগ্ৰসৰ হোৱা এইচাম যুবকৰ প্ৰতি যথেষ্ট আশাৰ, আস্থাৰ দৃষ্টিৰে চাইছিল। আৰু বিশ্বাস কৰিছিল। শিক্ষিত এই যুবক সকলৰ মনবোৰ সততা, পবিত্ৰতা আৰু জ্ঞানেৰে ভৰপুৰ, তেওঁলোক যেন নৈতিক জগত খনৰ কৰ্ণধাৰ, অজ্ঞানীৰ পথ প্ৰদৰ্শক; কিন্তু

আজি তেওঁৰ সেই ধাৰণা ধূলিস্যাৎ হৈ পৰিল। কাৰণ তেওঁ পূৰ্বে ভবাৰ পৰিবৰ্তে আজি দেখা পালে এইচাম শিক্ষিত যুবকৰ অনৈতিক-তাবাদী, অশিষ্টচাৰী উন্মত্ত, উদ্ভ্ৰান্ত ৰূপ। যুবকচাম যেন শান্তিময় সমাজৰ ৰাহু আৰু কেতু।

সেইসকল ছাত্ৰ ওলাই আহিছে বাহিৰলৈ পঢ়িবৰ বাবে, উচ্চ শিক্ষা ল'বৰ বাবে। সিহঁতৰ সৈতে জড়িত হৈ আছে ঘৰখনৰ আশা আকাংক্ষা। ঘৰত ছাগে মাক দেউতাকে সিহঁতক কিমান মৰম কৰে। কিমান যে গৌৰৱ, সিহঁতক লৈ ভবিষ্যতৰ সোণালী সপোন ৰচে। কোনে জানে, হয়তো সিহঁতৰ কোনো কোনো তেওঁৰ দৰে অৱস্থাৰ ঘৰৰে ল'ৰা; তেতিয়া হলে কিমান যে কষ্ট কৰি তেওঁলোকে সিহঁতক বাহিৰত থৈ পঢ়াইছে। তেওঁলোকেতো নাজানে নিজৰ ল'ৰাই কি কৰিছে নকৰিছে। তেওঁলোকে চাগে ভাবিছে "লৰাক পঢ়িবলৈ পঠাইছোঁ পঢ়িছে চাগৈ। পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব এটা চাকৰি কৰিব, সুখেৰে জীৱন কটাব. আমাক চোৱা চিতা কৰিব ...।" কিন্তু এনে এচাম অৰ্দ্ধ উন্মাদ যুৱকৰ বাকী চাৰিত্ৰিক দিশ সম্পৰ্কে জানিবলৈ আৰু কি বাকী থাকিল। এই চাম ছাত্ৰই যে কেনে ধৰণেৰে মাক-দেউতাকৰ সোণালী সপোন বোৰৰ বাস্তৱ ৰূপ দিব সেইটো জনা কথা। সচাঁকৈয়ে সিহঁতে ঠগ প্ৰবঞ্চনা কৰি খাইছেই আনকি মাক দেউতাককো ঠগাইছে। কিন্তু সিহঁতে নাজানে সেই প্ৰতাৰণাৰ ফল কি হ'ব আৰু সি কাৰ হাতত: সিহঁতৰ ভৱিষ্যতবোৰ কিমান অন্ধকাৰ, ঠগ-প্ৰবঞ্চনাৰ দিনবোৰ যে কিমান চুটি...

কথাখিনি ভাবি থকাৰ মাজতে হঠাৎ দাইটিৰ বুকুখন চিৰিংকৈ উঠিল। আনৰ উশৃংখল ল'ৰা কিছুমানৰ বিষয়ে তেওঁ ইমানকৈ ভাবিছে হয়; কিন্তু তেওঁৰোতো সিহঁতৰ নিচিনা এটা ল'ৰা আছে বাহিৰত পঢ়ি, কিন্তু তাৰ মানসিক জগতখন তেওঁ জানো কোনোবা দিনা অধ্যয়ন কৰি চাইছে। সি তাত কেনেদৰে ফুৰা চকা কৰে তাক জানো তেওঁ জানে॥ তেওঁতো তালৈ গৈ চোৱাগৈ নাই ; যদি সিও এইচামৰ দৰে জীয়াই আছে। সি যদি তেওঁলোকৰ আশা আকাংক্ষাবোৰ গচকি মোহাৰি বিপথে পৰিচালিত হৈছে !!! কথা কেইটা ভবাৰ লগে লগে তেওঁৰ মূৰটো আচন্ত্ৰাই কৰি গ'ল। বেদনা আৰু শংকা মিহলি এটা মন লৈ তেও ঘৰলৈ আহি থাকিল। বাটে বাটে তেওঁ মাত্ৰ তেওঁৰ পুতেকৰ সৈতে বাকী তেওঁক অপমান কৰা ল'ৰা কেইটাক ৰিজাই কথাবোৰ ভাবি গ'ল। সচাঁকৈ যদি তাৰ চৰিত্ৰতো তেনে উমান পায় তেন্তে তাক আৰু পঢ়া শুনা কৰাৰ নামত নিজক ধ্বংস কৰাৰ ভাওনা হ'বলৈ নিদিয়ে। সিও বুজক, শিকক মাক বাপেকৰ আশাবোৰ পানী কৰি দিয়াৰ পৰিনাম কি ? সচাঁকৈয়ে তেওঁ তাক কেতিয়াও ক্ষমা নকৰে।

এই বয়সতো কঠোৰ পৰিশ্ৰমেৰে তাৰ ভৱিষ্যৎ গঢ়িবলৈ কষ্ট স্বীকাৰ কৰা দেউতাকক যদি সি সিমান শাস্তি দিব পাৰে তেন্তে তাক কোনে ক্ষমা কৰিব ? দাইটিৰ অনুভৱ হ'ল অথনিৰ ল'ৰা কেইটাৰ মাজত যেন তেওঁৰ ল'ৰাটোও আছিল ; অপমানত তেওঁ মুখ মেলিবই নোৱাৰিছিল।

কথাবোৰ ভাবি-ভাবি তেওঁ ঘামি গৈছিল, মূৰৰ গামোচাখন সোলোকাই ঘামবোৰ মচি ল'লে। ইতিমধ্যে তেওঁ আহি কেতিয়ানো নিজ ঘৰৰ নঙলামুখ পালেহি গমেই নাপালে। পদূলি মূৰৰ বকুল জোপাৰ সুগন্ধ আহি নাকত লগাতহে তেওঁ সম্বিত ঘূৰি আহিল। ভাৰ পাচিযোৰ বাৰান্দাতে থৈ এক গধূৰ মনেৰে তেওঁ ভিতৰলৈ সোমাই গ'ল। খুৰীটিয়ে তেতিয়া ভাত ৰান্ধিছে। ভৰি হাত ধুই তেওঁ মূঢ়া এটাতে বহিল। এনেতে ডাঙৰ ছোৱালীজনীয়ে ভিতৰৰ পৰা মাত লগালে

● দেউতা, আজি ককাইদেউ আহিল নহয়।

● হয় নেকি ? অ' তেন্তে ভালেই হ'ল, তাৰ লগত মোৰ বহুত কথা পাতিব লগা আছে।

● আকৌ হেৰি নহয় দেউতা, সিহঁতৰ ৰিজাল্ট দিলে নহয়, সি বোলে প্ৰথম বিভাগত পাছ কৰিছে।

কিবা এটা বুজাব নোৱাৰা অনুভূতিয়ে দাইটিৰ ভিতৰখন তোলপাৰ লগাই গ'ল। তাৰ বিষয়ে লোৱা তেওঁৰ প্ৰস্তাৱবোৰ এক নিমিষতে উঠাই ল'লে আৰু নিজকে ধিক্কাৰ দিলে—"ছেঃ কি বোৰ যে ভাবিছিলোঁ তাৰ বিষয়ে !"

এনেতে বিনম্ৰ চিত্তৰে ওলাই আহি সি তেওঁৰ ফালেই আগবাঢ়ি আহিল আৰু তেওঁৰ ভৰি চুই সেৱা জনালে। তেওঁ তাক আশীৰ্বাদ দিলে। তেওঁৰ দুচকুৰ পৰা টোপা-টোপে পানী ওলাই তাৰ মূৰত পৰিল, যেন সেয়া চকুৰপৰা ওলোৱা নাই বুকুৰ কোনোবা এটা কোণৰ পৰাহে নিগৰি আহিছে।

দাইটিয়ে খবৰটোত ইমান সুখী হৈ পৰিছিল যে তেও দিনটোৰ সকলো দুখ-বেদনা পাহৰি গ'ল। মনৰ আনন্দত সকলোৱে ভালকৈ এসাজ খাই নিজ নিজ বিচনালৈ গ'ল। দাইটিয়েও, "এৰা, প্ৰভু তোমাৰেই কৃপা" বুলি ভগবানলৈ ধন্যবাদ জনাই বিচনাত বাগৰ দিলে দাইটিৰ বুকুৰ ভিতৰখন কিবা এক অবুজ অনুভূতিত শিৰশিৰাই উঠিল। সেই সুখানুভূতি তেওঁ সমভোগ কৰাৰ বাসনাৰে খুৰীটিৰ গাত হাত এখন দি কলে "শুনিছানে, বৰ ইনাক আমি এটা মানুহ কৰিব লাগিব। দুখীয়াৰ দুখ-বেদনা বুজা মানুহ ॥ মূধৰ বেৰখনৰ ওপৰেৰে দাইটিয়ে বাহিৰলৈ চাই পঠিয়ালে সমগ্ৰ পৃথিবী আন্ধাৰে গ্ৰাস কৰি আছে। শুক্লপক্ষৰ প্ৰতিপদৰ ৰাতি।

●●




'হাঃ হাঃ হাঃ ... ... বেচ মজাৰ কথা দেই ; তাৰ পাছত ?" তাৰ পছত আৰু কি হব॥ সি নিজৰ বাটেৰে উলটি গ'ল, আৰু মই আহিলো এই বাটেৰে ... ।"

"আহি পালিহি মোক ?? কিন্তু সিনো ক'লৈ গ'ল, তই দেখিলিনে নাই পাছে ? তালৈকে গ'ল বা ... ??" ৰজতৰ এই প্ৰশ্নতহে সম্বিত ঘূৰাই পালে জীৱনে।

"ম ... মই মানে তাক কেঁকুৰিটোলৈকে দেখিলো। কিন্তু আৰু চাবলৈকে নহল ... ।" জীৱনে ক'লে।

"সেইটোৱেইটো তোৰ মহাভুল। কথা কৰলৈ এমাইলমানৰ পৰা মুখ মেলি আহিবি। আগপিছতো একোৱেই নাভাৱ ?"

"নহয়, এইটোতো ছিঅৰ, যে সি কেতিয়াও তালৈ যাব নোৱাৰে। ঘিহে কম ধতুৱা ... ।" জীৱনে ক'লে।

"পিছে জানিবি ... শত্ৰুক কেতিয়াও সৰু বুলি নাভাবিবি অন্ততঃ নিজতকৈ ... ... ... ... ।"

... ... তাৰ পছত তাৰ পাছত আৰু একোৱেই মোৰ কাণত নোসোমাল। মানসেও অৱশেষত কথা বন্ধ কৰিলে। মূৰটো কিবা ৰাইজাই কৰা যেন লাগিল। ৰজতো যে এনেকুৱা মই আগেয়ে নাজানিছিলো। ইমান অমায়িক হাস্যময়ী মুখভঙ্গীৰ অন্তৰালত যে এনে এটি কুৎসিত ভাৱে ঢৌ খেলি থাকিব পাৰে ইতো মোৰ সপোন অগোচৰ। মোকলৈ ইহঁতৰ কিয় ইমান কু-আলোচনা ? সিহঁতৰ কৰিলো কিটো ? নিজৰ কামতহে নিজে মনপুতি লাগি আৰু লাগ বুলিলেই সিহঁতকে চোন সহায় কৰি দিও। তেতে... মনোজৰো মনোভাৱ সিদিনা বৰ ভাল নেদেখিলো। ঘিহে কথাৰে Down দিব বিচাৰে মোক ! মানস নথকা হ'লেহে মোক আৰু ক'লেহেতেন। এতিয়া একমাত্ৰ মানসৰ বাহিৰে বন্ধু বুলিবলৈ কোনো নাই ... ... ! মোৰ চিন্তাৰ ঢৌ ক্ৰমে আগবাঢ়ি গ'ল ... ।

পৰহি দিনাৰ কথা। সিদিনা কলেজত. নিৰ্মালি বাইদেউ আমাক Chemistry পঢ়াই আছিল। মোৰ অন্যমনস্কতাত বাইদেউ হঠাতে মোক সুধি দিছিল এটি সৰু প্ৰশ্ন। কিন্তু মই বৈ নিৰুত্তৰ হৈ। জীৱনে ইয়াৰ সুযোগটো লৈছিল। তপকৰে উত্তৰ দি, মোলৈ এট ব্ৰেঁকা চাৱনি দি বহি পৰিল। জীৱনত প্ৰথমবাৰ বাবে মই ডাঙৰ লাজ পাইছিলো। ক্লাচত প্ৰথম ; তাতে কেমিষ্ট্ৰি লেটাৰ পাই আহিও যে এনে এটি সৰু প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি ...ভাবি মোৰ মূৰটো ঘূৰাবলৈ ধৰিলে। জীৱনহতেও ইয়াৰ সম্পূৰ্ণ সুবিধা লৈছিল। সিহঁতে উলিয়াছিল যে মই বোলে এটা নকলৰ যহতহে ইমান ৰিজাল্ট কৰিছো ... মূৰত তেনেই গোবৰ ইত্যাদি ইত্যাদি। ৰজতৰ লগতে জীৱনো মোৰ সহপাঠী আছিল। ৰজত মোতকৈ অলপ তলত যদিও পঢ়াত সি বৰ বেয়া নাছিল। কথাবোৰ বৰ খোলাখুলিকৈ কয়, ভাল বেয়া নাবাচে মোক অৱশ্যে আজি পৰ্য্যন্ত সন্মুখত সি বেয়াকৈ কোৱা নাই আগতে প্ৰায়েই সি মোৰ লগতেই থাকে। কিন্তু আজি কেইদিন মানৱপৰা বিশেষকৈ যেতিয়াই মানস মোৰ ওচৰত সি মোৰ ওচৰলৈকে নাহে। দুয়োটাই একেবাৰে দাঁতে উঠে নালাগে। মই তাৰ কাৰণ সোধাত বৰ ভাল নাপাওঁ বুলি ক'লে ৰজত Bio আৰু মই Royal হোৱাৰ বাবেও Chemistry ক্লাছৰ বাদে বাকীবোৰত আমাৰ লগ লগি নহয়। মানসো বয়েলৰ ছাত্ৰ। ক্লাছত তাৰ স্থান দ্বিতীয় মানসক মই কলেজলৈ আহিহে লগ পাইছোহি। কথা খুব চাবি জাৰি কোৱা, সদা হাস্যময়ী, অমায়িক স্বভাৱৰ বাবে মানসক প্ৰায় সকলোৱেই ভাল পায়। মোৰো ভাল লাগে ল'ৰাটোক। তাতে কেইদিনতে সি মোৰ ইমান ওচৰ চাপি আহিল ... যেন .. হে মোৰ অন্তৰৰ প্ৰকৃত বন্ধু । তাক মই চিনি পাওঁ মোৰ ভৱেৰে। আনে কিবা কথা মোৰ বিপক্ষে ক'লে সি বৰ বেয়া য়। আৰু পাছমুহূৰ্ত্তে সি মোক তাৰ লগত হলিগলি কৰিবলৈ না কৰে। প্ৰতি মুহূৰ্ত্ততে সি মোৰ সৈতে ছাঁটোৰ দৰে লাগি কে।

যোৱাকালিও মানসে মোক কেইজনমানৰ বিৰুদ্ধে গোচৰ দিছে। ৰ কথাৰ পৰা বুজা গ'ল ; নিতুল প্ৰসন্ন আদি সকলোৱেই ক হিংসা কৰে। নিতুলক অৱশ্যে মই জানো। অতি অঘাইতং ৰাটো। যাৰ চকু চেলেকে তাৰেই গুণ গাই ফুৰে ; লাগে সি ক্ৰৱেই হওঁক। কিন্তু জীৱন অৱশ্যে তেনে নাছিল। সি আগৰ াই কিছু বুৰ্বক। নিতুলে হেনো কৈছিল মই বোলে হাইস্কুলত কোতে এবাৰ নকলৰ বাবে খেদা খাইছিলোহেই অলপতে। নে তেনে লাগি মেলিহে ৰক্ষা। কথাটো সচাঁ নাছিল যদিও ঘটনা া ঘটাতো সচাঁ। মোক লগৰ এজনে নকল মৰাৰ বদনাম দিব চাবিছিল। মই কিন্তু চাৰক কথাটো বুজাই দিয়াত চাৰে ভালদৰে নুসন্ধান কৰিলে আৰু প্ৰকৃত ল'ৰাটো ধৰা পৰি যোৱাত, মোক ৰীক্ষা দিবলৈ অনুমতি দিলে। কিন্তু নিতুলে কথাটো সজাইছে ালেগকৈ। মই কেতিয়াও চাৰৰ হাতে-ভৰিয়ে ধৰা নাছিলো কাৰণ ৰহঁতৰ বাবে মই অবিদিত নাছিলো। মই মানসক কথাটো বুজাই ছিলো। পাছত নিতুলক লগ পাই তাক এটা ধমকি দিয়াৰ দ্দেশ্যেৰে কিছু আগবাঢ়ি গৈছিলো ... কিন্তু মানসেহে যেনে-তেনে ধা দি ৰাখিছিল ... হাইকাজিয়া নকৰিবলৈ। কিন্তু নিতুলহঁতে তিয়াও মোক ইতিকিং এটা কৰি আতঁৰি গৈছিল ... ... ল'ৰা াৰ অকস্মাতে কিয় ইমান স্বাৰ্থপৰ হৈ যায়। আগ দিনা হাঁহি- তি থকা ল'ৰা বোৰ পিছদিনাই কিয় মুখ ক'লা কৰি ৰাখে। হেতুক কাৰণত যে মানুহক মানুহে হিংসা কৰিব পাৰে মই আগেয়ে ৰাই নাছিলো। কিন্তু এতিয়া ? মানস মোৰ বন্ধু। কিন্তু আজি য়েই মোৰ সুখ-দুখ তথা নিসঙ্গতাৰ একমাত্ৰ সঙ্গী। কিমান নিঃ- ৰ্থ তাৰ ব্যৱহাৰ ...॥ মোৰ সকলো খবৰেই ৰাখে সি। মই ল্লীত পঢ়িবলৈ যোৱাৰ বাবে যে ভিতৰি ভিতৰি যো-জা কৰি াছো আদি খবৰবোৰ মানসে কেনেকৈ জানো পাইছিল আৰু এদিন কছিল "আৰে প্ৰদীপ, তইতো বৰ ডাঙৰ মানুহ হ'বি এতিয়া। ৰি আকৌ, দিল্লীত গৈ অসমক নাপাহৰিবি।" আৰু কৈছিল ; ই বোলে দিল্লীত চিট পোৱাটোত সি নিশ্চিত। মই দিল্লীলৈ 'লে যে তাৰ কি দশা হ'ব ইত্যাদি ইত্যাদি। মই তাক আজে াজে কৰলৈ বাধা দিছিলো। কিন্তু ৰজত ... জীৱন ... ইহঁত ? ইহঁততো মোৰ বাল্যকালৰে পৰা বন্ধু। কিন্তু আজি কিয় ইহঁতে মোৰ ইমান কটু আলোচনা কৰে। ৰজতে আজি জীৱনক কিয় মোৰ বিৰুদ্ধে তেনেকৈ ক'লে জীৱনেওনো ইমান মিছা মাতিব লাগেনে ? মই কেতিয়া তাক ৰূপাক (আমাৰ ক্লাচমেট) মোৰ বিষয়ে কবলৈ কৈছিলো আৰু তাক তাইৰ মেচলৈ লগ ধৰিছিলো। ৰূপাৰ সৈতে ৰজতৰ কথাটো সৰ্বজনবিদিত॥ তেনেস্থলত মানসে আঁৰে আঁৰে কথাটো নুশুনা হ'লে মইতো ইয়াৰ একো ভুৰেঁই নাপালোহেঁতেন ! ৰজতক আজি পালে মই সুদাই নেৰোঁ ... জীৱনকো ... ... ।



মনত পৰিছে আজি কেইদিনমানৰ আগতে ৰজতে মোক তাৰ মেচলৈ ৰৰকৈ লগ ধৰিছিল কিবা জৰুৰী কথা এটা পতিবলৈ আছে বুলি মইহে সময় নাই বুলি ন'গলো। তেন্তে কথাবোৰ কেতিয়াবাই ওলাল! তাৰ পাছৰে পৰা সি মোৰ ওচৰকে চপা নাই। তাৰ মাত্ৰ কেই-দিনমানৰ আগতে ৰজতে মোক কৈছিল, "প্ৰদীপ এটা কথা। মানস ল'ৰাটো বৰ ভাল নহয়। মাংস-ঘিউ আদি খোৱা মানুহৰ মূৰতহে বিষাক্ত কীটে বাহঁ লয়। Very crucket minded boy he is; Be carefull. তাৰ লগত বৰকৈ হলি গলি নকৰিবি।" মোক লৈ বোলে মানসে কিবা চক্ৰবেহু ৰচিছে। পাছত মানসক কথাটো কোৱাত গোটেইটো একেবাৰে জ্বলি পকি উঠিছিল। আৰু কৈছিল এদিন নহয় এদিন সি ৰজতৰ মূখা খুলিহে এৰিব ... ...।

টং ... .. । ছিঃ বাৰ বাজিবৰেই হ'ল 10 15 ৰ পৰা 12 বজালৈকে এই অফ পিৰিয়দটো মিছাতে কটালো। মানসনো গ'ল ক'লৈ মোক এষাৰো মাত নলগোৱাকৈ !! বুজিলো মোৰ ভাৱৰ তন্ময়তাক মষিমূৰ নকৰাৰ মানসেৰে নিশ্চয় লাহেকৈ ৰেঞ্চৰপৰা উঠি গ'ল। কোবাকোৰিকৈ মই ক্লাচৰুমৰ ফালে আগবাঢ়িলো। গছৰ তলৰ এই ঠাই ডোখৰলৈ মানস আৰু মই প্ৰায়ে আহো! এনেতে দেখিলো আমাৰ ঘৰত কাম কৰা নবীনকাই চোন মোৰ ফালেই আহিছে। মই অলপ আগবাঢ়ি গ'লো। সি মোক চিঠি এখন দি ক'লে যে দেউতাই মোক কালিলৈ পুৱাই ঘৰলৈ মাতিছে। কৰবালৈ বোলে যাব লাগে। সি বেছিপৰ নবল। আজিয়েই উভতিব লাগে বুলি সি কোবাকুৰিকৈ গুচি গ'ল। মই চিঠিখন লৰালৰিকৈ মেলি ধৰিলো আৰু পাছমূহুৰ্ত্ততে আনন্দতে জপিয়াই উঠিলো। তেন্তে মানসৰ কথাই সচাঁ হ'ল। মই দিল্লীত পঢ়িবলৈ পাম। দেউতাই কালিলৈয়েই ঘৰলৈ মাতি পঠিয়াইছে। মানসক খবৰটো দিবলৈ লৰালৰিকৈ মই আগবাঢ়িলো। এনেতে দেখিলো কেন্টিনৰপৰা, জীৱন, মানস, নিতুল আদি কেইটামান হাঁহি হাঁহি ওলাই আহিছে। মানসে এইকেইদিন প্ৰায়েই সিহঁতৰ সৈতে কেন্টিনত চাহ খায়। বৰ সৰল লৰাটো। মই অৱশ্যে জানো, সি প্ৰকৃততে মোৰ বিৰুদ্ধে কোনাবাই কিবা কয় নেকি তাৰহে ভিতৰি ভিতৰি গম লৈ থাকে। আৰু সকলোবোৰেই ব্যক্ত কৰে টেপৰেকৰ্ডাৰৰ দৰে তাক দেখাৰ লগে লগে মোৰ অন্তৰে কান্দি উঠিল। তাক মই মোৰ সুখবৰটো দিলো! সি অলপ চক্ খোৱাৰ দৰে সচাঁনে বুলি সুধিলে আৰু পাছ মূহুৰ্ত্ততে এটি ঈষৎ হাঁহি মাৰি ক'লে, "বাঃ তেন্তে তোৰ কপাল ফুলিল।" হঠাতে সি কিবা এটা মনত পৰাৰ দৰে কৈ উঠিল, "ধেৎ চালা! মোৰ কলমটো ৰজতৰ বেগতে গ'ল। তই অলপ ৰ; মই লৈ আহোঁগৈ।" আৰু অলপ গৈ খন্তেক ৰৈ সি পুনৰ কলে. "এটা কথা, এতিয়া আৰু লগ নধৰো। আবেলি ৩ মান বজাত তই মোক তেনে লগ ধৰিবিহি।" কৈয়েই সি কোবাকুৰিকৈ আগবা তাৰ অন্তৰত নিশ্চয় ভীষণ দুখ লাগিছিল মই যামগৈ বুলি ন'হলে সি কেতিয়াও এনে নকৰে। মইয়ো মেচ্‌ত গৈ ভাত কেই খাই আহো বুলি আগবাঢ়িলো।

মানসক আহি লগ ধৰিলোহি। তাৰ অনুৰোধ মৰ্মেই শত্ৰু হলেও নিতুল, জীৱনহঁতক শেষবাৰৰ বাবে মাত লগাই যা "অসমী" মেচলৈ যাবলৈ ওলালো। মেচতো ঘিহে ঘূকীয়া আছে। অকলে যাবলৈ ভয়েই লাগে। মানসে কৰবাৰ পৰা এখন আনিলে। তাক ক'লো, ঘুৰি আহোতে ৰজতৰ সোমাই আহিম।

মানসে খুব তীব্ৰ বেগেৰে স্কুটাৰ চলাবলৈ ধৰিলে। মোৰ ঘাম যেন লাগিল। মোৰ বৰকৈ স্কুটাৰত উঠা অভ্যাসো নাই। অৱশ্যে মানুহ দুনুহ বৰকৈ নাই। ইফালে গধুলিও হৈ আহি ...... মোৰ মনত নানাভাৱে খেলা কৰিবলৈ ধৰিলে। ...... মই আছোহি ক'ত (গুৱাহাটীত) আৰু কেইদিনমানৰ পাছত থাকি ক'ত (দিল্লীত) ......। মানসক নেদেখাকৈ জানো মই থাকিব পাৰি ... 'খট্‌কেৰ কেৰ! কিন্তু ই কি ॥ মানসে ইমান জোৰকৈ ধৰিছে কিয়? আৰে আৰে কেনেকৈ স্কুটাৰখন ঘুৰাইছে...... আহ .....।

মই খালত পৰি গৈছিলো। বিশেষ ঘাইল হোৱা নাছিল সৌহাতখনত অলপ দুখ পাইছিলো পৰাবপৰা উঠিব লওঁতেই কোনোবা এটাই মোক হাতত ধৰি উঠাই দিছে। মানসৰ কি তাৰ একো হোৱা নাইতো ... !!! কিন্তু এইয়া আকৌ কি? জীৱন আৰু পাঁটামান দেখোন .. ... প্ৰত্যেকৰে হাতত লাঠি তেন্তে ... "দুখ পালি নেকি কৰবাত॥" ৰজতৰ মাতত কিন্তু সকাঁহ পালো। আৰু মূৰ জোকাৰিলো। আটাইয়ে ৰাস্তাত উঠিলোহি। এনেতে জীৱনে আহি থোকাথুকি মাতেৰে ক'বলৈ ধৰিলে. "মোক ক্ষমা কৰিবি প্ৰদীপ ... —। মোক কৰিবি। মোৰ সামাণ্য ভুলৰ বাবেই আজি তোৰ কি দশা হ'লহেঁ ......। ...... তই মোক ভূল নুবুজিবি।" মেৰে মূৰটো গৰম হো উপক্ৰম হ'ল। এইবোৰ ইহঁতে কয় কি! তাৰপাছত বাটত মোক কথাটো বুজাই দিছিল। মানসে মোক লৈ এখন চক্ৰ ৰচিছিল। আৰু তাত জড়িত কৰিছিল নিতুল. প্ৰসন্ন আদিৰ জীৱনকো। জীৱনক অতি বুদ্ধিৰেহে সি তাৰ দলত ভৰাইছি জীৱনে কিন্তু ইয়াৰ প্ৰকৃত স্বাৰ্থটো বুজা নাছিল। আজি আছিল নাৰ অন্তিম মূহুৰ্ত্ত। ভাগ্য ভাল যেনিবা তাৰ কিছু আগতেই জীৱনে ৰ পূৰ্বাভাস পাই ৰজতক লৰালৰিকৈ খবৰ দিছেলহি। লগে লগে তে আৰু কেইজনমানক লগত লৈ বাটত ৰৈ আছিল, যাতে মানসক টা দিব পাৰে। কিন্তু সিহঁত হাৰি গৈচিল। সিহঁতক সন্মুখত খিয়েই মানসে স্কুটাৰ ঘুৰাই উভতি গৈছিল আৰু মই পৰি গৈছিলো লত। ৰজতক মই সুধিলো, "মানসেনো কিহৰ যছত মোকলৈ চক্ৰবেহু ৰচিছিল।" তেতিয়া ৰজতে কৈছিল, "তাৰ প্ৰকৃত কাৰণ য়ই উলিয়াবি। শুন, তই দিল্লীত চিট পোৱাৰ গম পায়েই মানসে তুলহঁতক তাৰ মেচলৈ গৈছিল এটি গোপন আলোচনাৰ বাবে। ৰনো গৈছিল। কিন্তু সিহঁতে তাক বাহিৰতে ৰাখি ভিতৰত কথা গত লাগিল। জীৱনে কিবা বুজিছিল। সি বেৰত নেনে মনে কাণ তিছিল আৰু শুনিছিল. "আজি শেষ দিন। প্ৰদীপ কালিলৈয়ে যাব লীলৈ। গতিকে তহঁতৰ মেচতে কামতো অলপ পাচতে ঘটাব গিব। তহঁত সাজু হগৈ .." সেইয়া আছিল মানসৰ কণ্ঠস্বৰ। জীৱনৰ বুকুখন কপিবলৈ ধৰিলে ...। এনেতে তাৰ মনত পৰিল, মানসৰ ৰুমতে পোৱা এখনি চিঠিলৈ। চিঠিত আছিল—

মৰমৰ মানস,

আমাৰ ভাল। আশাকৰো তোৰ ভগৱানৰ কৃপাত মঙ্গল। বিশেষ এটি কথাৰ বাবে লিখিলো মই আগতীয়াকৈ খবৰ লৈ গম পালো যে, তই দিল্লীত চিট পোৱাৰ আশা এটা আছে। প্ৰদীপ দত্ত নামৰ অসমৰে ল'ৰা এজনৰ পাছত উৱেইটিং লিষ্টত তোৰ নাম আছে। সি নললে তই তই চিট পোৱাটো নিশ্চিত। গতিকে তই ২ আগষ্টত ঘৰলৈ আহিবি দিল্লীলৈ যাবৰ বাবে। বিশেষ নাই। ভালদৰে পঢ়িবি। প্ৰান্তত মৰমেৰে—

ইতি

তোৰ দেউতা,

এটি সুন্দৰ অভিনয়ৰ যতি পৰিল। মনৰ ক্ষোভত মই চিঞৰি উঠিলো, বিশ্বাসঘাতকহঁত ..... সাৱধান !! তহঁতৰ ৰক্ষা নাই ... !!!






ঐ বিক্সাৱালা, বিক্সা ৰখা, চাল্লা কুকুৰ বাট এৰি দিব লাগে বুলি নাজান, মোক চিনি পোৱা নাই। আজি তোক বাপেৰৰ চিনাকি দিম। কথাখিনি কৈ প্ৰৱালে বৈ নাথাকি বিক্সাৱালাটোক উপৰা উপৰিকৈ কেইবা থাপৰ লগাই দিলে। বিক্সাত যে কোনোৱা আছে সেই কথা চাবলৈ তাৰ আহৰিয়ে নাই। বিক্সা-ৱালাজনে ভয়তে, বতাহত কলপাত কঁপাৰ দৰে কঁপিবলৈ ধৰিলে। প্ৰৱালৰ খংটো জ্বলা জুইত ঘিউ ঢলাৰ দৰে দুগুণে চৰি গ'ল আৰু বিক্সাৱালা জনক মাৰিবলৈ পুনৰ হাতৰ মুঠিটো দাঙিলে। এইবাৰ মই উপায় বিহীন হৈ প্ৰৱালক চিঞৰি দিলো। "আৰে প্ৰৱাল তোমাৰ হ'ল কি? বিক্সাৱালাজনক এইদৰে মাৰিবলৈ তোমাৰ অকনো বেয়া লগা নাই?" এজন প্ৰেমিকে প্ৰেমিকাৰ আগত লুকাই চিগাৰেট খাওঁতে ধৰা পৰি গলে যিদৰে অপ্ৰস্তুত হয় ঠিক সেইদৰে প্ৰৱালেও মোৰ মাতত অপ্ৰস্তুত হোৱা দেখা গ'ল।

প্ৰৱালে দুগুণ খং দেখুৱাই কলে যেন মোৰ উপস্থিতিত তাৰ একো প্ৰতিক্ৰিয়াই হোৱা নাই। "চোৱা অৰুনিমা এই চব মানুহক শেষ কৰি দিব লাগে। এনেই জানো ইহঁতৰ এনে অৱস্থা। চাল্লা কেলেহুৱা, খাবলৈ নোপোৱা বিলাকৰ বৰ বৰ ফুটনি। আজি... তুমি নথকা হলে ইয়াক ঠিক্‌কৈ এশিকনি দি দিলোহেঁতেন। তুমিতো দেখিছাই সি মোৰ স্কুটাৰ খনত কেনেকৈ খুণ্ডা মাৰি দিছে। ইমান বাহাদুৰি সাধাৰণ বিক্সাৱালা এটাৰ...!" বিক্সাৱালাজন তলমূৰ কৰি ৰ'ল।

মই কাজিয়াখন শেষ কৰাৰ উদ্দেশ্যেৰে বিক্সাৱালাজনৰ হৈ ওকা-লতি কৰি কলো—"হব প্ৰৱাল ইমান খং নকৰিবা, বিক্সাৱালাজনে নাজানি কিবা ভুল কৰিলে, তুমি প্ৰথম বাৰৰ বাবে এৰি দিয়া।" মই বিক্সাৱালাজনৰ মুখলৈ চালো, তাৰ মুখলৈ যেন অলপ সকাহ আহিছে। ভাড়াটো দি তাক বিদায় দিবৰ বাবে চেষ্টা কৰিলোঁ। দুখ, আক্ষেপ ভৰা মনটো লৈ বিক্সাৱালাজন আমাৰ কাষৰ পৰা দূৰলৈ আঁতৰি গ'লগৈ। এইবাৰ প্ৰৱালে মোক উদ্দেশ্য কৰিয়েই

কলে—"জানা অৰুনিমা, এই চবক মৰম কৰিলে গললৈ জ[illegible] বিচাৰে।" মই এই প্ৰসঙ্গটো সলনি কৰিব বিচাৰি আন উলিয়াই প্ৰৱালক সুধিলো—"তোমাৰ খবৰ কেনে? বিয়া কৰালা নেকি? তুমিতো বেচ শকত হৈ পৰিছা।"

এইবাৰ প্ৰৱালৰ মুখৰ বৰণ যেন সলনি হৈ গ'ল। তাক উৎসাহী হোৱা প্ৰত্যক্ষ কৰিলো। মোৰ ঔষধ পালিয়ে একেবা[illegible] কামত অহা দেখি মনৰ আঁৰতে তৃপ্তিৰ হাঁহি মাৰিলো। প্ৰ[illegible] ক'লে—এইবছৰ মোৰ খুউব লাভ হৈছে; অৱশ্যে ব্যৱসায়[illegible] চাকৰিত নহয়। এই স্কুটাৰখন আৰু টাউনত মাটি আধা [illegible] কিনিলো। বিয়া হ'লে পতা নাই। অৰুনিমা, তোমাৰ [illegible] অৱস্থাই নাই, দিনক দিনে খীনাই গৈছা, বিয়াও পতা নাই... এতিয়া প্ৰৱালৰ এখন্তেক ৰবলৈও যেন আজৰি নাই এনেদৰেই [illegible] খিনি কৈ গ'ল। প্ৰৱালৰ লগত মোৰ আৰু কথা পাতিবলৈ [illegible] নগ'ল। জোৰকৈ হাঁহি এটা মাৰি মোৰ গাটো ভাল নাই [illegible] কৈ আঁতৰি আহিবৰ বাবে চেষ্টা কৰিলোঁ। প্ৰৱালে হোটেলত [illegible]

খাৱাৰ প্ৰস্তাৱ দিছিল। মই আজি নাথাওঁ আনদিনা একেলগে [illegible]হুত মিঠাই খাম বুলি কৈ বিদায় ললো।

এসময়ৰ সহ-পাঠী প্ৰৱাল আৰু মই লগ হলো সুদীৰ্ঘ আঠ বছৰৰ [illegible]ৰত। এতিয়া যেন আমি বহু দূৰৈৰ মানুহ। এৰা......! বহুত [illegible]ৰৈৰ মানুহেই আমি। প্ৰৱাল, মই আৰু বিক্সাৱালা জন, আমাৰ [illegible]াজত এনে একোখন প্ৰাচীৰ অদৃশ্য হৈ থিয় দি আছে, য'ত [illegible]ভৌগলিক সীমাৰেখা নাই......।

এদিন স্কুলত প্ৰধান শিক্ষক বৰুৱা চাৰে কৈছিল— "প্ৰৱালৰ [illegible]হুত উন্নতি হৈছে, চাকৰি, ব্যৱসায় দুয়োটাই কৰে। আমি পঢ়ুৱা [illegible]ল'ৰা ভাল হৈছে। আমি আনন্দিত হৈছোঁ।" সেই দিনা মই বিশেষ [illegible]একো ভবা নাছিলোঁ, এসময়ত কবিতা, গল্প লেখা, অভিনয় কৰা [illegible]প্ৰৱাল তাইৰ খুউব ওচৰৰ মানুহ আছিল। তাৰ উন্নতি হৈছে বেচ [illegible]গৌৰৱৰে কথা।

বহুদিনৰ মানে আজি আঠ বছৰৰ পাছত প্ৰৱালক লগ পাই আজিতো মই গৌৰৱ কৰাৰ কোনো স্থল বিছাৰি নাপালো। সেইদিনা সীমা বাইদেউয়ে কোৱা কথাষাৰেই সঁচা...।" প্ৰৱালৰ টকা হ'ল, গাড়ী হ'ল, কিন্তু অৰুনিমা, তুমি তাৰ কাষত আগৰ মানুহটোক বিচাৰি নেপোৱা...। খাটি খোৱা মানুহৰ কবিতা লিখা, গল্প লিখা, অভিনয় কৰা প্ৰৱালৰ এতিয়া, সেই মানুহবোৰ কাষত নাই। তুমি প্ৰৱালক চিনি নাপাবা অৰুনিমা। তোমাৰ বহুত কষ্ট হব! সীমাবাইদেউয়ে আক্ষেপ আৰু দুখ মিহলি কৰি কোৱা কথাখিনিয়ে মোৰ কাণত অনুনাদ সৃষ্টি কৰি গ'ল। সীমা বাইদেউয়ে কোৱা কথাই সঁচা। প্ৰৱাল আজি তাইৰ সম্পূৰ্ণ অচিনাকি। কলেজত কবিতা আবৃত্তি কৰি, অভিনয় কৰি সকলোকে পাগল কৰা প্ৰৱাল দত্তৰ লগতহে তাইৰ চিনাকি আছিল। খুউৱ নিসঙ্গতাক ভাল পোৱা ল'ৰা আছিল প্ৰৱাল। তাক কলেজৰ প্ৰায় ল'ৰা-ছোৱালীয়ে সমীহ কৰি চলিছিল। সি কবিতা লিখিছিল, গল্প লিখিছিল, কেতিয়াবা খাটি খোৱা মানুহৰ [illegible]ন্যায্য-প্ৰাপ্তিৰ দাবীৰ ভিত্তিত আৰু কেতিয়াবা প্ৰেমৰ...। তাইতো নিজেই প্ৰয়োজনতকৈ কম কথা কোৱা প্ৰৱালৰ লগত উপযাচি চিনাকি হৈছিল, কলেজীয়া এটি সুগন্ধি আবেলিত...।

"প্ৰৱাল তোমাৰ কবিতা মোৰ বৰ ভাল লাগে, আনৰ বাবে কেনে লাগে নাজানো। মোক তোমাৰ কবিতাৰ শাৰীবোৰে মানুহৰ কাষলৈ লৈ যায়।" মোৰ কথাত প্ৰৱালে ধীৰে ধীৰে কৈছিল সেইদিনা,—"জানা অৰুনিমা কবিতা মই বেছি লিখা নাই। যি কেইটা লিখিছোঁ সেই কেইটা মোৰ বুকুৰ তেজেদি খাটি খোৱা মানুহৰ জীপাল আশাৰে ...।" আন এদিন ছাত্ৰ আৰু ছাত্ৰীবাসৰ বান্ধনি কেইজনক কম দৰমহা দিয়াৰ বাবে সিয়েইটো প্ৰথম মাত মাতি অধ্যক্ষ চাৰৰ অপ্ৰিয় হৈছিল। আপোচ বিহীন প্ৰৱালে ভয় কৰা নাছিলে, বুজি নোপোৱা বহু ছাত্ৰ-ছাত্ৰীক খাটি খোৱা মানুহৰ কথা কৈ আপোন পাহৰা কৰি ৰাখিছিল। আজিৰ প্ৰৱালটোক মই অকনো সহজ ভাৱে লব নোৱাৰিলো। বিক্সাৱালা জনৰ বিক্সাখনৰ কিবা বিজুতিত তাৰ স্কুটাৰত লাগিল। তাতেই ইমান খং? ধন টকা হলে প্ৰৱালহঁতৰ দৰে সচেতন যুৱকবো নৈতিকতা হেৰাই



যায় নেকি? নে প্ৰৱালৰ ওচৰত থকা বিপ্লৱী ৰূপটো ৰাহিক হে আছিল? প্ৰকৃত নাছিল। ভাবিলো প্ৰৱালৰ এই জীৱনটোত আগৰ মানুহজনক সম্পূৰ্ণ বিদায় দিলে। এতিয়া সি আগৰ পথৰ পৰা আন এটা পথৰ যাত্ৰী ...। সেই বাবে প্ৰৱালৰ কাষত বিক্সাৱালা জনৰ হৃদয়ৰ মূল্যতকৈ টকা পইচাৰ মূল্য বহুত বেছি......। নৈতিকতা ইহঁতৰ দলিয়াই দিব পৰা বস্তু।

এতিয়া মই প্ৰৱালৰ সহপাঠী হিচাপে কি কৰোঁ। তাৰ টকা পইচা হোৱাৰ বাবে অভিনন্দন জনাওঁ নে, টকা পইচাৰ ওচৰত কক্ষচ্যুত হোৱাৰ বাবে অভিশাপ দিওঁ? ভাবিলো ...। ●



# মৃত্যু

বাসন্তী বৰাং

চ'তৰ শেষ। বেলি উঠিবলৈ এতিয়াও এঘণ্টামান বাকী। যোৱা ৰাতি মনবৰ মাষ্টৰৰ ভাল টোপনি নহ'ল। সেয়েহে কুকুৰাই ডাক নো দিওঁতেই বিছনাৰপৰা উঠি আহি বাহিৰৰ চাংখনতে বহি আছিলহি। বোৱাৰীয়েকে উঠি উৰাল মাৰিবলৈ আৰম্ভ কৰাৰ পিছতহে তেওঁ আহি ভিতৰ সোমালহি ... ইতিমধ্যে চোতালত গাহৰি কুকুৰা বিলাকৰ হুলস্থুল আৰম্ভ হৈ গৈছে। মাষ্টৰৰ ঘৰৰ কাষৰ আমগছজোপাত বুলবুলি চৰাই কিছুমানে কিচিৰ মিচিৰ কৰি আছে। অলপ আগতে 'অৰনৰি' (সোৱণশিৰি) নৈৰ পিনে হালধীয়া ঠেঁটৰ বগলী এজাক শব্দ কৰি উৰি গ'ল।

মনবৰ মাষ্টৰৰ পুৱাবেলা অলপ খোজ কঢ়াৰ অভ্যাস। লাখু-টিডাল লৈ তেওঁ চাংৰপৰা নামিল। লাহে লাহে গাঁৱৰ পূব ফালে থকা মুকলি পথাৰখনৰ পিনে খোজ দিবলৈ আৰম্ভ কৰিলে। পথাৰ-খন এজনী বিধস্ত ধৰ্ষিতা নাৰীৰ দৰে পৰি আছিল। হাইস্কুলৰ কাষৰ এই মুকলি পথাৰখন মাষ্টৰৰ অতিকে চিনাকী। সুদীৰ্ঘ কুৰি বছৰ কাল এইখন হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি তেওঁ অৱসৰ লৈছে। কি শীত, কি বাৰিষা এই পথাৰখনৰ মাজেদিয়েই তেওঁ ব্যস্ততম খোজ পেলাই স্কুললৈ অহা যোৱা কৰিছিল ইয়াৰ প্ৰতিটো গছ বনৰ লগতেই তেওঁ একাত্ম হৈ গৈছে। কিন্তু আজি এই পথাৰখন তেওঁৰ একেবাৰে আচিনাকী যেন লাগি... গাঁৱৰ ডেক ল'ৰাবিলাকৰ ফুটবল, ভলীবল খেলাৰ, ৰাস, ভা... আলি-আয়ে লিগাং উৎসৱ পতাৰ একমাত্ৰ ঠাই আছিল এই মু... পথাৰ খনেই। কিন্তু যোৱাকালি ইয়াত যিখন মানুহ বধৰ ভা... হৈ গ'ল সমগ্ৰ সোৱণশিৰি অঞ্চলত এনে ঘটনা আগেয়ে কেতি... ঘটা নাছিল।

অজানিতে মাষ্টৰৰ দুটোপাল চকুলো ওলাই আহিল। আ... বেচেৰা বগীৰাম! সি জীৱনটো আৰম্ভ কৰিছিলেহে মাত্ৰ। কেচুৱা... জন্ম হোৱা ছমাহেই হোৱা নাই কিজানি। টংকেশ্বৰৰ অৱ... তথৈবচ। পাচঁটা কন কন ল'ৰা-ছোৱালী এৰি গৈছে সি। বগী... আৰু টংকেশ্বৰৰ মুখ দুখন মনত পেলাবলৈ যত্ন কৰিলে মাষ্ট... সিহঁত তেওঁৰ ছাত্ৰ আছিল। বৰ শান্ত আৰু অমায়িক আ... সিহঁত দুটা। 'মৰণ' নামৰ কালটোৱে সিহঁত দুটাকহে পাব লাগে... যোৱা কালি পুলিচৰ গুলীত সিহঁত দুটাৰ মৃত্যু হৈছে...। এতি... গাওঁখনত মতা মানুহ বুলিবলৈ নাই। পুলিচৰ ভয়ত সবেই দি... দিপাঙে পলাই ফুৰিছে। ভৰ খেতিৰ বতৰত কাম বন পেলাই... প্ৰাণৰ ভয়ত পলাই ফুৰিবলগীয়া হৈছে।

কাৰ ভুলৰ বাবে এনে হ'ল? মাষ্টৰে নিজকে প্ৰশ্ন ক... কাক দোষ দিব তেওঁ? মিছিং অটন'মাছ ডিমাণ্ড কমিটিৰ বি... ৰবীয়া সকলক চৰকাৰী শাসনযন্ত্ৰক নে চৰকাৰে দিয়া স্বায়ত্ব শাসনটো... ভুৱা আখ্যা দি ইয়াৰ বিৰোধিতা কৰা সদৌ মিছিং ছাত্ৰসন্থা, সং... সমিতিৰ বিষয়ববীয়া সকলক। আজি মিছিংসকলৰ মাজত বাৰ... আহি পৰিছে। অন্তঃদ্বন্দ্ব বৃদ্ধি পাইছে। কটা-মৰা, আদিম পদ্ধতি... শাস্তি দিয়া আদি ঘটনাবোৰ গাওঁবিলাকত সঘনাই ঘটিব ধৰি... বিৰাশী-তিৰাশীৰ অসমত যিবিলাক ঘটনা ঘটিছিল তাৰ পুনৰাবৃ... হ'ব বুলি এচাম মিছিংলোক ভয়াৰ্ত হৈ পৰিছে।

মাষ্টৰ বৰ শান্ত স্বভাৱৰ লোক। তেওঁৰ সমগ্ৰ জীৱনটোতে... পাৰ হৈছে ক'তো আউল নলগাকৈ। চাকৰি জীৱনো তেওঁৰ নি... নিঃসনীকৈ অন্ত পেলাইছে। শৈশৱৰ কালচোৱা সোৱণশিৰি নৈ... পানীত সাতুৰি-নাদুৰি, পাৰত চৰি থকা বগলী, কণামুচৰী, দহি... দৈকলা আদি চৰাইবোৰ চিটিকা পাত ধৰি লগৰীয়াৰ লগত ওমলি... জামলি নিৰুদ্বিগ্ন ভাবে পাৰ কৰি আহিল-স্কুল আৰু কলেজীয়া...

...নটোও কোনো ধৰণৰ উত্তেজনা যেনে, সংগ্ৰাম, আন্দোলন আদিৰ ...ত জড়িত নোহোৱাকৈ কেৱল অধ্যয়নকে কৰ্তব্য বুলি ভাবি সেই-...ই কাম কৰি গ'ল। এই কটা-মৰা, পুলিচ মিলিটেৰী আদিলৈ ...য়েই মাষ্টৰৰ বৰ ভয়। আজি কেই বছৰমানৰপৰা দেশখনত ...ন জুইহে জ্বলিছে। বাতৰি কাকত মেলিলেই হত্যা, অপহৰণ, ধৰ্ষণৰ ...ৰ। বৰ অশান্তি অনুভৱ কৰে মাষ্টৰে। আকৌ আজি কিছু ...ৰৰ পৰা বড়ো, কাৰ্বি, তিৱা, মিছিং আদি ক্ষুদ্ৰ জনগোষ্ঠী সকলে ...য়ত্ব শাসন বিচাৰি সংগ্ৰামৰ পথ লৈছে। আত্ম পৰিচয়ৰ বাবে, ...জৰ অস্তিত্ব জীয়াই ৰাখিবৰ বাবে প্ৰচেষ্টা চলাইছে। কিন্তু এই-...নি কৰিবলৈ যাওঁতে কিছুমানে কেতিয়াবা ভাতৃৰ তেজেৰে হাত ...ঙলী কৰিছে। মাষ্টৰে এই তেজৰ খেলাখনৰ মনে-প্ৰাণে বিৰোধিতা ...ৰে।

কেতিয়াবা তেওঁক ল'ৰা-ছোৱালীবিলাকে পতা সভালৈ নিমন্ত্ৰণ ...ৰে। হৃদয়ৰ সমস্ত আন্তৰিকতা ঢালি তেওঁ ল'ৰাবিলাকক আহ্বান ...ৰে 'বোপাহঁত, তোমালোকৰ উদ্দেশ্য মহান কিন্তু পথ ভুল-ভুল ...থৰে পৰিচালিত হৈছা তোমালোকে। নিজৰ ককাই-ভাইৰ বিৰুদ্ধে ...ত্ৰ তুলি লব নেপায়। শুনা তোমালোকে, তোমালোকে শুনা .....।" ...ষ্টৰৰ কথা শুনি ভাল পালেও সেইবিলাক মানি লবলৈ টান পায় ...ওঁলোকে। মাষ্টৰক তেওঁলোকে শ্ৰদ্ধা কৰে ঠিকেই। কিন্তু উপদে-...ৱাৰ আজিৰ দিনৰ লগত খাপ নোখোৱা বাবে আজিকালি ল'ৰা-...লাকে তেওঁৰপৰা আঁতৰি ফুৰে। দেশৰ কৰ্ণধাৰ সকলোৰে ভুল ...ছে প্ৰশাসনীয় দিশৰো যথেষ্ট আঁসোৱাহ আছে। এই যে যোৱা-...লি গুলী চালনাৰ ঘটনাটো ঘটিল তাৰ বাবে সংলিষ্ট সকলোৰে ...তে ভুল আছে। 'বানে কেবাং, মিছিং সকলৰ এক পূৰণি আৰু ...তিহ্যপূৰ্ণ অনুষ্ঠান। এইবাৰৰ বত্ৰিশতম অধিবেশন খনি মাষ্টৰৰ গাওঁ ...লমুখত পতাৰ সিদ্ধান্ত কৰা হৈছিল। ছাত্ৰসন্থাৰ আহ্বানত দূৰ-...ৰনিৰ পৰা মানুহ আহি ইয়াত সমবেত হৈছিলহি সভাখন অনুষ্ঠি...ৰাত বাধা দিয়াৰ উদ্দেশ্যেৰে। তেওঁলোকে ধৰি লৈছিল যে এই ...ভাখনতে মিছিং সকলক সীমা নিৰূপণ নকৰাকৈ স্বায়ত্ব শাসন প্ৰদান ...ৰা কথাটো ঘোষণা কৰিব। চৰকাৰী পক্ষইও পিছপৰি থকা নাছিল। ...লপূৰ্বক ভাবে হ'লেও পাতিবই। সভাখনক সুৰক্ষা দিয়াৰ নামত ...নুহবিলাকক কঠোৰ আৰু নিৰ্দয়ভাবে দমন কৰাৰ চেষ্টা কৰা হ'ল। ...লত গুলীচালনাৰ ঘটনা ঘটিবলৈ পালে। বহুতো আহত হ'ল, ...মনি গাঁৱৰ বগীৰাম আৰু পাতিৰিচুকৰ টংকেশ্বৰৰ লগে লগেই ...ত্যু হ'ল।

মাষ্টৰৰ কাণত এতিয়াও বাজি আছে সেই মৃত্যুধ্বনি। শান্ত আৰু নিৰিবিলি ঠুপৰীয়াটো কঁপাই স্কুলৰ পথাৰখনৰ ওচৰত বাজি উঠিছিল গুৰুম্. গুৰুম্...বন্দুকৰ শব্দ। মানুহবোৰে আৰ্ত চিংকাৰ কৰি যেনি-তেনি দৌৰি পালাবলৈ ধৰিলে। মাইকী মানুহ আৰু সৰু ল'ৰা-ছোৱালীৰ মৰণ কাতৰ আৰ্তনাদে সমগ্ৰ পৰিবেশটো কৰুণ কৰি তুলিছিল। মাষ্টৰৰ চোতালেদি কেইটামান ল'ৰা-ছোৱালী দৌৰি দৌৰি পাৰ হৈ গৈছিল।

"কি হ'ল অ' ল'ৰাহঁত? কি হ'ল!"

"পুলিচে গুলী চলাইছে ককা, আপুনি ঘৰৰ ভিতৰত সোমাই থাককগৈ ...।"

অলপ আগলৈকে কেতেকী, বুলবুল, হেটুলুকা আদি চৰাইৰ সংগীতেৰে মুখৰ হৈ থকা বিলমুখ গাঁৱৰ আকাশ-বতাহ বন্দুকৰ আৱাজেৰে নিনাদিত হৈ পৰিল। পথাৰখনৰ চাৰিওফালে ফুলি থকা অজস্ৰ শিমলু ফুলৰ ৰঙবোৰ পথাৰখনত উবুৰি খাই পৰিলহি ...

মানৱতাৰ মৃত্যু হ'ল ... ... ... ...।

মাষ্টৰৰ বুকুখন হাঁহাকাৰ কৰি উঠিল। গণতান্ত্ৰিক পদ্ধতিৰে আলোচনা-বিলোচনাৰ জৰিয়তে সমস্যাসমূহৰ সমাধান কৰাৰ সলনি কঠোৰ হাতেৰে দমন কৰাটো শান্তিপ্ৰিয় কোনো মনুহৰে কাম্য নহয়। বানে কেবাং বিৰোধী আন্দোলনৰ যুক্তি কিমান সবল বা দুৰ্বল সেইয়া বিচাৰ্য বিষয় নহয় কিন্তু আন্দোলনকাৰী সকলৰ লগত সৌহাৰ্দতা ৰক্ষা কৰি আলোচনাৰ জৰিয়তে সমস্যাৰ সমাধান কৰাত গুৰুত্ব দিয়া উচিত আছিল। কিন্তু তেনে কৰা নহ'ল। এয়া মিছিং-সকলৰ নিজা আভ্যন্তৰীণ সমস্যা এনেবোৰ কথাত পুলিচ বা সামৰিক বাহিনী নিয়োগ কৰা উচিত নাছিল। ... কিন্তু কৰা হ'ল। ... পৃথিৱীখন হৃদয়হীন হৈ পৰিছে ... ... মানুহবোৰ স্বাৰ্থপৰ। মৰম, চেনেহ, দয়া, কৰুণা আদি অৰ্থহীন হৈ পৰিছে। নিৰাপত্তাহীনতা, বিশ্বাসহীনতা আদিয়েই হৈছে আজিৰ যুগৰ চৰম ট্ৰেজেদি ...।

ৰদটো ক্ৰমান্বয়ে টান হৈ আহিব ধৰিছে। মাষ্টৰ লাহে লাহে অহা বাটেদি উভটিব ধৰিলে। আহুধানবোৰ গেঁৰ মেলিবলৈ আৰম্ভ কৰিছে। আদিগন্ত সেউজীয়া কৰি পেলোৱা ধাননি পথাৰলৈ চাই মাষ্টৰৰ মনটো জুৰ পৰি গ'ল। দিগ্‌বলয়ত শিমলু মদাৰৰ ৰক্তিম আভা, বাহঁ গছৰ ধূসৰ শাৰী, ক'ৰবাৰ পৰা হঠাতে অহা বতাহ জাকত মাধৈ-মালতী ফুলৰ গোন্ধ আদিয়ে কিছু সময়ৰ কাৰণে মানুহৰ নিষ্ঠুৰতাৰ কথা পাহৰাই ৰাখিলে।

●●

# প্ৰাচীৰ পত্ৰিকা শিতান

# অৰণি

সম্পাদনা সমিতি ঃ

উপদেষ্টা ঃ প্ৰবক্তা ডিম্বেশ্বৰ গগৈ
প্ৰবক্তা ঈশ্বৰ বুঢ়াগোহাঁঞি

সম্পাদনা ঃ জয়ন্ত মাধৱ বৰুৱা

সম্পাদনা সহযোগী ঃ পবিত্ৰ কুমাৰ গগৈ

সদস্য ঃ ৰাজেন্দ্ৰ কুমাৰ বৰুৱা
শুভ দাস
ৰঞ্জিত সন্দিকৈ
ভূপেন কুমাৰ কোঁৱৰ।

অনুলিখন ঃ পকুগ
জমাব

বেটুপাত আৰু স্কেচ্ অংকন ঃ
ভূপেন কুমাৰ কোঁৱৰ

ব্যৱস্থাপনা, পৰিকল্পনা আৰু অংগসজ্জা ঃ সম্পাদক

আমাৰ মহাবিদ্যা-য়ৰ প্ৰাচীৰ পত্ৰিকা 'অৰণি'ত ত্ৰয়োদশ বছৰৰ প্ৰকাশিত লেখনিৰ লেচেৰি বুটলি অষ্টাদশ সংখ্যাৰ মহাবিদ্যালয় আলোচনীৰ বাবে নিৰ্বাচিত সংগ্ৰহ ঃ

(১) প্ৰাচীৰৰ প্ৰতিধ্বনি—সম্পাদনা সমিতি
(২) প্ৰথম আৰু দ্বিতীয় সংখ্যাৰ সম্পাদকীয়
(৩) এখন ৰম্য ৰচনা—হেমন্ত কুমাৰ গগৈ
(৪) ছয় টা কবিতা আৰু এটা লিমাৰিক
(৫) দুটা গল্প।

## প্ৰাচীৰৰ প্ৰতিধ্বনি............

...প্ৰাচীৰ পত্ৰিকা ...... !

শব্দৰ সমদল নে সৃষ্টিত ঘূৰিছে ভূমণ্ডল ??

প্ৰাচীৰৰ প্ৰতিধ্বনি, আইৰ নিচুকনি গীতৰ সুমধুৰ ৰাগিনী ?? ...... "এৰা ... ! আইৰ নিচুকনি গীত, আইতাৰ সাধুকথা, ৰংমনৰ ওজাপালি, আমাৰ চাৰিও ফালৰ ঘটনা বোৰ, বাতৰি কাকত খনে কঢ়িয়াই অনা জীয়া সাধুবোৰ, আমাৰ মনৰ যদি কোঠাত বন্দী হয় বাবেই সাহিত্যৰ অধিবৃত্ত টোৰ বাহিৰলৈ আমি ঢাপলি মেলিব নোৱাৰো। আৰু এই সকলো বোৰে যেতিয়া শৃংখলিত শব্দৰ সমদল ৰূপে দেৱাল খনত গা ঘেলাইহি তেতিয়াই গৰ্ভাৱতী হয় দেৱাল, সাৰ পাই উঠে নিতাল নিমাত দেৱাল খনে ......"

এই প্ৰাচীৰ পত্ৰিকাৰ জন্ম হৈছিল যাওঁ দেশত (চীনা ভাষাত যাৰ নাম "তা-চাই") সাংস্কৃতিক বিপ্লৱৰ ঢৌত খৰ মাৰি অৱশ্যে আমাৰ দৰে সাহিত্যৰ অ, আ চৰ্চা কৰা সকলৰ বাবে ই উৎসাহিত আৰু জনমুখী সাহিত্যৰ বাৰ্তাবহ হৈয়ে আছে। জানো পায়! থাওঁক হেৰা বুজিছা। সন্ধিয়া আহিছে নামি/থাওঁক হেৰা, নেলাগে জলাৰ চাকি।

যুগুতালে
সম্পাদনা সমিতিয়ে

## সম্পাদকৰ একলম ( দ্বাদশ বছৰ ঃ ১ম সংখ্যা )

### ঃ আমাক সৃষ্টিশীল সাহিত্য লাগে...... ঃ

সৰ্বসাধাৰণক ঐক্যতাৰ পথলৈ আগুৱাই অনা, সজাগতা সৃষ্টি কৰা তথা সময়ৰ আহ্বান সোঁৱৰাই দিয়াৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা অনবদ্য।

এটা নতুন শতিকাক আদৰনি জনাবলৈ গৈ আমি এটা শতিকাৰ অন্তিম অৱস্থাত উপনীত হৈছোঁহি। এৰি অহা শতিকাটোৰ অভিজ্ঞতা আৰু শিকনিয়ে আমাক কি দিছেআৰু কি দিব পৰা নাই, তাৰ পুংখানুপুংখ বিশ্লেষণ কৰি নতুন শতিকাটোক স্বাগতম জনাবৰ বাবে আৰু আমাৰ কৰ্মপন্থা নিৰ্দ্ধাৰণ কৰিবলৈ উপযুক্ত সন্ধিক্ষণত আমি আজি উপনীত হৈছোঁ। বিশ্ব বা আমাৰ দেশ ভাৰতৰ কথা ক'ব বিচৰা নাই. কিন্তু তাৰ সৈতে তুলনা কৰি ক'ব বিচাৰিছোঁ যে আমাৰ অসমখন ৰাজনৈতিক অৰ্থনৈতিক, সামাজিক আদি সমস্যাৰে জৰ্জৰিত। সেয়েহে আজিৰ এই যুগসন্ধিক্ষণৰ নতুন প্ৰজন্মই ( যি সকলে হাতত কলম তুলি লৈছে ) তেওঁলোকৰ ৰচনা সমূহক উল্লেখিত সমস্যাসমূহৰ একোখন প্ৰামাণ্য দলিলত ৰূপ দিয়াত চেষ্টা কৰক। ইয়াৰ বাবে তেওঁলোকে সাহিত্যৰ বিশাল জগতখনৰ একোটা নিৰ্দিষ্ট ক্ষেত্ৰ ( যেনে নাট্য সাহিত্য, গদ্য সাহিত্য, তথা কথা সাহিত্য, কাব্য সাহিত্য ) বাচি লোৱাটো উচিত। তেওঁলোক যত্নপৰ হ'ব লাগিব, বাস্তৱমূখী ভাৱধাৰাৰে ৰচনাসমূহক প্লাৱিত কৰাৰ ক্ষেত্ৰত। সাহিত্য হ'ব লাগে নতুনত্বৰ বাৰ্তাবাহক।

আজিৰ প্ৰজন্মৰ হাততেই আগন্তুক শতিকাটোৰ অৰ্ধঅংশ অৰ্পিত। তেওঁলোকেই নিৰ্ণয় কৰিব লাগিব ভৱিষ্যত কাৰ্যপন্থা। তেওঁলোকৰ কলমেৰে নিগৰিব লাগিব নতুনৰ জ্যোতি। ইয়াৰ বাবে লাগিব সুস্থ বাস্তৱমূখী চিন্তাধাৰা। এইয়াই হ'ব আমি সমস্যাৰ নৰককুণ্ডৰ পৰা উদ্ধাৰ হোৱাৰ মাপকাঠি।

সেয়েহে নবীন সকলোলৈকে আমাৰ আহ্বান "আমাক সৃষ্টিশীল সাহিত্য লাগে।"



## সম্পাদকৰ একলম (দ্বাদশ বছৰ ঃ ২য় সংখ্যা)

### ঃ প্ৰচাৰমুখী হোৱাতকৈ সৃষ্টিমুখী হওক ঃ

প্ৰবেশিকাৰ দেওনা পাৰ হৈ আহি মহাবিদ্যালয় পৰ্য্যায়ত শিক্ষা লাভ কৰা সময়ছোৱা ছাত্ৰ-ছাত্ৰীসকলে দায়িত্বশীলভাৱে ব্যৱহাৰ কৰি জীৱনটোক উচ্চস্তৰৰ চিন্তা-চৰ্চাৰ মাজেৰে সঠিকভাবে গড় দিয়াটো নিজৰ বাবে আৰু জাতিটোৰ ভৱিষ্যতৰ বাবে অতীব প্ৰয়োজনীয় কথা। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে সোপাটিলা অভিভাৱকত্ব, ছাত্ৰ-ছাত্ৰীৰ যুক্তিসম্পন্ন শুদ্ধ আৰু সঠিক ধাৰণাৰ অভাৱ, নৈতিক সততা আৰু সাহসৰ অভাৱ, বিভিন্ন কু-চাৰিত্ৰিক অভ্যাস ইত্যাদিৰ প্ৰভাৱৰ বাবে আজি অসমৰ শতকৰা ৯৫ ভাগ ছাত্ৰ-ছাত্ৰীয়েই নিয়ন্ত্ৰণহাৰা হৈ জীৱনৰ কোনো ক্ষেত্ৰতেই (সি লাগে সাহিত্যই হওক, কলা সংস্কৃতিয়েই হওক অথবা চাকৰি বা ৰাজনীতিয়েই হওক) কেতিয়াও সফলতাৰ নিম্নতম স্তৰতো উপনীত হোৱা দেখা নাযায়। এই বয়ঃসন্ধিত ছাত্ৰ- ছাত্ৰীসকলে পূৰ্ণাঙ্গ অথবা প্ৰাপ্তবয়স্ক অৱস্থালৈ উন্নীত হয়। অগ্ৰজসকলৰ তেওঁলোকৰ ওপৰত নিয়ন্ত্ৰণ হেৰাই যায়। ফলত তেওঁলোকে নিজৰ লগতে অনুজসকলকো এক অনিশ্চিত পথ প্ৰদৰ্শন কৰি অন্ধকাৰৰ দিশলৈ ধাৱমান হয়।

এই প্ৰসঙ্গতে বাতৰি কাকতত প্ৰথম পৃষ্ঠাত মুখ্য খবৰ ৰূপে প্ৰকাশ হৈ থকা শিক্ষানুষ্ঠানৰ ৰেগিং যুৱ-ছাত্ৰসকলৰ অপৰাধমূলক কাৰ্য ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি। তাৰোপৰি এবছৰীয়া মহাবিদ্যালয় আলোচনীৰ সম্পাদনাৰ অভিজ্ঞতাৰ পৰা এটা কথা দ্বিধাহীন ভাবে ক'ব পাৰো যে আমাৰ মহাবিদ্যালয়ৰ বৃহং সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই সাহিত্য চৰ্চাৰ নামত কিবা এটা (গল্প, কবিতা ইত্যাদি) লিখে কেৱল প্ৰচাৰ কৰি নাম প্ৰচাৰৰ বাবে। একে সময়তে একেটি লেখনি বিভিন্ন কাকত আলোচনী, প্ৰাচীৰ পত্ৰিকাতো প্ৰকাশ হোৱাৰ নজীৰ আছে। নকল লিখনিৰ কথা নকলোৱেইবা।

আমাৰ অনুৰোধ ছাত্ৰীসকলে প্ৰচাৰমুখী কাৰ্যত বৰ্তী হোৱাতকৈ সৃষ্টিমুখী কাৰ্যত বৰ্তী হৈ নিজৰ লগতে জাতিটোৰ ভৱিষ্যত উজ্বল কৰি তোলক।

## ব্যঙ্গ ৰচনা ঃ

# ॥ আপোনাৰ চকুযুৰি ॥

— হেমন্ত কুমাৰ

আপোনাৰ চকুহাল অতি আদৰৰ সম্পদ। চকুৰ অবিহনে দিনতে অন্ধকাৰ। চকু বিভিন্ন প্ৰকাৰৰ আছে। কেৰা চকু, ডঁহা চকু পিতল চকু, মেকুৰী চকু ইত্যাদি কিছুলোকৰ চকু দেখিলে আপোনাৰ চকুগৈ কপাল পোৱাৰ উপক্ৰম হ'ব। চকুৰ ওপৰত বিভিন্ন ফঁকৰা-যোজনা থকাটো আমি সকলোৱে জানো। যেনে-চকুৰ কুটা, চকুত ধুলি মৰা চকু চৰহা, চকু চাট মাৰি ধৰা ইত্যাদি। আকৌ চকু টিপিয়াই থকাটো মুদ্ৰা দোষ।

প্ৰেমিকাই প্ৰেমিকৰ চকুত সাত সাগৰৰ নীলা আভা দেখা পায়। আজলী নবৌ বোলছৱিত আকৌ 'চকুযুৰি তোমাৰ' বুলিয়েই গান জুৰিলে। বিভিন্ন অসমীয়া গানত চকুৰ প্ৰভাৱ পৰিলক্ষিত হয়। চকুৰ বেমাৰ বাঢ়ি অহাত আজিকালি আকৌ আমাৰ ডেকা সকলক বিট্ চকুৰ সঙ্গসুখ লাগে। চকুৰ ওপৰত থকা এটা পুৰুষ প্ৰধান প্ৰবাদ হ'ল, 'চকু লাল, বুকু খাল, সি পুৰুষৰ লক্ষণ ভাল'। আজি-কালি বিভিন্নলোকৰ চকু ভিন্ন বস্তুৰ ওপৰত কেন্দ্ৰীভূত হৰ। চোৰৰ চকু ধন সোণত ল'ৰাৰ চকু ছোৱালীৰ ওপৰত, ছোৱালীৰ চকু ল'ৰাৰ ওপৰত, নাপিতৰ চকু চুলিত ধোবাৰ চকু কাপোৰ কানিত ইত্যাদি।

জনসাধাৰণৰ চকুত ধুলি-মাৰি চোৰাং মজুতকাৰীয়ে হাজোতত নোযোৱাকৈ মুনাফা আদায় কৰি লেফাফাত ভৰাই চুকাকাৰ দৰে বুকু ফিন্দাই থাকে। অন্ধলোকৰ চকু মন্দ হৈ বন্ধ কোঠাত থকাৰ দৰে আপুনি সেইখোৰ দন্দ্ব কৰিবলৈ গ'লে সকলো পণ্ডহে হ'ব।

এদিনাখন এজন মানুহৰ কাণৰ অসুখ হোৱাত ডাক্তৰৰ ওচৰলৈ গ'ল। ডাক্তৰে কাণখন চাই ক'লে আপোনাৰ যদি এখন কাণ অপাৰেশ্যন কৰি কাটি পেলাওঁ আপোনাৰ কিবা অসুবিধা হ'ব নেকি?" মানুহজনে টপ্‌ৰাই ক'লে, "নাই নাই বিশেষ অসুবিধা নহয়। ডাক্তৰে আকৌ ক'লে যদি দুয়োখন কাটি পেলাওঁ তেতিয়া?" মানুহজনে একেষাৰতে উত্তৰ দিলে, "সৰ্বনাশ চাৰ, তেতিয়া... চকুৰে নেদেখা হ'ম।" ডাক্তৰে সুধিলে, "কিয়?" মানুহজনে ... ক'লে, নহয় চাৰ, মানে কাণ দুখন কাটি পেলালে মোৰ চ... ক'ত লগাম।" বিট্ চকু ব্যৱহাৰ কৰা লোকৰ মনোযোগ এই ... আকৰ্ষণ কৰা হ'ল।

এদিনাখন এজন চকুগজা মানুহে কামপুৰ বজাৰৰ পৰা ... চকুতলগা গৰু কিনি ঘঁাহিৰ অভিমুখে হঁাহি হঁাহি আহি আ... তেনেতে আন এজন চকু চৰহালোকে বাটতে তেওঁক সুধিলে, "... হেৰি, কিমান পৰিল?" মানুহজনে ৰসিকতা কৰি ক'লে, "... পৰা এৰাবো পৰা নাই, ঘৰ নোপোৱালৈকে নপৰিলেই হয় ..." মানুহজনে খণ্ডত একো নাই হৈ ফোঁ ফোঁৱাই কাড় যোৱাদি গ'ল আৰু ক'লে, "ওঁহ, আমিও সময় পাম কেতিয়াবা।" ঈশ্বৰৰ ইচ্ছা বোলে মিঠাতেলৰ চিচা। কেইদিন মানৰ প... সেইমানুহজনৰ গৰুহালৰ এটা গৰু হেৰাল। মানুহজনে বিচাৰি ফি... ঘূৰি ফুৰোতে হঠাৎ সিদিনাৰ সেই মানুহজনক লগ পালে আৰু সু... "বোলো হেৰি, সিদিনা যে গৰুহাল আনিছিলো তাৰে এটা হেৰা... কেনেবাকৈ আপোনাৰ চকুত পৰিছিল নেকি?" সুযোগ বিচাৰি ... মানুহজনে তেতিয়া বহলকৈ চকুহাল মেলি দি ক'লে, "চাওক, ... চকুত আপোনাৰ গৰু পৰা নাই।" গৰুৰ মালিকে চৰম লাজ... গৰম হৈ ৰঙা-চিঙা পৰি চকু ঘোপা কৰি মানুহজনলৈ পোনাই... চাই চকুৰ আঁৰ হৈ ভোঁ-ভোঁৱাই কাড় যোৱাদি গুচি গ'ল।

চকু কথা লিখি লিখি আমনি লগাত আৰু চকুলৈ টোপ... নামি অহাত হামি এটা মাৰি দামী কলমটো ঘামি যোৱাত টেবুলত... কামি হাড়ত হাত ফুৰাই মামাৰ বিচনাত শুই পৰিলে। ফি... আমালৈ চকু দিব। ধন্যবাদ।

(শ্ৰীগগৈ স্নাতক প্ৰথম বাৰ্ষিক সমাজ শাস্ত্ৰ বিভাগৰ ছাত্ৰ)





## সৰ্বগ্ৰান্ত

-- ভিতু কুমাৰ চমুৱা
স্নাতক ১ম বাৰ্ষিক
ইংৰাজী বিভাগ

মই এতিয়া স্বদেশ স্বজাতিৰ কথা ভাবিলেই
ভাৱবোৰে খলি-মেলি হৈ যায় বাস্তৱৰ নিষ্ঠুৰতাত।
মই এতিয়া তোমালোকৰ কথা ভাবিলেই
দুচকু সেমেকি উঠে।
বুকুৰ ভিতৰত কুৰুকি কুৰুকি থকা
কথা কেইষাৰ কোনস'তে কওঁ
ক'লেই জানোচা উপচি পৰে লুইত, দিহিং, কলং
উটুৱাই লৈ যাব মানুহৰ মনুষ্যত্ব।
মই এতিয়া নিজৰ বুলি একো চিনি নাপাওঁ
দিনে ৰাতিয়ে মই সৰ্বস্ব হেৰুৱাওঁ।



## নদীৰ দৰে প্ৰবাহিত হ'ব খোজো

— জয়ন্ত কুমাৰ গগৈ
উচ্চতৰ মাধ্যমিক
২য় বাৰ্ষিক

আপাততঃ এখন নদীৰ দৰে মই প্ৰবাহিত হ'ব খোজো
এৰি থৈ যাব খোজো মানুহৰ হৃদয়ে হৃদয়ে প্ৰেমৰ পলস
ৰোপন কৰিব খোজো মানৱতাৰ বীজমন্ত্ৰ ঃ
অঙ্কুৰিত হয় যদি হওক
মৃন্ময় মানুহ!
চিন্ময় চেতনা!!
আপাততঃ এখন নদীৰ দৰে মই প্ৰবাহিত হব খোজো
উটুৱাই লৈ যাব খোজো বিষন্ন মানুহৰ দুচকুৰ পৰা
বাৰিষাৰ জলমগ্ন ডাৱৰ।
প্ৰেমৰ পলসেৰে উৰ্বৰ হয় যদি হওক
পৃথিৱীৰ প্ৰতিজন ৰিক্ত মানুহ
আপাততঃ এখন নদীৰ দৰে মই প্ৰবাহিত হ'ব খোজো।



## বৰ্ষাৰ গদ্য

— ৰাজেন্দ্ৰ কুমাৰ বৰুৱা
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক

॥ এক ॥

সাগৰ মহাসাগৰ ভ্ৰমি
কিয় ইমান দুখ বুটলিলা মৌচুমি
বৰ্ষাৰ আকাশত মাথো তোমাৰেই চকুপানী

॥ দুই ॥

বাৰিষাৰ আকাশত জুইসনা শব্দেৰে
কোনে সিঁচি যায়
গোপন প্ৰেমৰ এহেজাৰটা গাজনি।
···ডাৱৰে ডাৱৰে মাথো যৌৱনৰ হেন্দোলনি।

॥ তিনি ॥

কাৰ প্ৰগলভ স্পৰ্শত গৰ্ভিনী হয় নদী
ঢৌৰে ঢৌৰে ঢৌৱাই তোলে
ৰজঃস্বলা আহাৰৰ পৃথিৱী। ০ ০ ০



## অৱহেলিত

—কমী
স্নাতক

বিশাল আকাশেও
নাজানে
অমাৱস্যাৰ যন্ত্ৰণা,
য'ত
নিহিত হৈ আছে
হাজাৰ ক্ষোভ
অন্ধকাৰৰ। ০ ০ ০



## বাস্তৱৰ কোলাত মূৰ থৈ

— বিমল কুমাৰ গগৈ
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক

বীৰদৰ্পে নামি আহে আন্ধাৰ
পৃথিৱীক বুকুত সাৱটি গিলি খোৱা হ'ল তেজ
পিচলি পৰে সাগৰ। মাছৰোকাৰ খিল্ খিল্ হাঁহিত
থমকি ৰ'ই পথভ্ৰষ্ট ঢৌ
ৰাতিৰ সতে হাতে হাত ধৰি
বাগৰি গ'ল দিন
ইচাট্ বিচাট্ পৃথিৱীৰ নাচোনত
কঁপি উঠে চৌদিশ
তৰাক সুধি ডাৱৰবোৰ ঘৰাঘৰি গ'ল
ঘৰমুৱা ন'ইবোৰে বুকুত আশা বান্ধি
কবিক মাৰি গ'ল জোনাকৰ ৰাতি
আজি ধৰি কিছুদিন হ'ল
কবিৰ বুকুত উমি উমি বিষ
জীৱন সজোৱাৰ তাড়নাত
অনুভূতিৰ উতলা সংগীত। ০ ০ ০

## সংজ্ঞা

— মৃদুল কোঁৱৰ
স্নাতক তৃতীয় বাৰ্ষিক
অসমীয়া বিভাগ

মোৰ হৃদয়ত কেৱল তোমাৰেই ছবি
তমসাৰ নিশা ঘোৰ অন্ধকাৰত আৱদ্ধ
সুন্দৰৰ ফেঁহুজালি,
দেহৰ মাজত চঞ্চল তেজৰ বুদ্ বুদ্
পোৱা নোপোৱাৰ এক অজান কঁপনি
মোৰ হৃদয়ত আৰক্ত গোলাপৰ পাহি
তাৰ পাপৰিত প্ৰেম জিলিকি থাকে
তক্ বক্ কৰি;
প্ৰেমহেনো নিৰৱধি। ০ ০ ০

## লিমাৰিক

— শুভ দাস

॥ এক ॥

দেহা কৰে ৰম্ ৰম্
অজিত ভূঞাঁলৈ মোৰ বৰ মৰম
'সাদিন'ৰ পাতে পাতে
পানী খোৱাই ঘাটে ঘাটে
জেলৰ ভিতৰখনো বোলে কৰিছে গৰম !

॥ দুই ॥

হীৰেনভট্টাচাৰ্য্যৰ থূল থূলীয়া কবিতা পঢ়িবা,
পঢ়িলেহে তুমি সোৱাদ ল'ব পাৰিবা
মনৰ বুলনিতে ফুল্লনি
শব্দতে দেখো সুৰৰ ৰাগিনী
চান্দমাৰীৰ পৰা চাই দিলেই তেওঁৰ খবটো দেখিবা !

॥ তিনি ॥

দীঘল চুলিৰে জুবিন গাৰ্গ
গানেৰে চুলা তুমি আকাশ মাৰ্গ
অনুৰাধা, অনামিকা, মায়া
নুবুজিলো গাৰ্গ উপাধিৰ কায়া
শব্দ থানথিত লগোৱাত ল'লা তুমি আগভাগ !

॥ চাৰি ॥

ইতিহাস কঁপোৱা শশী ফুকন
২৬ বছৰীয়া 'বিস্ময়'ৰ সম্পাদকীয় জীৱন
মনতে ভাব হয় এনে
মানুহজন দেখাতবা কেনে
গুৱাহাটীলৈ গ'লেই কিন্তু জনাম অভিনন্দন।

### লিমাৰিক কি ?

"লিমাৰিক" একপ্ৰকাৰ কবিতা বুলিয়েই ক'ব পাৰি।" "লিম
ৰিকৰ ৰজা' নামে জনজাত এডোৱাৰ্ড লিয়েৰেই লিমাৰিকৰ প্ৰ
ৰূপ দাঙি ধৰে। ১৮৪৬ চনত লিমাৰিক পুথি আকাৰত প্ৰকা
হয়। পুথিখনৰ নাম আছিল—"BOOK OF NONSENSE
ইয়াক ইংৰাজী ভাষাত এডোৱাৰ্ড লিয়েৰেই ৰচনা কৰিছিল। আধুনি
সাহিত্যত লিমাৰিকে যথেষ্ট সমাদৰ লাভ কৰিছে।

লিমাৰিকৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে। ইয়াৰ মূল কাৰ
ধেমেলীয়া যদিও আন কেইটিমান বৈশিষ্ট্য হ'ল।

(১) এটা স্তৱকেই এটা কবিতা অৰ্থাৎ এফাঁকিতেই ই সম্পূৰ্
(২) প্ৰতিটো স্তৱকত পাঁচোটাকৈ শাৰী থাকে।
(৩) প্ৰথম আৰু দ্বিতীয় শাৰীৰ লগত শেষৰ শাৰীৰ ছন্দ আৰ
মাজৰ দুশাৰীৰ ছন্দৰ মিল থাকে।
(৪) মাজৰ শাৰী দুটা বাকীকেইটাৰ তুলনাত অলপ চুটি
লিমাৰিকৰ আৰু দুটামান লক্ষণ—

সাধাৰণতে শেষৰ শাৰীটোৰ অৰ্থ প্ৰথম শাৰীৰ অৰ্থৰ লগ
মিল থাকে। দ্বিতীয়তে আৰম্ভ হ'ব লাগে সাধুকথাৰ লেখীয়া কৃত্ৰিম
গধুৰ-গম্ভীৰ, যাতে শেষৰ শাৰীত ৰসৰ গাগৰি গোটেইটো উবুৰিয়া
দিব পাৰি।

॥ পাঁচ ॥

মুকুতা মণি যেন চকু
ডালিমগুটিয়া উঠন বুকু
সুস্মিতা নে বিস্মিতা
পাতিম তোমাৰস'তে মিতা
মনে মনেহে ক'লো নক'বাদেই কাকো

॥ ছয় ॥

উৎপল তালুকদাৰৰ হাতৰ আঁক
ভাতো নালাগে, পানীও নালাগে চাই থাক, চাই থাক
জানে নোৱাৰে যি
ক'তনো শিকিলে সি
শিৱসাগৰত সুধোতেও িদিলে জবাব যে মোক !



চুটি গল্প

## প্ৰেমে-প্ৰতিঘাতে

শ্ৰীপৱিত্ৰ কুমাৰ গগৈ

ডাৱৰৰ মাজত তেতিয়া জোনটো আবৃত্ত। জোনাকৰো হয়তো এটি পাতল আৱৰণ আছে। নহ'লেনো কিয় জোনাক হৈ পৰে জীৱনৰ ৰং। জোনাক মানেইটো সদ্যবিবাহিতা নাৰীৰ ওৰণিৰ লাজ। হয়তোবা সদ্যস্নাতা গাভৰুদেহৰ অচিনাকি গোন্ধ। —খিৰিকিৰ ৰেলিংত হাত থৈ হিল্লোলে কথাবোৰ ভাবি আছিল। কি মায়াময়ী আজিৰ ৰাতি। অভ্যস্ত কবিৰ স্বতঃস্ফূৰ্ত্ত অনুভূতিৰ দৰে কাব্যিকতাৰ ৰহ-নেৰে কথাবোৰ খিৰিকিত উবুৰি খাই পৰিছিল। ইচ্ছা কৰিয়েই সি ৰেলিংত দুহাতেৰে হেঁচি ধৰিছিল। যেন সি জোনাকৰ প্ৰেমত পৰিছিল। বাহিৰৰ বাৰাণ্ডাত কাৰোবাৰ খোজৰ শব্দ। হয়তো ঘৰত কাম কৰা ল'ৰাটো। এই সময়ত ঘৰৰ গেট্ বন্ধ কৰি বেলেগ দুই এক চোৱাচিতা কৰি ভৰি চোঁচৰাই নিজৰ কোঠালৈ যোৱাটো তাৰ অভ্যাস। আকৌ নিৰৱতা। মাথো আকাশত জোনৰ স'তে তৰা-ডাৱৰৰ ঘৰ আৰু এখন খোলা খিৰিকিৰ কাষত ৰেলিংত খামুচি ধৰি হিল্লোল। গতানুগতিকতা ৰক্ষা কৰি আজিও সি একে ঠাইতে ৰৈ আছে। কিন্তু, কিয়জানো আজি তাক নিজকে কিছু ভাৱপ্ৰৱণ দেখা গৈছে।

টং—, টং—টং…… । ওচৰৰ ফাৰ্মখনৰ পৰা ৰাতি এঘাৰ বজাৰ সংকেত ভাঁহি আহি ৰেলিংত ঠেকা খাই হিল্লোলৰ কাণত পৰিছিলহি। কৰনোৱাৰাকৈ তাৰ চকুকেইটা মুদখাই গ'ল। আজিৰ পৰা দুবছৰৰ আগতে এটাদিনৰ ৰাতি ১১ বজাত তাৰ ভনীয়েকৰ মৃত্যু হৈছিল। সেইবাবেই এই সময়ত তাৰ চকু দুটা চিৰাচৰিত মুদ খাই যায়। ভনীয়েকৰ মৃত্যু মুহূৰ্তৰ স'তে মিলামিছা কৰি কৰি জীৱনৰ স'তে মৃত্যুৰ কি সম্বন্ধ তাৰ এক অনুমান হৈ গৈছে। ঠিক তেনেদৰে হৃদয়ৰ স'তে প্ৰেমৰ কি সম্পৰ্ক, বিৰামহীন ব্যৰ্থতাৰ অন্ততঃ সি হয়তো বুজি উঠিছে। সেয়ে উজাগৰি ৰাতি জোনাকৰ প্ৰেমত পৰি নোপোৱাৰ তাড়ণাত ভুগিছে।

ঃ তোমাৰ নাম ?

ঃ পৰিস্মীতা বৰুৱা।

এক মৃদু কণ্ঠস্বৰ। থমকি ৰৈ গৈছিল হিল্লোল। সি আৰু একো ক'বপৰা নাছিল। এটা অজান পুলকত সি শিহৰি উঠিছিল। লগৰ সকলৰ পৰা আঁতৰি সি গুচি গৈছিল নিৰ্জনতালৈ। নিৰ্জনতাই যেন তাৰ বাবে হৈ পৰিছিল প্ৰেমৰ উত্তাপ। প্ৰেমানুভূতিৰ হাবু-ডাবুত উটি গৈছিল হিল্লোল। মুখ খুলি কাকো একো ক'ব পৰা নাছিল। মৌনতাই হৈ পৰিছিল মাধ্যম। সঙ্গহীনতাই জীৱনৰ এটা অধ্যায়ৰ ওৰ পেলাইছিল। লগৰীয়াৰ পৰা আঁতৰি ভাৱত বিভোৰ হৈ থাকে সি। সাহস হোৱা নাছিল পৰিস্মিতাৰ মুখামুখি হোৱাৰ। গোপনে পৰিৰ ওপৰত চকু থৈ জীৱনকল্পনাৰ তৰংগত উটিগৈ থ'ৰহৈ ৰৈ যোৱাৰ বাহিৰে সি কৰিব পৰা আন একো পোৱা নাছিল। পৰিস্মীতাইও হয়তো কিবা ধৰিব পাৰিছিল। কাৰণ তেতিয়া নবাগত সকলৰ মুখে মুখে হিল্লোলৰ কথা। "বৰ ভয় লগা ল'ৰা। কেনেকৈ কথাবতৰা কয়।" ইত্যাদি। কিন্তু সেইটো আলোচিত ল'ৰাই তাইক তেনেদৰে কেৱল নামটো সুধি আঁতৰি যোৱাৰ কাৰণ! অজানিতে তাইৰ মনত কিবা এক মৰম সোমায় পৰিছিল তাৰ প্ৰতি। হয়তো তাইও তাৰ প্ৰেমত পৰিছিল। ক'ব পৰা নাছিল কোনেও কাকো। প্ৰেম হয়তো এনেকুৱাই। নিৰ্জনতাই হিয়া উপচায়।

এনেকৈয়ে দুয়ো দুয়োকে ভাল পাই পেলাইছিল। সময় হ'লেই মনৰ কথা পাতিছিল প্ৰেমৰ এক অমোঘ বানেৰে বান্ধ খাইছিল দুয়ো। জীৱন সম্পৰ্কীয় কল্পনাৰ সাগৰত উটি গৈ দুয়ো নিজকে পাহৰি পেলাইছিল। কলেজৰ প্ৰতিটো ল'ৰা-ছোৱালীৰ মুখে মুখে সিহঁতৰ প্ৰেমৰ কথা। আনকি চহৰখনৰ প্ৰায়বোৰ মানুহৰ মুখ বাগৰিছিল কথাষাৰে। এনেকৈয়ে দুটা বছৰ পাৰ হৈ গৈছিল। বি.এ-ৰ ৰিজাল্ট ওলাল। উচ্চমানৰ বিষয় ইংৰাজীত হিল্লোলে দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থানত পাহ কৰিছিল। হ'লেও ৰিজাল্টৰ আশানুৰূপ ফলাফলে তাক আনন্দিত কৰিব পৰা নাছিল। পৰিস্মীতাক এৰি বিশ্ববিদ্যালয় পঢ়িবলৈ যোৱাৰ চিন্তাই তাক সেইদিনা কুৰকি খাই হল। আনন্দমুখৰ ঘৰখনত নিৰৱে বহি অনিশ্চিত ভৱিষ্যতৰ বিষয়ে ভাবি ভাবি জলকা লাগিছিল। কৰ্তব্য আৰু দায়িত্বৰ তাগিদাত সকলো পাহৰি নিজৰ মনোবল ঘূৰাই আনিছিল। দিন-বাৰ বাগৰি গ'ল। এড্‌মিশ্যনৰো দিন পাইছিলহি। এদিন পৰিস্মীতাক লগ কৰি অনিচ্ছা স্বত্বেও মনৰ দুৰ্বলতাবোৰ প্ৰকাশ কৰিছিল। পৰিস্মীতা যেন সেইদিনা হৈ পৰিছিল তাৰ বিবাহিতা স্ত্ৰী। তাৰ বুকুত মূৰ গুজি তাই হুক হুকাই কান্দিছিল। যেন তাইৰ প্ৰ ভটোপাল চকুলোত বৈ আহিছিল আপোন জনৰ প্ৰতি থকা অমল ভালপোৱা আৰু ওৰেটো জীৱন নিজৰ কৰি পোৱাৰ অদম্য হেঁপাহ। মুখেৰে এটাও শব্দ নকৈ কান্দি কান্দি বিদায় দিছিল চকুলোৰে। হিল্লোলৰো চকুহাল সেমেকি পৰিছিল। কথা ক'ব পৰা নাছিল সি। আহিবৰ পৰত তাইৰ মূৰত হাতেৰে মাথো থোকা-থুকি মাতেৰে কৈছিল—"পৰি, তুমি মোৰ।"

ঘৰমুৱা গাড়ীত নিজৰ আসনত বহিয়েই হিল্লোলে চকু দুটা এনেয়ে মুদি দিছিল। পৰিস্মীতাক সম্পূৰ্ণ এমাহৰ অন্ততঃ লগ পোৱাৰ সুখানুভূতিত আপ্লুত হৈ থাকি সি নিজকে অস্থিৰ অনুভৱ কৰিছিল। চকু মুদাৰ লগে লগে অন্যান্য টুকুৰা টুকুৰ চিন্তাই ভুমুকি মাৰি গৈছিল। বিভিন্ন ঠাইৰ ভিন্ন পৰিবেশৰ শিক্ষাৰ্থী সকলৰ লগত মিলা-মিছা কৰিও সি যেন সহজ হব পৰা নাছিল। হয়তো হিয়াৰ পৰিজনীৰ চিন্তাই তাক আমনি দিছিল। বিশ্ববিদ্যালয়ৰ এমাহ পৰিৱ স্পৰ্শ অথচ মনৰ খবৰৰ পৰা বিৰত থাকি সি কেতিয়াবা পৰিজনীৰ বিবৰ্তনৰ কথা মনলৈ আনিছিল। আৰু তেতিয়াই সি আচৰণ কৰিছিল বলিয়াৰ দৰে। জীৱনৰ সৰ্বস্ব উজাৰি দি যাক ভাল পাইছিল সেই জনী পৰিস্থিতাৰ পৰিবৰ্তন আছিল তাৰ বাবে মৃত্যুৰ সমতুল্য। গাড়ীৰ দুই এটা জোকাৰণিয়ে তাৰ চিন্তাক কেতিয়াবা বিচ্ছিন্ন কৰিছিল। হ'লেও চিন্তাৰ আঁত ধৰিবলৈ তাৰ বিশেষ কষ্ট হোৱা নাছিল। নীল ৰৰণীয়া এখন শাৰী পৰিস্মিতাৰ গাৰ ৰঙেৰে সি কিনিছিল। শাৰীখন পৰিস্মীতাৰ গাত আঁৰি দি সি শিহৰিত হৈ পৰিছিল কি সুন্দৰ। হঠাৎ গাড়ীখন ৰৈ গৈছিল। চকুহাল মেলি আস্থান। গাড়ীৰ পৰা নামি ৰিক্সা এখন ধৰি ঘৰমুৱা ৰাস্তাৰ কাষৰ চৰকাৰী খেলপথাৰত তেতিয়া এখন ফুটবল হয়তো খেলৰ পক্ উঠিছিল। কোনো পৰাজয়ৰ গ্লানি ল'ব তাৰ চিন্তাই দৰ্শকবোৰৰ মূৰ ঘোলা কৰিছিল।

ঘৰপাইয়ে সি অস্বাভাৱিকতাৰ সন্মুখীন হৈছিল। এমাহ ঘূৰি অহা একমাত্ৰ ল'ৰাটোক মাক-দেউতাকে সাধাৰণ দুই এ বাহিৰে আন একো কোৱা নাছিল। হিল্লোলৰ নিজকে লাগিছিল। হ'লেও বেগৰ পৰা শাৰীখন উলিয়াই বয়সৰ পয়া মাকৰ গাত আঁৰি দি মাকৰ ঠাইত পৰিস্মীতাক কল্পনা সি পুলকিত হৈ পৰিছিল। কি অপৰূপ দান কৰিছিল শাৰী নিৰৱেৰে মাক তাৰ পৰা আঁতৰি গৈছিল। তাৰ স'তে তেওঁ সহজ হব পৰা নাছিল। অনাকাংক্ষিত খবৰ এটা দিবলৈ মুখ যেন ক'ব পৰা নাছিল। ঘৰখনৰ একমাত্ৰ ল'ৰা হিচাবে তাৰ পৰিস্মীতাৰ ভালপোৱাক সন্মানেৰে গ্ৰহণ কৰিছিল মাক-দেউতা তাতে পৰিস্মীতা আছিল নাৰীসুলভ সকলো গুণৰ অধিকাৰী পৰিস্মীতাক বোৱাৰী হিচাবে পাবলে তাৰ মাক-দেউতাক হৈ পৰিছিল।

কা-কা কৰি কাউৰী এজনী তাৰ ৰুমৰ ওপৰেৰে পাৰহৈ গৈ অনিচ্ছা স্বত্বেও বিছনা এৰিছিল হিল্লোলে। পৰিনাম টেবুল ডাঙৰ ডাঙৰ আখৰ কেইটামান ট-টকৈ জিলিকি আছিল। স্মীতাৰ বিয়া। অহা মাহত। দৰা, শিৱসাগৰৰ এজন ইঞ্জনীয়াৰ।" সৰু কাগজৰ টুকুৰাটোৰ ভৰ সহিব নোৱাৰি ক্লান্ত হৈ পৰিছিল। বেবেৰিবাং বহু কথাই তাক ব্যতিব্যস্ত তুলিছিল। পৰিস্মীতাৰ মধুৰ স্মৃতিয়ে তাক পৰিস্মীতাৰ কাষলৈ গৈছিল আৰু তাইৰ কপালত জিলিকি আছিল টক্-টকৈ এটা সেন্দুৰ ফোট। নিজৰ প্ৰেমীকৰ প্ৰৰোচনাত অন্যান্য যুৱকৰ সহিতে হৈ মৃত্যুৰ স'তে যুঁজ-বাগৰ কৰা ভনীয়েকৰ স্মৃতিয়ে তাক সময় কিবা কৈছিল। যৌনাঙ্গত হাতেৰে চাটিফুটি কৰা ভনীয়েকে তাক কাণে কাণে কিবা শিকাইছিল। তাৰ পাছৰ পৰাই জোনাকৰ গধুলি জোনাকৰ প্ৰেমত পৰি বেলিংত খামুচি ধৰি পাহৰি থাকে সি।



চুটি গল্প

# এটি নিদ্ৰাবিহীন ৰাতি

—জয়ন্ত মাধৱ বৰুৱা

মাজৰাতি হঠাত সি সাৰ পালে। আগতেও সি এনেদৰে সাৰ পাই যায়। আগতে সি সাৰ পায় পেটৰ কলমলনিত। আজি তাৰ পেটত ভোক নাই। আজি কিন্তু সম্পূৰ্ণ অন্য কাৰণত। ভালকৈয়ে এপেট খাইছে। আচলতে আজি তাৰ টোপনিয়ে অহা নাছিল। আচহুৱা পৰিৱেশ। নতুন পৰিৱেশ, নতুন ঘৰ। তাতে তাৰ নতুনকৈ আৰম্ভ হোৱা জীৱনটোৰ আজি প্ৰথম দিন। চিল্‌মিলকৈ টোপনি আহিলেই আকৌ ভাগি যায়। এইবাৰ যি ভাগিল আৰু টোপনি নাহিল। পুহ মাহ। শীতৰ সেমেকা ৰাতি। বাহিৰত নিয়ৰ পৰাৰ টোপ্ টোপ্ শব্দ। কিবা এটা অবুজ বেদনাত তাৰ টোপনি নাহিল। তাৰ মনটো নিয়ৰসিক্ত দুবৰিৰ দৰে সেমেকি গ'ল। নানান চিন্তাই তাৰ মনটোত তোলপাৰ লগাই থাকিল। এনেকুৱা মাজৰাতি গাঁৱত সি চৰাইৰ মাত শুনিলেহেঁতেন। কিন্তু চহৰৰ এই আওহতীয়া অঞ্চলটো নিৰ্জনতাত বুৰ গৈ আছে। গাঁৱৰ সৰস স্মৃতিয়ে তাৰ চিন্তাত আউল লগাই যায়। এৰা কিমান বং তামচাৰ মাজেৰে দিনবোৰ পাৰ হৈ গৈছিল। কিন্তু সদায় দিনবোৰ একেদৰে নাযায়

পুৱাৰ প্ৰথম বাচখনতে দেউতাক আৰু গাঁৱৰে চহৰত কেৰাণী কাম কৰা ৰত্নেশ্বৰৰ সৈতে আহি চহৰ পালেহি। তেতিয়া চহৰখন ব্যস্ত হৈ উঠিছে। বাছৰ পৰা এজন এজনকৈ যাত্ৰীবোৰ নামি গৈছিল। লগতে সিহঁতো। গাড়ী, মটৰ, ৰিক্সা, অটৰিক্সা, স্কুটাৰ মটৰ চাইকেল, খোজ কাঢ়ি অহা-যোৱা কৰা মানুহবোৰ, দোকান-পোহাৰৰ পয়োভৰ দেখি সি চমকি উঠিছিল। মূৰটো ঘূৰাই যোৱা যেন লাগিল। ৰাস্তাত কেৱল মানুহ আৰু মানুহ। ক'ৰ পৰা আহিছে? ক'লৈবা যাব?? কিয় ইমান ব্যস্ততা??? সি ভাবিব নোৱাৰা হ'ল। এখন অ'টোত তিনিও আহি অঞ্জন বৰুৱাৰ ঘৰ পালেহি।

সিহঁত গৈ পোৱাৰ সময়ত বৰুৱা বৰুৱানী দুয়ো ঘৰতে আছিল। বাৰাণ্ডাত খেলি থকা কণ কণ ল'ৰা-ছোৱালীহালে সিহত অহাৰ খবৰ মাকক দিলেগৈ। সিহতৰ পৰিচয় পৰ্ব হৈ যোৱাৰ কিছু সময়ৰ পাছত আবেলিৰ বাছত মিনেশ্বৰ আৰু ৰত্নেশ্বৰ গাৱঁলৈ ঘূৰি গৈছিল। যাবৰ সময়ত বাপেকে তাক দুটামান উপদেশ দি গ'ল। সি মিনেশ্বৰলৈ মূৰ তুলি চাব নোৱাৰিলে। ঘৰৰ পৰা আহিবৰ পৰত সৃষ্টি হোৱা পৰিৱেশটোলৈ মনত পৰি তাৰ হৃদয় হাঁহাকাৰ কৰি উঠিল।

"আই থাক, মই আহিলো"—তাৰ দুগালেদি দুধাৰি চকুলো বৈ আহিছিল। মাকৰ চকু চলচলীয়া হৈ পৰিছিল। মিনেশ্বৰে লাহেকৈ "আহ বোপাই" বুলি আগবাঢ়ি গ'ল। মাকে থোকা-থুকি মাতেৰে ক'লে, 'যা, ভালকৈ চলিবি, কথা-বতৰা শুনিবি।" মাকৰ পৰা বিদায় লৈ সি ভনীয়েকক ক'লে, থাক দেই, ভালকৈ পঢ়িবি, মই আহিলো।" তাই ক'লে, "সোনকালে আহিবি দেই।" সি আৰু পিচলৈ ঘূৰি নাচালে। গাঁৱৰ কেঁচা আলি বাটটোৰেদি সি বাপেকৰ পিছে পিছে পকী ৰাস্তাটোৰ ফালে গৈ থাকিল। য'ত তিনিআলিৰ জৰীগছজোপাৰ তলতে চহৰলৈ যোৱা বাছবোৰ ৰয়হি ৰত্নেশ্বৰেও সিহঁতৰ বাবেই ৰৈ আছিল। তাৰ পাছত তিনিও আহি চহৰ পালেহি। আৰু ... ... !!!

আবেলি বাপেক যোৱাৰ পাছত বৰুৱানীয়ে তাক কামৰ ফৰমাইচ্ দিলে। বৰুৱানীহঁতৰ ছোৱালীজনীয়ে তাক ব্যতিব্যস্ত কৰি তুলিলে। তাৰ কি নাম? কোন শ্ৰেণীত পঢ়ে? ইত্যাদি, ইত্যাদি ছোৱালীজনী জোনটি। তাৰ ভনীয়েকৰ সমবয়সৰ। ল'ৰাটো ৰূপম, তাতকৈ বয়সত কিছু ডাঙৰ। ছোৱালীজনীয়ে অনৰ্গলে কৈছিল, "জানা, আমাৰ দাদা শ্ৰেণীত প্ৰথম। এইবাৰ সি নৱম শ্ৰেণীত আৰু মই দ্বিতীয় শ্ৰেণীত, মোৰো ৰোল নম্বৰ এক।" সি মাথো

মে । নৈহ বল। সিয়ো এইবাৰ ষষ্ঠ শ্ৰেণীলৈ প্ৰমোচন পাইছিল। পঢ়া-শুনাতো ভাল আছিল। কিন্তু দুখীয়া মানুহৰ ভাগ্য। বাপেকে পঢ়োৱাটো দূৰৰে কথা দুবেলা ভালকৈ খোৱাৰ যোগাৰ কৰিব নোৱাৰে।

ৰত্নেশ্বৰে কেইদিন আগতে সিহঁতৰ ঘৰলৈ গৈ তাৰ অফিচৰ চাহাবৰ বাবে ঘৰত কাম কৰা ল'ৰা এটাৰ আৱশ্যকৰ কথা কৈ মিনেশ্বৰক ৰমেনক দিব পাৰিব নেকি সুধিলে। মিনেশ্বৰেও মূৰৰ পৰা বোজা আঁতৰা যেন পাই সন্মতি জনাইছিল। ৰমেনে প্ৰথমে ভীষণ আপত্তি কৰিছিল। কিন্তু শেষত সি পৰাজয় স্বীকাৰ কৰিছিল। এটা সুন্দৰ ভৱিষ্যতৰ সপোন দেখাৰ বয়স তাৰ হৈছিলেহে। কিন্তু সকলো থানবান হৈ গৈছিল। এৰা দুখীয়াই সপোন দেখাটোৱেই ভুল। সি ভাবিছিল, সিহঁতৰ দৰে দুখীয়াই পঢ়াটো সুবিধাজনক নহয়। কাগজ-পত্ৰ কিনিবলৈ টকা-পইচাৰ অভাৱ। দুবেলা দুমুঠি পেট ভৰাই খাবলৈ নেপায়। পিন্ধা উবাটো বাদেই। চহৰত অন্ততঃ পেট ভৰাই খাবলৈ পাব। ঘৰখন চলিবলৈ তাৰ শ্ৰমৰ বিনিময়ত এশ বিশ টকাকৈ পাব।

তাৰ মানস পটত এটা এটাকৈ গাঁৱৰ ৰং-ধেমালিৰ মূহুৰ্ত্তবোৰ ভাহি উঠিল। মাঘ বিহুৰ উৰুকা ৰাতিৰ ভোজ-ভাত, মেজি সজা, জপনা আৰু নঙলা, জেউৰা যি য'ত পাই আনি জুইত জাপি দিছিলহি। কাজিয়া লাগি আহ-যাহ নথকা দুঘৰৰ, ইঘৰৰ বস্তু সিঘৰত থোৱা আৰু যে ক'ত কি? এইবোৰত সিহঁতৰ বয়সৰবোৰে অংশ লোৱাতকৈ উপভোগহে বেছি কৰিছিল।

পুৱাই ছাগলীজনী বাৰু কোনে লেছেৰা দিবগৈ। নদীৰ ঘাটটোলৈ তাৰ মনত পৰিল। তাৰ লগৰীয়াবোৰ বিশেষকৈ অজয়, সদাইতৰ কথা তাৰ মনত পৰিল। সিহঁতৰ লগত আবেলি কাৰ বাঁ... টেঙা, জলফাই আছে তাৰ সন্ধান আদি লৈ ফুৰা স্মৃতিয়ে... আমনি কৰিলে। নৈৰ সিপাৰে চাপৰিত বগৰী বিচাৰি যোৱা... বাঁহৰ চুঙাত ঘৰৰ পৰা নিয়া নিমখ জলকীয়া সহ বগৰী খুন্দি... কথা তাৰ মনত পৰিল। আৰু মনত পৰিল সিপাৰে নৈৰ... বহি বাঁহী বজোৱাৰ আমেজ। সি সুন্দৰ বাঁহী বজাইছিল। বিহুত যে সি মাকৰ নীলা বা সেউজীয়া পাৰি দিয়া বগা চাদৰ... চুৰীয়া কৰি পিন্ধি ছুঁচৰি গাবলৈ দৌৰ মাৰিছিল। সি সুন্দৰ... গাইছিল আৰু পেঁপা বজাইছিল। সেইবোৰ যে সি এতিয়া... নাপায়। তাৰ এতিয়া বন্দীত্ব জীৱন। একে বাক্বোনৰ মাজত...

তাৰ মনলৈ আকৌ দৰিদ্ৰতাৰ ছবিখন ভাহি আহিল। ... খাই এসাজ লঘোন। ৰাতি প্ৰায়ে ঠাণ্ডা পানীৰে পেট ভৰ... পৰিছিল। মাজৰাতি প্ৰায় সাৰ পাইছিল পেটৰ কলম... সেয়েহে সি পঢ়া-শুনাৰ কথা বাদ দিছিল। মনৰ মাজৰ প... সপোনবোৰ আঁতৰাই পঠাইছিল। দৰিদ্ৰতাৰ মেৰপাকৰ পৰা... দেউতাক আৰু ভনীয়েকক কিছু সকাহ দিবলৈ সি বন কৰ... হিচাপে চহৰলৈ আহিছে। সি দৃঢ় প্ৰতিজ্ঞ হ'ল, সিটো নোৱাৰি... কিন্তু ভনীয়েকক পঢ়োৱাবই। সিটো এতিয়া এটা যন্ত্ৰ। ঘৰৰ চাকৰ, ভৃত্য! তাৰ চকুৰেদি দুটোপাল চকুলো বৈ আ... মূখেদি ওলাই আহিল এটা দীঘল হুমুনিয়াহ! ইতিমধ্যে... ধলফাট দিলে। সি ধপক্‌কৈ বিচনাৰ পৰা নামি আহিল... এতিয়া ব্যস্ত হৈ পৰিব দিনযোৰা বিভিন্ন কামত। জিৰনি... নাই— কেৱল কাম আৰু কাম। কামৰ মাজত অন্য কথা... বা ৰোমন্থন কৰিবলৈ তাৰ আজৰি নাই। ●





# চকুৱাখনা কলেজ শিতান

# মহাবিদ্যালয় সংগীত

কথা ঃ পূৰ্ণানন্দ গগৈ, প্ৰৱক্তা, অসমী
সুৰ ঃ
ৰচনাকাল ঃ ১৯৭৯-৮০ চন

আমি অজ্ঞানৰ আন্ধাৰ বিনাশেঁ
পোহৰৰ গতি খেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নৱ সৃষ্টিৰে আপোন প্ৰতিভা বি-কা-শেঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশেঁ।
সমন্বৰ সংগতি বান্ধি
পুৰণি দুষ্কৃতি নাশি
আমি নৱ জ্ঞানৰ দিগন্ত প্ৰ-কা-শেঁ।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশেঁ।
সাম্য মৈত্ৰীৰ গান ৰচি
বঞ্চিতক প্ৰাপ্য যাচি
ভাতৃ সম বন্ধুত্বৰে
নতুন সমাজ গঢ়ো।
আমি অজ্ঞানৰ আন্ধাৰ বিনাশেঁ।

## জিলিঙনি ঃ মহাবিদ্যালয় সপ্তাহ


শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী।
শুভ দাস।


শ্ৰেষ্ঠ তাৰ্কিক
মীনাক্ষী গগৈ।


শ্ৰেষ্ঠ অভিনেতা
৺অমিয় কুমাৰ গগৈ।


শ্ৰেষ্ঠ নাট পৰিচালক
মৃদুল কোঁৱৰ।


শ্ৰেষ্ঠা কণ্ঠশিল্পী
নুকলমণি পাএগং


শ্ৰেষ্ঠা অভিনেত্ৰী
জ্যোতি দেৱী দাস।



লঘু ক্রীড়া বিভাগৰ শ্ৰেষ্ঠ খেলুৱৈ ৰাজ কুমাৰ দত্ত।







ছাত্ৰী জিৰণি কোঠাৰ শ্ৰেষ্ঠা খেলুৱৈ পলিশ্ৰী পেগু



দীপক দুৱৰা

মিঃ চকুৰাখনা কলেজ, শ্ৰেষ্ঠ ভাৰ উত্তোলক, শক্তিমান পুৰুষ







শ্ৰেষ্ঠ যোগাসন প্ৰতিযোগী জয়ন্ত দত্ত।



শ্ৰেষ্ঠা পাঞ্জা প্ৰতিযোগী টুটুমণি গগৈ।



শ্ৰেষ্ঠ সমৰ কলা প্ৰতিযোগী প্ৰবীণ দুৱৰা

জিলিঙনি ঃ মহাবিদ্যালয় সপ্তাহ



শ্ৰেষ্ঠ সমাজ সেৱক নৱনীত বৰুৱা।



শ্ৰেষ্ঠা এথেলেট্ স্বাধীনা বৰুৱা।





শ্ৰেষ্ঠ এথেলেট ভূপেন শইকীয়া।



শ্ৰেষ্ঠ দৌৰবীৰ বিপিন ৰাজখোৱা।

## ঢকুৰাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা

সভাপতি ঃঃ অধ্যক্ষ শিৱ প্ৰসাদ গগৈ

উপ সভাপতি
দ্বীগেন সেনাপতি।


সাধাৰণ সম্পাদক
নিতুল বৰা।


সহঃ সাধাৰণ সম্পা…
দেৱজিৎ বাজখোৱা


ক্ৰীড়া শাখা সম্পাদক
জয়ন্ত কুমাৰ গগৈ।


শৰীৰ চৰ্চা সম্পাদক
নৰজ্যোতি কোঁৱৰ।


তৰ্ক ও আলোচনা শাখা সম্পাদক
মিতুল কোঁচ


সমাজ সেৱা সম্পা…
জিৎ গগৈ।

**সম্পাদক, সাহিত্য আৰু আলোচনী বিভাগ :** জয়ন্ত মাধৱ বৰুৱা।


সাংস্কৃতিক সম্পাদক
নিতুল বড়া


ছাত্ৰী জিৱনী কোঠা সম্পাদিকা।
প্ৰিয়ংকা গোহাই।


ছাত্ৰ জিৱনী কোঠা সম্পা…
প্ৰশান্ত চুতীয়া।



## সম্পাদনা সমিতি


প্ৰবক্তা ডিম্বেশ্বৰ গগৈ, তত্বাবধায়ক


শিক্ষক সদস্য, অচ্যুত গগৈ।

প্ৰবক্তা ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঁই, তত্বাবধায়ক।


ভুপেন কুমাৰ কোঁৱৰ, সদস্য।


জয়ন্ত মাধৱ বৰুৱা, সম্পাদক।


পবিত্ৰ কুমাৰ গগৈ, সদস্য।


শুভ দাস, সদস্য।


ৰঞ্জিত সন্দিকৈ সদস্য।


ৰাজেন্দ্ৰ কুমাৰ বৰুৱা, সদস্য।



আমাৰ মহাবিদ্যালয়ৰ পৰা ১৯৯৫ চনৰ বিজ্ঞান শাখাৰ শেষাষ্ঠ পৰীক্ষাত প্ৰথম অৱতীৰ্ণ হৈ সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী কেইগৰাকীৰ সৈতে অধ্যক্ষ, উপাধ্যক্ষ, বিজ্ঞান শাখাৰ প্ৰবক্তা আৰু কৰ্মচাৰীসকল

# ॥ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল শুভাকাঙ্খীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ যি সকলে মোক সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচন কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ সুবিধা দিলে। মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক ৰূপে শপত গ্ৰহণ কৰিয়ে বিভিন্ন উন্নতি মূলক কামত ব্যস্ত হৈ পৰিছিলো। বিগত বছৰটোত মহাবিদ্যালয় খনত কিমান কি উন্নতি হ'ল বা নহ'ল আপোনালোকৰ দৃষ্টিত বিচাৰ্য্যৰ বিষয়। তথাপিতো আমি আমাৰ সীমিত অভিজ্ঞতা আৰু সামৰ্থ্যৰে মহাবিদ্যালয় খনিৰ উন্নতিৰ বাবে কৰা প্ৰচেষ্টাৰ খতিয়ান বাৰ্ষিক প্ৰতিবেদন খনিৰ জৰিয়তে দাঙি ধৰিছোঁ।

আমি আমাৰ কাৰ্য্যকালত-মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে নাটনি হৈ অহা শ্ৰেণী কোঠা বৃদ্ধিৰ বাবে কৰ্তৃপক্ষৰ লগত আলোচনা কৰি শ্ৰেণী কোঠা বৃদ্ধি কৰি দিওঁ। এতিয়া সেই সমস্যা কিছু দূৰ হৈছে বুলি আশা কৰিব পাৰি।

ঢকুৱাখনা মহবিদ্যালয় খন প্ৰাকৃতিক পৰিবেশেৰে সমাবৃত সৌন্দৰ্য্যতাৰ প্ৰতীক বুলিয়ে কব পাৰি। কাষেৰে বৈ যোৱা চাৰি কড়িয়া নদীৰ ঝিৰ্ ঝিৰ্ শব্দেৰে যেন কোনোবা নতুন সুৰৰ ৰাগিনীহে তোলে। কিন্তু যেতিয়া সেই সুৰৰ লয় লাসত নদীৰ গৰা খহে তেতিয়া মহাবিদ্যালয় খনৰ অনাগত ভবিষ্যত কঁপি উঠে। বৰ্ত্তমান গৰা খহনীয়া ৰোধৰ উচিত ব্যৱস্থা কৰা হৈছে। আমাৰ দিনতে মহাবিদ্যালয়ৰ চাৰিও কাষে গছ পুলি ৰুই, প্ৰতিটো গছপুলিক পকী দেৱালেৰে সুৰক্ষা দি প্ৰাকৃতিক পৰিবেশ সংৰক্ষনৰ প্ৰতিও আমি চকু দিওঁ।

ছাত্ৰাবাসত ভুগি অহা চাৰি বেবৰ অসুবিধাতো আমি ঢকুৱাখনা খণ্ড উন্নয়ন বিষয়াৰ সৈতে আলোচনা কৰি শকত পৰিমানৰ আৰ্থিক অনুদানেৰে সম্পূৰ্ণ কৰোঁ। ছাত্ৰী নিবাসৰ বাবেও পকী চৰিবেৰৰ কাম প্ৰায় দিহা কৰি পৰৱৰ্ত্তী ছাত্ৰ একতা সভালৈ থলো। এই কাম সম্পূৰ্ণ কৰিব বুলি আশা থাকিল। মহাবিদ্যালয়ৰ আধৰুৱা হৈ থকা তোৰণ খন আমাৰ কাৰ্য্যকালত সম্পূৰ্ণ কৰা হয়।

আমি কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়টো মেৰামতি কৰি উপযোগী কৰি তোলা হয় ছাত্ৰ-ছাত্ৰীৰ জিৰণীৰ বাবে পকী বেঞ্চ সজা হয় আৰু চাইকেল ষ্টেণ্ডটো নতুনকৈ সজা হয়।

আমি আমাৰ কাৰ্য্য কালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বন্ধ হৈ থকা বৃত্তিৰ টকা মোকোলাই আনিবলৈ সক্ষম হওঁ।

এইবাৰ আমাৰ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা খনি বেচ উল্লেখনীয়। মূল সভা আৰম্ভনিৰ আগে আগে মহাবিদ্যালয় খেল পথাৰত অনুষ্ঠিত ছাত্ৰ-শিক্ষকৰ মাজৰ প্ৰীতিৰ ভলীবল খেল খনি বেচ্ আমোদ জনক হৈছিল। আমি আশা ৰাখিছো আগলৈও এনে ধৰনে মিলা প্ৰীতিৰে ছাত্ৰ শিক্ষকৰ সম্পৰ্ক অটুট থাকিব। উলহ মালহেৰে অনুষ্ঠিত নৱাগত আদৰণি সভা খনিৰ উদ্বোধন কৰি মাননীয় ঢকুৱাখনা মহকুমাৰ মহকুমাধিপতি দেৱে ছাত্ৰ-ছাত্ৰী উদ্দেশ্য সাৰুৱা ভাষন ৰাখে। মূখ্য অতিথি হিচাপে মাননীয় লক্ষীমপুৰ জিলাৰ A.D.C ডাঙৰীয়া দেৱে আমাৰ মনত বেখা পাত কৰি যোৱা ভাষন ৰাখে। ইয়াৰ পাছতে বিশিষ্ট সাহিত্যিক শ্ৰীযুত জিতেন চুতীয়া দেৱৰ নিৰ্দিষ্ট বক্তাৰ ভাষনে ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰি তোলে। ৰাতিলৈ সাংস্কৃতিক সন্ধিয়াৰে নৱাগত আদৰণি সভা খনি সামৰা হয়।

সুখৰ বিষয় যে এইবছৰৰ ( ১৯৯৫-৯৬ ) পৰা আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিষয়ত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হৈছে।

আমাৰ কাৰ্য্যকালত শ্ৰদ্ধেয় শিক্ষক, ছাত্ৰ বন্ধু আৰু ৰাইজৰ সহায় সহযোগ আমি নেপাহৰো। আমি সকলোলৈকে কৃতজ্ঞতা জনাই বাৰ্ষিক প্ৰতিবেদন সামৰিছোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

নিতুল বৰা
সাধাৰ সম্পাদক
ঢ. ম. ছাত্ৰ এ. স

## ঃ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

এটি হাবিয়াস আছিল মহাবিদ্যালয়ৰ সেৱাত নিজকে ব্ৰতী কৰাৰ। সেয়ে ১৯৯৪-৯৫ বৰ্ষৰ সহঃ সাধাৰণ সম্পাদক
হিচাপে নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সহকাৰী সাধাৰণ সম্পাদক হিচাপে মই মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কাৰণে সততে যত্ন
কৰিছিলোঁ। বহু সমস্যাৰে জৰ্জৰিত আমাৰ মহাবিদ্যালয় খনিৰ উন্নতিৰ কাৰণে বহু কেইটা অভাব অভিযোগৰ দাবী চনদ
প্ৰস্তুত কৰি ছাত্ৰ একতা সভাই অসম চৰকাৰৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ক এখনি স্মাৰক পত্ৰ প্ৰদান কৰোঁ। এই দাবী
সমূহৰ ভিতৰত এটি প্ৰধান দাবী আছিল উচ্চমান থকা স্বৰ্তেও ইংৰাজী বিভাগত মাত্ৰ তিনিজন প্ৰবক্তাই বৰ্তমানলৈকে
পাঠদান কৰি আছে। সেয়ে আৰু দুটা পদ এই বিভাগত মঞ্জুৰ কৰিবৰ বাবে কৰা অনুৰোধ। কিন্তু আজি পৰ্য্যন্ত কোনো
এটা দাবীয়েই চৰকাৰে পূৰণ কৰা নাই। ইয়াৰোপৰি মহাবিদ্যালয়ৰ সকলো অনুষ্ঠান সুকলমে চলাই নিবলৈ সততে
সচেষ্ট আছিলো।

মহাবিদ্যালয়ৰ পৰম্পৰাগত 'কলেজ সপ্তাহ' ইংৰাজী ২২, ২৩, ২৪, ২৫, ২৬, ২৭, আৰু ২৮ ডিচেম্বৰ' ৯৪ তাৰিখে
সপ্তাহযোৰা কাৰ্য্যসুচীৰে উদযাপন কৰা হয়। কলেজ সপ্তাহটি সফলতাৰে সমাপন কৰাত আমি সচেতন আছিলো।
ইয়াৰোপৰি সৰস্বতী পূজাকে ধৰি অন্যান্য অনুষ্ঠান সমূহত সক্ৰিয় অংশ গ্ৰহণ কৰিছিলো।

নৱাগত আদৰণি সভাখনি ৯।৯।৯৫ তাৰিখে আয়োজন কৰা হয়। মূকলি সভাত আমন্ত্ৰিত অতিথি সকলে পৰামৰ্শ
মূলক বক্তব্য ৰাখি ছাত্ৰ-ছাত্ৰী সকলক প্ৰেৰণা যোগায়।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শৰে সহায় কৰাৰ বাবে মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ
ওচৰত মই চিৰ কৃতজ্ঞ।

সদো শেষত ঢকুৱাখনা অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি
প্ৰতিবেদন সামৰিলো।

ধন্যবাদেৰে
শ্ৰী দেৱজিৎ ৰাজখোৱা।



## ঃ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

বাটচ'ৰাতে ঢকুৱাখনা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন জনালোঁ।
মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰে পৰা গতানুগতিকতাৰে নিৰ্দিষ্ট কেইটামান বিষয় সূচীৰে দায়িত্ব সম্পাদন কৰি বাৰ্ষিক
প্ৰতিবেদন যুগুতোৱাৰ কিবা এটা অৰ্থ আছে বুলি নাভাৱো। সময়ৰ অগ্ৰগতি তথা পৰিবৰ্তিত ৰূপৰ লগত সংগতি ৰাখি
আমাৰ বৌদ্ধিক, আৰু সাংস্কৃতিক চিন্তাধাৰা উন্নত আৰু উচ্চ হোৱাটো কিমান প্ৰয়োজনীয়, সেই কথা সচেতন ব্যক্তি
মাত্ৰেই অনুধাৱন কৰিব পাৰে। মনটোৱে পৰম্পৰাৰ পৰা আঁতৰি থকাৰ চেষ্টা কৰিলেও পৰিবেশ আৰু পৰিস্থিতিয়ে
বাধা আনি দিয়ে। তথাপি গভীৰ আন্তৰিকতা, নিয়মানুবৰ্তিতাৰে সম্পাদন কৰা গত কাৰ্য্যকালৰ এক সংক্ষিপ্ত বিৱৰণ
আগবঢ়ালোঁ।

মহাবিদ্যালয় সপ্তাহ ঃ ছাত্ৰ-ছাত্ৰীসকলৰ আত্ম প্ৰতিভা উন্মোচনৰ এক সুবিধাজনক ক্ষেত্ৰ হ'ল মহাবিদ্যালয়ৰ বাৰ্ষিক
সপ্তাহ। গতানুগতিকতাৰ পৰা ব্যতিক্ৰম হৈ, পুঁজিৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি চাৰিটা (একাঙ্কনাট পাণ্ডুলিপি, বক্তৃতা,
বেটুপাত আৰু স্কেচ অংকন) নতুন বিষয়ৰ সংযোজনেৰে সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। সমূহ
প্ৰতিযোগী আৰু বিজয়ীলৈ আমাৰ আন্তৰিক ওলগ জনোৱাৰ লগতে তেওঁলোকৰ উজ্বল জীৱন কামনা কৰিলেঁ।

প্ৰাচীৰ পত্ৰিকা, অৰণি ঃ দ্বাদশ বছৰত ভৰি দিয়া মহাবিদ্যালয়ৰ একমাত্ৰ প্ৰাচীৰ পত্ৰিকা খন ছাত্ৰ ছাত্ৰীৰ সাহিত্য
চৰ্চাৰ কঠিয়াতলী। প্ৰাচীৰ পত্ৰিকা খনৰ এটা নিৰ্দিষ্ট নাম নথকাৰ হেতু আমি সম্পাদনা সমিতিৰ সমুখত অৰণি নামটো
উত্থাপন কৰো। সম্পাদনা সমিতিয়ে উল্লেখিত নামটো গ্ৰহণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। নামটো নিশ্চয় অৰ্থবহ
আৰু ই সকলোৰে গ্ৰহণযোগ্য হ'ব বুলিয়েই আশা কৰোঁ।

মহাবিদ্যালয় আলোচনী ঃ আলোচনী বিভাগৰ সম্পাদকৰ সমুদায় কৃতিত্ব আৰু যোগ্যতাৰ প্ৰতিফলন ঘটে বাৰ্ষিক
আলোচনীখনত। নিম্নতম উন্নত পৰ্য্যায়ত আধুনিক উন্নত মানৰ (অফ্‌চেট্) ছপাশালাত ছপা কৰি প্ৰকাশ কৰিবলৈ আমাৰ
মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ পুঁজি স্বচ্ছল নহয়। কিন্তু অসম চৰকাৰৰ পৰা পোৱা ২০,০০০.০০ (বিশ হাজাৰ)
টকাৰ অনুদান সহ এইবৰ্ষত পুঁজি কিছু টনকীয়াল হোৱাত আমি যথাসাধ্য উন্নত মানদণ্ডৰ লেখনিৰে বৰ্দ্ধিত কলেৱৰ
আৰু নতুনত্বৰ স্পৰ্শেৰে এখন ব্যতিক্ৰমধৰ্মী আলোচনী প্ৰকাশ কৰি উলিয়াবৰ বাবে একাগ্ৰতা, নিষ্ঠা আৰু সততাৰে প্ৰয়াস
কৰিছিলোঁ। কিন্তু সকলো প্ৰস্তুতি পূৰ্ণ হোৱাৰ পাচতো প্ৰেছৰ নিৰিখ মতে কৰ্তৃপক্ষৰ পৰা অনুমোদন নোপোৱাত
আমাৰ আশাত অৱশেষত চেচাঁ পানী পৰিল।

সম্পাদকৰ দায়িত্ব ঃ কাক কম, কোনে পতিয়াব ?
ফটা কঠা তিতে মানে গা-লৈহে গধুৰ, ভালুকৰ সাঙী। গল্প, প্ৰবন্ধ, কবিতা বিচাৰোতে যিমান কষ্ট আৰু সময়ৰ
অপচয় হৈছিল তাতকৈ বেছি সময় অপচয় হৈছিল ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন বচাৰোতে।
এৰা, কাক ক'ম, কোনে পতিয়াব ? যাক কওঁ সিয়েই লঠিয়াব।

কৃতজ্ঞতাৰ গুৱা-পাণ ঃ কাক এৰি কাক ধৰো! আলোচনী সম্পাদনাৰ কামত দিহা-পৰামৰ্শ, কায়িক মানসিক সহযোগিতা
আগবঢ়োৱা সকলৰ লগতে নিৰৱতাৰ মাজেৰে মহাবিদ্যালয়ৰ উন্নতি অভিলাষী প্ৰত্যেকজনলৈ কৃতজ্ঞতাৰ গুৱা-পাণ যাচিলোঁ।

আলোচনী খন সৰ্বাঙ্গ সুন্দৰ কৰি তোলাৰ প্ৰয়াস সম্পাদক মাত্ৰেই নাথাকে জানো ? তথাপি অনিচ্ছাকৃত ত্ৰুটীৰ বাবে
আমি নিঃসন্দেহে ক্ষমা প্ৰাৰ্থী।

আলোচনীখনৰ জৰিয়তে কি দিব পাৰিলো, তাৰ হিচাপ-নিকাচ সময়ৰ লগতে আপোনাসবেও নিশ্চয় কৰিব।
হৃদয়ৰ পৰা হৃদয়লৈ সাহিত্যই কঢ়িয়াই নিয়ক নতুনত্বৰ বাৰ্তা।

তাৰেই শুভ কামনাৰে
শ্ৰী জয়ন্ত মাধৱ বৰুৱা।

## ॥ তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা ওলগ জনাইছো। লগতে যিসকলে মোৰ এই গধুৰ দায়িত্ব বহন কৰাত সহায় সহযোগ আগবঢ়ালে তেখেতসকললৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো।

বৰ্তমান যুগত তৰ্ক আৰু আলোচনা দিশটো অতিশয় প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ। সেই হেতু, ছাত্ৰসমাজ অধিক সচেতন হোৱাৰ উপৰিও ন্যায়, শৃংখলা আৰু ধৈৰ্য সহকাৰে সামাজিক, শৈক্ষিক, নৈতিক আদি দিশৰ মূল লক্ষ্যত উপনীত হ'ব লাগিব। সেয়েহে ছাত্ৰ হিচাপে মোৰ এই বিষয়টোত বাপ আছিল। কিন্তু বাস্তৱত ৰূপায়ন কৰিবলৈ সক্ষম নহ'লো।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে ১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ ২২ তাৰিখৰ পৰা ২৮ তাৰিখলৈ ২৯তম মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। এই বিভাগৰ পৰা তৰ্ক, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। শ্ৰীযুত ৰজনী বৰুৱা আৰু শ্ৰীযুত ইন্দুভূষণ সিংহৰ পৰিচালনাত অনুষ্ঠিত হোৱা মনোগ্ৰাহী কুইজ প্ৰতিযোগিতাখনৰ বিষয়ে ৩ ফেব্ৰুৱাৰী '৯৫ ৰ নতুন দৈনিক কাকতত সমালোচনা প্ৰকাশ হৈছে। মহাবিদ্যালয় সপ্তাহ চলি থকা অৱস্থাতে ২৭/১২/৯৪ তাৰিখে উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ত উত্তৰ পূৰ্বাঞ্চল ভিত্তিত অনুষ্ঠিত ৺গোলাপ শৰ্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা শ্ৰীমতী মীনাক্ষী গগৈ আৰু শ্ৰীমতী মনালিছা গগৈয়ে অংশ গ্ৰহণ কৰি বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে ২৮/২/৯৫ তাৰিখে ন'বেল বঁটা বিজয়ী চাৰ চন্দ্ৰশেখৰ ভেংকটৰমনৰ কৰ্মৰাজিৰ ওপৰত আয়োজন কৰা বক্তৃতামালা উদ্বোধন কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত শিৱপ্ৰসাদ গগৈদেৱে। এই বক্তৃতামালাখনি সফলভাৱে অনুষ্ঠিত হয়। ইয়াৰ পাছতে ১২/৮/৯৫ তাৰিখে ঢকুৱাখনা মহকুমা প্ৰশাসনৰ নিৰ্দেশক্ৰমে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ লগত যুটীয়াভাৱে এখন কুইজ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। প্ৰতিযোগিতাৰ পৰিসৰ আৱদ্ধ আছিল। "ভাৰতৰ স্বাধিনতা আন্দোলন আৰু স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষ" বিষয়ত। (স্বাধীনোত্তৰ" শব্দটোতকৈ উত্তৰ স্বাধীন' বুলি লিখিলেহে অধিক অৰ্থ বহন কৰে। —সম্পাদক)

প্ৰতিবছৰৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ প্ৰয়াত উপাধ্যক্ষ ৺প্ৰহ্লাদ গোহাঁই সোঁৱৰণি'আন্তঃ লক্ষীমপুৰ জিলা ভিত্তিক তৰ্ক প্ৰতিযোগিতা খনি ৪ নবেম্বৰ' ৯৫ তাৰিখে অনুষ্ঠিত কৰা হ'ব। প্ৰতিবেদন আগতীয়াকৈ যুগুত কৰিব লগাত এই বিষয়ে খতিয়ান দাঙি ধৰাটো সম্ভৱ নহ'ল।

বিভাগীয় কাম-কাজ চলাই যোৱাত পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱাৰ বাবে উপদেষ্টা শ্ৰীযুত দিলীপ হাতীবৰুৱাদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ।

শ্ৰদ্ধাৰে—শ্ৰীমিতুল কোঁচ



## ঃ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ চিৰ নমস্য শিক্ষাগুৰু আৰু সুহৃদয় ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। কৃষ্টি আৰু সংস্কৃতিৰ ব্যাখ্যা থোৰতে দি ইয়াৰ বিশাল তাৎপৰ্য্য আৰু অৰ্থক সীমিত কৰিবলৈ বিচৰা নাই। সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ কাৰ্য্যভাৰ লোৱাৰ পাছতেই আৰম্ভ হ'ল মহাবিদ্যালয় সপ্তাহ (ইং ২২/১২/৯৪ পৰা ২৮/১২/৯৪ লৈ)। মহাবিদ্যালয় সপ্তাহত বিভাগীয় সকলো প্ৰতিযোগিতাই নিয়াৰিকৈ চলাই নিলো। কিন্তু দুখৰ বিষয় পৰিস্থিতি সাপেক্ষে সাংস্কৃতিক সন্ধিয়াৰ পৰিবৰ্তে দিনৰ ভাগতে সাংস্কৃতিক সমাৰোহ আয়োজন কৰিছিলো।

পৰম্পৰাগত ভাবে পাতি অহা 'সৰস্বতী পূজা' নাম-প্ৰসংগৰে দিনজোৰা কাৰ্য্যসূচীৰে পালন কৰা হয়। বিগত বছৰবোৰৰ দৰে মহাবিদ্যালয়ৰ নবাগতসকলক আদৰণি জনাবলৈ ৯ চেপ্তেম্বৰ '৯৫ তাৰিখে উনবিংশতিতম্ নবাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। উক্ত সভাখন সমবেত সংগীতেৰে আৰম্ভ কৰি সভাৰ মাজে মাজে বিভিন্ন গীত-মাত পৰিবেশন কৰি সুন্দৰ কৰি তোলাৰ প্ৰয়াস কৰিছিলো। নৱাগতসকলক আদৰণি জনোৱাৰ এই আনন্দমুখৰ পৰিৱেশতে নিশালৈ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সং পৰামৰ্শৰে সহায় কৰাৰ বাবে বিভাগীয় উপদেষ্টা শ্ৰীযুত জিতৰাম কলিতা চাৰৰ লগতে মাননীয় অধ্যক্ষ মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

যি কি নহওঁক, মোৰ কাৰ্য্যকালত বৌদ্ধিক দিশত বিশেষ উত্তৰণ ঘটাব নোৱাৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সংগীতৰ পবিত্ৰ অনুভূতিৰে সমাজত বিশেষ সুন্দৰ ব্যক্তিত্ব গঠন কৰিবলৈ আবেদন জনালো। সংস্কৃতি যেন ধন-সম্পত্তি নহয় গণ সংস্কৃতি অৰ্থৰে বিশালতা লাভ কৰে তাৰ অকুৰন্ত শুভ কামনাৰে আৰু মোৰ কাৰ্য্যকালত জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিব খুজিছো। ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি।

ধন্যবাদেৰে

শ্ৰীনিতুল বৰা

## ঃ ছাত্র জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ

১৯৯৪-৯৫ চনৰ ছাত্র একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰা সকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা ও অভিনন্দন জ্ঞাপন কৰিছো লগতে প্ৰতিবেদকৰ বিভাগীয় উপদেষ্টা ডঃ গিৰীণ গগৈ ছাৰে সকলো সময়তে দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে ওলগ যাচিলোঁ।

দৈনিক ব্যায়াম বা পৰিমাৰ্জিত খেলা ধূলাই শাৰীৰিক উন্নতিৰ লগতে বৌদ্ধিক ক্ৰম বিকাশৰ সক্ৰিয় ভূমিকা লয়। মহাবিদ্যালয় কৰ্তৃপক্ষইও ছাত্ৰ-জিৰণি কেঠাৰ ব্যৱস্থাপনাৰ জৰিয়তে ছাত্ৰসকলৰ কিঞ্চিত মন যোগাব পৰাকৈ খেলা ধূলাৰ ব্যৱস্থা কৰিছে। অৱশ্যে নিশকটীয়া পুঁজি ব্যৱস্থাই বৰ বেছি উন্নত মানৰ ব্যৱস্থা কৰিবলৈ অপাৰগ হোৱাটো সকলোৰে স্বীকাৰ্য্য, এনে অৱস্থাৰ পৰিবৰ্তন এই স্থলতে কামনা কৰিলোঁ।

১৯৯৪-৯৫ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ ২২।১২।৯৪ তাৰিখৰ পৰা ২৮।১২।৯৪ তাৰিখলৈকে সম্পূৰ্ণ এক সপ্তাহ ধৰি উলহ-মালহেৰে উদযাপন কৰা হৈছিল। এই মহাবিদ্যালয় সপ্তাহত বিশেষকৈ ছাত্ৰ জিৰণি কোঠাৰ খেলা-ধুলা সমূহ শৃংখলাবদ্ধভাৱে পৰিচালিত হৈ যোৱাত নিজকে ধন্য মানিছো।

এটা কথা এইখিনিতে উল্লেখ কৰিবলৈ পাই সুখী হৈছো যে এই প্ৰতিবেদকৰ কাৰ্য্যকালতে প্ৰথমবাৰলৈ ছাত্ৰ জিৰণি কোঠা পুৰা শাখাৰ ছাত্ৰসকলে ব্যৱহাৰ কৰিবলৈ সুবিধা পায়। আৰু তাৰ বাবে মই নিজেই গৌৰব অনুভৱ কৰিছোঁ।

সদৌ শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰতিজন ব্যক্তিৰ ওচৰত অনিচ্ছাকৃত ভাৱে হৈ যোৱা ভুলৰ প্ৰতি ক্ষমা বিচাৰিছো। লগতে মহাবিদ্যালয়ৰ ভবিষ্যৎ উন্নতি কামনা কৰি সম্পাদকীয় প্ৰতিবেদন সামৰিছো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

শ্ৰদ্ধাৰে

শ্ৰী প্ৰশান্ত চুতীয়া



## ঃ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ১৯৯৪-৯৫ চনৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ৰূপে সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালত অকুণ্ঠ সহায় সহযোগ আৰু দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে বিভাগীয় উপদেষ্টা শ্ৰদ্ধেয়া শ্ৰীযুতা বিজয়া দত্ত (ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰৱক্তা) বাইদেউৰ ওচৰত মই চিৰ ঋণী। সম্পাদিকা ৰূপে মনোনীত হৈ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে মহাবিদ্যালয় সপ্তাহটি আন কেইবাৰৰ দৰে এইবাৰো অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তহটিত অতি সীমিত সা-সুবিধাৰ মাজেৰে ছাত্ৰীসকলৰ আনুসংগিক খেলসমূহ অন্তৰ্ভুক্ত কৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি বিভিন্ন খেলৰ প্ৰতিযোগিতা-সমূহ অনুষ্ঠিত কৰাঁও। অৱশ্যে কোনো কোনো ছাত্ৰী বান্ধৱীয়ে অনুৰোধ কৰা কেইটামান খেল অনুষ্ঠিত কৰিবলৈ নোৱাৰা বাবে দোষ স্বীকাৰ এই আপহতে কৰি থলো।

অভাৱ অভিযোগ ঃ

আমাৰ মহাবিদ্যালয়ত ছাত্ৰী জিৰণি কোঠা বিভাগটো আছে যদিও নূন্যতম সা-সুবিধাৰে ছাত্ৰীসকলৰ বাবে এটি আছুতীয়া কোঠা নাই। এখন নাম ফলকেৰে সৈতে ছাত্ৰ জিৰণী কোঠাৰ লগত যদিও এটা কোঠা ছাত্ৰী জিৰণী কোঠাৰ নামত আবণ্টিত হৈ আছে। তথাপিও কাৰ্য্য ক্ষেত্ৰত ইয়াত ছাত্ৰসকলৰহে প্ৰাদুৰ্ভাৱ অধিক দেখা যায়। (অৱশ্যে ছাত্ৰসকলক ইয়াৰ বাবে জগৰীয়া কৰিব নোৱাৰি।) সেইবাবে এই প্ৰতিবেদনৰ জৰিয়তে বিষয়টো কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাইছোঁ।

সদৌ শেষত, মোৰ কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো। লগতে মোৰ কাৰ্য্যকালৰ সময়ত সহায় আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। মহাবিদ্যালয়ৰ সৰ্বময় মঙ্গল কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদ সহকাৰে

শ্ৰীমতী প্ৰিয়ংকা গোহাই

# ॥ শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধৱীক আন্তৰিক অভিনন্দন জনাইছো শৰীৰ চৰ্চ্চা সম্পাদক হিচাপে নিৰ্বাচিত কৰি শৰীৰ চৰ্চ্চা সেৱাৰ প্ৰতি থকা প্ৰবল আগ্ৰহক সঁহাৰি জনোৱাৰ বাবে।

সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই ছাত্ৰ-ছাত্ৰী সকলৰ শৰীৰ চৰ্চ্চাৰ বাবে এটা উপযুক্ত পৰিবেশ সৃষ্টি কৰিবলৈ যত্ন কৰি আহিছো। এই কাৰ্য্যত কিমান দূৰ সফল হ'ব পাৰিছো তাৰ বিচাৰৰ ভাৰ ছাত্ৰ ছাত্ৰীসকলৰ ওপৰতে থাকিল।

অন্য বছৰৰ দৰে এইবাৰো ঢকুৱাখনা মহাবিদ্যালয়ৰ ২৯তম বাৰ্ষিক সপ্তাহ বিভিন্ন কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈ যায়। শৰীৰ চৰ্চ্চা বিভাগৰ প্ৰতিযোগিতাত খেলুৱৈসকলৰ যোগদান অতি উৎসাহজনক আছিল। এইবাৰ প্ৰথম বাৰৰ বাবে সমৰ কলা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। খেলুৱৈ সকলৰ নিয়মানুবৰ্ত্তিতা আৰু উৎসাহজনক যোগদানে মোক সঁচাকৈয়ে গৌৰৱান্বিত কৰি তুলিছিল। মহাবিদ্যালয় সপ্তাহৰ অন্যান্য খেলসমূহৰ ভিতৰত শক্তি উত্তোলন, ভাৰ উত্তোলন, পাঞ্জা, যোগাসন আৰু দেহশ্ৰী প্ৰতিযোগিতাৰ ফলাফল সমূহ আছিল অধিক উৎসাহজনক।

ঢকুৱাখনা মহাবিদ্যালয়ে আজি ২৯ বছৰৰ পূৰ্ণতা লাভ কৰিলে। কিন্তু প্ৰবল আগ্ৰহ থকাৰ স্বত্বেও বিভিন্ন অভাৱ-অভিযোগৰ বাবে খেলুৱৈসকল অধিক অগ্ৰসৰ হ'ব পৰা নাই। পূঁজিৰ নাটনিৰ বাবে খেলুৱৈসকলে কেৱল মহাবিদ্যালয় সপ্তাহতে সীমাবদ্ধ থাকিবলগা হৈছে। আন্তঃমহাবিদ্যালয় আৰু অন্যান্য প্ৰতিযোগিতাত পূঁজিৰ সীমাবদ্ধতাৰ বাবে নিজ নিজ প্ৰতিভাক খেলুৱৈসকলে জলাঞ্জলি দিব লগীয়া হৈছে। গতিকে সাম্প্ৰতিক সময়ৰ দ্ৰুত মূল্য বৃদ্ধিলৈ লক্ষ্য ৰাখি পূঁজি বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কতৃ'পক্ষক অনুৰোধ জনালোঁ। আন এটা প্ৰধান সমস্যা হৈছে অনুশীলনৰ বাবে এটা স্থায়ী গৃহৰ অভাৱ।

প্ৰতিবেদনৰ সামৰণিত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সহায় সহযোগ আগবঢ়াই এবছৰীয়া কাৰ্য্যকালটি নিয়াৰিকৈ চলাই নিবলৈ সুবিধা দিলে, তেওঁলোকলৈ ধন্যবাদ জনাইছো। বিভাগীয় উপদেষ্টা শ্ৰীযুত গুনীন গগৈ চাৰৰ সহায় সহযোগ তথা দিহা পৰামৰ্শ মোৰ মানসপটত জুয়ে পোৰা সোণৰ দৰে জিলিকি ৰ'ব।

শ্ৰদ্ধাৰে
শ্ৰীনৰজ্যোতি কোঁৱৰ



# ॥ ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

১৯৯৪ চনৰ ২৪ নৱেম্বৰ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰি বিভাগীয় কাম-কাজবিলাক নিয়াৰিকৈ আগবঢ়াই নিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো। আৰু চেষ্টাৰ ক্ৰটি কৰা নাছিলো। প্ৰথমে কিছু অসুবিধা পাইছিলো যদিও উপদেষ্টা মহোদয়ৰ দিহা পৰামৰ্শ আৰু ছাত্ৰ-ছাত্ৰীৰ আকুণ্ঠ সহযোগত কাম কাজবোৰ সম্পাদন কৰিছিলোঁ।

১৯৯৪-৯৫ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহখনি ২২।১২।৯৪ তাৰিখৰ পৰা ২৮।১২।৯৪ তাৰিখলৈকে সাদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈছিল। ক্ৰীড়া শাখাৰ প্ৰতিযোগিতা সমূহৰ শুভ উদ্বোধন কৰে শ্ৰীযুত তিলক ভঁৰালীদেৱে। অলিম্পিক শিখাৰে খেল পথাৰ মূকলি কৰে শ্ৰীভূপেন শইকীয়া আৰু শ্ৰীমতী মন্দিৰা কোঁৱৰে। প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ সম্পন্ন হয়।

ইয়াৰ পাছতে আহিল আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা। জিলা ভিত্তিত আমাৰ মহাবিদ্যালয়ে গোগামুখ মহাবিদ্যালয় খেল পথাৰত অনুষ্ঠিত হোৱা প্ৰাথমিক ৰাউণ্ডৰ খেলত ১৫।৯।৯৫ তাৰিখে চিলাপথাৰ মহাবিদ্যালয়ক ৩-১ গ'লৰ ব্যৱধানত আৰু ১৭।৯।৯৫ তাৰিখে গোগামুখ মহাবিদ্যালয়ক, নিৰ্দ্ধাৰিত সময়ত অমীমাংসীত হোৱাত ট্ৰাইবেকাৰ পদ্ধতিত ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি কোৱাটাৰ ফাইনেল পৰ্য্যায়ত প্ৰবেশ কৰে। বোকাখাটৰ যোগানন্দ দেৱ সত্ৰাধিকাৰ গোস্বামী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা কোৱাটাৰ ফাইনেলৰ খেলত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ বিপক্ষে ২-১ গ'লৰ ব্যৱধানত আমাৰ মহাবিদ্যালয়ে পৰাজয় বৰণ কৰে। আন্তঃমহাবিদ্যালয়ৰ ভলীবল প্ৰতিযোগিতা ডিচেম্বৰ মাহৰ শেষ সপ্তাহত ডি. এইচ-কে মহাবিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত হ'ব বুলি বাতৰি কাকতৰ যোগেদি জানিব পৰা গৈছে।

আমাৰ মহাবিদ্যালয়ত লঘু আৰু গুৰু ক্ৰীড়া দুয়োটাকে একেলগে সামৰি এটা বিভাগ কৰি সীমিত পূঁজিৰে পৰিচালনা কৰিব লগা হোৱাত যথেষ্ট অসুবিধা সৃষ্টি হয়। এখন স্থায়ী খেল পথাৰৰ অভাৱো খেলুৱৈ সকলৰ প্ৰগতিৰ অন্তৰায় হিচাপে চিহ্নিত হৈছে। গতিকে, এইক্ষেত্ৰত মহাবিদ্যালয় কতৃপক্ষই ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিলে আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰতিভাবান খেলুৱৈ ওলাই যাব।

মাননীয় উপদেষ্টা শ্ৰীযুত ৰমেন বৰগোহাঁইদেৱে আমাৰ এবছৰীয়া কাৰ্য্যকালত দিহা পৰামৰ্শেৰে সহায় আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহ পৰিচালনা কৰিবলৈ আমন্ত্ৰণ কৰি অনা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ কিৰণ বৰগোহাঁই, মুনীন্দ্ৰ গগৈ আৰু লম্বিত গগৈৰ ত্যাগো মোৰ মানস পটৰ পৰা পাহৰনিয়ে মোচিব নোৱাৰিব।

শেষত এবছৰীয়া কাৰ্য্যকালত হৈ যোৱা জ্ঞাত অজ্ঞাত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

শ্ৰদ্ধাৰে
জয়ন্ত কুমাৰ গগৈ

## ॥ সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতেই সমূহ ছাত্ৰ ছাত্ৰীৰ লগতে অধ্যক্ষ মহোদয়, উপদেষ্টা মহোদয় আৰু শিক্ষাগুৰুসকললৈ ওলগ যাচিলোঁ।

মোৰ কাৰ্য্যকালৰ প্ৰথম কাৰ্য্যসূচীৰূপে মহাবিদ্যালয় সপ্তাহৰ কথা উল্লেখ কৰিব পাৰি। যথেষ্ট অসুবিধাৰ মাজতো ছাত্ৰ-ছাত্ৰীসকলৰ সহায় সহযোগত সপ্তাহৰ দায়িত্ব সুচাৰুভাবে চলাবলৈ সমৰ্থ হওঁ। সেইবিলাকৰ ভিতৰত মহাবিদ্যালয় সপ্তাহৰ তোৰণ নিৰ্মাণ, প্ৰেক্ষাগৃহৰ কাম, খেল পথাৰ আৰু মহাবিদ্যালয়ত চৌহদ চাফাই কৰা, বিভিন্ন প্ৰতিযোগিতা-বিলাকত সহায় কৰা আৰু মহাবিদ্যালয়ত অনুষ্টুপিয়াকৈ অনুষ্ঠিত কৰা সমাজ সেৱা শিবিৰ আদি অন্তৰ্ভুক্ত আছিল। নবাগত আদৰণি সভাৰ সকলো কাৰ্য্য সূচীতে এই বিভাগৰ তৰফৰপৰা সক্ৰিয় অংশ গ্ৰহণ কৰা হয়।

এবছৰীয়া কাৰ্য্যকালৰ ভিতৰত এই বিভাগৰ পুঁজিৰপৰা ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ জিৰণিৰ সুবিধাৰ্থে তিনিখন পকী বেঞ্চ নিৰ্মাণ কৰা হয়। মহাবিদ্যালয়ৰ সমাজ সেৱাৰ সকলো কাম পৰ্য্যবেক্ষণ কৰি শ্ৰীনৱনীত বৰুৱা আৰু শ্ৰীমতী ভাগ্য বড়ালৈ বছৰৰ ক্ৰমে শ্ৰেষ্ঠ সমাজ সেৱক আৰু সমাজ সেৱিকাৰ প্ৰশংসা পত্ৰ আগবঢ়োৱা হয়।

সদো শেষত কাৰ্য্যকালৰ বিভিন্ন ক্ষেত্ৰত হৈ যোৱা মোৰ ভুলৰ বাবে ক্ষমা বিচাৰিছো। লগতে মহাবিদ্যালয়ৰ উন্নতি কামনাৰে চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

শ্ৰদ্ধাৰে
শ্ৰীজিৎ গগৈ।



## ১৯৯৪-৯৫ বৰ্ষৰ উনবিংশতিতম মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত বিভিন্ন বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল

### সাংস্কৃতিক বিভাগ ঃ

বৰগীত ঃ ১ম ঃ হিমাদ্ৰী চেতিয়া।
২য় ঃ পাৰুলমণি পাঞ্চাং
৩য় ঃ মৃদুলা বৰুৱা
নুৰুল মণি পাঞ্চাং

খেয়াল ঃ ১ম ঃ ৰিচা ডেকা
২য় ঃ পাৰুলমণি পাঞ্চাং
৩য় ঃ নুৰুলমণি ॥

ভজন ঃ ১ম ঃ ৰিচা ডেকা
২য় ঃ পাৰুলমণি পাঞ্চাং।
৩য় ঃ নুৰুলমণি পাঞ্চাং।

গজল ঃ ১ম ঃ নুৰুলমণি পাঞ্চাং।
২য় ঃ পাৰুলমণি পাঞ্চাং।
৩য় ঃ ৰিচা ডেকা।
শুভ দাস।

বিহুগীত ঃ ১ম ঃ হিমাদ্ৰী চেতিয়া।
২য় ঃ প্ৰণৱ খনিকৰ।
৩য় ঃ মৃদুলা বৰুৱা।
পাৰুলমণি পাঞ্চাং।

লোকগীত ঃ ১ম ঃ প্ৰণৱ গগৈ।
২য় ঃ হিমাদ্ৰী চেতিয়া।
৩য় ঃ ৰিচা ডেকা।
কণু কামান।

ঐনিতম ঃ ১ম ঃ কণু কামান।
২য় ঃ নুৰুলমণি পাঞ্চাং
৩য় ঃ দিব্য কুমাৰ পেগু।
পাৰুলমণি পাঞ্চাং।

জ্যোতি সংগীত ঃ
১ম ঃ নুৰুলমণি পাঞ্চাং।
২য় ঃ পাৰুলমণি ,,।
৩য় ঃ ৰিচা ডেকা।
ভাস্কৰ গগৈ।

ৰাভা সংগীত ঃ ১ম ঃ পাৰুলমণি পাঞ্চাং।
২য় ঃ নুৰুলমনি পাঞ্চাং।
৩য় ঃ প্ৰজ্বলিতা গোস্বামী।
ডেইজীৰাণী গগৈ।

পাৰ্বতী প্ৰসাদৰ গীত ঃ ১ম ঃ নুৰুলমণি পাঞ্চাং।
২য় ঃ দিতিমণি গগৈ।
৩য় ঃ মৃদুলা বৰুৱা।
পাৰুলমণি পাঞ্চাং।

আধুনিক গীত ঃ ১ম ঃ পাৰুলমণি পাঞ্চাং।
২ম ঃ নুৰুলমণি ,,।
৩য় ঃ হিমাদ্ৰী চেতিয়া।
ভাস্কৰ গগৈ।

সত্ৰীয়া নৃত্য ঃ ১ম ঃ হিমাদ্ৰী চেতিয়া।

বিহু নৃত্য ঃ ১ম ঃ মন্দিৰা কোঁৱৰ।
২য় ঃ প্ৰজ্ঞা গোঁহাই।
নিৰু গগৈ।
৩য় ঃ পলি বৰগোঁহাই আৰু সংগী।
ৰূপামণি চেতিয়া।

ঢোল বাদন ঃ ১ম ঃ অঞ্জু কুমাৰ চেতিয়া।
২য় ঃ প্ৰসেন চুতীয়া।
৩য় ঃ জয়ন্ত কুমাৰ গগৈ।

গগনা বাদন : ১ম : ৰূপামণি চেতিয়া।
২য় : বিবেচিত নহ'ল।
৩য় : অঞ্জু কুমাৰ চেতিয়া।

পেঁপা বাদন : ১ম : প্ৰভাত দাস।
২য় : অঞ্জু কুমাৰ চেতিয়া।

গীতাৰ বাদন : ১ম : বিপুল বৰুৱা ( বলিন )
২য় : দিতুল দুৱৰা ( দুৰ্লভ )
৩য় : হৰিপ্ৰসাদ চুতীয়া।

একক অভিনয় : ১ম : অমিয় কুমাৰ গগৈ।
২য় : ৰূপালী দেৱী।
৩য় : পদমিনী গগৈ।

কৌতুক অভিনয় : ১ম : প্ৰসেন চুতীয়া।
২য় : কণু কামান আৰু সংগী।
৩য় : অমিয় শইকীয়া আৰু সংগী।

একাংক নাট প্ৰতিযোগিতা :
১ম : আত্মসমৰ্পন ( নাট্যকাৰ-শুভ দাস )
২য় : ছন্দিত গদ্যত এপিয়লা মদ্য অথবা এটি পদ্য অথবা নৈবেদ্য।
৩য় : সাঁচি থোৱা কথা।
শ্ৰেষ্ঠ অভিনেতা : অমিয় কুমাৰ গগৈ ( আত্মসমৰ্পন )
২য় ,, ,, দিতুল দুৱৰা ( ছন্দিত গদ্যত ... )
শ্ৰেষ্ঠ অভিনেত্ৰী : জ্যোতি দেৱী দাস।
শ্ৰেষ্ঠ নাট্যকাৰ : শুভ দাস।
শ্ৰেষ্ঠ নাট পৰিচালক—মৃদুল কোঁৱৰ
● শ্ৰেষ্ঠ কণ্ঠ শিল্পী : নুৰুলমণি পাঞেং।
ভেশচন প্ৰতিযোগিতা ( Go as you lilu )
১ম : ভূপেন শইকীয়া
২য় : বিদ্যা বৰগোঁহাই
পবিত্ৰ সোনোৱাল।
৩য় : দিগন্ত চমুৱা।

## সাহিত্য বিভাগ :

জিখিত প্ৰতিযোগিতা :

১। প্ৰবন্ধ : অসমত যুৱছাত্ৰ আন্দোলনৰ প্ৰাসংগিকতা।
১ম : ভূপেন কুমাৰ কোঁৱৰ।
২য় : জিতু কুমাৰ চমুৱা।
৩য় : মিনাক্ষী গগৈ।

২। গল্প :
১ম : পদমিনী গগৈ।
২য় : পংকজ বৰুৱা।
৩য় : জিতু কুমাৰ চমুৱা।

৩। কবিতা :
১ম ! শুভ দাস
২য় : ৰাজেন্দ্ৰ বৰুৱা
৩য় : জিতু কুমাৰ মূচৰা

৪। একাংক নাট পাণ্ডুলিপি
১ম : শুভ দাস
২য় : } নাকচ কৰা হ'ল।
৩য় : }

৫। ৰম্য ৰচনা : উপযুক্ত বিবেচিত নহ'ল।

ৰং আৰু তুলিকা : ( নতুন সংযোজন )

১। বেটুপাত : ভূপেন কুমাৰ কোঁৱৰ (উদ্‌গনি)

২। স্কেচ্ : ১ম : ভূপেন কুমাৰ কোঁৱৰ
২য় : বিবেচিত নহ'ল
৩য় : জিতু কুমাৰ চমুৱা

মঞ্চত অনুষ্ঠিত প্ৰতিযোগিতা :

১। বক্তৃতা ( নতুন সংযোজন ) : একবিংশ শতিকাৰ দুৱাৰ দলিত অসমৰ শিক্ষা ব্যৱস্থা : এটি সমীক্ষা
১ম : ৰাজু ভূঁঞা
২য় : নীলোৎপল দেৱগোস্বামী
৩য় : ৰাজেন্দ্ৰ বৰুৱা
জিতু দত্ত।

২। অসমীয়া কবিতা আবৃত্তি :
১ম : অপৰূপা বৰুৱা
২য় : গীতিমণি বৰগোঁহাই
৩য় : অমিয় কুমাৰ গগৈ।

ইংৰাজী কবিতা আবৃত্তি :
১ম : পদ্মনাথ পায়েং
২য় : অপৰূপা বৰুৱা
৩য় : জিতু দত্ত।

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী : শুভ দাস।

স্নাতক তৃতীয় বৰ্ষ বুৰঞ্জী বিভাগ।



মাননীয় বিচাৰক মণ্ডলী :
১। শ্ৰীযুতা তিলোওমা গগৈ
২। শ্ৰীযুত জয়চন্দ্ৰ হাজৰিকা
৩। ,, প্ৰদীপ গগৈ
৪। ,, সুকুমাৰ ফুকন।

তৰ্ক আৰু আলোচনা বিভাগ

ক) তৰ্ক প্ৰতিযোগিতা :
১ম : মিনাক্ষী গগৈ।
২য় : মনালিছা গগৈ।
৩য় : জয়ন্ত মাধৱ বৰুৱা

খ) আকস্মিক বক্তৃতা :
১ম : মনালিছা গগৈ
২য় : মিনাক্ষী গগৈ
৩য় : ৰাজু ভূঞা

গ) কুইজ
শ্ৰেষ্ঠ দল :
জয়ন্ত মাধৱ বৰুৱা
ৰাজেন্দ্ৰ কুমাৰ বৰুৱা
শুভ দাস
ৰাজকুমাৰ দত্ত
২য় : প্ৰণৱ কুমাৰ বৰুৱা
ৰাজু কুমাৰ ভূঞা
অনিলেখ গগৈ
জিতু দত্ত।

## ছাত্ৰ জিৰণি কোঠা :

ছাত্ৰ জিৰণি কোঠা—

কেৰম :
একক : চেম্পিয়ন—হৰি প্ৰসাদ দুৱৰী
ৰাণচি আপ—লীলা চাংমাই
দ্বৈত : চেম্পিয়ন : প্ৰশান্ত চুতীয়া
ভূপেন কুমাৰ গগৈ
ৰাণাৰ্চ আপ : হৰি প্ৰসাদ দুৱৰী
লীলা চাংমাই
মিক্স ডাব্‌ল : চেম্পিয়ন : ভূপেন কুমাৰ গগৈ
ইলা বৰা
ৰাৰ্ণাচ আপ : প্ৰশান্ত চুতীয়া
অপৰূপা বৰুৱা

বেডমিণ্টন :
একক :
চেম্পিয়ন : ৰাজকুমাৰ দত্ত
ৰাৰ্ণাচ আপ : ৰাজেন্দ্ৰ কুমাৰ বৰুৱা
দ্বৈত : চেম্পিয়ন : ৰাজকুমাৰ দত্ত
ৰাজেন্দ্ৰ কুমাৰ বৰুৱা
বাৰ্ণাচ আপ : লক্ষীপথ পেগু।
পিংকু পেগু।

টেবুল টেনিচ :
একক : চেম্পিয়ন : ৰাজকুমাৰ দত্ত।
ৰাৰ্ণাচ অপ : দ্বিবন পাতিৰি।
দ্বৈত : চেম্পিয়ন : ৰাজ কুমাৰ দত্ত।
ভূপেন কুমাৰ গগৈ।
ৰাৰ্ণাচ আপ : অপূৰ্ব গগৈ
ভাস্কৰ ফুকন
মিক্স ডাব্‌ল :
চেম্পিয়ন : ৰাজকুমাৰ দত্ত
অপৰূপা বৰুৱা
ৰাৰ্ণাচ আপ : ডেভিড গগৈ
জ্যোৎস্না গগৈ
ডবা :
চেম্পিয়ন : ইন্দ্ৰ কুমাৰ চুংক্ৰাং
ৰাৰ্ণাচ আপ : দেবজিৎ গগৈ
শ্ৰেষ্ঠ খেলুৱৈ : ৰাজ কুমাৰ দত্ত।

## ছাত্ৰী জিৰণি কোঠা :

১। কেৰম :
একক : চেম্পিয়ন : ৰূপৰেখা কোঁৱৰ।
ৰাৰ্ণাচ আপ : ৰিংকু বৰুৱা।
দ্বৈত : চেম্পিয়ন : ৰূপৰেখা কোঁৱৰ।
স্বপালী কোঁৱৰ।
ৰাৰ্ণাচ আপ : পলিশ্ৰী পেগু।
কল্পনা শইকীয়া।

২। টেবুল টেনিচ :
একক : চেম্পিয়ন : জ্যোৎস্না গগৈ।
ৰাৰ্ণাচ আপ : অপৰূপা বৰুৱা।
দ্বৈত : অনুষ্ঠিত নহ'ল।

৩। বেডমিন্টন ঃ

একক : চেম্পিয়ন : পলিশ্ৰী পেগু।
ৰৰ্ণাচ আপ : প্ৰজ্ঞা বুঢ়াগোঁহাই।

দ্বৈত : চেম্পিয়ন : পলিশ্ৰী পেগু।
প্ৰজ্ঞা বৰগোঁহাই।

ৰাৰ্ণাচ আপ : দিভিমণি গগৈ।
ৰিংকু বৰুৱা।

মিশ্ৰ দ্বৈত ( Mis Double ) : প্ৰথম বাৰৰ বাবে অনুষ্ঠিত হয়)
চেম্পিয়ন : শ্ৰীমতী প্ৰজ্ঞা বুঢ়াগোঁহাই
শ্ৰীৰাজেন্দ্ৰ কুমাৰ বৰুৱা।
ৰাৰ্ণাচ আপ : শ্ৰীমতী পলিশ্ৰী পেগু।
শ্ৰীলক্ষীনাথ পেগু।

৪। ডবা : চেম্পিয়ন : মীনাক্ষী গগৈ।
ৰাৰ্ণাচ আপ : বিদ্যা বৰগোঁহাই।

৫। ৰিং :

একক : চেম্পিয়ন : জুলী গগৈ।
ৰাৰ্ণাচ আপ : বিংকু চাংমাই।
দ্বৈত : চেম্পিয়ন : বিংকু চাংমাই।
পপী সন্দিকৈ।
ৰাৰ্ণাচ আপ : মামণি বৰুৱা।
জুলী গগৈ।
শ্ৰেষ্ঠা খেলুৱৈ : পলীশ্ৰী পেগু।

## ক্ৰীড়া বিভাগ ঃ

১০০ মিটাৰ দৌৰ— ( ল'ৰা শাখা )

১ম— শ্ৰীঅদিত মানিকীয়াল।
২য়— ,, মহেন্দ্ৰ দুৱৰা।
,, যোগেশ চুতীয়া।
৩য়— ,, ভূপেন শইকীয়া।

( ছোৱালী শাখা )

১ম— শ্ৰীমতী স্বাধীনা বৰুৱা।
২য়— ,, কণি গগৈ।
৩য়— ,, লক্ষী গোহাঁই।

২০০ মিটাৰ দৌৰ— ( ল'ৰা শাখা )

১ম— শ্ৰীযোগেশ চুতীয়া।
২য়— ,, মহেন্দ্ৰ দুৱৰা।
৩য়— ,, দিলীপ কুমাৰ কোঁৱৰ।

( ছোৱালী শাখা )

১ম— শ্ৰীমতী স্বাধীনা বৰুৱা।
২য়— ,, মিতালী দাস।
৩য়— ,, বিদ্যা গোহাঁই।

৪০০ মিটাৰ দৌৰ— ( ল'ৰা শাখা )

১ম— শ্ৰীবিপিন ৰাজখোৱা।
২য়— ,, ত্ৰিদিপ শইকীয়া।
৩য়— ,, মহেন্দ্ৰ দুৱৰা।
,, লক্ষী কুটুম।

( ছোৱালী শাখা )

১ম— শ্ৰীমতী মিতালী দাস।
২য় — ,, পপী সন্দিকৈ।
৩য়— ,, স্বাধীনা বৰুৱা

৮০০ মিটাৰ দৌৰ— ( ল'ৰা শাখা )

১ম— শ্ৰীবিপিন ৰাজখোৱা।
২য়— ,, ভূপেন শইকীয়া।
৩য়— ;, মহেন্দ্ৰ দুৱৰা।

( ছোৱালী শাখা )

১ম—শ্ৰীমতী মিতালী দাস।
২য়— ,, স্বাধীনা বৰুৱা।
৩য়— ,, জুনুমণি সন্দিকৈ।

১৫০০ মিটাৰ দৌৰ— ( ল'ৰা শাখা )

১ম— শ্ৰীবিপিন ৰাজখোৱা।
২য়— ,, অৰবিন্দ চেতিয়া।
৩য়— ,, মণিকান্ত দলে।
,, দিলীপ কুমাৰ কোঁৱৰ।

( ছোৱালী শাখা )

১ম— শ্ৰীমতী মিতালী দাস।
২য়— ,, বিদ্যা গোহাঁই।
৩য়— ,, স্বাধীনা বৰুৱা।
,, জুনুমণি সন্দিকৈ।

খোজ কঢ়া— ( ল'ৰা শাখা )

১ম— শ্ৰীমহেন্দ্ৰ দুৱৰা।
২য়— ,, ভূপেন শইকীয়া।
৩য়— ,, দিলীপ কুমাৰ কোঁৱৰ।



( ছোৱালী শাখা )

অনুষ্ঠিত নহ'ল।

খট পুট দলিওৱা— ( ল'ৰা শাখা )

১ম— শ্ৰীভূপেন শইকীয়া।
২য়— ,, বিদ্যা দলে।
৩য়— ,, ৰিদীপ পেগু।

( ছোৱালী শাখা )

১ম— শ্ৰীমতী জুনুমণি সন্দিকৈ।
২য়— নাই।
৩য়— নাই।

ডিচ্ কাচ্ দলিওৱা— ( ল'ৰা শাখা )

১ম— শ্ৰীভূপেন শইকীয়া
২য়— ,, বিদিপ পেগু।
৩য়— ,, ত্ৰিদিপ শইকীয়া।

( ছোৱালী শাখা )

ম— শ্ৰীমতী মিতালী দাস।
য়— ,, মঞ্জু কোঁচ।
য়— ,, স্বাধীনা বৰুৱা।

জেভেলিন দলিওৱা— ( ল'ৰা শাখা )

ম— শ্ৰীভূপেন শইকীয়া।
য়— ,, যোগেশ চেতীয়া।
য়— ,, অদিত মানিকীয়াল।

( ছোৱালী শাখা )

ম— শ্ৰীমতী কমী কোঁচ।
য়— ,, অণু পাতিৰ।
য়— ,, জুনুমণি সন্দিকৈ।

দীঘল জাম্প— ( ল'ৰা শাখা )

— শ্ৰীমৃদুল বৰুৱা।
— ,, কবুল গগৈ।
— ,, মহেন্দ্ৰ দুৱৰা।

( ছোৱালী শাখা )

— শ্ৰীমতী মন্দিৰা কোঁৱৰ।
— ,, স্বাধীনা বৰুৱা।
— ,, কণি গগৈ।

ওখ জাম্প— ( ল'ৰা শাখা )

— শ্ৰীকবুল গগৈ।
— ,, মহেন্দ্ৰ দুৱৰা।
— ,, প্ৰণৱজ্যোতি গগৈ।

( ছোৱালী শাখা )

১ম— শ্ৰীমতী মঞ্জু কোঁচ।
,, স্বাধীনা বৰুৱা।
২য় — ,, মন্দিৰা কোঁৱৰ।
,, মিতালী দাস।
৩য়— নাই।

প'ল ভল্ট— ( ল'ৰা শাখা )

১ম— শ্ৰীমহেন্দ্ৰ দুৱৰা।
২য়— ,, ভূপেন শইকীয়া।
৩য়— ,, কবুল গগৈ।

মাৰাঠান দৌৰ— ( ল'ৰা শাখা )

১ম— শ্ৰীনিত্যা কোঁৱৰ।
২য়— ,, কবুল কোঁৱৰ।
৩য়— ,, প্ৰদীপ গগৈ।
৪ৰ্থ— ,, মণিকান্ত দলে।
৫ম— ,, অৰবিন্দ চেতীয়া।
৬ষ্ঠ— ,, মহেন্দ্ৰ দুৱৰা।
৭ম— ,, ইন্দিবৰ দাস।
৮ম— ,, টেনিচন পেগু।
৯ম— ,, অদিত মানিকীয়াল।
১০ম— ,, বিপিন ৰাজখোৱা।
১১দশ— ,, লক্ষী কুটুম।

চেম্পিয়ন ভলীবল দলৰ খেলুৱৈ সকল

১। শ্ৰীসুৰেন চেতীয়া।
২। ,, ভূপেন শইকীয়া।
৩। ,, যোগেশ চুতীয়া।
